গুৰুদেৱ কালিচৰণ ব্ৰহ্ম

## অনুবাদকৰ একাষাৰ

ওঁ পূৰ্ণ পৰমব্ৰহ্ম জ্যোতি:স্বৰূপায় নমো: নম:



ড: অজিত বড়োৰ দ্বিতীয় সংস্কৰণ গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্ম জীৱনী পুথিখন বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অতি সহজ সৰল শব্দ বাক্যৰে অনুবাদ কৰা হল। আশা কৰো অসমীয়া ভাষাত প্ৰকাশিত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্ম জীৱনী পুথিখন সকলোৱে পঢ়িব আৰু অতি আদৰৰে গ্ৰহণ কৰিব।

মানৱ জাতীৰ কল্যানৰ হকে গুৰুজনাই বলিষ্ঠ পদক্ষেপৰ দ্বাৰা প্ৰাণ আহুতি দি যি বহুমুলীয়া আদৰ্শ আৰু অৱদান আমাৰ মাজত দি গল ইয়াৰ অনুকৰণৰ যোগেদি মহানুভৱতাৰ পৰিচয় দিয়াটোহে প্ৰত্যেকজন শ্ৰেষ্ঠ মানৱৰ প্ৰকৃত কৰ্ম।

উল্লেখনীয় এই যে লিখক ড: অজিত বড়োৰ প্ৰকাশিত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্ম জীৱনী আৰু পৰম পূজ্য গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্ম জীৱনীৰ ওপৰত মোৰ কলমৰ আচ বহুৱাবলৈ কোনো অধিকাৰ নাই যদিও জাতী, বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলোৰে কল্যাণৰ বাবে অজানিতে হৈ যোৱা ভূল ক্ৰুটি বোৰৰ ক্ষমা বিচাৰি বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰিলো। লগতে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ত্ৰাষ্টে ইয়াক চপা কৰি উলিৱাবলৈ হাতত লোৱাত নথৈ সূখী হৈছো যদিও ট্ৰাষ্টৰ ওচৰত মই চিৰঋণী হৈ থাকিম।

তদুপৰি গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্ম জীৱনীখন বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অতি কম সময়ৰ ভিতৰত ডি.টি.পি কৰোতে হৈ যোৱা ভূল ক্ৰুটিৰ বাবেও মই **সহজ অৰুনোদয় কেন্দ্ৰ, দৈমালু গহপুৰৰ** হৈ ক্ষমা প্ৰাৰ্থনা মাগিলো। লগতে আশা কৰিলো ভূল ক্ৰুটিবোৰ আঙুলিয়াই দিলে নথৈ কৃতাৰ্থ হম। কৃপাহি কেৱলম। ইতি।

চেচাবালি

২০-১০-২০১৬ শ্ৰী বীৰেন বসুমতাৰী

# গুৰুদেৱ কালিচৰণ ব্ৰহ্ম

(দ্বিতীয় সংস্কৰণ)

২০১৭

প্ৰকাশক--

**গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট**

*লিখক-*

**অজিত বড়ো**

**Gurudev Kalicharan Brahma:** - A biography of Gurudev Kalicharan Brahma, a great social reformer, preacher of Brahma religion, greater leader, philosopher written by Ajit Boro and published by Gurudev Kalicharan Brahma Trust.

2nd Edition: 2017

© Right reserved by the author

Published by-
Gurudev Kalicharan Brahma Trust.

over title:
Photograph of Gurudev

Price:

**ddress r mmunicatin:**

Email: ajitjiuyahoo.com

**গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট**

সভাপতি
**ৰখেশ্বৰ ব্ৰহ্ম**
উপ সভাপতি
**নজৰেন্দ্ৰ বসুমতাৰী**
সম্পাদক
অজিত বৰ'
সহ সম্পাদক
**লাচিত বসুমতাৰী**
সদস্যসকল
**ফতেন্দ্ৰ বসুমতাৰী**
**কামাখ্যা ব্ৰহ্ম**
**বিৰাজ মোহন বসুমতাৰী**
**বিজন কুমাৰ ব্ৰহ্ম**
**জতিন্দ্ৰ ব্ৰহ্ম**
**নিলিমা ব্ৰহ্ম**
**মলেন্দ্ৰ ওৱাৰী**
উপদেস্তা
**সদৰসিং ব্ৰহ্ম**
**অমৰেন্দ্ৰ ব্ৰহ্ম**
**যোগেশ্বৰ ব্ৰহ্ম**
**বুদ্ধদেব নাজাৰী**

Printed at: **M/S. Ruphati Printers,** R.N.B. Road, Kokrjahar

# দ্বিতীয় সংস্কৰণৰ দুআষাৰ ..................

বড়ো সম্প্ৰদায়ক সভ্যৰূপে, সঠিক আদৰ্শবাদি জাতি গঠনত নিজস্ব জীৱনক উৰ্চ্ছগা কৰা, সংকল্পৱাদি কৰ্ম সংস্কৃতিবান, সভাব চৰিত্ৰত শুদ্ধ আৰু পৱিত্ৰ, সুচিন্তাবিদ গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বাবাৰ জীৱনী আৰু বড়ো সমাজক দি যোৱা প্ৰভাৱৰ ওপৰত গ্ৰন্থ আকাৰে ৰচিত কৰি ৰখাটোৱে প্ৰকৃত উঠি অহা প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হব বুলি মই ভাবো।

ঈশ্বৰক জীৱ-জন্তু বলি দি সেৱা কৰা (জৌনি পুখুৰী, ঔংখামনি আলি, বেদৰনি আখাই) "মদৰ পুখুৰী, ভাতৰ আলি, মাংসৰ থালি" পখৰা-যোজনা বিধিৰে বিয়া পতা, সাওৰী সকাম, শ্ৰাদ্ধ ইত্যাদি সামাজিক আৰু ধৰ্ম, উৎসৱ পাৰ্ব্বন পালন কৰাৰ ক্ষেত্ৰত বিভিন্ন সম্প্ৰদায় সকলে বড়ো সকলোক ঘিন কৰিব ধৰিছিল। অৰ্থনৈতিক দিশত পিচ-পৰা, বেপাৰ-বাণিজ্য আৰু অৰ্থ সংঞ্চয় কৰিব নেজানিছিল। ৰাজনৈতিক ক্ষেত্ৰতো অনান্য সম্প্ৰদায়ৰ বেয়া প্ৰলোভনৰ বাবে বিভিন্ন সুযোগ-সুবিধাৰ পৰা বঞ্চিত হব লগা পৰিছিল। সেই সময়ত শিক্ষাৰ দিশত বড়ো সম্প্ৰদায়টো অতিকৈ পিছ পৰা আছিল। সেইবোৰক সংস্কাৰৰ বাবে গুৰুদেৱে বড়ো সংস্কৃতিৰ ৰক্ষাৰ প্ৰচেষ্টা কৰিছিল; সেই সম্বন্ধে "বড়ো পাণ্ডলিপি" পুথিখনত থকা আৰু ছাইমন কমিছনাৰক প্ৰদান কৰা স্মাৰক পত্ৰখনৰ মাধ্যমেৰে স্পষ্টভাৱে প্ৰকাশ পাইছে।

প্ৰথম খণ্ডত প্ৰকাশ কৰা "গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু বড়ো সমাজত ইয়াৰ প্ৰভাৱ" নামৰ কিতাপখন দ্বিতীয় খণ্ডত সংযোজন কৰি এই গ্ৰন্থখনকে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম নামেৰে প্ৰকাশ কৰা হ'ল। এই কিতাপখন দ্বিতীয় খণ্ড হিচাবে প্ৰকাশ পোৱাত গুৰুদেৱে সংকলন কৰা "বড়োৰ পাণ্ডুলিপি"ৰ সকলো বিষয় সমূহক সন্নিবিষ্ট কৰা হৈছে। ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ প্ৰধান অধ্যক্ষ যোগেশ্বৰ ব্ৰহ্ম বাবাৰ সংকলন "উপাসনাৰ বিধি" আৰু ব্ৰহ্ম ধৰ্ম্ম সমিতিৰ বৰ্তমানৰ ইতিহাসৰ সমন্ধে এই গ্ৰন্থখনত উল্লেখ কৰা হৈছে। আশা কৰো এই দ্বিতীয় সংস্কৰন খণ্ডৰ মাধ্যমেৰে পঢ়ুৱৈ সকলো অন্তৰত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ দৰ্শনৰ বাৰ্তা প্ৰকাশ পাব আৰু আগলৈ মোক অনুপ্ৰেৰণা যোগাই থাকিব।

লিখক--
আই / বাবাসকলোৰ বিশ্বাসী
**অজিত বড়ো**

# সূচীপত্ৰ


| বিষয় | পৃষ্ঠা |
|---|---|
| ১. গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ দৰ্শন | ১ |
| ২. গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ জন্ম (ইং ১৮৬০) | ৫ |
| ৩. গুৰুদেৱৰ বাল্য কাল | ৬ |
| ৪. গুৰুদেৱৰ শিক্ষাগ্ৰহন | ৭ |
| ৫. গুৰুদেৱৰ গাৰ্হস্থ্য জীৱন (ইং ১৮৭৫) | ৯ |
| ৬. গুৰুদেৱৰ জন্ম গাওঁ | ১০ |
| ৭. বড়ো সমাজৰ প্ৰতি চিন্তাচৰ্চ্চা | ১২ |
| ৮. গুৰুদেৱৰ ধৰ্ম্মীয় মত | ১৭ |
| ৯. সাৰনিত্য ক্ৰিয়া কিতাপ সমন্ধে (ইং ১৯০৫) | ১৮ |
| ১০. শিৱনাৰায়ণ স্বামীক সাক্ষৎকাৰ (ইং ১৯০৫) | ১৯ |
| ১১. ব্ৰহ্ম তত্ব সমন্ধে | ২২ |
| ১২. ব্ৰহ্ম ধৰ্ম্মত দীক্ষা গ্ৰহন (ইং ১৯০৫) | ২৫ |
| ১৩. গুৰুদেৱৰ বাথৌ ধৰ্ম্মীয় মতামত (ইং ১৯০৫) | ২৭ |
| ১৪. বৈনাগুৰীৰ বড়ো সকলে শৰণীয়া হবলৈ বিচৰা (বাং ১৩১২) | ২৯ |
| ১৫. বড়ো সকলৰ ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন (ইং ১৯০৬) | ৩০ |
| ১৬. গুৰুদেৱৰ প্ৰথম পুৰুহিতৰ দ্বায়িত্ব (ইং ১৯০৮) | ৩৩ |
| ১৭. গুৰুদেৱৰ প্ৰথম ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য (ইং ১৯০৮) | ৩৪ |
| ১৮. কোকৰাঝাৰত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৩৫ |
| ১৯. তেজপুৰত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৩৮ |


**ওঁ**

## সদৌ ব্ৰহ্ম ধৰ্ম প্ৰচাৰ সংসদ

### শুভেষ্যা বাণী



**প্ৰতি,**

**শ্ৰীবীৰেন বসুমতাৰী, গহপুৰ (অসম)**

**শ্ৰদ্ধা ভাজনেষু বাবা,**

'ব্ৰহ্মধৰ্ম' প্ৰৱৰ্ত্তক আৰু সমাজ সংস্কাৰক মানৰ সমাজৰ পথ প্ৰদৰ্শক, গুনী, জ্ঞানী, আধ্যাত্মিক জ্ঞানৰ উপদেষ্টা সমদৰ্শী 'পৰমহংস' শ্ৰীশ্ৰী কালিচৰণ ব্ৰহ্ম গুৰুদেৱৰ আত্ম জীৱনী গ্ৰন্থখন পৰ্য্যাপ্তৰূপে তথ্য সম্বলীত বড়ো ভাষাত মাননীয় ড০ অজিত বড়ো দেৱে ইং ২০০৫ চনত অশেষ কষ্টৰ মাজেদি লিখি উলিয়াই গহপুৰ আঞ্চলিক ব্ৰহ্ম ধৰ্ম লাইসি আফাদক প্ৰচাৰ কৰিবলৈ গটাই দিয়ে। তেখেতে লিখা গুৰুদেৱৰ জীৱনীখনক গহপুৰ আঞ্চলিক ব্ৰহ্ম ধৰ্ম অমৃত লাইসি আফাদে চপা কৰি উলিয়াই প্ৰচাৰ কৰা হয়। বড়ো ভাষাত গুৰুদেৱৰ জীৱনীখন বড়ো ভাষাৰ পৰা অসমীয়া ভাষাত প্ৰচাৰ হলে অসমীয়া ভাষী সূধী বৃন্দৰ বহুত উপকাৰ সাধিব বুলি আশা আগত ৰাখি মাননীয় শ্ৰীবীৰেন বসুমতাৰী বাবায় এইখন জীৱনী গ্ৰন্থক অসমীয়া ভাষাত অনুবাদ কৰা হৈছে। অসমৰ পিচপৰা সমাজ আৰু অসমীয়া ভাষী সূধী বৃন্দৰ অনেক উপকাৰ হব বুলি মই নিজেও আশা কৰিছোঁ। শ্ৰীবীৰেন বসুমতাৰী বাবালৈ মোৰ আন্তৰিক ধন্যবাদ জাছিলোঁ।

ইতি-

সেৱাৰে

শ্ৰীযোগেশ্বৰ ব্ৰহ্ম

প্ৰধান প্ৰচাৰক

সদৌ ব্ৰহ্ম ধৰ্ম প্ৰচাৰ সংসদ

তাং ২-১১-২০১৬ ইং

## কৃতজ্ঞতা স্বীকাৰ

গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্ম জীৱনী পুথিখন বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰোঁতে পুথিখনিত চকু ফুৰাই চাই নানা দিহা পৰামৰ্শ দিয়া আৰু সহায় কৰা বন্ধুবৰ ৰহেন বসুমতাৰী, প্ৰাক্তন সভাপতি গহপুৰ আঞ্চলিক ব্ৰহ্ম ধৰ্ম সমিতি আৰু সুনীৰাম বসুমতাৰী, সভাপতি গহপুৰ আঞ্চলিক ব্ৰহ্ম ধৰ্ম লাইসি আফাৎ বাবা সকলৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰিলো।

অনুবাদক

# গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট সভাপতি একাষাৰ

গুৰুদেৱ কালিচৰণ ব্ৰহ্ম চমুজীৱনী লেখক ড০ অজিৎ বড়োৰ পূৰ্ব্ব একাশিত কিতাপ খন বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদক শ্ৰীযুত বীৰেন্দ্ৰ চন্দ্ৰ বসুমতাৰী, পুনঃ কিতাপখন প্ৰকাশ কৰিবলৈ যো-জা ইতিমধ্য কৰা হৈছে।

মহাপুৰুষৰ জীৱনী লিখি উলিওৱা সাধাৰণ ব্যক্তিৰ বাবে সম্ভৱ নহয়। মহাপুৰুষৰ বাণী এখন ধৰ্মপুথিৰ সমান। 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্মদেৱৰ মানৱ-সেৱা, আদৰ্শত জীৱনদৰ্শনে সকলো পুৰ্ব্বত্তৰ ভাৰত ভাষা-সংস্কৃতি সম্প্ৰীতি এনাজৰি সুদৃঢ় কামনা কৰিছোঁ। অসমীয়া ভাষাত গ্ৰন্থখনৰ নাটনি আঁতৰ কৰাৰ বাবে অনুবাদক ও লেখক দ্বয়কলৈ অশেষ কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল।

অৱশেষত, গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট তৰপৰ পৰা সম্পাদন কৰি উলিওৱাৰ বাবে বন্ধুবৰ **সদৰসিং ব্ৰহ্ম** (ৰৌতা), **যতিন্দ্ৰ ব্ৰহ্ম, জয়ন্ত কছাৰী** (কোকৰাঝাৰ), **নিৰঞ্জন ব্ৰহ্ম** (কাজিগাঁও) এখেত সকলোলৈ আন্তৰিক ধন্যবাদ থাকিল।

**শ্ৰী ৰখেশ্বৰ ব্ৰহ্ম**
সভাপতি,
'গুৰুদেৱ' কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট
খাৰঘূলি, গুৱাহাটী-৪
তাং- ৭-১-২০১৭

গুৰুদেৱ কালিচৰণ ব্ৰহ্ম


| বিষয় | পৃষ্ঠা |
|---|---|
| ২০. দৰং জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৩৯ |
| ২১. উত্তৰ কামৰুপ জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৪০ |
| ২২. ডিব্ৰুগড় জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য (ইং ১৯১৪-১৫) | ৪১ |
| ২৩. লক্ষীমপুৰ জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৪২ |
| ২৪. দক্ষিন গোৱালপাৰাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৪৩ |
| ২৫. বৰপেটা জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৪৩ |
| ২৬. পশ্চিম বেংগলত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য | ৪৪ |
| ২৭. গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ বন্ধুবৰ্গ সকল | ৪৫ |
| ২৮. সমাজ সংস্কাৰৰ প্ৰতি চিন্তা-চৰ্চ্চা | ৪৯ |
| ২৯. বড়ো সকলৰ **ব্ৰহ্ম উপাধি** লিখা (ইং ১৯১২) | ৫০ |
| ৩০. বড়ো সকলৰ বাবে শিক্ষাৰ অগ্ৰাধিকাৰ | ৫২ |
| ৩১. বড়ো ছাত্ৰ সংগঠন গঠন (ইং ১৯১২) | ৫৫ |
| ৩২. বড়ো ছাত্ৰ সন্মিলনৰ প্ৰথন বাৰ্ষিক অধিবেশন (ইং ১৯১৯) | ৫৬ |
| ৩৩. বড়ো ছাত্ৰ সন্মিলনৰ দ্বিতীয় বাৰ্ষিক অধিবেশন | ৫৮ |
| ৩৪. বড়ো ছাত্ৰ সন্মিলনৰ তৃতীয় বাৰ্ষিক অধিবেশন | ৬০ |
| ৩৫. সদৌ অসম বড়ো ছাত্ৰ সংগঠনৰ অধিবেশন (ইং ১৯২৫) | ৬০ |
| ৩৬. 'বিবাৰ' আলোচনী চপা কৰি উলিওৱা (ইং ১৯২৪) | ৬১ |
| ৩৭. বড়ো মহাসন্মিলন অনুস্থিত কৰা (ইং ১৯২১) | ৬২ |
| ৩৮. দ্বিতীয় বড়ো মহাসন্মিলনৰ সভা অনুস্থিত কৰা হয় (ইং ১৯২৫) | ৬৫ |
| ৩৯. তৃতীয় বড়ো মহাসন্মিলনৰ সভা অনুস্থিত কৰা (ইং ১৯২৯) | ৬৬ |

| বিষয় | পৃষ্ঠা |
|---|---|


৪০. বড়ো সকলৰ পাণ্ডুলিপি গঠন (ইং ১৯৩৪) ৭০

৪১. বড়ো সমাজ সংস্কাৰ কৰিবলৈ বিভিন্ন সংগঠন গঠন ৯৬

৪২. মহিলা সমিতি গঠন ৯৬

৪৩. যুৱ সমিতি আৰু বড়ো সন্মিলনি গঠন ৯৮

৪৪. গুৰুদেৱৰ অৰ্থব্যৱস্থাৰ প্ৰতি পদক্ষেপ ১০০

৪৫. ব্ৰহ্ম কোম্পানি খোলা সম্পৰ্কে (ইং ১৯১২) ১০০

৪৬. গাৱ উন্নয়ণ সমিতি গঠন (ইং ১৯২৫) ১০১

৪৭. উইভিং চেন্টাৰ খোলা (ইং ১৯২৫) ১০২

৪৮. কৃষক সমিতি গঠন (ৰায়ত সভা) (ইং ১৯২৩) ১০২

৪৯. গুৰুদেৱৰ ৰাজনৈতিক সম্পৰ্কে মত ১০৪

৫০. চাইমন কমিচনাৰক মেমৰেণ্ডাম দাখিল কৰা (ইং ১৯২৯) ১০৬

৫১. গুৰুদেৱৰ মহাত্মা গান্ধীক সাক্ষাৎকাৰ (ইং ১৯২৬) ১১৭

৫২. গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু অসমীয়া ভাষা ১১৯

৫৩. ব্ৰহ্ম বৰ্ডিং নিৰ্মান ১২০

৫৪. গুৰুদেৱৰ আচৰ্য্যজনক গুণসমূহ ১২৩

৫৫. গুৰুদেৱৰ মৃত্যু (ইং ১৯৩৮) ১২৬

৫৬. সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম সমিতি গঠন (ইং ১৯৭৫) ১৩২

৫৭. উপাসনা নীতি গঠন (সিবিনায় নেম) ১৩৬

৫৮. পাৰমাৰ্থিক ক্ৰিয়া (মনুষ্যৰ কৰিব লগীয়া প্ৰধান কৰ্ম্ম) ১৩৩

৫৯. যজ্ঞ কি? ১৪২


গুৰুদেৱ কালিচৰণ ব্ৰহ্ম

| বিষয় | পৃষ্ঠা |
|---|---|


৬০. "সূৰ্য্য নাৰায়ণ " অগ্নিত কিয় আহুতি দিব লাগে? ১৪৩

৬১. যজ্ঞাহুতিৰ ফল ১৪৩

৬২. মূখ পত্ৰ "দি ব্ৰহ্ম" প্ৰকাশ (ইং ২০০৭) ১৪৫

৬৩. গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বটা (ইং ২০০৯) ১৪৫

৬৪. গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বটা (ইং ২০১৪) ১৪৬

৬৫. সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতি (ইং ২০০০) ১৪৬

৬৬. যুৱ সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য ১৪৮

৬৭. সদৌ ব্ৰহ্ম ধৰ্ম্ম মহিলা সমিতি গঠন (ইং ২০০২) ১৫১

৬৮. গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ উপদেশ সমুহ ১৫২

দিবলৈ আৰু সমাজ সংস্কাৰ কৰিবলৈ শিক্ষা অতি আৱশ্যক।

**৬। ঈশ্বৰ এজন (God is one)** :- গুৰুদেৱে বিশ্বাস কৰিছিল ঈশ্বৰ এজন আৰু তেওৱেই হল " ব্ৰহ্ম "। ব্ৰহ্মাৰ অৰ্থ হল মাটি, পানী, অগ্নি, বায়ু, আকাশ, চন্দ্ৰমা আৰু সূৰ্য্য। ব্ৰহ্মাই হল ব্ৰহ্মাণ্ডৰ গুৰি আৰু সৃষ্টিকৰ্তা। ব্ৰহ্মাণ্ডৰ সকলো জীৱ জন্তু, মানুহ আদি ব্ৰহ্মাৰ পৰাই উৎপত্তি আৰু ব্ৰহ্মাই সৃষ্টিকৰ্তা, পালণকৰ্তা, সংহাৰকৰ্তা, ব্ৰহ্মাই সৰ্বেৰ্বসৰ্বা। গুৰুদেৱৰ মতে ঈশ্বৰেই সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰকৰ্তা। প্ৰতেক ধৰ্ম্মৰ প্ৰত্যেকজন ব্যক্তিয়েই ঈশ্বৰৰ সন্তান।

মানুহৰ মন ঈশ্বৰৰ এক অবিচ্ছেদ অংগ আৰু ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীল। ঈশ্বৰেই মানুহৰ জ্ঞান, বুদ্ধি, শক্তি আৰু শান্তিৰ হৰ্তাকৰ্তা।

গুৰুদেৱে কৈছিল আমি সকলোৱে সত্যক উপাসনা কৰিব লাগে কিন্তু নিজ হাতেৰে নিৰ্মিত ঈশ্বৰৰ ৰূপ দি উপাসনা কৰাত কেতিয়াও সত্য জ্ঞান উদয় নহয়। সেয়েহে গুৰুদেৱে মুৰ্ত্তি পূজা, পাথৰ পূজা বৃক্ষ পূজা বিশ্বাস কৰা নাছিল।

**৭। আত্মা মুক্তি (Emaneipation of soul)**- গুৰুদেৱে কৈছে মানুহে আত্মাক সদায় পবিত্ৰ ভাৱে ৰখা উচিত। মানুহৰ শৰীৰ মাটি, পানী, অগ্নি, বায়ু আৰু আকাশৰে গঠিত আৰু মৃত্যুৰ পিচত শৰীৰৰ প্ৰত্যকটো অংগই ঈশ্বৰৰ প্ৰত্যেকটো অংগৰ লগত মিলি যায় কিন্তু আত্মাৰ মৰণ নাই, ই অজৰ, অমৰ, নিত্য স্বাসত। আত্মাক পবিত্ৰ ভাৱে ৰাখিব পাৰিলেই সকলোৱে প্ৰতি প্ৰেম জন্মিব, নিজে সংস্কাৰ মূখী হোৱাৰ উপৰি ইয়াৰ প্ৰভাৱ সমাজ ব্যৱস্থাৰ ওপৰত পৰিব। প্ৰত্যকজন ব্যক্তিয়েই ঈশ্বৰ পৰায়ণ হব আৰু মুক্তি লাভ কৰিব।

আত্মাক পবিত্ৰ কৰি ৰাখিবলৈ সত্যৰ পূজাৰী, সৎ কৰ্ম্ম, সত্য কথা আৰু সৎ চিন্তাশীল হব লাগিব। ধন টকা পইছা এইবোৰ মাত্ৰ জীয়াই থকাৰ আধাৰ, মৃত্যুৰ পিচত লগত নাযায়। কিন্তু আত্মাক সুখ শান্তিৰে ৰখাটোহে



# গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ দৰ্শন

## (Philosophy of Gurudev)

পৃথিৱীৰ সকলো প্ৰখ্যাত ব্যক্তি সকলৰ ভিতৰত প্ৰায় কিছু সংখ্যক ব্যক্তিয়েহে নিজৰ জীৱন সাৰ্থক আৰু নৈতিকতাৰ দ্বাৰা ব্যক্তিত্ব বিকাশ কৰাৰ লগতে প্ৰশংসনীয় হোৱাৰ উপৰিও অমৰত্ব লাভ কৰিব পাৰে। যেনে- মহাত্মা গান্ধী, স্বামী বিবেকানন্দ, শংকৰদেৱ, ৰবিন্দ্ৰনাথ ঠাকুৰ, ৰাজা ৰাম মোহন ৰায়, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম আদি। তেওঁলোকৰ ভিতৰত গুৰুদেৱ কালিচৰণ ব্ৰহ্ম অন্যতম। নিজস্ব ধন সম্পত্তি সকলো ত্যাগ কৰি গুৰুদেৱে সমাজ সেৱাৰ কামত প্ৰাণ উচৰ্গা দিছিল। আজি এই মহৎত্বপূৰ্ণ নিদৰ্শন আমাৰ সকলোৰে বাবে এক বহুমুলীয়া অৱদান হৈ থাকিল আৰু থাকিব। গুৰুদেৱে সমাজৰ কাৰণে কৰি যোৱা কৰ্ম্ম সমুহ বিশ্লেষণ কৰি চালে ইয়াৰ তাৎপৰ্য্যসমুহ জনা যায়। গুৰুদেৱৰ জীৱন দৰ্শন তলত আলোচনা কৰা হল।

**১। সকলোৰে প্ৰতি সমদৰ্শী (Equal love for all)**:- বাল্যকালৰ পৰাই গুৰুদেৱে সকলোৰে লগত মিলিজুলি থাকিবলৈ ভাল পাইছিল আৰু সকলোকে সমানে প্ৰেম কৰিছিল। সভা সমিতি সমুহত তেওঁ সকলোকে সমানে প্ৰেম কৰিবলৈ নিজৰ বক্তিতাৰ যোগেদি অনুৰোধ কৰিছিল। তেখেতৰ মতে সকলোৱে একে জন ঈশ্বৰৰ সন্তান সেয়েহে আমি সকলোৱে সহায় সহযোগীতাৰে জীৱন যাপন কৰিব লাগে। সকলো জীৱ জন্তুসমুহৰ প্ৰতিও দয়ালু হোৱা উচিত। জীৱ-জন্তুসমুহৰো আত্মা আছে আৰু জীয়াই থকাৰ অধিকাৰ আছে। সেয়েহে গুৰুদেৱে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যৰ যোগেদি কুকুৰা, গাহৰি পোহা আৰু বলি দিয়া নীতি ত্যাগ কৰিবৰ কাৰণে অনুৰোধ জনাইছিল।

**২। উন্নয়ণৰ দিশত (Progressiveness)**:- গুৰুদেৱে কৈছিল

এই দুৰ্লভ মানৱ জীৱন পৃথিৱীৰ মায়াৰ কৰাল গ্ৰাসত বশৱতী হৈ থকাই মাত্ৰ নহয় সমাজৰ বাবে হিতসাধন কৰাটোহে জীৱনৰ লক্ষ্য হোৱা উচিত। শিক্ষা অবিহনে সমাজৰ উন্নয়ণ সম্ভৱ নহয়। অজ্ঞতাই আছিল বড়ো সমাজ পিচ পৰি থকাৰ প্ৰকৃত কাৰণ। সেয়েহে গুৰুদেৱে সমাজ উন্নয়ণৰ ক্ষেত্ৰত শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিছিল। তেও বড়ো সমাজৰ কাৰণে বহুতো উন্নয়ণ মূলক কাম কৰিছিল।

**৩। সত্যৰ অন্বেষক (Seeker after truth)**:- গুৰুদেৱ কালিচৰণ ব্ৰহ্ম এজন সত্যৰ অন্বেষক আছিল। সমাজৰ দুৰ্নীতি ঘোচখোৱা, জীৱ জন্তু বলি দি ঈশ্বৰ উপাসনা কৰা, ব্যক্তি স্বাৰ্থৰ হকে কাম কৰা বোৰ তেও ভাল নাপাইছিল আৰু এইবোৰৰ পৰা সদায় আতঁৰি আছিল। চিকাৰ কৰাটো গুৰুদেৱৰ এক অভ্যাস আছিল যদিও কালক্ৰমত সত্যৰ অন্বেষণত ইয়াক ত্যাগ কৰিবলৈ বাধ্য হয়। তেও চিন্তা কৰি পাইছিল যে, প্ৰত্যকজন ব্যক্তিৰ হৃদয়ত সদায় সত্যৰ প্ৰতি ভাৱনা, সত্য আদৰ্শ, সত্য কথা আৰু প্ৰকৃত লক্ষ্য থকা উচিত। সত্যই আত্মা মুক্তিৰ পথ, সেয়েহে সত্যৰ প্ৰতি আকৃষ্ট হোৱা উচিত। আত্মা মুক্তিয়েই হল দুৰ্লভ মনুষ্য জন্মৰ প্ৰকৃত লক্ষ্য। গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ মতে প্ৰকৃত সত্য ধৰ্ম্ম গ্ৰহন আৰু সেৱা, উপাসনাৰ দ্বাৰা সৎ স্বভাৱ চৰিত্ৰ গঠন, আদৰ্শবাদী আৰু মুক্তি লাভ কৰিব পাৰে।

**৪। আদৰ্শ সমাজ গঠণ (Ideal Society)**:- ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যৰ যোগেদি গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বড়ো সমাজত প্ৰচলিত (জৌনি পুখুৰী, ঔংখামনি আলি, বেদৰনি আখাই) "মদৰ পুখুৰী, ভাতৰ আলি, মাংসৰ থালি" এই নীতিক সমাপ্ত কৰিবলৈ চেষ্টা চলাইছিল। আদৰ্শ সমাজ গঠণ কৰাটো গুৰুদেৱৰ এক সপোন আছিল। গুৰুদেৱৰ মতে সমাজৰ অন্ধ বিশ্বাস, ভ্ৰষ্টাচাৰ, অৰ্থনৈতিক সমস্যা, সামাজিক সমস্যা আৰু ৰাজনৈতিক সমস্যাবোৰৰ পৰা দুৰত থকা উচিত। সেইকাৰণে গুৰুদেৱে বিদ্যালয় স্থাপণ কৰা, বয়ন শিল্প স্থাপণ কৰা, কাঠৰ বেপাৰ আদিৰ ওপৰত অধিক গুৰুত্ব দিছিল। গুৰুদেৱে



ভূত-প্ৰেট পূজা বিশ্বাস কৰা নাছিল। আৰু পিতৃৰ পূজা তলিত বলি বিধান নীতি পৰিহাৰ কৰিবলৈ আহবান জনাইছিল। জাতীয় কলা সংস্কৃতি সংগঠণ গঠণ কৰিছিল, মদ বনোৱা, বলি প্ৰথা বন্ধ কৰিছিল। নাৰী হৰণ কৰি বিবাহ সম্পন্ন কৰা প্ৰথা বন্ধ কৰিছিল আৰু বড়ো সকলক 'ম্লেচ' জাতি হিচাপে ঘোষণা কৰাৰ পৰা ৰক্ষা কৰি ব্ৰহ্ম উপাধি লিখাইছিল। অপৰাধী জাতি হিচাপে বৃটিচ চৰকাৰৰ দ্বাৰা ঘোষনা কৰাৰ পৰা ৰক্ষা কৰিছিল। গুৰুদেৱে বড়ো জাতিক এক বৈশিষ্টপূৰ্ণ জাতি হিচাপে গঢ় দিব বিচাৰিছিল।

**৫। জীৱনত শিক্ষাৰ আৱশ্যকতা (Importance of Education in life)**:- গুৰুদেৱ কালিচৰণ ব্ৰহ্মই কৈছিল শিক্ষা অবিহনে মানৱ জীৱন সাৰ্থক নহয়। সেয়েহে শিক্ষা প্ৰত্যেকজন ব্যক্তিৰ জীৱনৰ এক অবিচ্ছেদ অংগ। কিন্তু অতি পৰিতাপৰ বিষয় এইযে সেই সময়ত বিদ্যালয়ৰ অভাৱত গুৰুদেৱে নিজে পূৰ্ণাংগ শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল। তথাপি সমাজৰ কাৰণে শিক্ষা ব্যৱস্থাৰ হকে বহুতো কাম কৰি থৈ গৈছে। সমাজৰ প্ৰতেকজন ব্যক্তিয়ে যাতে শিক্ষা গ্ৰহণ কৰি স্বাৱলম্বী হব পাৰে তাৰ কাৰণে গুৰুদেৱে সদায় মাত মাতি আহিছিল।

গুৰুদেৱে নিজেই Chief Commissioner Mr. Archdale Earle ক লগ ধৰি বড়ো সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে যাতে শিক্ষাৰ পোহৰ পাব পাৰে তাৰ কাৰণে বিদ্যালয় স্থাপণ কৰিবলৈ অনুৰোধ জনাইছিল আৰু গুৰুদেৱৰ অনুৰোধ ক্ৰমে যথেষ্ট বিদ্যালয় স্থাপন কৰা হৈছিল। তদুপৰি অনেক ভকেশ্বনেল আৰু প্ৰফেচনেল কেন্দ্ৰ, যেনে বয়ন শিল্প, কাঠৰ বেপাৰ আদি গুৰুদেৱে স্থাপণ কৰিছিল। ইয়াৰ পৰা আমি জানিব পাৰো যে, সমাজ সংস্কাৰ ক্ষেত্ৰত তেও শিক্ষাক প্ৰাধাণ্য দিছিল। শিক্ষাৰ অভাৱতে বড়ো সমাজত অনেক কু-সংস্কাৰ আৰু দুচিন্তায় গা কৰি উঠিছিল আৰু একাংশ বড়ো সকলে নিজস্ব জাতি, কলা সংস্কৃতি ত্যাগ কৰি অন্য জাতি কলা সংস্কৃতিলৈ ৰূপান্তৰিত হৈছিল। সেয়েহে গুৰুদেৱে কৈছিল নিজকে এজন সৎ ব্যক্তি হিচাপে গঢ়

ৰাখিছিল। ইয়াৰ উপৰিও অন্য সময়ত বীৰনাৰায়ণে কাঠৰ চালান কটা কাম কৰিছিল। সেই সময়ত কাঠৰ বেপাৰ গোৱালপাৰা জিলাৰ বড়ো সকলৰ প্ৰধান বেপাৰ আছিল। ব্ৰহ্মপুত্ৰৰ বুকুয়েদি এই কাঠ সমুহ বেংগল, বিহাৰ, কলকাতা, ঢাকা আদি ঠাইত বিক্ৰী কৰি টকা পইছা উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল।

বীৰনাৰায়ণে গুৰুদেৱ কালিচৰণক ঘৰতে লিখিবলৈ, পঢ়িবলৈ আৰু অংক কৰিবলৈ দুবছৰ সময় শিকাইছিল। এনেদৰে গুৰুদেৱ কালিচৰণে প্ৰাথমিক শিক্ষা টিপকাই প্ৰাথমিক বিদ্যালয়ত পঢ়ি অৰ্জন কৰিছিল। ইয়াৰ পিছত গুৰুদেৱে ১৮২৫ চনত স্থাপিত লাউদঙা অঞ্চলৰ পুথিমাৰী চৰকাৰি মজলীয়া বিদ্যালয়ত নাম ভৰ্ত্তি কৰে। বিদ্যালয়খন ঘৰৰ পৰা দুৰৈত অৱস্থিত হেতুকে গুৰুদেৱ কালিচৰণে লাউদঙা গাঁৱৰ জিনাৰাম মেচ নামৰ এজন ধনী মানুহৰ ঘৰত থাকি পঢ়িছিল। পঢ়ি থকা সময়ত, কালিচৰণক কেতিয়াও দেখি নোপোৱাৰ দৰে গাঁৱৰ মানুহবোৰে জাক পাতি চাবলৈ আহিছিল। সেই সময়ত কালিচৰণ ওখ, শকত আবত, ধুনীয়া আৰু স্বাস্থ্যবান আছিল। সেই সময়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি কম আছিল। এনে অৱস্থাত গুৰুদেৱ কালিচৰণে চতুৰ্থ শ্ৰেনী উত্তীৰ্ন হোৱাৰ পিচতে শিক্ষা জীৱনৰ ওৰ পেলায়। একান্ত বাধ্য আৰু সৎ স্বভাৱ চৰিত্ৰৰ কাৰনে ছাত্ৰ অৱস্থাত গুৰুদেৱে শিক্ষাগুৰু সকলৰ পৰা যথেষ্ট মৰম পাইছিল। তেওঁৰ ধৈৰ্য্য শীলতা, নম্ৰতা আৰু একাগ্ৰতা স্বভাৱে শিক্ষক সকলৰ অন্তৰ জয় কৰিছিল। গুৰুদেৱে বাল্যকালতে শিক্ষা জীৱন সমাপ্ত কৰিছিল যদিও এলেহুৱা আৰু অসৎ আচৰণৰ ফালে ঢালখোৱা নাছিল। সম্ভৱ তেওঁৰ মনত এক মহানুভৱতাই বেঢ়ি ধৰিছিল যেহেতু শিক্ষা অবিহনে সম্ভৱ অথবা সেই সময়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি তেওঁ সন্তুষ্ট নাছিল। ঘৰত থাকিয়েই দেউতাকক কাঠৰ বেপাৰ আৰু খেতি বাতি কৰাত সহায় কৰিছিল। তথাপি গুৰুদেৱৰ সেই মহানুভৱতাক তেওঁৰ মন আৰু স্বভাৱ চৰিত্ৰই স্পষ্টভাৱে সকলোকে ইংগিত দিছিল। ধৰ্ম্মীয় দিশত সেই সময়ত প্ৰচলিত বাথৌ ধৰ্ম্মকে গুৰুদেৱে উপাসনা কৰিছিল।



আত্মাৰ প্ৰকৃত কৰ্ম্মহোৱা উচিত। গুৰুদেৱে কৈছিল পৃথিৱী বিখ্যাত ব্যক্তি যেনে বুদ্ধদেৱ, স্বামী বিবেকানন্দ আদি ব্যক্তি সকলে সকলো সমস্যা ত্যাগ কৰি শান্তি আৰু মুক্তিৰ হকে ঈশ্বৰ সেৱা কৰিছিল। তেওঁ নিজস্ব ধন সম্পত্তি সকলো বিসৰ্জন দি ঈশ্বৰ সেৱা, সমাজ সংস্কাৰ আদি কামত ব্ৰতী হৈছিল। গুৰুদেৱে সমাজ সেৱাৰ যোগেদি বড়ো সমাজক সংস্কাৰ মুখী কৰিবলৈ সক্ষম হৈছিল। সঁচাকৈয়ে তেওঁ আমাৰ গুৰু আৰু প্ৰকৃত পথ পদৰ্শক।

# গুৰুদেৱৰ কালিচৰণ ব্ৰহ্মৰ জন্ম
# (ইং ১৮৬০)

গুৰুদেৱ কালিচৰণ ব্ৰহ্ম (কালিচৰণ মেচ) ইং ১৮৬০ চনৰ ১৮ এপ্ৰিল (বাংলা- ১২৬৭) চনৰ ৫ বহাগ) ৰাতিপুৱা ৩ বজাত জন্ম হৈছিল। অসমৰ গোৱালপাৰা জিলাৰ ধুবুৰী থানাৰ অন্তৰ্গত থকা এখন ওখোৰা-মেখুৰা পাহাৰীয়া পৰ্বতজোৰা কাজিগাওঁত 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্মৰ জন্ম হৈছিল। তেখেতৰ দেউতাকৰ নাম খৌলা মেচ আৰু মাতৃৰ নাম ৰন্দিনী মেচ। 'গুৰুদেৱ'ক লাউজং বৌৰাই আৰু লাম্থা বৌৰাই বুলি জনা গৈছিল। নিজৰ ঘৰত দেৱতুল্য শিশু জন্ম হোৱাত খৌলা মেচে ৰাতিপুৱা আৰু গধুলিত সদায় বাথৌ পূজা কৰিছিল। এদিনাখন ৰন্দিনী মেচে নিজৰ গৰ্ভৰ সন্তান প্ৰসৱ হোৱাৰ অনুমান পায় গিৰিয়েক খৌলা মেচক জনায় এই কথা জনাৰ লগে লগে খৌলা মেচে গাঁৱৰ বুঢ়ী সকলক নিজৰ ঘৰলৈ মাতি আনে কাৰণ সন্তান প্ৰসৱ হলে বুঢ়ী সকলে যতন লোৱাটো বড়ো সমাজৰ নীতি আছিল।

ৰাতিপুৱা ৩.০০ বজাৰ লগে লগে ৰন্দিনী মেচে এটি লৰা সন্তান জন্ম দিয়ে। সেই সময়ত খৌলা মেচে বাথৌ পুজা কৰিআছিল। সন্তান প্ৰসৱৰ খবৰ

পায় খৌলা মেচে ইশ্বৰ উপাসনা কাৰ্য্য সমাপ্ত কৰে আৰু ঈশ্বৰৰ প্ৰসাদ সকলোৰে মাজত বিতৰণ কৰে। লৰা সন্তান জন্ম হোৱাত খৌলা মেচ আনন্দিত হৈছিল আৰু ঈশ্বৰৰ প্ৰতি সেৱা জনাইছিল। প্ৰকৃতিৰ নতুন ৰূপ, নতুন বছৰ, ঘোৰ অন্ধকাৰ ৰাতিৰ শিতল জোনাকৰ পোহৰ, দোকমোকালিৰ নিৰ্জন সময়ৰ মাজতে লৰা সন্তান আৰ্বিভাৱে, খৌলা মেচৰ মন, গৃহ আৰু গাৱৰ পৰিবেশ এক আনন্দমূখৰ হৈ পৰিছিল। প্ৰকৃততে সেই দিন আমাৰ বাবে এক বিস্ময়কৰ আছিল। গুৰুদেৱৰ জন্ম প্ৰকৃততে বড়ো সকলৰ বাবে এক সৌভাগ্যপূৰ্ণ দিশ। নৰজাত লৰা সন্তানৰ আৰ্বিভাৱ যে, ঈশ্বৰৰ এক মহান দান খৌলা মেচ আৰু ৰন্দিনী মেচ দুয়ো পিতৃ-মাতৃ হৈ অতি সহজে অনুমান পাইছিল। নৰজাতক লৰা সন্তানটিৰ নাম কি ৰখা হব, এই বিষয়ে খৌলা মেচ আৰু ৰন্দিনী মেচৰ মাজত কথোপকথন হল আৰু সন্তানটিৰ নাম থবলৈ সিদ্ধান্ত কৰিলে। অৱশেষত লৰা সন্তানটিৰ নাম "কালিচৰণ মেচ" ৰখা হল আৰু কালিচৰণ মেচৰ পৰাই গুৰুদেৱ কালিচৰণ ব্ৰহ্ম নামে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰক আৰু বড়ো সমাজ সংস্কাৰক ৰূপে পৰিচিত হল।

## গুৰুদেৱৰ বাল্য কাল

বাল্য কালত 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্ম এজন সহজ সৰল, শকত আবত আৰু চিন্তাশীল ব্যক্তি আছিল। তেখেতৰ হাত দুখন আৰু হাতৰ আঙুলিবোৰ মহাত্মা গান্ধীৰ দৰে দীঘল আছিল, হাত দুখন ভৰিৰ আঠু পাৰ হোৱা। গুৰুদেৱৰ মুখ মণ্ডল অতি ধুনীয়া, দীঘল দুপাৰি গালৰ অস্থি ওখ, চকু সোমোৱা, নাক দীঘল, সুস্থ শৰীৰ, সবল খোজৰ গতি, কৰ্ম্মী আৰু গভীৰ চিন্তাশীল ব্যক্তি আছিল। সমনীয়া আৰু বন্ধুবৰ্গৰ সংগত থাকি তেওবৰ ভাল পাইছিল।



গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ এজন ভাতৃ আছিল নাম মধুৰাম মেচ আৰু দুজনী বাইয়েক আছিল নাম ১) মেন্দি মেচ আৰু ২) আৎখুৰ মেচ। গুৰুদেৱৰ ঘৰৰ আৰ্থিক অৱস্থা যথেষ্ট সবল আছিল। মুঠ ২৫০ বিঘা মাটি, হাতী আৰু চৰকাৰী বন্দুক আছিল। হালোৱা ৰুৱনীৰে (বনুৱা) ভৰপুৰ আনন্দময় গৃহ, নদন-বদন শস্যৰে পৰিপূৰ্ণ, কাঠৰ মজবুট বেপাৰ ঘৰৰ হাতীক কোন্দা টনা, চিকাৰ কৰা আদি কামত ব্যৱহাৰ কৰা হৈছিল। দুখীয়া, মগনীয়া নিঃসহায় আদি ব্যক্তিক সহায় কৰাটো গুৰুদেৱৰ প্ৰকৃত ধৰ্ম্ম আছিল।

## গুৰুদেৱৰ শিক্ষা গ্ৰহন

'গুৰুদেৱ' কালিচৰণ এজন মেধাৱী লৰা আছিল। মনৰ একাগ্ৰতা আৰু তীক্ষ্ণতাৰ বাবে দেউতাকে কালিচৰণক পঢ়োৱাবলৈ সিদ্ধান্ত লৈছিল যদিও দুখৰ বিষয় সেই সময়ত কাজিগাঁৱত এখনো বিদ্যালয় নাছিল। ঘৰৰ পৰা নিলগত দুই এখন বিদ্যালয় আছিল যদিও অটব্য অৰণ্য আৰু যাতায়াতৰ অসুবিধা কাৰণে কালিচৰণক শিক্ষা গ্ৰহনৰ বাবে নাতি দুৰৈত পঠাব পৰা নাছিল। সৌভাগ্যক্ৰমে এদিন বীৰনাৰায়ণ সৰকাৰ নামৰ এজন ব্যক্তি কাম বিচাৰি কাজিগাঁৱত আহিছিল। তেওঁ কাঠ কটাৰ চালান লিখা এজন নিপূণ ব্যক্তি আছিল। চালান লিখি পোৱা টকা পইছাই তেওৰ আৰ্থিক সমস্যা সমাধান কৰিব নোৱাৰাত অন্য কৰ্ম্মৰ সন্ধান বিচাৰি আহিছিল। বীৰনাৰায়ণ সম্পূৰ্ন শিক্ষিত ব্যক্তি নহলেও প্ৰাথমিক বিদ্যালয়ৰ বিষয়বোৰ নিয়াৰিকৈ পঢ়োৱাব পৰা অভিজ্ঞতা আছিল। সেই সময়ত বীৰনাৰায়ণ চৰকাৰ কাঠৰ হিচাব ভাল দৰে জানিছিল কাৰণে মানুহে তেওক সৰকাৰ বুলি কৈছিল।

খৌলা মেচে বীৰনাৰায়ণক লগ ধৰিছিল আৰু কালিচৰণক পঢ়োৱাবৰ কাৰণে মাহিলী ৩.০০ টকা দৰমহা দি বেচৰকাৰি শিক্ষক হিচাপে ঘৰতে

# বড়ো সমাজৰ প্ৰতি চিন্তাচৰ্চ্চা

পৰিৱৰ্ত্তন আৰু সংস্কাৰ প্ৰকৃতিৰ নীতি। গুৰুদেৱ কালিচৰণৰ মনটো দিনক দিনে পৰিৱৰ্ত্তন হৈ আহিছিল। তেওঁ চিন্তা কৰি পাইছিল টকা পইছা উপাৰ্জনৰ দ্বাৰা ধনী হৈ জীৱন যাপন কৰায় মানৱ জাতীৰ জীৱনৰ প্ৰকৃত লক্ষ্য নহয়। সমাজৰ কল্যান সাধন কৰাটোহে জীৱনৰ মহান উদেশ্য।

সেই সময়ত বড়ো সকলৰ সমাজ ব্যৱস্থাৰ ওপৰত গুৰুদেৱৰ দৃষ্টি গোচৰ হৈছিল আৰু গভীৰভাৱে চিন্তা কৰিছিল। সেই সময়ত বড়ো সকল অতি নীচ ঘৃণানীয় নীতিৰে জীৱন যাপন কৰিছিল আৰু সকলোৱে ঘৃণাৰ চকুৰে চাইছিল। অৰ্থনৈতিক ব্যৱস্থা, শিক্ষা ব্যৱস্থা, ধৰ্ম্মীয় ব্যৱস্থা, ৰাজনৈতিক প্ৰত্যেকটো বিষয়ত বিশৃংখলতাই দেখা দিছিল। এইবোৰৰ অন্তৰালত থকা অৰ্ন্তনিহীত কাৰণবোৰ জানিবলৈ গুৰুদেৱে আপ্ৰাণ চেষ্টা কৰিছিল। বড়ো সকল প্ৰকৃততে বাথৌ উপাসক, বাথৌ পূজাৰী সকলে খোৱা-বোৱাতে ব্যস্ত আছিল আৰু তেওলোকৰ তত্বাৱধানতেই সমাজখন চলিছিল। কুকুৰা, পাৰ বলি দি দেৱতা উপাসনা কৰিছিল আৰু মাংসবোৰ পূজা তলিতে মদৰ লগত খায় আনন্দ উপভোগ কৰিছিল। নদন-বদন ভাত, মদ, মাংস নীতিৰে দেৱতা উপাসনা কৰিছিল।

সমাজ আৰু ঘৰৰ প্ৰতিটো কামত মদ, মাংস নহলে নহৈছিল। সন্তান প্ৰসৱৰ সময়ত গৰ্ভৱতী মাতৃক আলপৈচান লওতে আৰু প্ৰসৱ হোৱাৰ পিচতো গাওঁৰ বুঢ়ি সকলক মদ, মাংস দিব লগীয়া হৈছিল। শুচি (দৈ চাৰনায়) সকামতো ভাত, মদ আৰু মাংস দিব লগীয়া হৈছিল। কন্যা চাবলৈ যাওতে এটা গাহৰি মাৰি মাজতে ফালি দুভাগ কৰিছিল আৰু এফাল দৰায় মদৰ সৈতে ভাৰকৰি কন্যাৰ ঘৰত নিব লগীয়া হৈছিল। কন্যা সম্পৰ্কে আলোচনা কৰাৰ



# গুৰুদেৱৰ গ্ৰাৰ্হস্থ্য জীৱন (ইং ১৮৭৫)

গুৰুদেৱ কালিচৰণে ১৫ বছৰ বয়সতে বিয়া পাতিছিল। বাল্য বিবাহক সেই সময়ৰ সমাজে স্বীকৃতি দিছিল কাৰণে তেওক পিতৃ-মাতৃ আৰু সমাজৰ কোনো ব্যক্তিয়ে বাধা দিয়া নাছিল। অন্য প্ৰকাৰে ইয়াৰ কাৰণ এনেকুৱা হব পাৰে যে, কালিচৰণে গুৰুদেৱ হবৰ কাৰণে বাল্য কালতেই বিয়া পাতিব লগীয়া হল। যেনে- মহাত্মা গান্ধীয়ে ১৩ বছৰ বয়সত বিয়া পাতিছিল, শঙ্কৰদেৱ ২১ বছৰ বয়সত বিয়া পাতিছিল। এনেকৈয়ে পৃথিৱীৰ বহুতো গুনী জ্ঞানী ব্যক্তি সকলে বাল্য কালতেই বিয়া পতাৰ উদাহৰণ আছে।

গুৰুদেৱ কালিচৰণেও ১৫ বছৰ বয়সতে ইং ১৮৭৫ চনত খনশ্ৰী মেচ নামৰ এজনী সুন্দৰী যুৱতীৰ সৈতে বিয়া হৈছিল। সময়ৰ গতিত খনশ্ৰী মেচৰ গৰ্ভত দুটি ছোৱালী জন্ম হৈছিল, দুজনীৰ এজনীৰ নাম দন্দি (বায়েক) আৰু আনজনী নলিনি (ভনীয়েক)। এই দুজনী ছোৱালীৰ পৰিৱৰ্ত্তে খনশ্ৰী মেচৰ গৰ্ভত আৰু অন্য সন্তান প্ৰসৱহোৱা নাছিল। অন্যহাতেদি গুৰুদেৱ কালিচৰণে মনত দুখ প্ৰকাশ কৰিছিল কাৰণ তেওঁ ইয়াৰ উপৰিও সন্তান বিচাৰিছিল। অৱশেষত তেওঁ সতিনী লোৱাৰ সিদ্ধান্ত কৰিলে। আনপিনে গুৰুদেৱৰ পিতৃ-মাতৃয়েও দুটি সন্তান জন্ম হোৱাত অসন্তোষ্টি হৈছিল। সেয়েহে গুৰুদেৱে নিজৰ আৰু পিতৃ-মাতৃৰ ইচ্ছা পূৰণৰ হেতুকে দ্বিতীয় পত্নী বিয়া পাতিব লগীয়া হল। দ্বিতীয় পত্নীৰ নাম ওপাচি মেচ, তাই কাজিগাঁৰৰ নিবাসী নাওকা মেচৰ জীয়েক আছিল। ওপাচি মেচৰ গৰ্ভত মুঠ পাঁচজন লৰা-ছোৱালী জন্ম হৈছিল, তিনি জন লৰা আৰু দুজনী ছোৱালী। সিহঁতৰ নামবোৰ ক্ৰমে- ১) দেবেন্দ্ৰ ২) চন্দ্ৰ কুমাৰ ৩) কনকলাল ৪) ককাইশ্ৰী আৰু ৫) হিৰনি। পত্নী, পুত্ৰ, কন্যা সকলোকে সাৱটি গুৰুদেৱ কালিচৰণে শান্তিৰে জীৱন যাপন কৰিছিল।

পিতৃ খৌলা মেচৰ মৃত্যুৰ সময়ত গুৰুদেৱ কালিচৰণৰ বয়স মাত্ৰ ৩৫

বছৰ হৈছিল। পিতৃ বিয়োগৰ পিচত ঘৰৰ সকলো বোজা গুৰুদেৱৰ ওপৰত পৰিছিল। কাঠৰ বেপাৰ, খেতি-বাতি, ঘৰৰ সকলো সদস্যৰ লগতে হালোৱা ৰুৱনীৰ (বনুৱা) ওপৰত তত্বাৱধান লব লগা হৈছিল।

পিতৃ বিয়োগৰ পিচত গুৰুদেৱ কালিচৰণে ২৫০ বিঘা মাটি হালোৱা ৰুৱনী লৈ ধান খেতি, শাক-পাচলিৰ খেতি আৰু ফলমুলৰ খেতি কৰি জীৱন নিৰ্বাস কৰিছিল।

বগৰীবাৰি গাৱৰ জমিদাৰৰ পৰা অনুজ্ঞা পত্ৰলৈ গুৰুদেৱ কালিচৰণে পিতৃৰ ইজাৰদাৰৰ দ্বায়িত্ব গ্ৰহণ কৰে। সেই সময়ত ইজাৰদাৰ সকলৰ কাঠ বেচা কিনা কৰাৰ অধিকাৰ আছিল।

অসমৰ বিভিন্ন ঠাইৰ যেনে বেংগল, বিহাৰ আদিৰ বেপাৰী সকল আহি কাঠ বোৰ কিনি নিছিল। দীৰ্ঘদিন ধৰি এই ৰমৰমিয়া কাঠৰ বেপাৰ চলিছিল আৰু আৰ্থিক উপাৰ্জনৰ দ্বাৰা ঘৰৰ সকলো সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছিল।

পিতৃ বিয়োগৰ পিচত তেওঁ কেতিয়াবা কেতিয়াবা বন্ধুক লৈ অকলশৰে হাতীত উঠি আৰু কেতিয়াবা গাঁৱৰ মানুহৰ লগত হৰিণ, গাহৰি চিকাৰ কৰিবলৈ অৰণ্যত গৈছিল। সেই সময়ত গৌৰীপুৰৰ ৰজা প্ৰতাপ নাৰায়ণ বৰুৱা গুৰুদেৱৰ বন্ধু আছিল আৰু দুয়ো কেতিয়াবা কেতিয়াবা হাতীত উঠি অৰণ্যত চিকাৰ কৰিছিল।

## গুৰুদেৱৰ জন্ম গাওঁ


গুৰুদেৱৰ জন্মভুমি কাজিগাঁৰ নামৰ এই গাঁৰখন সেই সময়ৰ গোৱালপাৰা জিলাৰ ধুবুৰী থানাৰ পৰ্ব্বঝৰাৰ পাহাৰীয়া ওখুৰা মখোৰা ঠাইত অৱস্থিত এখন বড়ো গাওঁ। পাহাৰৰ ওপৰত অৱস্থিত অতি সুন্দৰ প্ৰাকৃতিক দৃশ্যৰে ভৰপুৰ এই কাজিগাঁৰ আৰু ইয়াৰ সমতল ভাগ সেউজীয়া শস্যৰে পৰিপূৰ্ণ কৃষি ভুমি।




কাজিগাঁৰৰ কাষেৰে সিস্তি নদীৰ গতি। নদন বদন সেউজীয়া শষ্যৰে পৰিপূৰ্ণ অতি মনমোহা, সিস্তি নদীৰ কাষতে গুৰুদেৱৰ মৈদাম বৰ্ত্তমান কাজিগাঁৰত মুঠ ৮০ ঘৰ ৰাইজ বসবাস কৰি আছে। গুৰুদেৱৰ প্ৰচাৰিত ব্ৰহ্ম ধৰ্ম্মকে সাৰটি একতাৰ দোলেৰে জীৱন যাপন কৰি আছে। গুৰুদেৱৰ নামেৰে কাজিগাঁৰত এখন এম.ভি. স্কুল স্থাপন কৰা হৈছিল। কিন্তু বৰ্ত্তমান এই বিদ্যালয়খন গাঁৰৰ মাজলৈ স্থানান্তৰ কৰি কাজিগাৰ এম.ভি. স্কুল ৰখা হল।

কাজিগাঁৰখন তামোল-পান, নাৰিকল আৰু বিভিন্ন ফল মুলৰে পৰিপূৰ্ণ এখন ধূনীয়া গাওঁ। গুৰুদেৱৰ সময়ত কাজিগাওঁত মাত্ৰ এখন ইটাৰে নিৰ্মিত পানী খোৱা নাদ আছিল, পানীৰ বাবে ৰাইজে শাৰী পাতিব লগীয়া হৈছিল, সেই সময়ত হালোৱা ৰুৱনীক (বনুৱা) বান্দা-বান্দি কোৱা হৈছিল, সিহতক ২০ টকা অথবা ৩০ টকা দিয়া হৈছিল। সেই টকা পৰিশোধ কৰিব নোৱাৰা পৰ্য্যন্ত খাটি থাকিব লাগিছিল আৰু হঠাৎ বিবাহ হলে নিজৰ পৰিবৰ্ত্তে অন্য এজনক থব লগীয়া হৈছিল। ক্ৰমান্বয়ে এই নীতি সমুহৰ পৰিবৰ্ত্তন হল আৰু গাৱৰ পৰিবেশৰো সলনি হল।

বৰ্ত্তমান কাজিগাওঁত গুৰুদেৱৰ সময়তে নিৰ্ম্মিত এখন মন্দিৰ ইং ১৯৬১ চনত নিৰ্মিত্ত ৰাজহুৱা মন্দিৰ, ইং ২০০১ চনৰ ১০ জুনত নিৰ্মিত্ত “শান্তি ভৱন” আৰু ব্ৰঞ্জৰে নিৰ্মিত্ত গুৰুদেৱৰ প্ৰতি মুৰ্ত্তি আছে। বৰ্ত্তমান কাজিগাওঁ অৰ্থাৎ গুৰুদেৱৰ এই পবিত্ৰ জন্ম স্থানক এখন আদৰ্শ পূৰ্ণ আৰু সৌন্দৰ্য্যৰে পৰিপূৰ্ণ মনমোহা গাওঁ হিচাপে গঢ় দিয়াত আমাৰ সকলোৰে দ্বায়িত্ব আছে। গাঁৰৰ সকলো ব্যক্তি আৰু শিক্ষিত সমাজে একত্ৰিত ভাৱে এই দ্বায়িত্ব ভাৰ গ্ৰহন কৰিব লাগিব। গুৰুদেৱৰ আদৰ্শবোৰ জীয়াই ৰাখিবলৈ পৰিয়ালবৰ্গ, ভৱিষ্যৎ প্ৰজন্ম, ৰাইজ আৰু আমি সকলোৱে সজাগতাৰে পালন আৰু আৱশ্যকতাৰ ওপৰত গুৰুত্ব দিব লাগিব। তেতিয়াহে ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিব। বিবাহ, শ্ৰাদ্ধ আদিত মদ, মাছ, মাংস নিষিদ্ধ নীতি উলংঘন কৰিলে গুৰুদেৱৰ আদৰ্শক জীয়াই ৰখাটো এক জটিলতাৰ সন্মুখীন হোৱাটো খাটাং।



গুৰুদেৱক লগপোৱা ধুবুৰী ডি.চি.কৰ্টত চাকৰি কৰা তেখেত গৌৰিকান্ত ব্ৰহ্মৰ লগত লিখকে গুৰুদেৱৰ ওপৰত সাক্ষাৎ কাৰ লোৱা সময়ত (ফটোগ্ৰাফ- ১৯-১১-২০০৪)



বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তেখেত জগেন্দ্ৰ কুমাৰ বসুমতাৰী (গুৰুদেৱক লগপোৱা) তেওঁৰ লগত গুৰুদেৱৰ সমন্ধে লিখকে আলোচনা কৰাৰ সময়ত লোৱা। (ফটোগ্ৰাফ- ১২-১২-২০০৪)



পূৰ্ব্বে ৰাইজক মদ আৰু মাংস দিব লগীয়া হৈছিল অন্যথা কন্যা সমন্ধে কোনো কথায় বাখ্যা কৰিব নোৱাৰিছিল। কন্যা দিয়াৰ সিদ্ধান্তত উপনীত হলে পূনৰ নতুনকৈ মদ, মাংস দিব লগীয়া হয়। বিবাহ কাৰ্য্যৰ নীতি আৰু ৰহস্যময় মদ, ভাত, মাংস খাব পৰাটো খালে, খাব নোৱাৰাটো পেলালে, খায়বৈ কোনেও কাকো চিনি নেপায়, হাই কাজিয়া মাৰপিট চৌদিশে এক হুলস্থুলীয়া পৰিবেশ। শ্ৰাদ্ধ, ভোজকাজ, হাৰীয়া আদি ক্ষেত্ৰতো মদ মাংসৰ উভৈনদী।

সেই সময়ত মদ বনোৱা কাৰ্য্যক ৭ (সাত) টা ভাগত ভাগ কৰিছিল। সেই সময়ত মদৰ শ্ৰেনী বিভাজন সাত প্ৰকাৰে কৰা হৈছিল যেনে- ১) লখ্ৰা ২) দাবখা ৩) লাইশ্ৰী ৪) খাম্থা ৫) দখা ৬) মালদাং ৭) ফিথিখি।

চাৰি পাঁচ দিন আনন্দ উপভোগ কৰিবলৈ হলে ডাঙৰ ডাঙৰ সকাম যেনে বিবাহ কাৰ্য্যত লখ্ৰা, লাইশ্ৰী, ফিথিখি যিকোনো এটা আৱশ্যক আৰু ক্ষন্তেকীয়া তথা দিনটো কাৰ্য্যত দাবখা , খাম্থা, দখা আৰু মালদাং যিকোনো এটা গৃহস্থই দিব লগীয়া হৈছিল।

সুন্দৰী বড়ো গাভৰু সকল মাছ ধৰিবলৈ, বিয়া খাবলৈ, বজাৰ কৰিবলৈ, শাক পাচলি বুটলিবলৈ যাওতে বিপদৰ সন্মুখীন হব লগীয়া হৈছিল। চাবলৈ সকলোতকৈ ধুনীয়া জনীক যুবক সকলে দলে বলে টানি ধৰি, দেখিবলৈ কুচিৎ, নাক চেপেটা, চাপৰ লৰালৈ বলপূৰ্ব্বক ভাৱে বিয়া দিছিল। তদুপৰি মাজ নিশা গৈ চুৰ কৰি অনাৰ নীতি আছিল।

ঘৰৰ কাম কৰা ৰুৱনীক (বনুৱা) বলপূৰ্ব্বক ভাৱে বিয়ালোৱা, সতীনি লোৱা আদি কাৰ্য্যবোৰ সেই সময়ৰ এক উল্লেখনীয় ঘটনা। সম্ভৱ ওপৰত উল্লেখীত কাৰণবোৰৰ বাবেই বড়ো সকল ঘৃণাৰ পাত্ৰ হব লগা হল। গুৰুদেৱৰ চিন্তা ধাৰা মতে সঁচাকৈয়ে এনেবোৰ কাৰনৰ বাবেই বড়ো সকলক প্ৰত্যেকটো জাতি গোষ্ঠীয়ে ঘৃণা কৰিছিল।

বড়ো সকলৰ ভাগ্য ভাল নাছিল কাৰণ অন্য জাতি সম্প্ৰদায়ৰ লোক সকলে বড়ো সকলক তেওলোকৰ ঘৰ ভিতৰত সোমোৱাটো নিষিদ্ধ কৰিছিল,

কাঁহী, বাতি, গিলাছ আদিত ভাত, পানী, চাহ খাবলৈ দিয়া নিষিদ্ধ। হোটেলবোৰত চাহ খাবলৈ দিয়া নিষিদ্ধ, কিবা কাৰণত খাবলৈ দিলেও ব্যৱহৃত কাঁহী, বাতি, গিলাছবোৰ নিজে ধুই পখালি দিব লগীয়া হৈছিল। বড়ো মানুহৰ ছাঁ অন্য জাতি সম্প্ৰদায়ৰ ধান মেলি থোৱাত, কাপোৰ মেলিথোৱাত পৰিলে ধান আৰু কাপোৰ পেলাইদিছিল। অন্য মানুহৰ ঘৰত সোমোৱা আৰু চকীত বহা নিষেধ। এনেদৰে ইং ১৯১৫ চনলৈকে বড়ো সকলক অন্য জাতি সম্প্ৰদায়ৰ লোক সকলে তেওলোকৰ ঘৰ, হোটেলবোৰত সোমোৱাটো নিষিদ্ধ কৰিছিল আৰু চাহ, ভাত খাবলৈ দিয়া নাছিল। চাহ, ভাত খালে নিজে খোৱা কাঁহী, বাতি ধুই পখালি দিব লগীয়া হৈছিল আৰু খোৱা ঠাই টো লিপি দিব লগা হৈছিল। ক্ৰমানুয়ে বড়ো সকলক উচ্চ শ্ৰেনীৰ হিন্দু ব্ৰাহ্মণ সকলে 'ম্লেচ' বুলি কবলৈ ধৰিছিল। ইয়াৰ অৰ্থ হল অস্তিত্বহীন, অসভ্য, অভদ্ৰ ছাগলীৰ দৰে নিলাজ।

বড়ো সকলে যতেই নাযাওক কিয় কুকুৰ ছাগলীৰ দৰে ব্যৱহাৰ পাব লগায়া হৈছিল। এমুঠি ভাতৰ কাৰণে চিন্তা কৰা লাজকুৰিয়া কিছুমানে নিজৰ পৰিচয় 'ম্লেচ' কবলৈ লাজ পাই নিজৰ প্ৰকৃত ভাষা, ধৰ্ম্ম, সমাজ সকলো ত্যাগ কৰি অন্য জাতি সম্প্ৰদায়ৰ লগত পৰিবৰ্ত্তিত হৈ গৈছিল। কিছু সংখ্যক খ্ৰীষ্টিয়ান, ইছলাম আৰু শৰণীয়া হৈ গৈছিল। ইছলাম আৰু খ্ৰীষ্টিয়ান ধৰ্ম্ম গুৰুসকলে প্ৰতেকে প্ৰত্যেকৰ ধৰ্ম্মক বড়ো সকলৰ মাজত সুবিধা মতে প্ৰচাৰ কৰিছিল। যাৰ কাৰণে আজি পৰ্য্যন্ত বড়ো সকলে নিজস্ব ভাষা, সাহিত্য, সমাজক বাদ দি অন্য জাতি সম্প্ৰদায়ৰ লগত মিলি আছে। গোৱালপাৰা জিলাৰ পাণবাৰী অঞ্চলৰ কিছুমান বড়ো মানুহ 'ইছলাম ধৰ্ম্ম' গ্ৰহণ কৰি মুছলীম হৈ আছে। এনেধৰণৰ ব্যতিক্ৰমি সমস্যাবোৰে গুৰুদেৱৰ মনত যথেষ্ট আঘাত দিছিল। তেও চিন্তা কৰিছিল বড়ো জাতিক সংস্কাৰ কৰি তুলিবই লাগিব। এনেধৰনৰ ভাৱধাৰায় গুৰুদেৱৰ মন উৎফুলিত কৰিছিল আৰু বড়ো জাতিক এক নতুন পথেৰে গতি কৰাৰ উপায় উদ্ভাৱনাৰ চেষ্টা চলাইছিল।

গুৰুদেৱে বুজি পাইছিল নদন বদনকৈ মদ, ভাত, মাংস, খোৱা-বোৱা



নীতিৰে ঈশ্বৰ উপাসনা কৰা আৰু সামাজিক কিছুমান কৰ্ম্মই বড়ো সমাজত বিশৃংখলতা সৃষ্টি কৰাটো প্ৰধান কাৰণ। কিছুমান পুৰোহিতে ভূত-প্ৰেত বোৰকে মদ, ভাত, মাংসৰে ঈশ্বৰ বুলি উপাসনা কৰিছিল। মদ, মাংস অবিহনে পূজা নহয় এই নীতি কিছুমান বাথৌ পূজাৰীয়ে ইচ্ছাকৃত ভাৱে গঢ়ি লৈছিল। এনেকৈয়ে বাথৌ উপাসনা নীতিক মুষ্টিমেয় অজ্ঞ পুৰোহিত সকলে বেয়াৰ দিশে আগবঢ়ায় নিছিল আৰু বড়ো সকলক ঘৃণাৰ পাত্ৰ কৰি তুলিছিল। কিন্তু কি উপায়েৰে এই নীতি সমুহ নিশেষ হব ? গুৰুদেৱৰ মনত প্ৰশ্ন উদয় হল। তেও ভাৱিছিল ঈশ্বৰ উপাসনা আৰু ধৰ্ম্ম পালনে জ্ঞানৰ বিকাশ কৰিব লাগিব আৰু ব্ৰহ্মাণ্ডৰ হকে ভাল কাম কৰা হব লাগিব। অন্যহাতেদি বড়ো সকলৰ ভাৱধাৰাবোৰ একেবাৰতে সলনি কৰাটো সম্ভৱ নহয়। কিয়নো সৰহ সংখ্যক বড়ো জনগনই অজ্ঞ আৰু অন্ধবিশ্বাসৰ বলি।

গুৰুদেৱৰ দৃষ্টি গোচৰ হৈছিল কুকুৰা, পাৰ বলি দি দেৱতা সকলক বাথৌ বৌৰাই (বুঢ়া) বুলি উপাসনা কৰাৰ ফলত কোনো ব্যক্তিৰ স্বভাৱ চৰিত্ৰক নিকা কৰিব পৰা নাছিল, সমাজক সংস্কাৰ কৰিব পৰা নাছিল অন্যথা ঘৃণাহে কৰাইছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম এজন মেধাৱী আৰু ধৈৰ্য্যশীল ব্যক্তি আছিল। অৱশেষত গুৰুদেৱে এই তাৎপৰ্য্যসমূহৰ বিষয়ে বন্ধুবৰ্গৰ সৈতে আজি এদিন কালি এদিনকৈ পৰ্য্যালোচনা কৰিবলৈ ধৰিলে।

সেই সময়ত শিৱনাৰায়ণ স্বামীয়ে ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্ম্মীয় অনুষ্ঠান সমুহ ভ্ৰমন কৰিছিল। কাশিনাথ, বদ্রিনাথ, দ্বাৰকা, জগন্নাথ, হৰিদুৱাৰ, শ্ৰীনগৰ, অমৰলিঙ্গ, অমৃতসৰ, আজমিৰ, ৰামেশ্বৰ, পুসকাৰ, তাৰাকেশ্বৰ, কালিঘাট আদি ধৰ্ম্মীয় অনুষ্ঠান সমুহ পৰিভ্ৰমন কৰোঁতে মন্দিৰৰ পুৰোহিত সকলৰ সৈতে ধৰ্ম্মীয় তত্বকলৈ, তৰ্কবাদ হৈছিল। বেদৰ তত্ব অবিহনে তেওঁ কেতিয়াও মাটিৰে নিৰ্মিত্ত মুৰ্ত্তি পূজা বিশ্বাস কৰা নাছিল। তেওঁ অসমৰ বিভিন্ন ধৰ্ম্মীয় অনুষ্ঠানবোৰ ভ্ৰমন কৰিছিল যেনে কামাখ্যা মন্দিৰ, শিৱসাগৰ জিলাৰ মুক্তিনাথ আদি। সেই সময়ত গোৱালপাৰা জিলাৰ বগৰিবাৰিত থকা মহামায়া ধামলৈগৈছিল। মহামায়া ধামত 'পৰমহংস' শিৱনাৰায়ণ স্বামী অহাৰ কথা গম পাই গুৰুদেৱে মহামায়াতে লগ ধৰিবলৈ সিদ্ধান্ত লৈছিল। মহামায়া ধামৰ পৰা গুৰুদেৱৰ জন্ম স্থানলৈ বেছি দুৰত্ব নাছিল। এই সুযোগতে বগৰিবাৰি চাহ বাগানৰ দেৱান আৰু ৰানী জ্ঞান্দা দেৱী নামে পুৰুষ, তিৰোতাৰ সহযোগত শিৱনাৰায়ণ স্বামীক গুৰুদেৱে প্ৰথমবাৰৰ বাবে লগ ধৰিবলৈ সক্ষম হৈছিল। 'গুৰুদেৱ' কালিচৰণক অতি আদৰৰে স্বাগতম জনাইছিল। পৰমহংস শিৱনাৰায়ণ স্বামীয়ে গুৰুদেৱক কলিকতালৈ আমন্ত্ৰন জনাইছিল। স্বামীজীৰ আমন্ত্ৰনত গুৰুদেৱ অতিশয় আনন্দিত হৈছিল।

ইং ১৯০৫, বাংলা ১৩১২ চনৰ কাতিমাহৰ ভিতৰতে গুৰুদেৱ কালিচৰণে লগত জামাদাৰ মেচ, চৰণ মণ্ডল আৰু মনিৰাম মেচক লগতলৈ কলিকতালৈ ৰাওনা হল। 'পৰমহংস' শিৱনাৰায়ণ স্বামীৰ আমন্ত্ৰন ক্ৰমে গুৰুদেৱ কালিচৰণে নিজৰ বন্ধুবৰ্গক লগতলৈ স্বামীজীৰ ঘৰলৈ যায়। স্বামীজীক নিজ গৃহতে লগ পাইছিল। কলিকতাৰ ভৱানীপুৰ ৰ'ড নামে ঠাইত স্বামীজীয়ে বসবাস কৰিছিল। পৰমহংস শিৱনাৰায়ণ স্বামীয়ে গুৰুদেৱ কালিচৰণ আৰু তেওঁৰ বন্ধু বৰ্গক আন্তৰিকতাৰে স্বাগতম জনায় আৰু বিশ্ৰাম লবলৈ দিয়ে। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম এজন ট্ৰাইবেল ব্যক্তি আৰু সকলোৰে ঘৃণাৰ পাত্ৰ ম্লেচ যদিও পৰমহংস শিৱনাৰায়ণ স্বামীয়ে ঘৃণা কৰা নাছিল। কিয়নো পৰমহংস শিৱনাৰায়ণ স্বামীৰ দৃষ্টিত সকলো সমান। তেওঁলোকৰ মাজত ধৰ্ম্ম আৰু ঈশ্বৰৰ ওপৰত বহু সময়



# গুৰুদেৱৰ ধৰ্ম্মীয় মত

বাল্য কালৰ পৰাই গুৰুদেৱৰ ঈশ্বৰ উপাসনাৰ প্ৰতি ধাউতি আছিল। তেওঁৰ মতে পৃথিৱীৰ সকলো জীৱই ঈশ্বৰৰ সৃষ্টি। সেই কাৰণে ঈশ্বৰৰ প্ৰতি আমাৰ শ্ৰদ্ধা, ভক্তি থকা উচিত। যেনেকৈ আমি আমাৰ পিতৃ মাতৃৰ প্ৰতি সেৱা, শ্ৰদ্ধা, ভক্তি কৰো।

অনান্য অন্য ধৰ্ম্মৰ প্ৰতি গুৰুদেৱৰ বিৰোধ ভাৱ নাছিল। বাল্যকালৰ পৰাই গুৰুদেৱে বাথৌ পূজা কৰিছিল। কিন্তু এই পূজাত তেওঁ কেতিয়াও সন্তুষ্ট হোৱা নাছিল। কিয়নো বাথৌত বলি দিয়া আৰু খোৱা-বোৱাক অগ্ৰাধিকাৰ দি ঈশ্বৰ উপাসনা কৰিছিল। তেওঁ বিভিন্ন ধৰ্ম্মৰ শাস্ত্ৰ পুথিবোৰ অধ্যয়ন কৰিছিল যেনে বাইবেল, কোৰাণ আদি, কিন্তু এই শাস্ত্ৰ পুথিবোৰ পঢ়ি তেওঁ সন্তোষিত হোৱা নাছিল। তেওঁৰ দৃষ্টিত ধৰ্ম্ম, ভাষা, কলা সংস্কৃতিৰ উন্নয়ন আৰু স্বভাৱ চৰিত্ৰ গঠনত সহায়ক হব লাগিব। সকলো মানুহ ঈশ্বৰৰ সন্তান যেতিয়া মানুহক কিয় ঈশ্বৰ বুলি উপাসনা কৰিব ?

খেৰৰ মুৰ্ত্তি সাজি মাটিৰে লেপি, ৰং সানি উপাসনা কৰাত কি অৰ্থ আছে ? দীক্ষা লওঁতে গুৰুৰ ভৰি ধোৱা পানী হাতত লৈ কিয় খাব লাগে আৰু মূৰত সানিব লাগে ? মৃত্যু হোৱা মানুহ কেনেকৈ ইশ্বৰ হব পাৰে ? পূজাৰী আৰু সাধাৰণ ব্যক্তিৰ মাজত কিয় প্ৰাৰ্থক্য থাকিব লাগে ? কিছু কিছু ধৰ্ম্মত সাধাৰণ ব্যক্তিক কিয় নগন্য বুলি ভাৱে আৰু ঘিণ কৰে ? এনেবোৰ প্ৰশ্ন গুৰুদেৱৰ মনত জাগ্ৰিত হৈছিল।

# সাৰনিত্যক্ৰিয়া কিতাপ সমন্ধে (ইং ১৯০৫)

কথাতে আছে 'মন কৰিলে চন হয়'। বড়ো সমাজ সংস্কাৰৰ ক্ষেত্ৰত গুৰুদেৱৰ 'মন কৰিলে চন হয়' কথাশাৰীত ঈশ্বৰে সচাকৈয়ে সহায় কৰিছিল।

ইং ১৯০৫ চনৰ এদিনাখনৰ কথা গৰমত অস্থিৰ হৈ চিলায় নৈৰ কাষত থকা কাঠ বিক্ৰী শালাত খোজ কাঢ়ি গৈছিল। ভাগৰ লগাত গুৰুদেৱে বন্ধু চৰণমণ্ডলৰ বিচনাতে ক্ষন্তেক বাগৰি পৰিল সেই সময়ত চৰণ মণ্ডলৰ গাৰু তলত এখন কিতাপ পাইছিল। কিতাপখন পাই কি কিতাপ জানিবৰ কাৰনে গুৰুদেৱে ভালকৈ অধ্যয়ন কৰিছিল। কিতাপখন 'পৰমহংস' শিৱনাৰায়ণ স্বামীৰ ধৰ্ম্মীয় পুথি মোহিনি মোহন চট্টোপাধ্যায়ৰ বাংলা ভাষাৰে লিখা **সাৰনিত্য ক্ৰিয়া**। 'সাৰ' মানে সত্য, গুদ্ধ, চৈতন্যপূৰ্ণ পৰমব্ৰহ্ম জ্যোতি স্বৰূপ পৰমাত্মা নিত্য আৰু সাৰ বস্তু। 'নিত্য' মানে সদায়, ক্ৰিয়া মানে কৰ্ম্ম, মানে সদায় কৰিব লগীয়া কৰ্ম্ম। পুথিখন পাই গুৰুদেৱে মন দি পঢ়িবলৈ ধৰিলে পুথিখন **ব্ৰহ্ম তত্ব**, জীৱ সমুহৰ আত্মা, জন্ম, মৃত্যু, ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্ত্তা আদিৰ ওপৰত লিখা। পুথিখন পঢ়ি যথেষ্ট উৎফুল্লিত হৈছিল আৰু গভীৰৰ পৰা গভীৰতালৈ সোমাবলৈ চেষ্টা কৰিছিল। পুথিখন পঢ়ি গুৰুদেৱে ঈশ্বৰ উপাসনা কৰাৰ শুদ্ধ আৰু সত্য পথটো বিচাৰি পাইছিল। ঈশ্বৰ এজন জীৱ সমুহৰ আৰু ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তাজন যে, **ব্ৰহ্ম** এই বিষয়ে জ্ঞাত হৈছিল। এই সৃষ্টি কৰ্তা ব্ৰহ্মৰ দ্বাৰা আলাই আথানি হোৱা বড়ো সকলক ৰক্ষা কৰিব পাৰিম বুলি তেওঁৰ অন্তৰত বিশ্বাস জন্মিছিল। তথাপি গুৰুদেৱ কালিচৰণে খৰখেদাকৈ ব্ৰহ্ম ধৰ্ম্মত দীক্ষিত হোৱা নাছিল। কিয়নো পুথিখন সম্পাদন কৰোঁতা আৰু প্ৰকাশকক লগ ধৰি আৰু অধিক কথা জানিব লগীয়া আছিল।

সাৰনিত্য ক্ৰিয়া পুথিখন কত পাইছিলা আৰু প্ৰকাশক জন কৰ কোন? এই বিষয়ে চৰণ মণ্ডলক ভালকৈ গুৰুদেৱে সোধ পোচ কৰি লৈছিল।



'পৰমহংস' শিৱনাৰায়ণ স্বামীৰ সাৰনিত্য ক্ৰিয়া পুথিখনৰ লেখক মোহিনি মোহন চট্টোপাধ্যায়, এই কথা চৰণ মণ্ডলে গুৰুদেৱক অৱগত কৰে। সাৰনিত্য ক্ৰিয়া পুথিখন কেনেকৈ আৰু কৰপৰা পাইছিল সোধ পোচ কৰাত চৰণ মণ্ডলে কয় য়ে, দুদিনমান আগতে অতিপাত মূৰৰ বিষ হৈছিল। ডাক্তৰৰ ওচৰত দেখোৱাৰ পিচতো মূৰৰ বিষ ভাল হোৱা নাছিল। মূৰৰ বিষ বেছিৰ পৰা বেছি কৈ হোৱাত কলিকতাৰ ডাক্তৰৰ ওচৰত চিকিৎসা লবলৈ কলিকতালৈ গৈছিলো। কলিকতালৈ যাওতে গোৱালপাৰা জিলা বগৰিবাৰী আট আনিৰ সুৰেন কৰ্ত্তা নামৰ এজন জমিদাৰৰ ঘৰত দুদিনমান আছিলোঁ। সেই সময়ত তেখেতৰ ঘৰত এই পুঠিখন পাই চৰণমণ্ডলে নিজৰ কাঠ বিক্ৰী শালাত আনি পঢ়াৰ কথা গুৰুদেৱৰ আগত সদৰী কৰে। পৰমহংস শিৱনাৰায়ণ স্বামীক লগ ধৰিবলৈ গুৰুদেৱ কালিচৰণে মনস্থ কৰিলে। এই পুথিখনত লিখা ধৰ্ম্ম তত্বৰ সমন্ধে স্পষ্টভাৱে জানিবলৈ পৰমহংস শিৱনাৰায়ণ স্বামীক লগ ধৰিবলৈ সিদ্ধান্ত কৰিলে। বগৰিবাৰীৰ জমিদাৰ সুৰেন কৰ্ত্তা 'পৰমহংস' শিৱনাৰায়ণ স্বামীৰ দীক্ষিত এজন শিষ্য আছিল। কলিকতাত তেখেতৰ নিজস্ব ঘৰবাৰী আছিল।

# শিৱনাৰায়ণ স্বামীক সাক্ষাৎ কাৰ (ইং ১৯০৫)

'পৰমহংস' শিৱনাৰায়ণ স্বামী উত্তৰ প্ৰদেশৰ বাসিন্দা এজন হিন্দী ভাষীৰ লোক আছিল। তেওঁ কলিকতাত আছিল কাৰণে অতি সুন্দৰকৈ বঙালী ভাষা কব পাৰিছিল। তেও 'ব্ৰহ্ম ধৰ্ম্ম'ৰ প্ৰচাৰক আছিল। তেওঁৰ পিতৃৰ নাম ব্যাসদেৱ আৰু মাতৃৰ নাম গংগা দেৱী আছিল।

চন্দ্ৰমা, ওঁ সূৰ্য্য। তৎ - সূৰ্য্য, সবিতু- জগত ৰূপে সৃষ্টিকৰ্ত্তা, বৰেন্যম- সকলোতকৈ ধুনীয়া, ভৰ্গো- সূৰ্য্যৰ জ্যোতি, দেৱস্য- দেৱতা সকলৰ ভিতৰত **শ্ৰেষ্ঠ** দেৱতা, ধীমহি- স্থিৰ, ধীয়োয়োন- সূৰ্য্যপোহৰ জ্ঞান জ্যোতি স্বৰূপেই ইন্দ্ৰিয় ৰূপে বিস্তাৰিত। প্ৰচোদয়াৎ- শ্ৰেষ্ঠ। আপ- পানী, জ্যোতিঃ- পোহৰ দিওতা, ৰসঃ- ৰস, অমৃতং- অনাদি ব্ৰহ্ম তোমাক দিয়া দ্ৰব্য বস্তুবোৰ প্ৰীতিৰে গ্ৰহন কৰা।

৫। ওঁ ব্ৰহ্মাৰ্পণং, ব্ৰহ্মহবি, ব্ৰহ্মাগ্নৌ, ব্ৰহ্মনাহুতম, ব্ৰহ্মৈব তেন গন্তব্যম ব্ৰহ্মকৰ্ম্ম সমাধিনা ওঁ স্বাহা। ব্ৰহ্মক যি দ্ৰব্য বস্তু দিয়া হয় সিয়ো ব্ৰহ্ম, ঘিউ ব্ৰহ্ম, অগ্নি ব্ৰহ্ম, আহুতি দিবলৈ ব্যৱহৃত বস্তুবোৰ ব্ৰহ্ম, এইবোৰেই ব্ৰহ্মৰ লগত যোগ কৰায়, ব্ৰহ্মৰ কৰ্ম্ম, সকলোবোৰ জ্যোতিঃ ব্ৰহ্ম ৰূপে চিনিপোৱায়, তোমাক দিয়া দ্ৰব্য বস্তুবোৰ প্ৰীতিৰে গ্ৰহন কৰা।

ব্ৰহ্ম ধৰ্ম্মই বিশ্বাস কৰে যে, মানুহৰ আত্মায় বাৰে বাৰে জন্ম হয়। কিন্তু শৰীৰ মাটি, পানী, অগ্নি, বায়ু, আকাশ, চন্দ্ৰমা আৰু সূৰ্য্য এই সাতটা অংশৰে গঠিত আৰু মৃত্যুৰ পিচত প্ৰত্যেকটো অংশৰ লগত মিলি যায়। যেনে মংহ, হাড়াদিবোৰ মাটিৰ সৈতে, তেজ আৰু মূত্ৰবোৰ পানীৰ সৈতে, উশাহ-নিশাহ বায়ুৰ সৈতে, ভোক-পিয়াহ অগ্নিৰ সৈতে, কামনা, ক্ৰোধ, লোভ, মোহ, ভয় আকাশৰ সৈতে, সংকল্প-বিকল্প চন্দ্ৰমাৰ সৈতে আৰু চাৰিঅন্তঃকৰণ সূৰ্য্যৰ সৈতে।


আত্মায় পূনৰ জন্ম পায় কাৰণে নিজ নিজ আত্মাৰ শান্তিৰ কাৰনে ঈশ্বৰ উপাসনা কৰিব লাগে। টকা-পইছা, ধন-সোণ পাবলৈ ঈশ্বৰ উপাসনা কৰাটো ক্ষন্তেকীয়া মাত্ৰ আৰু এনেধৰণৰ লোভৰে দিয়া যজ্ঞক সকাম যজ্ঞকোৱা হয়। কিন্তু আত্মাৰ মুক্তিৰ হকে ঈশ্বৰ উপাসনা অথবা যজ্ঞাহুতি দিব লাগে, পূনৰ জন্মই হল দুখ, কষ্ট ভোগ কৰা আৰু অসংখ্য অপৰাধ অথবা পাপ কৰ্ম্ম কৰিলে আমাৰ আত্মায় পূনৰ জন্ম পায় এইয়া ব্ৰহ্ম ধৰ্ম্মৰ বিশ্বাস।



ধৰি আলোচনা হয়। আলোচনাৰ মাজে মাজে গুৰুদেৱ কালিচৰণে ব্ৰহ্ম তত্বৰ বিষয়ে বহুত প্ৰশ্ন সুধিছিল। সকলো প্ৰশ্নৰ উত্তৰবোৰ গুৰুদেৱৰ মনত শান্তি দিব পাৰিছিল আৰু আন্তৰিকভাৱে পৰমহংস শিৱনাৰায়ণ স্বামীক ধন্যবাদ দিছিল। গুৰুদেৱ কালিচৰণে একান্ত মনে ব্ৰহ্ম তত্বৰ ওপৰত হোৱা আলোচনাৰ প্ৰতি সহাৰি দিয়াত স্বামীজীয়ে নথৈ সুখী হৈছিল। কিয়নো গুৰুদেৱৰ দৰে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰা কোনো ভক্তই খৰচিমাৰি জানিবৰ কাৰনে প্ৰশ্ন কৰা নাছিল আৰু দীৰ্ঘ সময় ধৰি আলোচনাত অংশ লোৱা নাছিল। কিন্তু গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ একাগ্ৰতা দেখি সুখী হৈছিল আৰু স্বামীজীয়ে একাষাৰ কথা কৈছিল, “মেৰা হো গয়া।” গুৰুদেৱ কালিচৰণৰ মন আৰু স্বভাৱ চৰিত্ৰত নিশ্চিত হৈছিল প্ৰকৃততে শিষ্য হব পাৰিব। তেওলোকে বাইবেল, কোৰান, গীতা আৰু বিভিন্ন ধৰ্ম্মীয় শাস্ত্ৰবোৰৰ বিষয়ে বিস্তিৰ্ণভাৱে আলোচনা কৰিছিল। শিৱনাৰায়ন স্বামীয়ে গুৰুদেৱ কালিচৰণক কিছুমান উপদেশ দিয়ে- ব্যৱহাৰিক আৰু পাৰমাৰ্থিক কৰ্ম্ম সমানে কৰিব লাগে আৰু সত্যবাদী হোৱা উচিত। চৌদিশে মূখ কৰি ঈশ্বৰ উপাসনা কৰিব পাৰি, পূৰ্ণ পৰম ব্ৰহ্ম জ্যোতি স্বৰূপেই জগতৰ গুৰু। লিখা, পঢ়া, খেতিকৰা, বেপাৰ, বিদ্যা শিক্ষা আদি ভাল হব লাগিব। ত্ৰিসন্ধ্যা, গায়ত্ৰী জপ, প্ৰাণায়াম কৰিব লাগে। জগত মঙ্গলৰ কাৰণে যজ্ঞাহুতি দিব লাগে।

স্বামীজীয়ে এই বচন সহজ আৰু উপদেশ মূলক ভাষাৰে গুৰুদেৱ কালিচৰণক দিছিল। গুৰুদেৱ কালিচৰণে এই উপদেশ সমূহ মানি চলিবলৈ সন্মত হয়।

ইয়াৰ পিচত গুৰুদেৱৰ মনত বড়ো সকলক সংস্কাৰ কৰাৰ এক নতুন সংকল্পৰ উদয় হয় আৰু বড়ো সকলক পূনৰ জীৱিত কৰি তুলিবলৈ দৃঢ় পদক্ষেপ গ্ৰহন কৰে। ব্ৰহ্ম ধৰ্ম গ্ৰহন কৰি বড়ো সকলক ৰক্ষা কৰাৰ এই সত্য পথ বাচি লব পৰাটো সচাকৈয়ে বড়ো সকল ভাগ্যবান।



লিখকে ৯৬ বছৰিয়া খৰ্গেশ্বৰ ব্ৰহ্মৰ লগত (গুৰুদেৱ কালিচৰণ ব্ৰহ্মক লগ পোৱা) গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ সমন্ধে সাক্ষাৎ কাৰ লোৱা (ফটোগ্ৰাফ- ৩১-০৩-২০০৪)

# ব্ৰহ্ম ধৰ্ম্ম তত্ব

পৰমব্ৰহ্ম অথবা ঈশ্বৰক ওঁ নামেৰে মতা হয়। বিন্দু ( • ) ৰ সৈতে সূৰ্য্য নাৰায়নক বুজোৱা হৈছে (৺) ইয়াৰ সৈতে চন্দ্ৰমা আৰু (ও) ইয়াৰ সৈতে জীৱ অথবা জীৱাত্মাক বুজোৱা হৈছে। এই তিনিটা জ্যোতিয়েই -ওঁ । অ, উ, ম এই তিনিটা অক্ষৰ, এই তিনিটা অক্ষৰেই ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ ৰূপে কল্পিত হৈছে। ব্ৰহ্মাই সৃষ্টি, বিষ্ণুই পালন আৰু মহেশ্বৰ ৰূপে সংহাৰ। ওঁ কাৰেই ব্ৰহ্মৰ প্ৰকৃত মন্ত্ৰ। এই ওঁ কাৰেই হল মাটি, পানী, অগ্নি, বায়ু, আকাশ, চন্দ্ৰমা আৰু সূৰ্য্য (ভু, ভূৱ, স্ব, মহ, জন, তপ, সত্যম)। বৃহৎ ব্ৰহ্মাণ্ডৰ এইবোৰ একো একোটা অংগ সমুহ বিশ্ব ব্ৰহ্মাণ্ড পৰিচালনাৰ একো একোটা শক্তি।

ধৰ্ম্ম শব্দটো সংস্কৃত ধৃ ধাতুৰ পৰা অহা ইয়াৰ অৰ্থ হল যাৰ ধৰি



ৰাখিব পৰা শক্তি আছে। ভু, ভুৱ, স্ব, মহ, জন, তপ, সত্যম এই সাতটা ধাতুৰ সৈতে পৰমাত্মাই ব্ৰহ্মাণ্ডক ধৰি ৰাখিছে।

যজ্ঞ অথবা আহুতি দিয়াটো ব্ৰহ্ম ধৰ্ম্মৰ প্ৰকৃত **মূল** নীতি। আমাৰ দৈনন্দিন জীৱনত কৰা প্ৰত্যেকটো কৰ্ম্মই যজ্ঞাহুতি। কিন্তু আত্মাৰ শান্তি, আধ্যাত্মিক, আদিভৌতিক আৰু আদি দৈবিক, পিয়াহ, ভোক, আশা, তৃষ্ণা আৰু দুখ কষ্টৰ পৰা হাত সাৰিবলৈ, সুখ পাবলৈ, জ্ঞানৰ পৰা জ্ঞানী হবলৈ সুগন্ধ, সুমিষ্ট, সু-স্বাদু, ঘিউ আদিৰে অগ্নি মূখত আহুতি দিয়াটোহে প্ৰধান যজ্ঞ তথা আহুতি।

"আহুতি দিয়াৰ প্ৰাৰ্থনা (আহ্বাহন মন্ত্ৰ)

ওঁ আয়াহি বৰদে দেৱী ত্ৰ্যয়ক্ষৰে ব্ৰহ্মবাদিনি।

গায়ত্ৰী ছন্দসাং মাতঃ ব্ৰহ্মযোনি নমোহস্ততে।।"

ওঁ - এইয়া পৰমাত্মাৰ নাম। আয়াহি- আৰ্বিভাৱ হোৱা। বৰদে দেৱী- বৰদিওঁতা মা। ত্ৰ্যয়ক্ষৰে- সৃষ্টিকৰ্ত্তা, পালন কৰ্ত্তা, সংহাৰ কৰ্ত্তা। গায়ত্ৰী- শৰীৰ ৰক্ষাকাৰি। ছন্দসাং- অতি সুন্দৰ। মাতঃ- জগতৰ মাতৃ। ব্ৰহ্মযোনি- জন্মদাত্ৰী মাতৃ।

**ব্ৰহ্ম ধৰ্ম্মৰ গায়ত্ৰী (শৰীৰ ৰক্ষাকাৰি) মন্ত্ৰ :-**

১। ওঁ বৰদে দেৱী পৰমজ্যোতি ব্ৰহ্মনে স্বাহা- ওঁ বৰদিওতা মা তোমাক দিয়া দ্ৰব্য বস্তুবোৰ প্ৰীতিৰে গ্ৰহন কৰা।

২। ওঁ চৰাচৰ ব্ৰহ্মনে স্বাহা- ওঁ জগতৰ চৰাচৰ ব্ৰহ্ম তোমাক দিয়া দ্ৰব্য বস্তুবোৰ প্ৰীতিৰে গ্ৰহন কৰা।

৩। ওঁ পূৰ্ণ পৰম ব্ৰহ্ম জ্যোতি ঃস্বৰূপায় স্বাহা- ওঁ পূৰ্ণ পৰম ব্ৰহ্ম জ্যোতি স্বৰূপ তোমাক দিয়া দ্ৰব্য বস্তুবোৰ প্ৰীতিৰে গ্ৰহন কৰা।

৪। ওঁ ভুঃ, ওঁ ভুঃ, ওঁ স্ব, ওঁ মহঃ, ওঁ জনঃ, ওঁ তপ, ওঁ সত্যম, ওঁ তৎ সবিতু বৰেন্যম ভৰ্গো দেৱস্য ধীমহি ধীয়োয়োনঃ প্ৰচোদয়াৎ ওঁ আপ জ্যোতিঃ ৰসঃ অমৃতং ব্ৰহ্মণে স্বাহা- ওঁ মাটি, ওঁ পানী, ওঁ অগ্নি, ওঁ বায়ু, ওঁ আকাশ, ওঁ

মন্ত্ৰ শেষ হোৱাৰ পিচত বেজে কুকুৰা, পাৰ আৰু ছাগলী বলিদিয়ে আৰু দেউৰীয়ে শান্তি পানী ছটিয়াই বলিদিয়া মূৰবোৰ গোটোই মাংসবোৰ মদৰ লগত খায়-বৈ ফুৰ্টি কৰিছিল।

জীৱ-জন্তু বলি দিয়া আৰু মদ মাংস খায়বৈ ঈশ্বৰ উপাসনা কৰাৰ সম্পৰ্কে গুৰুদেৱে গভীৰ ভাৱে চিন্তা চৰ্চ্চা কৰিছিল। অৱশেষত তেওঁ বুজি পাইছিল প্ৰকৃততে জীৱ-জন্ত বলি দি আৰু মদ, মাংস খায় বৈ আনন্দ উলাহৰ মাজেদি ঈশ্বৰ উপাসনা কৰাটো কেতিয়াও শুদ্ধ আৰু সত্য আদৰ্শ হব নোৱাৰে। তেওঁ ভাৱিছিল বলি দিয়া প্ৰথা আৰু খায় বৈ ঈশ্বৰ উপাসনা কৰা বাথৌ ধৰ্ম্মৰ নীতি নহব পাৰে। সম্ভৱ বাথৌ ধৰ্ম্ম উপাসনা কৰাৰ এক আছুতিয়া নীতি থাকিব পাৰে। প্ৰবাদ আছে যে, কোনো এজন বাথৌ ধৰ্ম্মৰ প্ৰতিনিধিয়ে অথবা বেজে ইচ্ছাকৃত ভাৱে জীৱ জন্তু বলি দিয়া প্ৰথা আৰু মদ, মাংস খায় বৈ আনন্দ উলাহৰ মাজেদি ঈশ্বৰ উপাসনা কৰা নীতিক ভাল পায় এনেধৰনৰ প্ৰথা প্ৰচাৰ কৰি থৈ গল। কিন্তু, অৱশেষত বড়ো জনগনই এই প্ৰথা মানি লবলৈ অমান্তি হল। কাৰণ এই প্ৰচলিত প্ৰথাই সমগ্ৰ বড়ো জাতিক এক ঘৃণাৰ পাত্ৰ কৰি তুলিছিল আৰু গুৰুদেৱৰ মনত সবল সজাগতাৰ ভাৱ উদয় হৈছিল। পৰহংস শিৱনাৰায়ণ স্বামীৰ সাৰনিত্য ক্ৰিয়া পুথিখন পাই ব্ৰহ্ম ধৰ্ম্মৰ প্ৰতি গুৰুদেৱৰ অধিক বিশ্বাস জন্মিছিল আৰু ১৯০৫ চনত ব্ৰহ্ম ধৰ্ম্মত দীক্ষিত হয় তেতিয়া গুৰুদেৱৰ বয়স প্ৰায় ৪৫ বছৰ হৈছিল। দীক্ষিত হোৱাৰ পিচত বাথৌ থানত গুৰুদেৱে একেৰাহে সাতদিন সাত ৰাতি প্ৰাৰ্থনা কৰে বাথৌ ধৰ্ম্ম এৰি ব্ৰহ্ম ধৰ্ম্ম গ্ৰহণ কৰাত **ভূল ভ্ৰান্তি অপৰাধ ক্ষমা বিচাৰি বাথৌ থানৰ ওচৰত মূৰ দোৱাই প্ৰাৰ্থনা কৰি** অৱশেষত গুৰুদেৱে গাৱৰ সকলো জনগনক লগত লৈ **চিৰদিনৰ বাবে ১৯০৫** চনত বাথৌ ধৰ্ম্ম ত্যাগ কৰে।





গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ নাতিনী মাধূৰী ব্ৰহ্ম (দেৱেন্দ্ৰ নাথ ব্ৰহ্ম জীয়েক) (ফটোগ্ৰাফ-২০০৪)

# ব্ৰহ্ম ধৰ্ম্মত দীক্ষা গ্ৰহন (ইং ১৯০৫)

ব্ৰহ্ম ধৰ্ম্মৰ সকলোবোৰ তত্ব গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ বাবে গ্ৰহন যোগ্য আছিল। সেয়েহে ব্ৰহ্ম ধৰ্ম্মৰ যোগেদি বড়ো সমাজক জীৱিত আৰু উন্নত, জগতৰ হিত সাধনৰ বিশ্বাসেৰে গুৰুদেৱ কালিচৰণে পৰমহংস শিৱনাৰায়ণ স্বামীৰ লগত কলিকতাত ইং ১৯০৫ চনত ব্ৰহ্ম ধৰ্ম্মত দীক্ষা লয় তেতিয়া গুৰুদেৱৰ বয়স প্ৰায় ৪৫ বছৰ মান হৈছিল।

দীক্ষিত হোৱাৰ পিচত গুৰুদেৱ কালিচৰণে ৰামায়ণ, মহাভাৰত, গীতা, বাইবেল, কোৰাণৰ উপৰিও ব্ৰহ্ম ধৰ্ম্মৰ প্ৰধান পুথিবোৰ যেনে সাৰনিত্য ক্ৰিয়া, অমৃত সাগৰ, পৰমকল্যান গীতা, পূৰ্ণ সাধনা, ভ্ৰমণ বৃত্তান্ত, ক্ষুদ্ৰগ্ৰন্থাৱলি অধ্যয়ন কৰিছিল। যজ্ঞ দিবলৈ গুৰুদেৱক স্বামীজীয়ে শিকাইছিল। ব্ৰহ্ম তত্ব সমুহ

সম্পূৰ্ণ ৰূপে অধ্যয়ণ কৰি মনত ৰাখিছিল। কিয়নো নিজে ভালকৈ জনাৰ পিচতহে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিব পাৰিব। প্ৰাৰ্থনা মন্ত্ৰৰ অৰ্থ, গায়ত্ৰী মন্ত্ৰৰ অৰ্থ, যজ্ঞ কি ? যজ্ঞৰ ফল কি ? অগ্নিৰ সমন্ধে যজ্ঞৰ আৱশ্যকীয় দ্ৰব্য বস্তুবোৰ, ধৰ্ম্ম কি, ব্যৱহাৰিক আৰু পাৰমাৰ্থিক কৰ্ম্ম কি কি, এইবোৰৰ সমন্ধে গুৰুদেৱে লাহে লাহে শিকিলৈছিল। পৰমহংস শিৱনাৰায়ণ স্বামীৰ সৈতে এইবোৰ শিকোতে তিনি বছৰ সময় লৈছিল। গুৰুদেৱ কালিচৰণে যথেষ্ট জ্ঞান লাভ কৰিছিল আৰু যজ্ঞ কৰ্ম্মবোৰ নিজে কৰিবলৈ সক্ষম হৈছিল।

কলিকতাৰ পৰা ব্ৰহ্ম ধৰ্ম্মত দীক্ষিত হৈ গুৰুদেৱে নিজৰ ঘৰলৈ ঘুৰি আহে আৰু দেৱতাবোৰৰ কাৰণে সৰু সৰু বনায় থোৱা দেৱতাৰ ঘৰ, মুৰ্ত্তি, ছবিবোৰ সাত দিন পূজা দি বিদায় দিয়ে আৰু **বাথৌ থানটোৰ ওচৰত মুৰ দোৱাই ত্যাগ কৰি ব্ৰহ্ম ধৰ্ম্মত স্ব-ইচ্ছাৰে দীক্ষিত হৈছিল**। কাৰণ ব্ৰহ্মতকৈ মহান কোনো দেৱতা নাই। ব্ৰহ্ম ধৰ্ম্মত দীক্ষা লোৱা সম্পৰ্কে সেই সময়ত গাওঁৰ সকলোকে বুজায় কৈছিল। ব্ৰহ্ম ধৰ্ম্মৰ সমন্ধে গাওঁৰ দুই এজন ব্যক্তিৰ আগত বৰ্ণনা কৰি কৈছিল। ইয়াৰ উপৰি অন্য বন্ধুবৰ্গৰ লগত গোটখায় আলোচনা কৰিছিল। 'গুৰুদেৱ' কালিচৰণৰ এনেধৰনৰ মনৰ পৰিবৰ্ত্তন দেখি জনসাধাৰনে ভালপাইছিল। আজি অলপ কালি অলপকৈ গাওঁৰ জনসাধাৰণে গুৰুদেৱৰ সৈতে সহায় সহযোগীতা কৰিছিল আৰু প্ৰায় ভাগ জনসাধাৰণে নিজৰ নিজৰ ঘৰত থকা বাথৌ থানটো **পৰিহাৰ কৰি** ব্ৰহ্ম ধৰ্ম্মত স্ব-ইচ্ছাৰে দীক্ষিত হৈছিল।

গাওঁৰ জনসাধাৰণ আৰু ওচৰ চুবুৰীয়া বন্ধুবৰ্গক মাতি আনি ব্ৰহ্ম ধৰ্ম্মৰ ওপৰত আলোচনা কৰা হয়। ব্ৰহ্ম ধৰ্ম্মৰ তত্ব আৰু যজ্ঞৰ ফল সমন্ধে জনসাধাৰণক বহলভাৱে বুজায় দিয়া হয়। ফলত জনসাধাৰণে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিবলৈ সিদ্ধান্ত লয়। আনপিনে পৰমহংস শিৱনাৰায়ণ স্বামীয়ে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ গুৰুদেৱ কালিচৰণকে দ্বায়ীত্ব দিছিল। অসমীয়া প্ৰতিনিধি সকলে প্ৰশ্ন কৰিছিল যে গুৰুদেৱ কালিচৰণে কিয় 'এক শৰণীয়া ধৰ্ম্ম'ক




বিশ্বাস নকৰে। বড়ো সকলে অন্য জাতি গোষ্ঠীৰ দ্বাৰা ঘৃণা পোৱাৰ পৰা হাত সাৰিবলৈ 'এক শৰণীয়া ধৰ্ম্ম' গ্ৰহণ কৰাত গুৰুদেৱ কালিচৰণে কিয় বাধা প্ৰদান কৰে। এনে ধৰণৰ প্ৰশ্নবোৰ শিক্ষিত অসমীয়া প্ৰতিনিধি সকলৰ অন্তৰত উদয় হৈছিল আৰু প্ৰশ্ন কৰিছিল।

গুৰুদেৱ কালিচৰণ ব্ৰহ্মই উত্তৰ দিছিল এক শৰণীয়া হৈ নিজৰ বড়ো ভাষা, জাতী, কলা সংস্কৃতি, সাহিত্য সকলো ত্যাগ কৰিব লাগে যেতিয়া কিয় এক শৰণীয়া ধৰ্ম্ম গ্ৰহন কৰিম। ব্ৰহ্ম ধৰ্ম্মই কাকো ঘৃণা নকৰে, কাৰো ভাষা, কলা সংস্কৃতি ত্যাগ কৰিব নিদিয়ে। আমি সকলোৱে ব্ৰহ্মৰ সন্তান, সেই কাৰণে আমি ব্ৰহ্মকে গ্ৰহন কৰিম আৰু সৰহ সংখ্যক বড়ো সকলক 'এক শৰণীয়া' হোৱাৰ পৰা বাধা দি ব্ৰহ্ম ধৰ্ম্মকে গ্ৰহন কৰাইছিল।

# গুৰুদেৱৰ বাথৌ ধৰ্ম্মীয় মতামত

# (ইং ১৯০৫)

ব্ৰহ্ম ধৰ্ম্মত দীক্ষিত হোৱাৰ পূৰ্ব্বে গুৰুদেৱ কালিচৰণে বাথৌ ধৰ্ম্মকে উপসনা কৰিছিল। তেওঁৰ মন পবিত্ৰ আৰু ধৰ্ম্ম পৰায়ন আছিল। দেউতাকৰ লগত থাকি বাথৌ থানত কুকুৰা, পাৰ বলি দিছিল। পিতৃ বিয়োগৰ পিচতো গুৰুদেৱে বাথৌ থানত একৈশ (২১) টা দেৱতাৰ ঘৰ বনাই বিভিন্ন দেৱতাৰ নামত বেলেগ বেলেগ কুকুৰা, পাৰ, ছাগলী বলিদিছিল আৰু ডিম (কনী) আগবঢ়াইছিল। তেওঁ নিজে ঘৰত আৰু গাওঁত দেউৰী হৈছিল। বাথৌ থানত 'গুৰুদেৱ' কালিচৰণে নিজে দেউৰীহলেও দেৱতাৰ মন্ত্ৰ গাবলৈ এজন বেজ লৈছিল। পূজা দিলে কিছুমান মন্ত্ৰ বেজে গায় দিছিল আৰু দেউৰীয়ে শান্তি পানী ছটিয়াইছিল।



টিপকাইত প্ৰতিষ্ঠা কৰা গুৰুদেৱ কালিচৰণ ব্ৰহ্ম এম.ই. স্কুল (ফটোগ্ৰাফ- ২০-১১-২০০২)



বাঁওফলৰ পৰা সোঁফালে থিয়হৈ থকা সকল- বাবুৰাম ব্ৰহ্ম, কৰেন্দ্ৰ নাৰায়ণ মণ্ডল (ব্ৰহ্ম)
বাঁ ওফলৰ পৰা সোঁফালে বহি থকা সকল- যাদৱ চন্দ্ৰ খাখ্লাৰী, চুবেদাৰ 'চৰদাৰ বাহাদুৰ' বেলবুংৰাম কছাৰী, মহম্মদ গিয়াচুদিন আহমেদ (উকিল)
তলত বহাজন 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্ম
এই ফটোগ্ৰাপটো ইং-৪ জানুৱাৰী, ১৯২৯ চনত আব্দুল গপ্পৰ ষ্টুডিয়, চিলংত চাইমন কমিচনক স্মাৰক পত্ৰ সমজোৱা সময়ত লোৱা



# বৈনাগুৰিৰ বড়ো সকলে শৰণীয়া হবলৈ বিচৰা (বাং ১৩১২)

গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰাৰ পূৰ্ব্বেই বৈনাগুৰিৰ বড়ো সকলে শৰণীয়া হবলৈ সিদ্ধান্ত লৈছিল। শৰণীয়া হোৱাৰ পিচত মদ, মাছ, মাংস খোৱা নিষেধ হেতুকে বৈনাগুৰি গাওঁৰ বড়ো সকলে শেষ বাৰৰ কাৰণে মদ, মাছ, মাংস খাবলৈ এটা দিন ঠিক কৰি লৈছিল। সিদ্ধান্ত মৰ্ম্মে বৈনাগুৰি গাওঁৰ যি সকলে শৰণীয়া হবলৈ বিচাৰিছিল তেওলোকে একগোট হৈ বাং ১৩১২, ২৪ কাৰ্তিকত সাৰাসৰ বিলত জমাহৈ সাতদিন সাত ৰাতি খায় বৈ ফুৰ্টি কৰিছিল। সেইদিন সচাকৈয়ে (জৌনি পুখুৰী, ঔংখামনি আলি, বেদৰনি আখাই) "মদৰ পুখুৰী, ভাতৰ আলি, মাংসৰ থালি" উভৈনদী হৈছিল। শৰণীয়া হব যেতিয়া খায়ছে ফুৰ্টিকৰিছে। সেইদিনাখন খায় বৈ ফুৰ্টিকৰাৰ পিচত বৈনাগুৰিৰ বড়ো সকলে শৰণীয়া হবলৈ ধৰিলে। মাছ, মাংস আৰু মদ খোৱা নিষেধ এই প্ৰস্থাৱ সকলোৰে বাবে গ্ৰহন যোগ্য আছিল। কিন্তু তেওলোকে যে, নিজৰ বড়ো জাতিৰ পৰিচয় একে বাৰে ত্যাগ কৰিব বিচাৰিছে সেয়াহে অতি দুখৰ বিষয় আছিল। সেই দিনটো এক চিৰস্মৰণীয় দিন হিচাপে বৈনাগুৰি গাঁৱৰ ৰাইজে ৰনচায় গীৰা মেচ আৰু বন্দা মেচ নামৰ ছোৱালী আৰু লৰাক বিয়া দি স্মৃটি স্বৰূপে সিহতৰ নামত দুডাল চিমেন্ট খুটা পোতা হয়। সেই দুডাল চিমেন্ট খুটা শাৰীকৈ পুতি থোৱা এতিয়াও স্মৃটি স্বৰূপে দেখিবলৈ পোৱা যায়। সেই সময়ৰ পিচত অথবা বাং ১৩১২, ২৪ তাৰিখ কাতি মাহৰ পিচত বৈনাগুৰিৰ বড়ো সকলক শৰণীয়া হোৱাটো বন্ধ কৰিছিল।

# বড়ো সকলৰ ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন (ইং ১৯০৬)

গুৰুদেৱ কালিচৰণে ব্ৰহ্ম ধৰ্ম্মত দীক্ষা লোৱাৰ এবছৰৰ পিচত অথবা ইংৰাজী ১৯০৬ চনত বড়ো সমাজৰ মাজত প্ৰথম ব্ৰহ্ম যজ্ঞ দি বড়ো সকলে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিছিল। প্ৰথম বাৰৰ বাবে এই যজ্ঞটো ধুবুৰী জিলাৰ বৈনাগুৰি গাৰত দিছিল আৰু প্ৰধান পুৰোহিত হিচাপে কলিকতাৰ ফণিন্দ্ৰ নাথ চেটাৰ্জি আৰু গুৰুদেৱ কালিচৰণে সহকাৰি পুৰোহিত হিচাপে সহযোগিতা কৰিছিল। ৰাইজে এই যজ্ঞৰ প্ৰয়োজনীয় বস্তুবোৰ গোটাই আৰু বিভিন্ন প্ৰকাৰৰ সহায় সহযোগিতাৰে যজ্ঞ কৰ্ম্ম সমাপ্ত কৰিছিল। বৈনাগুৰি গাওঁৰ চৰণ মণ্ডল, মালতিঝাৰা গাওঁৰ সাবুৰাম মণ্ডল, বীৰশিঝাৰা গাওঁৰ মইনাৰাম মেচ, নাইগাওঁৰ মনিৰাম মেচ আৰু দুৰনি বটীয়া গাওঁৰ ৰাইজ সকলে একত্ৰিত হৈ এই যজ্ঞ কৰ্ম্মত অংশ গ্ৰহন কৰিছিল।

যজ্ঞৰ অগ্নি প্ৰজ্বলিত হোৱা লগে লগে সকলোৰে মনত এক নতুন আশা আৰু লক্ষ্য সঞ্চাৰিত হৈছিল। কাৰণ এনেকুৱা পবিত্ৰ সময় পূৰ্ব্বত কেতিয়াও অহা নাছিল। যজ্ঞৰ ধোঁৱা বতাহৰ লগত মিলি চৌদিশে এক সুগন্ধময় সৃষ্টি কৰিছিল। প্ৰাৰ্থনা আৰু গায়ত্ৰী মন্ত্ৰ সকলোৱে একে লগে গায়ছিল। সঁচাকৈয়ে বৈনাগুৰি গাওঁ প্ৰাৰ্থনা আৰু গায়ত্ৰী মন্ত্ৰৰে ধ্বনিত হৈছিল। নতুন নীতি, আদৰ্শ, কৰ্ম্ম বড়ো সকলৰ বাবে এই যজ্ঞ কৰ্ম্ম প্ৰত্যেকৰ অন্তৰত এক সপোনৰ দৰে হৈছিল। সঁচাকৈয়ে ইং ১৯০৬ চনতো বড়ো সকলৰ বাবে এক চিৰস্মৰণীয় দিন হিচাপে পৰিগণিত হৈ থাকিল। তদুপৰি এই যজ্ঞ কৰ্ম্মৰ সুযোগতে যথেষ্ট সংখ্যক বড়ো সকলে দীক্ষা লৈছিল।

এই যজ্ঞ কৰ্ম্ম সাত দিন চলিছিল, ইয়াকে অখণ্ড যজ্ঞ বুলি কোৱা হয়।



অখণ্ড যজ্ঞৰ অন্তিম দিনা গুৰুদেৱ কালিচৰণে ৰাইজৰ আগত ব্ৰহ্ম ধৰ্ম্মৰ ছয়খন পুথি যেনে- সাৰনিত্য ক্ৰিয়া, পৰম কল্যান গীতা, পূৰ্ণ সাধনা, অমৃত সাগৰ, ভ্ৰমন বৃত্তান্ত আৰু ক্ষুদ্ৰ গ্ৰন্থাৱলিৰ তত্বৰ যোগেদি যজ্ঞৰ প্ৰয়োজনিয়তা, অৰ্থ আৰু ফল সমন্ধে বহলাই বাখ্যা কৰে। যজ্ঞাহুতি দিলে যজ্ঞৰ ধোঁৱাবোৰ আকাশলৈ গতি কৰি বায়ু মণ্ডলৰ সৈতে মিলিযায় ইয়াৰ ফলত বায়ু মণ্ডল পৰিস্কাৰ হয়। পৰিস্কাৰ বায়ু সেৱন কৰাৰ ফলত মানুহ, জীৱ জন্তু, তৰুলতা তৃণ, শাক পাচলি আদি বেমাৰৰ পৰা হাত সাৰিব পাৰি, পৰিস্কাৰ বায়ু সেৱন কৰাৰ ফলত মানুহৰ মন পবিত্ৰ হয়, মন পবিত্ৰ হলে সৎ চিন্তা ভাৱনা, দয়া আৰু একাত্মবোধ জন্মে। যজ্ঞ প্ৰণালীৰ সমন্ধে ৰাইজক বুজায় দিছিল আৰু ক্ৰমাণুয়ে ৰাইজৰ মাজত ব্ৰহ্ম ধৰ্ম্মৰ বিষয়টো গুৰুত্ব পূৰ্ণ স্থান লাভ কৰিছিল। প্ৰত্যেকজন ব্যক্তিৰ মনত প্ৰশ্ন উদয় হৈছিল, ব্ৰহ্ম কি ? যজ্ঞ কি ? ব্ৰহ্ম আমাৰ জীৱনৰ সৈতে কি সমন্ধ আছে ? বাথৌ ধৰ্ম্ম থকা স্বত্বেও আমি কিয় ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিব লাগে ? এনেবোৰ প্ৰশ্নৰ উত্তৰ গুৰুদেৱ কালিচৰণে স্পষ্ট ভাৱে দি ৰাইজৰ অন্তৰ জয় কৰিব পাৰিছিল। গুৰুদেৱৰ এনে নিপূণতাৰ বাবে প্ৰত্যেকজন জনগণই সন্তোষ্টি লাভ কৰিছিল। ইং ১৯০৫ চনত গুৰুদেৱে দীক্ষা লোৱাৰ পিচত ‘পৰমহংস’ শিৱনাৰায়ণ স্বামীয়ে গুৰুদেৱক ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰাৰ দ্বায়ীত্ব অৰ্পণ কৰে। বড়ো সকলৰ ভিতৰত ‘গুৰুদেৱ’ কালিচৰণ ব্ৰহ্মাই ব্ৰহ্ম ধৰ্ম্ম আনি প্ৰচাৰ কৰা কাৰণে ইং ১৯০৬ চনত যেতিয়া বৈনাগুৰিত প্ৰথমবাৰৰ বাবে যজ্ঞাহুতি দিছিল তেতিয়াই ৰাইজে কালিচৰণ ব্ৰহ্মাকেই ‘গুৰু’ হিচাপে মানি লৈছিল। সেই দিনাখনৰ পৰাই কালিচৰণক সকলো বড়ো জনগনই গুৰু হিচাপে সন্মান কৰে।

ইংৰাজী ১৯০৬ চনত গুৰুদেৱ কালিচৰণৰ জন্মগাওঁ কাজিগাওঁত দ্বিতীয় বাৰৰ বাবে যজ্ঞাহুতি দিয়া হয়। ইংৰাজী ১৯০৭ চনত তৃতীয়বাৰৰ কাৰণে গম্ভীৰকাটা গাঁৰত যজ্ঞাহুতি দিয়া হয়।

গুৰুদেৱৰ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰাৰ কথা গম পাই কিছুমান খ্ৰীষ্টীয়ান মিচনাৰি ধৰ্ম্ম প্ৰচাৰক সকলে গৌৰাং, বেংতল, থুকৰাঝাৰ আদি ঠাইবোৰত জোৰদাৰ ভাৱে খ্ৰীষ্টিয়ান ধৰ্ম্ম প্ৰচাৰ কৰিছিল। গীৰ্জাঘৰ সাজি দিছিল আৰু কিছুমান বড়ো সকলক ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰাত বাধা প্ৰদান কৰিছিল।

উল্লেখনীয় বিষয় এইয়ে যে, বড়ো সকলে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিছিল যদিও কিছুমান সমাজ বিৰোধী ব্যক্তি সকলে গুৰুদেৱৰ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰাত বাধা আৰোপ কৰিছিল। চিদলি মৌজাৰ মৌজাদাৰ জগত চন্দ্ৰ খাখ্লাৰিয়ে বৈঠামাৰিৰ অনন্ত নাৰায়ণ দেৱ গোস্বামীক গোপনে ছয়হাজাৰ টকা দি সেই অঞ্চলৰ বড়ো সকলক শৰণীয়া কৰিবৰ কাৰণে অনুৰোধ কৰিছিল। সেই সময়ত জগত চন্দ্ৰ খাখ্লাৰিয়ে নিজে আগে ভাগে শৰণীয়া হৈছিল। কিন্তু তেখেতৰঅনুৰোধ প্ৰত্যাহাৰ কৰি গুৰুদেৱৰ ব্ৰহ্ম ধৰ্ম্মকহে বড়ো সকলে গ্ৰহন কৰিছিল। খণ্ড নং ৫ চিদলি বাসুগাওঁৰ লাইশ্ৰী (চণ্ডী) ৰ পুত্ৰই প্ৰাইমাৰি পৰ্য্যায়লৈকে অধ্যয়ন কৰাৰ পিচত আৰ্থিক অনাটনৰ কাৰণে শিক্ষা জীৱন ত্যাগ কৰি শৰণীয়া হব বিচাৰিছিল। কিন্তু অৱশেষত গুৰুদেৱ কালিচৰণৰ শৰণাগত হৈ দীক্ষা লয়। খণ্ড নং ৫ চিদলি পুথিমাৰি গাঁৱৰ গুন্দ্ৰা বড়োৰ পুত্ৰ শনিবৰ গাওঁবুঢ়া তেও লিখা পঢ়া অলপ জানিছিল। তেও মাছ, মাংস, নিমখ আদি নাখায়, মাত্ৰ কেৰেলা পাত সিজায় জলকীয়া এটাৰে ভাত খায় জীৱন ধাৰণ কৰিছিল, সময় সময় ফলমূল খাইছিল, ঘৰৰ অৱস্থা একেবাৰে শোচনীয় আছিল। অৱশেষত তেও শৰণীয়া হোৱাটো বাদ দি গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ শৰণাগতহৈ ব্ৰহ্ম ধৰ্ম্মত দীক্ষা গ্ৰহন কৰে।

খণ্ড নং ৫ চিদলি বংসিগাওঁৰ অনাৰাম বড়োৰ পুত্ৰ প্ৰাইমাৰি পৰ্য্যায়লৈকে অধ্যয়ন কৰিছিল। তেও মাছ, মাংস আৰু মদ-পানী খায় বৈ গাঁৱত বেজ কাম কৰিছিল আৰু টকা-পইছা দি শৰণীয়া হব বিচাৰিছিল। কিন্তু মাছ, মাংস, মদ-পানী খোৱা মানুহক শৰণীয়া হোৱাটো বাধা আছিল সেয়েহে তেও অৱশেষত ব্ৰহ্ম ধৰ্ম্মতে দীক্ষা গ্ৰহণ কৰে। কাৰণ ব্ৰহ্ম ধৰ্ম্মই যে কাকো ঘৃণা নকৰে এই



# গুৰুদেৱৰ প্ৰথম পুৰোহিত কাৰ্য্য ভাৰ গ্ৰহণ (ইং ১৯০৮)

ইংৰাজী ১৯০৮ চনত ‘গুৰুদেৱ’ কালিচৰণে প্ৰথমবাৰৰ কাৰণে পুৰোহিত কাৰ্য্যভাৰ গ্ৰহন কৰে। বৰ্শিঝাৰা গাওঁৰ সমীপৱৰ্ত্তী ৰাজভ্ৰমৰা নামৰ পাহাৰ ওপৰত ‘মহালয়া তিথি’ পাতিবলৈ ঠিক কৰিছিল। এই যজ্ঞত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই নিজে প্ৰথম পুৰোহিত হিচাপে যজ্ঞ সম্পাদন কৰিছিল। মহালয়া পৰ্ব্ব ধান ৰোৱাৰ পিচত আহিন মাহৰ প্ৰথম সপ্তাহ আৰু ইংৰাজী চেপ্তেম্বৰ মাহৰ শেষ সপ্তাহত অমাবস্যা তিথি পালণ কৰা হয়। এই সুযোগতে গুৰুদেৱে জনগনৰ আগত ব্ৰহ্ম তত্ব, ধৰ্ম্মৰ আৱশ্যকতা আৰু মদ্যপানৰ ধ্বংসাত্মক কাৰণবোৰ বাখ্যা কৰে। সকলো জনগনকে ঈশ্বৰ সেৱাত ব্ৰতী হৈ সৎ কৰ্ম্ম কৰি যাবলৈ অনুৰোধ জনায়।



কোকৰাঝাৰ বাগানসালিত থকা ব্ৰহ্ম মন্দিৰ। (ফটোগ্ৰাফ- ১৫-১২-২০০৪)

**গুৰুদেৱে কৈছিল** :-

" মদৰ প্ৰচলন থাকে মানে বড়ো জাতি উন্নত হব নোৱাৰে মদ্যপান কৰা মানে লক্ষ্মী হানি, মান হানি "।

জনগনৰ সহায় সহযোগিতা ক্ৰমে গুৰুদেৱৰ প্ৰথম পুৰোহিতৰ কাৰ্য্য কৃতকাৰ্য্যতা হৈছিল। গাওঁৰ আৰু যজ্ঞত অংশ লোৱা ৰাইজ অতিশয় আনন্দিত হৈছিল। অৱশেষত এই ৰাজভ্ৰমৰা পাহাৰ ওপৰতে এখন ব্ৰহ্ম মন্দিৰ নিৰ্ম্মান কৰা হল।

# গুৰুদেৱৰ প্ৰথম ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য (ইং ১৯০৮)

ব্ৰহ্ম ধৰ্ম্মৰ তত্ব সমুহ সম্পূৰ্ণভাৱে আয়ত্ব কৰাৰ পিছত গুৰুদেৱে প্ৰচাৰ কাৰ্য্যৰ যোগেদি সমাজ সংস্কাৰ কৰাৰ সিদ্ধান্ত গ্ৰহন কৰিছিল। এই ক্ষেত্ৰত জনসাধাৰণে গুৰুদেৱক লগ ধৰি ব্ৰহ্ম ধৰ্ম্মৰ সম্পৰ্কে ভালদৰে জানিবৰ কাৰনে আলোচনা কৰিছিল। সকলো জনসাধাৰণক গুৰুদেৱে যজ্ঞ দিবলৈ পৰামৰ্শ দিছিল যেনে নতুন বছৰ (বহাগ বিহু), মহালয়া, পূৰ্ণিমা, অমাৱস্যা, লক্ষ্মী পূজা, সৰস্বতী পূজা অম্বুবাচী আদিত। ইয়াৰ উপৰিও যজ্ঞ প্ৰথাৰে শুভ বিবাহ সম্পন্ন কৰিবলৈ গুৰুদেৱে জনসাধাৰণক পৰামৰ্শ দিছিল। গুৰুদেৱে সকলোকে ব্ৰহ্ম মন্দিৰ সাজি নিত্য যজ্ঞ দিবলৈ আহ্বান জনাইছিল আৰু নিজে ব্ৰহ্ম মন্দিৰ সাজি নিত্য যজ্ঞ দিছিল।

গুৰুদেৱে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যোৱাৰ পূৰ্ব্বে ঘৰৰ সকলো দ্বায়ীত্ব ভাৰ জেষ্ঠ পুত্ৰ দেৱেন্দ্ৰ নাথ ব্ৰহ্মৰ ওপৰত অৰ্পন কৰে। ইং ১৯০৯ চনত গুৰুদেৱ কালিচৰণে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল।ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা সময়ত গুৰুদেৱে বেতৰ লাখুটি লোৱাৰ উপৰিও, পিন্ধনত সদায় ঘৰতে বোৱা বগা কাপোৰৰ ধুতি আৰু বগা পাঞ্জাবি চোলা আৰু লগত সদায় ব্ৰহ্ম ধৰ্ম্মৰ ছয়খন পুথি যেনে- সাৰনিত্য ক্ৰিয়া, পৰমকল্যান গীতা, অমৃত সাগৰ, পূৰ্ণ সাধনা, ভ্ৰমন বৃত্তান্ত আৰু ক্ষুদ্ৰ গ্ৰন্থাৱলী লৈছিল।



সৰ্ব্ব প্ৰথমে গুৰুদেৱ কালিচৰণে চৰণ মণ্ডলক লগত লৈ পৰ্ব্বতঝৰাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। সেই সময়ত বগৰি বাৰীৰ বড়ো সকলে শৰণীয়াত ধৰ্মান্তৰ হৈছিল। বগৰিবাৰীৰ শনিবৰ, ৰূপাৰাম তেখেত সকলে যজ্ঞাহুতি দি ব্ৰহ্ম ধৰ্ম্মত দীক্ষা লৈছিল। অৱশেষত বগৰিবাৰীৰ প্ৰায় ভাগেই ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰে। গুৰুদেৱ কালিচৰণে চত কালিচৰণক লগতলৈ চিদলি, বিজনি, কোকৰাঝাৰ আদিত ধৰ্ম্ম প্ৰচাৰ কৰি বাটাৰমাৰিৰ দেৱালসিং মহাজন, বাঁশবাৰি গাঁৱৰ ধজেন্দ্ৰ মহাজনক ব্ৰহ্ম ধৰ্ম্মত দীক্ষা দিছিল। অৱশেষত গোৱালপাৰা জিলাৰ দক্ষিণ কৃষ্ণাই, দুধনৈ, ৰংজুলি আদি বড়ো বসতিপূৰ্ণ ঠাইত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা হয়। গোৱালপাৰা জিলাৰ জনগনে ইচ্ছাকৃত ভাৱে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰি কুকুৰা, পাৰ, ছাগলী বলি দি ঈশ্বৰ উপাসনা কৰা নীতি ত্যাগ কৰিছিল। জনসাধাৰণৰ সহায় সহযোগিতাত গুৰুদেৱে যথেষ্ট সাফল্য লাভ কৰিছিল আৰু ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যৰ যোগেদি অতি খৰতকীয়াকৈ বড়ো সমাজক সংস্কাৰ কৰিবলৈ সক্ষম হৈছিল।

# কোকৰাঝাৰত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য

লাহে লাহে গুৰুদেৱে কোকৰাঝাৰ অঞ্চলৰ দতমা, বনৰগাওঁ, দাওাই গাওঁ, বামুন গাওঁ, আদাবাৰি, খাশিবাৰি, ঔৱাবাৰি, খাগ্ৰাবাৰি, ৰৌমাৰি গাওঁ সমুহত সভা পাতি জনসাধাৰণক ব্ৰহ্ম ধৰ্ম্মৰ বিষয়ে অৱগত কৰিছিল আৰু যজ্ঞাহুতি দি ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিবলৈ আহ্বান জনাইছিল।

প্ৰশ্নৰ উত্তৰ দিছিল। পাদুৰীয়ে কৈছিল দৰং জিলাৰ যি সকল পূৰনা খ্ৰীষ্টীয়ান ধৰ্ম্মাৱলীৰ লোক তেওলোকে কেতিয়াও এনেকুৱা কাম নকৰে। নতুনকৈ খ্ৰীষ্টীয়ানত ধৰ্ম্মান্তৰ হোৱা সকলে হে এনেকুৱা নতুন নীতি প্ৰবৰ্ত্তন কৰিছে। পাদুৰীয়ে গুৰুদেৱক কৈছিল 'আপোনালোকে আৰু কেতিয়াও খ্ৰীষ্টীয়ানত ধৰ্ম্মান্তৰ নহব'।

এনেদৰে গুৰুদেৱে ওদালগুৰি আৰু দৰং জিলাৰ বিভিন্ন ঠাইত ভ্ৰমন কৰি খ্ৰীষ্টীয়ানত ধৰ্ম্মান্তৰ হোৱাৰ পৰা বড়ো সকলক বাধা দি ৰাখিব পাৰিছিল। অন্যথা দৰং জিলাৰ সকলো বড়ো মানুহে খ্ৰীষ্টীয়ান ধৰ্ম্মত ধৰ্ম্মান্তৰ হলহেতেন। বৰ্ত্তমানলৈকে কোকৰাঝাৰ, গোসাইগাঁৱ, বঙাইগাঁৱ, ওদালগুৰি, ৰৌতা আৰু অনান্য ঠাই সমুহত বড়ো সকলে খ্ৰীষ্টীয়ান ধৰ্ম্ম গ্ৰহন কৰি আছে। এইয়া সকলোৰে বিদিত।

# উত্তৰ কামৰূপ জিলাত 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্য

কামৰূপ জিলাৰ বিভিন্ন ঠাই সমুহত বন্ধুবৰ্গক লগতলৈ গুৰুদেৱে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। ঠাই বিশেষে জনসাধাৰণৰ মাজত সভা পাতিছিল, সৎ, আৱশ্যকীয় কথাবোৰ ৰাইজৰ আগত অৱগত কৰিছিল। ঠাই বিশেষে সভাত গুৰুদেৱে কৈছিল- 'পৰমহংস' শিৱনাৰায়ণ বাবাৰ সত্য বাণী ''সাৰনিত্য ক্ৰিয়া, অমৃত সাগৰ, পৰম কল্যান গীতা, সমুহত লিখা বাণী সমুহ আখৰে আখৰে পালন কৰিলে অন্ধকাৰ ৰাতি বনজাৰলৈ পথ অতিক্ৰম কৰাৰ দৰে কৃতকাৰ্য্যতা হব পাৰি। কিন্তু অৰ্দ্ধপথত জুই নোমালে যেনেকৈ খুন্দা খুন্দি খাব লগীয়া হয় তেনেধৰণে 'পৰমহংস' বাবাৰ বাণীসমুহ ত্যাগ কৰিলে চৌদিশে অন্ধকাৰ ময়হব আৰু অকৃৰ্ত কাৰ্য্যতা হব।



কথা সকলোৱে ভাল দৰে বুজিপাইছিল। কিন্তু শৰণীয়া হলে তেওলোকৰ গুৰুক শলিতা জলাই পাণৰ বিচনী মাৰি আদৰিব লাগে। বহল পিৰাত কলপাত ওপৰত বগা কাপোৰ পাৰি বহোৱাব লাগে ভৰি গছকিবলৈ বগা কাপোৰ পাৰি দিব লাগে, ভৰি ধুই দিব লাগে আৰু দীক্ষা (শৰণ) লোৱা ব্যক্তি সকলে গুৰুৰ ভৰি ধোৱা পানী হাততলৈ খাব লাগে আৰু মূৰত সানি লব লাগে। সেয়েহে চিদলি অঞ্চলৰ বাসিন্দা বড়ো সকলে শৰণীয়া হোৱা বাদ দি সকলোৱে ব্ৰহ্ম ধৰ্ম্মকে গ্ৰহন কৰে। অৱশেষত যাদৱ চন্দ্ৰ খাখ্লাৰিয়ে ব্ৰহ্ম ধৰ্ম্মকে গ্ৰহন কৰে। গুৰুদেৱ কালিচৰণ ব্ৰহ্মই স্বয়ং নিজে খোজকাঢ়ি, গৰু গাড়ি, মহ গাড়ি আৰু কেতিয়াবা হাতীত উঠি এঠাইৰ পৰা আনঠাইলৈ গৈ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। প্ৰত্যেকটো প্ৰচাৰ সভাত তেও সকলোকে মানৱীয় কৰ্ত্তব্যৰ সম্পৰ্কে অৱগত কৰিছিল।

ঘৰৰ চৌদিশ চাফ-চিকুন কৰি ৰাখিব লাগে, গাহৰি, কুকুৰা, হাঁহ পুহিলে ঘৰৰ পৰিবেশ দুৰ্গন্ধময় হয় আৰু অনেক বেমাৰ হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে গুৰুদেৱে গাহৰি, কুকুৰা, হাঁহ পুহিবলৈ বাধা কৰিছিল। ইয়াৰ পৰিবৰ্ত্তে তেও সকলোকে ঘৰৰ চৌদিশে ফুল, গছ-গছনি ৰোৱলৈ আহ্বান জনায়ছিল। আমাৰ প্ৰধান কৰ্ম্ম হল ঈশ্বৰ সেৱা কৰা সেয়েহে গুৰুদেৱে সকলোকে যজ্ঞাহুতিৰ যোগেদি ঈশ্বৰ সেৱা কৰিবলৈ আহ্বান কৰিছিল। অসৎ নীতিৰে ঈশ্বৰ সেৱা কৰা, অসৎ আচৰণৰ দ্বাৰা সমাজ সেৱা কৰা কাৰণে বড়ো সকলক অন্য জাতি গোষ্ঠী সমুহে যে ঘৃণা কৰিছিল এই বিষয়ে গুৰুদেৱে জনসাধাৰণক স্পষ্টভাৱে বুজায় কৈছিল।

# তেজপুৰত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য

সেই সময়ত বৈষ্ণৱ ধৰ্ম্ম আৰু খ্ৰীষ্টীয়ান ধৰ্ম্মৰ প্ৰভাৱ বড়ো সমাজৰ ওপৰত প্ৰবল ভাৱে পৰিছিল। তেজপুৰৰ বড়ো সকলে শৰণীয়া হোৱাৰ কথা গম পাই গুৰুদেৱে বন্ধু বৰ্গ সকলক লগত হৈ তেজপুৰ অভিমুখে ৰাওনা হৈছিল।

এদিনাখনৰ কথা গুৰুদেৱ কালিচৰণ আৰু চত কালিচৰণ দুয়ো তেজপুৰত থকা লোকেল বৰ্ডৰ কাৰ্য্যালয়ত সোমাইছিল। এই কাৰ্য্যালায়ৰ চিয়াৰমেন হৰবিলাস আগৰৱালা, তেখেতে কাৰ্য্যালয়ৰ কাম কৰি আছিল। আগৰৱালা দেৱে কালিচৰণ গুৰুদেৱ আৰু চত কালিচৰণ দুয়োকো আন্তৰিকতাৰে সম্ভাষণ জনায় কাৰ্য্যালয়তে ক্ষন্তেক সময় ধৰ্ম্মৰ বিষয়ে আলোচনা কৰে। তেখেত হৰবিলাস আগৰৱালাৰ প্ৰচেষ্টাত অসমীয়া ভাষাৰ সাৰনিত্য ক্ৰিয়া পুথিখন উলিয়াবলৈ সক্ষম হৈছিল। 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্মাই ব্ৰহ্ম ধৰ্ম্মৰ তত্ব সমুহ বিশ্লেষন কৰি বুজায় দিয়াত আগৰৱালা দেৱে আচৰিত হয় আৰু তেতিয়া আগৰৱালা দেৱে কৈছিল - মই জানিলো আপোনাৰ উপদেশ সমুহ আজিৰ পৰা গ্ৰহন কৰিছোঁ, আপোনিয়েই মোৰ গুৰু ওঁ নমঃ কৈ সেৱা জনায়। ইয়াৰ উপৰিও অনান্য বড়ো বসতিপূৰ্ণ গাওঁ সমুহত বড়ো সকলক লগ ধৰি গুৰুদেৱে 'শৰণীয়া' হোৱাৰ পৰা বাধা প্ৰদান কৰিছিল। কিন্তু আজিলৈকে কিছুমান বড়ো সকলে শৰণীয়াকে গ্ৰহন কৰি বড়ো নহয় অসমীয়াও নহয় হৈ থাকিল। যি সকলে গুৰুদেৱৰ উপদেশ বচন সমুহ পালন কৰা নাছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মই যথেষ্ট সংখ্যক বড়ো সকলক খ্ৰীষ্টীয়ান হোৱাৰ পৰা ৰক্ষা কৰিব পাৰিছিল।



# দৰং জিলাত 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্য

গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু চত কালিচৰণ দুয়ো তেজপুৰত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰাৰ পিচত দৰং জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে সিদ্ধান্ত লয়। দৰং জিলাত কোনো মানুহৰ লগত পৰিচিত নাছিল বাবে দুয়ো এঘৰ বড়ো মানুহৰ ঘৰত আশ্ৰয় লৈছিল। এই গৃহস্থজন খ্ৰীষ্টিয়ান ধৰ্ম্মৰ লোক আছিল। গুৰুদেৱ কালিচৰণ আৰু চত কালিচৰণ দুয়োকো অতিথি সেৱাৰ নামত কুকুৰা মাৰি ভাত খোৱাবলৈ কুকুৰা ধৰা দেখি চত কালিচৰণে কৈছিল মাছ, মাংস খোৱাটো বাদেই দে, আমি নিশাঁ ভাতেই নাখাও। গৃহস্থই কুকুৰা টোক এৰি দিয়ে। 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্ম আৰু চত কালিচৰণে গৃহস্থৰ লগত এনেদৰে বহু সময় আলোচনা কৰাৰ পিচত দুয়ো নিশাঁ অনাহাৰে শুই থাকিল।

দৰং জিলাৰ বড়ো সকলে খ্ৰীষ্টীয়ান হোৱাৰ কথাটো গুৰুদেৱে বহুত আগতে গম পাইছিল আৰু খ্ৰীষ্টীয়ান ধৰ্ম্মত ধৰ্ম্মান্তৰ হোৱাটো বন্ধ কৰিবলৈ গুৰুদেৱে দৰং জিলাত খ্ৰীষ্টীয়ান পাদুৰী সকলক লগ ধৰিবলৈ আহিছিল। পিছদিনা গুৰুদেৱে খ্ৰীষ্টীয়ান পাদুৰী সকলক ঘৰতে লগ ধৰিছিল। পাদুৰীয়ে গুৰুদেৱক সুধিছিল- যোৱা কালি গোৱালপাৰিয়া অহা টো আপোনালোকেই নেকি ? গুৰুদেৱে উত্তৰ দিয়ে, হয় আমিয়েই আৰু দুয়োপক্ষৰ মাজত ধৰ্ম্মান্তৰ হোৱাৰ ওপৰত আলোচনা হয়।

গুৰুদেৱ কালিচৰণে কৈছিল- বড়ো খ্ৰীষ্টীয়ান সকলে অনা খ্ৰীষ্টীয়ান সকলক দেখিব নোৱাৰে, ঘিণা কৰে তেওলোকক চাকৰৰ দৰে কামত ব্যৱহাৰ কৰে, অনিচ্ছাৰ মাজতো বলপূৰ্ব্বক ভাৱে খ্ৰীষ্টীয়ানত ধৰ্ম্মান্তৰ কৰায়, খ্ৰীষ্টীয়ান হোৱা সকলে গৰু মাংস খাব লাগে, গৰু মাংস খাবলৈহে খ্ৰীষ্টীয়ান ধৰ্ম্ম লৈছে নেকি ?

পাদুৰী সকলে গুৰুদেৱৰ কথাবোৰ ভালদৰে শুনিছিল আৰু দুটামান

হোৱা সভাত অংশ গ্ৰহন কৰিবলৈ অনুৰোধ জনাইছিল। সভাত অসমীয়া সকলে বড়ো সকলৰ নীতি নিয়মবোৰ অগ্ৰহনযোগ্য বুলি প্ৰকাশ কৰে আৰু সকলোকে 'শৰণীয়া' হবলৈ অনুৰোধ কৰে, কিন্তু 'গুৰুদেৱ' কালিচৰণ ব্ৰহ্মাই তেওলোকৰ মতামতত অসন্তোষ্ট হৈ সকলোৰে আগত 'ব্ৰহ্ম ধৰ্ম্মৰ' সত্যতাৰ বিষয়ে বিষদভাৱে বৰ্ননা কৰে আৰু ব্ৰহ্ম ধৰ্ম্মকে গ্ৰহন কৰিবলৈ কঠোৰ ভাষাৰে অনুৰোধ কৰে। তেখেতৰ কঠোৰ মতামতৰ বাবে বড়ো সকলে সন্তোষ্টি লাভ কৰে আৰু কিছুমানে শৰণীয়া হোৱাটো বাদ দি ব্ৰহ্ম ধৰ্ম্মকে গ্ৰহন কৰে আৰু কিছুমান বড়ো সকলে বাথৌ ধৰ্ম্মকে সাৱটি থাকি শান্তিৰে জীৱন যাপন কৰে।

# পশ্চিম বেংগলত 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্য

ব্ৰহ্ম ধৰ্ম্ম কেৱল বড়ো জাতিৰ বাবে নহয় ই সৰ্ব্ব মানৱ জাতিৰ কল্যাণৰ বাবে প্ৰচাৰিত। সেইকাৰণে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই এক বহল দৃষ্টি ভংগিৰে সমাজ সংস্কাৰৰ ক্ষেত্ৰত কাম কৰিছিল। সকলোৱে ব্ৰহ্মৰে সন্তান, কাকো ঘৃণা আৰু উচ্চ নীচ ভাৱৰ বৈষম্যমূলক আচৰণ ব্ৰহ্ম ধৰ্ম্মৰ আদৰ্শ নহয়। এই উদেশ্যৰে পশ্চিম বেংগলৰ জলপায়গুৰি জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰৰ বাবে গৈছিল। বাংকু মণ্ডল, বামনসিং কাটাম, হৰিদাস গাবুৰে তেওলোকে গুৰুদেৱ কালিচৰণ ব্ৰহ্মক ধৰ্ম্ম প্ৰচাৰ কৰাত সহায় কৰিছিল। তেওলোকে জলপায়গুৰিত কিছুদিন থাকি ধৰ্ম্ম প্ৰচাৰ কৰিছিল। ঠাই বিশেষে সভা পাতি যজ্ঞাহুতি দিছিল। গুৰুদেৱে সকলোকে জগত মংগলৰ বাবে আৰু জ্ঞান লাভৰ নিমিত্তে যজ্ঞাহুতি দিবলৈ আহ্বান জনাইছিল। দুই এজন বড়ো মানুহৰ লগতে অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তি সকলে ব্ৰহ্ম ধৰ্ম্মকে গ্ৰহন কৰিছিল আৰু বৰ্ত্তমান লৈকে পশ্চিম বেংগলৰ অনান্য ঠাইসমুহত বড়ো আৰু অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তিসকলে ব্ৰহ্ম ধৰ্ম্মকে নিগাজিকৈ উপাসনা কৰি আছে।



এই বাণীবোৰ শুনি জনসাধাৰণে পৰমহংস বাবা আৰু সাৰনিত্য ক্ৰিয়া, অমৃত সাগৰ, পৰম কল্যান গীতা এই বোৰৰ বিষয়ে ভালদৰে জানিবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিছিল আৰু অৱশেষত সকলোৱে গুৰুদেৱৰ ওচৰত দীক্ষা লবলৈ আৰম্ভ কৰিলে। ঠাই বিশেষে ধৰ্ম্ম প্ৰচাৰ কৰা ক্ষেত্ৰত কেতিয়াও নতশিৰ হোৱা নাছিল।

# ডিব্ৰুগড়ত 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্য (ইং ১৯১৪-১৫)

ইং ১৯১৪ চনত গুৰুদেৱে কিছুমান ভক্ত সকলক লগতলৈ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰৰ বাবে ডিব্ৰুগড় (খৰাং) অভিমুখে যাত্ৰা কৰিছিল। সেই সময়ত প্ৰায়েই বড়ো সকলে শৰণীয়া হৈছিল। কিছুমানে বাথৌ ধৰ্ম্মকে বিশ্বাস কৰিছিল, যদিও অন্য জাতি গোষ্ঠী সমুহৰ ঘৃণাত 'বাথৌ ধৰ্ম্ম' ত্যাগ কৰি 'বৈষ্ণৱ ধৰ্ম্ম' গ্ৰহন কৰিছিল।

এই সুযোগতে গুৰুদেৱে ডিব্ৰুগড়ৰৰ বিভিন্ন ঠাইত স্থানীয় শিক্ষিত ব্যক্তি সকলক লগতলৈ সভা পাতি যজ্ঞাহুতি দিছিল। অগনন মানুহে যজ্ঞাহুতি প্ৰথা চাবলৈ অংশ লৈছিল আৰু কিছুমান মানুহে এই যজ্ঞাহুতি প্ৰথাত সন্তোষ্টি হৈ গুৰুদেৱৰ আদৰ্শকে গ্ৰহন কৰিছিল। সেই সময়ৰ পৰাই ডিব্ৰুগড় জিলাত ব্ৰহ্ম ধৰ্ম্মৰ আদৰ্শ সিচঁৰিত হৈ পৰিল আৰু বৰ্ত্তমান গোলাঘাট, মৰিগাওঁ, নগাওঁ আৰু অসমৰ দক্ষিণ পূৱ প্ৰান্তত এতিয়াও ব্ৰহ্ম ধৰ্ম্ম গজগজিয়া হৈ আছে।

# লখিমপুৰ জিলাত 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্য

লখিমপুৰ জিলাৰ বড়ো গাওঁসমুহ যেনে ককিলামুখ আদি কৰি বিভিন্ন ঠাইত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা হৈছিল। লখিমপুৰ জিলাৰ বড়ো সকলে গুৰুদেৱ কালিচৰণ ব্ৰহ্মক 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্যত যথেষ্ট সহায় কৰিছিল। অনেক মানুহে 'ব্ৰহ্ম ধৰ্ম্ম' গ্ৰহন কৰিছিল। বৰ্ত্তমান লখিমপুৰ জিলাৰ বড়ো সকলৰ লগতে অন্য জাতি গোষ্টী সমুহেও ব্ৰহ্ম ধৰ্ম্মকে পালন কৰি আছে। এই কথা কিমান সত্য নিদিষ্ট ঠাইত গৈ তত্বাৱধান কৰিলেহে ইয়াৰ সত্যতাৰ উমান পোৱা যাব। লখিমপুৰত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যাওতে 'গুৰুদেৱ' কালিচৰণে উত্তৰ লখিমপুৰৰ ককিলামুখ গাওঁৰ স্বামী নিগমানন্দৰ লগত গুৰুদেৱ কালিচৰণে বহু সময় ধৰি ধৰ্ম্মৰ বিষয়ে আলোচনা কৰিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ পাৰ্গতালি দেখি স্বামীয়ে শ'লাগিছিল। কিয়নো সংস্কৃত শব্দবোৰ শুদ্ধকৈ কব পৰাটো সহজ কথা নাছিল আৰু ধৰ্ম্মীয় তত্বৰোৰ স্পষ্টভাৱে বুজায় কব পৰাটো সহজ কথা নহয়। কিন্তু গুৰুদেৱৰ ক্ষেত্ৰত এই সকলোবোৰ অতি নগন্য স্বৰূপ আছিল।

লখিমপুৰ জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰৰ ক্ষেত্ৰত শশী মোহন বাবাৰ অৱদানক আমি কেতিয়াও নুই কৰিব নোৱাৰোঁতেখেতে স্থানীয় বড়ো সকলক মাত্ৰ নহয় অন্য জাতি সম্প্ৰদায়ৰ মাজতো যেনে বাঙালি, নেপালি, মিছিং, দেউৰি আৰু বিভিন্ন জাতি সম্প্ৰদায়ৰ মাজতো ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল আৰু তেখেতৰ মহৎ গুণবোৰ শুনি বিভিন্ন জিলা সমুহৰ যুৱক যুৱতী সকলে তেওৰ ঘৰত থাকি আধ্যাত্মিক জ্ঞান আয়ত্ব কৰিবলৈ সক্ষম হৈছিল।

'গুৰুদেৱ' কালিচৰণ ব্ৰহ্মাই লক্ষিমপুৰত পদাৰ্পন কৰাৰ পৰাই জনসাধাৰণে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰি সহজ সৰল ভাৱে জীৱন যাপন কৰিবলৈ ধৰিলে।



# দক্ষিণ গোৱালপাৰাত 'ব্ৰহ্ম ধৰ্ম্ম' প্ৰচাৰ কাৰ্য্য


ইং ১৯১৩-১৪ চনত 'গুৰুদেৱ' কালিচৰণে দক্ষিণ গোৱালপাৰাত গৈ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। দক্ষিণ গোৱালপাৰাৰ দৰংগিৰি, কৃষ্ণাই, দুধনৈ আদি গাওঁ সমুহত গুৰুদেৱে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। ইয়াৰ পিচত তেও পুনৰ যাবলৈ অসমৰ্থ হোৱাত চত কালিচৰণক ইং ১৯৩০ চনত দক্ষিশ গোৱালপাৰালৈ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠাইছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ পৰামৰ্শ মতে চত কালিচৰণে নিজৰ লগত আশিলাল ধিমান, নিত্যানন্দ ব্ৰহ্মচাৰী আৰু অন্য ভক্ত সকলক লগত লৈ দক্ষিণ গোৱালপাৰাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ৰাওনা হয়। দক্ষিণ গোৱালপাৰাত অতিথি হিচাপে দুইদিন মানৰ কাৰণে থাকিছিল আৰু সেই সময়তে কিছুমান ঠাইত সভা পাতি যজ্ঞাহুতি দি বড়ো সকলক অন্য ধৰ্ম্মত ধৰ্ম্মান্তৰ হোৱাৰ পৰা প্ৰতিৰোধ কৰিছিল, অন্যথা বড়ো সকলে বৈষ্ণৱ ধৰ্ম্মতহে ধৰ্ম্মান্তৰ হোৱাৰ প্ৰচেষ্টা চলাইছিল।

# বৰপেটা জিলাত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য


সেই সময়ত বৰপেটা জিলাটো অসমীয়া সকলে বড়ো সকলক বড়ো ভাষা, বড়ো কলা সংস্কৃতিৰ পৰা আতৰি থাকিবলৈ আৰু শৰণীয়া হবলৈ বাধ্য কৰিছিল। গুৰুদেৱে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰৰ যোগেদি বড়ো সকলক শৰণীয়া হোৱাত বাধা প্ৰদান কৰাৰ কথা গম পাই কিছুমান শিক্ষিত অসমীয়া ব্যক্তি সকলে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাক বৰপেটা জিলাৰ বি.বি. কিসান কলেজত অনুস্থিত

থাকিবলৈ লয়। অৱশেষত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যসূচী লয়।

তেখেত সকলৰ লগত আৰু বহুতো শিক্ষিত যুৱক যুৱতী সকলে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ লগত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যত আগভাগ লৈছিল।



সাপটগ্ৰাম ইং ১৯১২ চনত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা উইভিং স্কুল (ফটোগ্ৰাফ- ২৭-৩-২০০৩)



ধুবুৰীৰ বড়ো ব্ৰহ্ম বৰ্ডিং (নতুনকৈ নিৰ্মান কৰাৰ এটা অংশ (ফটোগ্ৰাফ- ২৪-০২-২০০৪



# গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ বন্ধুবৰ্গ সকল

ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাক তেওৰ বন্ধুবৰ্গ সকলে যথেষ্ট সহায় সহযোগিতা কৰিছিল। তেওলোকৰ আত্মজীৱনী আৰু কৰ্ম্মজীৱনী বৰ্ত্তমান সময়তগোঠোৰাটো এক জটিলতাৰ সমস্যাত সন্মুখীন হব লগীয়া হৈছে। সেই কাৰণে তেওলোকৰ সমন্ধে এই পুথিত তেওলোকৰ চমু পৰিচয় মাত্ৰ দিয়া হল। তেওলোক হল চত কালিচৰণ (সিম্বৰগাঁৰ, কোকৰাঝাৰ), চৰণ মণ্ডল (বৈনাগুৰি), জামাদাৰ ব্ৰহ্ম (পাটাকাটা), মালসিং ব্ৰহ্ম (পাটাকাটা), কৰেন মণ্ডল (পাটাকাটা), বীৰনাৰায়ণ মণ্ডল (দাৰলাবাৰি), মৌনবাৰু ব্ৰহ্ম (ভালুকমাৰি), ধজেন্দ্ৰ নাথ ব্ৰহ্ম (বাঁচবাৰি), বেলবুং ৰাম কছাৰি, নকুল চন্দ্ৰ ব্ৰহ্ম, কাতিমল ব্ৰহ্ম (ধাওলাগুৰি)। তেওলোকে ব্ৰহ্ম ধৰ্ম্মৰ ৬খন পুথি সাৰনিত্য ক্ৰিয়া, অমৃত সাগৰ, পৰম কল্যান গীতা, ভ্ৰমন বৃত্তান্ত, ক্ষুদ্ৰ গ্ৰন্থাৱলী, পূৰ্ণ সাধনাৰ বাণী মতে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল।

তেওলোকৰ পিচত কিছু শিক্ষিত বড়ো যুৱক সকলে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ লগত বড়ো সমাজ সংস্কাৰ কৰাৰ ক্ষেত্ৰত সহায় সহযোগিতা আগ বঢ়াইছিল।

১। ফৌৰ্লাং বাবাজি (নেপাল চন্দ্ৰ নাৰ্জাৰী)- তেখেতে ইং ১৮৭৪ চনত ৰৌমাৰি ওচৰৰ গয়বাৰি গ্ৰত্তত্তৱত জন্ম গ্ৰহন কৰিছিল। তেখেতৰ দেউতাকৰ নাম ৰাজা নাৰ্জাৰী আৰু মাতৃৰ নাম ফাদ্ৰি নাৰ্জাৰী আছিল। ফৌৰ্লাং বাবাজীয়ে ক্ষিতিশ ভুষন ব্ৰহ্মাৰ সৈতে দ্বিতীয় শ্ৰেনী লৈকে লিখা পঢ়া শিকিছিল। ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰৰ বাবে ফৌৰ্লাং বাবাজীয়ে নিজৰ ৩০ বিঘা মাটি দান দি বঙাইগাঁৱত এখন ৰৌমাৰি জ্যোতি আশ্ৰম স্থাপন কৰিছিল। ইয়াৰ মহিলা সকলৰ বাবে তেও হস্ত তাঁত শিল্প হিচাপে থাইজৌবাৰি আশ্ৰম নামে এখন আশ্ৰম স্থাপন কৰে। ইং ১৯৪৯ চনত তেখেতৰ মৃত্যু হৈছিল।

২। যাদৱ চন্দ্ৰ খাখ্লাৰি- তেখেতে ইং ১৮৯৫ চনত জয়পুৰত জন্ম গ্ৰহন কৰিছিল। তেওঁ মেট্ৰিকলৈকে অধ্যয়ন কৰিছিল। ইং ১৯২৯ চনৰ ৪ জানুৱাৰীত চাইমন কমিচনক মেমৰেন্ডাম (Memarendum) দিওঁতে গুৰুদেৱক যথেষ্ট সহায় কৰিছিল। তেওঁ "আসাম প্লেইনচ ট্ৰাইবেল লীগ"ৰ প্ৰথম সভাপতি হৈছিল। তেখেতে কংগ্ৰেছৰ এম.এল.এ হৈ ট্ৰাইবেল সকলৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰিছিল। ইয়াৰ উপৰিও তেখেতে ৰৌমাৰিত অনুস্থিত তৃতিয় বড়ো মহাসন্মিলনৰ সভাপতি হৈছিল। ইং ১৯৬৬ চনৰ ৭ ফেব্ৰুৱাৰীত তেখেতৰ মৃত্যু হৈছিল।

৩। সতিশ চন্দ্ৰ বসুমতাৰী- ইং ১৯০১ চনত কোকৰাঝাৰ ভালুকমাৰি গাৱত সতিশ চন্দ্ৰ বসুমতাৰীৰ জন্ম হৈছিল। পিতৃৰ নাম থান্দাৰাম বসুমতাৰী আৰু মাতৃৰ নাম খৌলী বসুমতাৰী। তেখেতে ১৯১৯ চনত মেট্ৰিক পাচ কৰে আৰু ইমানতে শিক্ষা জীৱনৰ ওৰ পৰে। তেখেতে বিবাৰ আলোচনীৰ মুখ্য প্ৰকাশক আছিল। নায়ফিন জাগৈ, বিখানি অৰ, দৗৰসীন জৗহৗলাৱ, লাইমুথি ৰাণী, নৃত্য নাতিকা সমুহ তেখেতে লিখিছিল। তেওঁৱেই সৰ্ব্ব প্ৰথম ব্যক্তি নৃত্য নাতিকা লিখক সকলৰ ভিতৰত। ইং ১৯৭৪ চনত তেখেতে ইহলীলা সম্বৰণ কৰে।

৪। ৰূপনাথ ব্ৰহ্ম- ইং ১৯০২ চনৰ ১৫ জুনত কোকৰাঝাৰৰ ঔৱাবাৰি গাওঁত তেখেতৰ জন্ম হৈছিল। পিতৃৰ নাম ধজেন্দ্ৰ ব্ৰহ্ম আৰু মাতৃৰ নাম খৗদৗমশ্ৰী ব্ৰহ্ম। তেখেতে বি.এ. ৰ উপৰিও বি.এল. পাছ। তেখেতে ধুবুৰী আদালতত উকালতি কৰিছিল। ইং ১৯৩৩ চনৰ ১৭ এপ্ৰিলত তেখেতে আসাম প্লেইনচ ট্ৰাইবেল লীগ গঠন কৰে। ইং ১৯৩৭, ১৯৪৫ আৰু ১৯৪৬ চনত ট্ৰাইবেল লীগত সভাপতি হৈছিল। ইং ১৯৩৭ চনত এম.এল.এ. হৈছিল। ইং ১৯৩৭ চনৰ পৰা ১৯৬৭ চনলৈকে অসমৰ কেবিনেট মন্ত্ৰী হৈছিল। ইং ১৯৬৭ চনত পূনৰ তেওঁ এম.পি. হৈছিল।

গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ সৈতে তেখেতে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা, ছাত্ৰ সংস্থা গঠন কৰা, উইভিং খোলা, বিদ্যালয় স্থাপন কৰা কাৰ্য্যবোৰত গুৰুদেৱক সহায় কৰিছিল। তেখেতে অসমৰ কেবিনেট মন্ত্ৰী হোৱা সময়ত ইং ১৯৬৩ চনত ১৮ মেত বড়ো ভাষাক প্ৰাথমিক বিদ্যালয়ত **প্ৰথম** প্ৰচলন কৰিবলৈ পাইছিল। ইং ১৯৫২ চনৰ ১৫ আৰু ১৬ নবেম্বৰত কোকৰাঝাৰৰ বাসুগাওঁত অনুস্থিত হোৱা প্ৰথম বড়ো সাহিত্য সভাৰ মূকলি সভাখন তেখেতে উদ্ধোধন কৰিছিল। ইং ১৯৬৮ চনৰ ২৩ জানুৱাৰীত তেখেতৰ মৃত্যু হৈছিল।



৫। মদাৰাম ব্ৰহ্ম- ইং ১৯০৩ চনৰ ৫ জুনত তেখেতে গুণীখাটা গাঁৱত জন্ম গ্ৰহন কৰিছিল। পিতৃৰ নাম ৰৌস্না ব্ৰহ্ম আৰু মাতৃৰ নাম বৈছাগি ব্ৰহ্ম। তেখেতে ১৯২৫ চনত পি.ইউ পাছ কৰিছিল।

ইং ১৯২৯ চনত ৰৌমাৰিত অনুস্থিত হোৱা তৃতীয় বড়ো মহা সন্মিলনত তেখেতে অংশ গ্ৰহন কৰিছিল। গুৰুদেৱৰ পৰামৰ্শ মতে ইং ১৯২৩ চনত তেখেতে ৰূপনাথ ব্ৰহ্মৰ সৈতে একেলগে পদ্য কবিতা ৰচনা কৰি উলিয়াইছিল। ১৯২৬ চনত "ৰায়মালি" নামৰ নাটকখন ৰচনা কৰে। ইয়াৰ উপৰিও ডিমাপুৰ ৰাজ্য পতনহোৱা, "সদাং বৈৰাগী" নামৰ নাটকখনো উলিয়াই। এজোপা গছত দুপাহ ফুল গল্প তেখেতে ৰচনা কৰিছিল। ১৯২৬ চনতে বড়ো সকলৰ প্ৰধান "সিৰসা আৰু আৰজ" নামে কিতাপ লিখি উলিয়াইছিল।

ইং ১৯৭৯ চনত বড়ো সাহিত্য উন্নয়ণৰ কাম কৰা কাৰণে অসম চৰকাৰে তেখেতক তিনি হাজাৰ টকা মান দিছিল। ইং ১৯৮৮ চনত সাহিত্যিক আৰু সামাজিক কৰ্ম দক্ষতাৰ বাবে তেখেতক 'পদ্মশ্ৰী বঁটা' দিয়া হৈছিল। ইং ১৯৯০ চনৰ ৬ চেপ্তেম্বৰত তেখেতৰ পৰলোক হয়।

তেখেত সকলৰ উপৰিও যদুনাথ দাস, ৰবি চন্দ্ৰ কছাৰি, নৰপতি বসুমতাৰী, সুৰ্য্যনাৰায়ন ব্ৰহ্ম, যুবক নীলেশ্বৰ ব্ৰহ্ম আদি ব্যক্তি সকলে গুৰুদেৱক সহায় কৰিছিল।

গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ শিষ্য বিজয়সিং ব্ৰহ্মৰ পৰা নীলেশ্বৰ ব্ৰহ্মাই ব্ৰহ্ম ধৰ্ম্মত দীক্ষা লয় আৰু অস্থাইবাৰিত থকা অমৃতপুৰ ব্ৰহ্ম সেৰাশ্ৰমত

# বড়ো সকলৰ বাবে শিক্ষাক অগ্ৰাধিকাৰ দিয়া

প্ৰত্যেক উচ্ছ বৰ্ণ ব্যক্তিয়েই শিক্ষিত। বড়ো সকলেও অন্য দিশত কৃতকাৰ্য্যতা হৈ শিক্ষাৰ দিশত যদি পিচ পৰি থাকে, তেতিয়া কেতিয়াও উন্নত হব নোৱাৰিব। সেই সময়ৰ বড়ো সকলৰ অনুন্নতৰ মুখ্য কাৰণ হল শিক্ষাৰ অভাৱ। এনেবোৰ সমস্যাই গুৰুদেৱক অধিক সচেতন কৰি তুলিছিল।

গুৰুদেৱ কালিচৰণে যেতিয়া পৰমহংস শিৱনাৰায়ণ স্বামীক লগ ধৰিবৰ কাৰণে কলিকতালৈ গৈছিল তেতিয়া দেখিছিল বাঙালি সকলে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া, ইয়াৰ উপৰিও অসমৰ অসমীয়া সকলেও শিক্ষাৰ দিশত যথেষ্ট উন্নত। কিন্তু আনপিনে বড়ো সকল শিক্ষাৰ দিশত একেবাৰে পিছ পৰা। বড়ো পিতৃ মাতৃ সকল নিজৰ লৰা ছোৱালীৰ প্ৰতি শিক্ষাৰ ধাউতি নোহোৱা, লৰাবোৰে চৰাই চিকাৰ কৰা, বৰশি টোপোৱা, এইবোৰতেই মগ্ন আছিল। অন্যহাতেদি বড়ো গাওঁসমুহত বিদ্যালয়ৰ অভাৱ। এনেবোৰ সমস্যাই গুৰুদেৱৰ অন্তৰ কপাই তুলিছিল আৰু সমস্যা সমাধানৰ বাবে গুৰুদেৱে চৰকাৰৰ ওচৰত আবেদন কৰাৰ সিদ্ধান্ত লৈছিল।

সেই সময়ত গোৱালপাৰা জিলাৰ ডিপুটি কমিচনাৰ এ.জে লাইনে আছিল। গুৰুদেৱ কালিচৰণে এ.জে লাইনেক লগ ধৰি বড়ো সকলৰ শৈক্ষিক সমস্যাৰ সম্পৰ্কে আলোচনা কৰে আৰু বড়ো সকলৰ উন্নতিৰ হকে শিক্ষাৰ প্ৰসাৰ বৃদ্ধি কৰিবলৈ অনুৰোধ জনায়। লাইনে গুৰুদেৱক বুজায় কৈছিল যে, অসমৰ চিফ কমিচনাৰ আৰ্কদেল অতি শীঘ্ৰে ধুবুৰীত আহি আছে আৰু তাতে আৰ্কদেলক লগ ধৰি আবেদন জনাব পাৰিব। আবেদন কৰিলে আৰ্লয়ে নতুন বিদ্যালয় স্থাপনৰ বাবে হয়তো অনুমোদন দিব পাৰে বুলি উল্লেখ কৰে। ধুবুৰী



# সমাজ সংস্কাৰৰ দিশত চিন্তা-চৰ্চ্চা

গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই বিশ্বাস কৰিছিল যে, ব্ৰহ্ম ধৰ্ম্মই সঁচাকৈয়ে বড়ো সমাজক ৰক্ষা কৰিব। কিন্তু কেৱল ধৰ্ম্ম প্ৰচাৰৰ যোগেদি এইয়া সম্ভৱ নহয় এই কথা গুৰুদেৱে ভালদৰে উপলদ্ধি কৰিব পাৰিছিল। সেই কাৰণে গুৰুদেৱে বড়ো সমাজৰ প্ৰত্যেকটো সমস্যাক তন্ন তন্নকৈ বিতংভাৱে ভাবিচিন্তি সমাধান কৰাটো উচিত হব বুলি ধৰি লৈছিল।

প্ৰকৃততে সেই সময়ত বড়ো সকলৰ অসৎ নীতি আৰু আচৰণ বোৰক কিছুমান শিক্ষিত বড়ো যুৱক আৰু সমাজৰ কাৰণে চিন্তা কৰা বড়ো সকলে দৃষ্টি দিছিল আৰু ইয়াৰ প্ৰতিকাৰৰ বৰে গুৰুদেৱক সহায় সহযোগিতা কৰিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই তেওলোকক লগতলৈ সমস্যাবোৰ সমাধানৰ হকে আপ্ৰাণ চেষ্টা কৰিছিল।

সৰ্ব্ব প্ৰথমে 'মেচ'ৰ পৰিবৰ্ত্তে অন্য উপাধি লিখিব পৰাৰ কথাই তেওৰ অন্তৰত জাগি উঠিছিল। কাৰণ যেতিয়ালৈকে 'মেচ' উপাধি লিখি থাকিব তেতিয়ালৈকে মেচৰ ঠাইত 'ম্লেচ' বুলি অন্য জাতি সম্প্ৰদায়ৰ লোক সকলে বড়ো সকলক বঞ্চিত কৰিব, অপমান কৰিব। ইয়াৰ ফলত বড়ো সকল উপায়হীন হৈ শৰণীয়া হবলৈ বাধ্য হব অথবা নিজৰ জাতিৰ সকলো অস্তিত্ব ত্যাগ কৰিবলৈ বাধ্য হব। 'ব্ৰহ্ম' উপাধি অথবা অন্য উপাধি যেতিয়াই মন যায় তেতিয়াই বড়ো সকলে মেচৰ পৰিবৰ্ত্তে লিখিব পাৰিলেহেঁতেন। কিন্তু চৰকাৰী অনুমোদন সাপেক্ষে লিখিলে চৰকাৰী কাৰ্য্য সমুহত খেলি মেলিৰ সৃষ্টি নহয়। সেইকাৰনে ব্ৰহ্ম উপাধি লিখিবলৈ চৰকাৰৰ অনুমোদন পাবলৈ গুৰুদেৱে লগত তেওৰ লগৰিয়া সকলকলৈ চৰকাৰক আবেদন কৰিবলৈ সিদ্ধান্ত লৈছিল।

# বড়ো সকলে ব্ৰহ্ম উপাধি লিখা (ইং ১৯১২)

ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰাৰ পিছতো বড়ো সকলে অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তি সকলৰ লগত 'ম্লেচ' অথবা নীচ জাতি হিচাপে ব্যৱহাৰ পায় থাকিলে ভাল নহব। যেতিয়ালৈকে 'মেচ' উপাধি লিখি থাকিব তেতিয়ালৈকে অন্য জাতী সম্প্ৰদায়ে নীচ জাতি হিচাপে ব্যৱহাৰ কৰিব, ই চিৰন্ত সত্য কথা। সেয়েহে গুৰুদেৱে চিন্তা কৰিছিল বড়ো সকলে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিলে যেতিয়া নীচ জাতি বুলি ভবাৰ থল নাথাকে। ইয়াৰ যুক্তি যুক্ততাকলৈ গুৰুদেৱে শিৱনাৰায়ণ স্বামীজীৰ সৈতে আলোচনা কৰিছিল আৰু অৱশেষত স্বামীজীয়ে 'মেচ'ৰ পৰিবৰ্তে 'ব্ৰহ্ম' উপাধি লিখিবলৈ পৰামৰ্শ দিয়ে। স্বামীজীৰ পৰামৰ্শ আৰু লগৰীয়া সকলৰ মতামত লৈ গুৰুদেৱে ইং ১৯১২ চনত গোৱালপাৰা জিলাৰ ডিপুটি কমিচনাৰ আৰু ভাৰত চৰকাৰৰ মুখ্য চেনচাচ বিষয়াক এখন আবেদন পত্ৰ লিখি দিয়ে। আবেদন পত্ৰৰ ওপৰত চৰকাৰী ভাৱে পৰিদৰ্শন কৰাৰ উপৰিও অনেক পৰ্য্যালোচনা হৈছিল। অৱশেষত আবেদন পত্ৰৰ যোগেদি বড়ো সকলে 'মেচ'ৰ পৰিবৰ্তে ব্ৰহ্ম উপাধি লিখিবলৈ বিচৰাটো চৰকাৰে অনুমোদন দিয়ে আৰু বড়ো সকলে ইং ১৯১২ চনৰ পৰাই 'ব্ৰহ্ম' উপাধি লিখিবলৈ সক্ষম হল। তদুপৰি সেই সময়ৰ পৰাই বড়ো সকলে পুনৰ বসুমতাৰী, নাৰ্জাৰী, দৈমাৰী, মোছাহাৰী, গয়াৰী, আদি উপাধিবোৰ লিখিবলৈ অধিকাৰ পাইছিল। কিন্তু ইয়াৰ পূৰ্ব্বে বড়ো সকলে নামৰ পিচত মেচ, মেচ জাতি, মেচ ধৰ্ম্ম লিখাটো বাধ্যতামূলক আছিল। কোনোবা ব্যক্তিৰ এইবোৰ লিখিবলৈ ইচ্ছা নাছিল যদিও চেনচাচ অফিচাৰ অথবা চেনচাচৰ নাম লিখোতা সকলে গোপনে লিখিদিছিল কাৰণ তেওলোকে বড়ো সকলৰ উপাধিটো মেচ হব লাগে বুলি গোপনে সিদ্ধান্ত



কৰিছিল। কিন্তু কিছুমান বড়ো সকলে মেচ উপাধিটোক সলনি কৰিবলৈ সুবিধা পোৱা নাছিল। যাৰ কাৰণে আজি লৈকে কিছুমান বড়ো সকলে 'মেচ' উপাধিয়েই লিখি আছে। স্কুল, কলেজ আৰু কাৰ্য্যালয়বোৰত 'মেচ' উপাধি গোপনে লিখি দিছিল, বলেৰে 'মেচ' বুলি মাতিছিল আৰু অপমান কৰিছিল।

দুই এজন ব্যক্তিয়ে কৈছিল যে, বড়ো সকলে 'ব্ৰহ্ম' উপাধি নিলিখাকে কাৰ্য্যালয় আৰু বিদ্যালয়বোৰত কাম কৰিব নোৱাৰে, কাম কৰাটো নিষেধ আৰু বিদ্যালয়ত নাম ভৰ্ত্তি কৰাটো বাধা। তেওলোকৰ মতে 'ব্ৰহ্ম' উপাধি বড়ো সকলৰ মাজত পূৰ্ব্বৰ পৰাই আছে কিন্তু এনেধৰণৰ ভাৱনা একেবাৰে ভূল। কিয়নো ব্ৰহ্ম উপাধিটো পূৰ্ব্বত বড়ো সকলৰ মাজত নাছিল। আনপিনে মেচ শব্দটোক ম্লেচ বুলি উচ্ছাৰণ কৰি মাতিছিল। আনপিনে বড়ো সকলৰ ঈশ্বৰ উপাসনা কৰা নীতিবোৰ দেখি বড়ো সকলৰ ওপৰত ঘৃণা ভাৱটো আছেই আৰু ইয়াৰ উপৰি উপাধিটো হল মেচ। এই দুয়োটাক সংলগ্ন কৰি ম্লেচ বুলি মাতিবলৈ ধৰিলে, সকলো দিশত বঞ্চিত আৰু বহিস্কৃত কৰিবলৈ ধৰিলে। এনেবোৰ কাৰণতেই গুৰুদেৱে ব্ৰহ্ম উপাধি লিখিব পৰাৰ আবেদন পত্ৰ বিষয়াৰ ওচৰত দাখিল কৰিছিল। ভাগ্যক্ৰমে অৱশেষত ইং ১৯১২ চনৰ পৰা বড়ো সকলে মেচৰ পৰিবৰ্ত্তে ব্ৰহ্ম উপাধি লিখিবলৈ সক্ষম হল।

এই বৃহৎ শব্দ ব্ৰহ্ম জগতৰ সৃষ্টিকৰ্ত্তা সকলোৰে শক্তি পবিত্ৰ শব্দটো বড়োসকলে উপাধি স্বৰূপে লিখিবলৈ পোৱাটো প্ৰশংসণীয় বিষয় নহয়নে ?

ব্ৰহ্ম উপাধি লিখাটো বাধা দিবৰ কাৰণে ১৯২৫ চনত জমিদাৰৰ প্ৰতিনিধিত্বত ধুবুৰীত এক সমদল উলিয়াই। কিছুমান চকু চোৰহা ৰাইজ, বিষয়া সকলে বড়ো সকলৰ ব্ৰহ্ম উপাধি লিখাটো প্ৰতিহত কৰিব পৰা নাছিল কিয়নো চৰকাৰে পূৰ্ব্বেই অনুমোদন দিছিল ব্ৰহ্ম উপাধি লিখিবলৈ।

সংগঠন গঠন কৰিবলৈ ৰাইজক অনুৰোধ কৰিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ বাণী সমুহ কিছুমান শিক্ষিত ছাত্ৰ-ছাত্ৰী সকলৰ হৃদয়ঙ্গম হৈছিল। সতিশ চন্দ্ৰ বসুমতাৰী, ৰূপনাথ ব্ৰহ্ম, মদাৰাম ব্ৰহ্ম, ঈশ্বান মুছাহাৰী তেওলোকে গুৰুদেৱৰ বাণীসমুহ শুনি গভীৰভাৱে পৰ্য্যালোচনা কৰিছিল। ফলস্বৰূপে তেখেতসকলে গুৰুদেৱৰ পৰামৰ্শ মতেই ইং ১৯১৯ চনত গোৱালপাৰা জিলাৰ বড়ো ছাত্ৰ সন্মিলন নামে একোটা সংগঠন গঠন কৰে আৰু সেই বছৰতেই টিপকাইত পৰ্ব্বঝৰা ট্ৰাইবেল ছাত্ৰ সংস্থা গঠন কৰে।

গোৱালপাৰা জিলা আৰু বিভিন্ন অঞ্চলৰ বড়ো ছাত্ৰ সকলক একত্ৰিত কৰিবৰ কাৰনে গুৰুদেৱৰ পৰামৰ্শ মতে বড়ো ছাত্ৰ সন্মিলন নামে একোটা সংগঠন গঠন কৰা হয়।

## বড়ো ছাত্ৰ সন্মিলনৰ প্ৰথম বাৰ্ষিক অধিবেশন (ইং ১৯১৯)

বড়ো জাতিক সংস্কাৰ কৰি উন্নয়নৰ দিশত আগবঢ়াই নিয়াৰ উদেশ্যে আলোচনা কৰিবলৈ বড়ো ছাত্ৰ সন্মিলনক সবল কৰি বড়ো সকলৰ কাৰণে কাম কৰিবলৈ আৰু বড়ো সকলক একত্ৰিত কৰিবলৈপ্ৰধান উদেশ্য হিচাপে ইং ১৯১৯ চনত বড়ো ছাত্ৰ সন্মিলনৰ প্ৰথম বাৰ্ষিক অধিবেশন কোকৰাঝাৰত অনুস্থিত হৈ যায়। এই অধিবেশনত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই মুখ্য অতিথি হিচাপে অংশ গ্ৰহন কৰিছিল। এই অধিবেশনত স্থানীয় ৰাইজ, শিক্ষিত ব্যক্তি আৰু দুৰণি বটীয়া বড়ো সকলৰ লগতে অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তি সকলেও অংশ গ্ৰহন কৰিছিল।

মুকলি সভাত মুখ্য অতিথি হিচাপে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই শিক্ষাৰ আৱশ্যকতাৰ ওপৰত ভিত্তি কৰি ভাষণ দিয়ে। তেও ভাষণত এনেদৰে কৈছিল-



উন্নয়নৰ হকে আৰ্কৰ্দেল আৰ্লয়ে আহি উপস্থিত হৈছিল। লাইনেৰ আদেশ ক্ৰমে গুৰুদেৱ কালিচৰণে আৰ্লক ধুবুৰীত লগ ধৰিছিল আৰু আৰ্লক আবেদন পত্ৰ দিছিল। আৰ্লয়ে গুৰুদেৱে দিয়া আবেদন পত্ৰখন পঢ়ি গম পাইছিল যে, পৰ্ব্বতঝৰা আৰু ওচৰচুবুৰীয়া অঞ্চলত এখনো বিদ্যালয় নথকা বাবে সেই ঠাইৰ বাসিন্দা বড়ো সকলে অগ্ৰগতি হব পৰা নাই। আবেদন পত্ৰৰ যোগেদি তেও অনুৰোধ জনাইছিল যে, পৰ্ব্বতঝৰা আৰু অন্যান্য বড়ো উদ্যোষিত অঞ্চলবোৰত বিদ্যালয় স্থাপন কৰিব লাগে ইয়াৰ উপৰিও কাপোৰ বোৱা, কাঠ মিস্ত্ৰিআদি উদ্যোগ স্থাপন কৰিব লাগে। তেতিয়াহে বড়ো সকলে শিক্ষা অৰ্জন কৰি চাকৰি পালে অৰ্থ উপাৰ্জন কৰি নিজে নিজৰ ভৰিত থিয় হবলৈ সক্ষম হব।

গুৰুদেৱৰ আবেদন পত্ৰত লিখা নিৰ্দেশবোৰ দেখি চিফ কমিচনাৰ আৰ্কদেল আৰ্লএ নথৈ সুখী হৈছিল। কিয়নো এনেবোৰ আচঁনি কাৰ্য্যক্ষম কৰিব পাৰিলে দেশৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হোৱাৰ উপৰি চাকৰিৰ সমস্যাও কিছু লাঘৱ হব।

আৰ্লএ আবেদন পত্ৰখন অনুমোদন জনায় আৰু লগে লগে টিপকাইত মধ্য ইংৰাজী বিদ্যালয়ৰ সৈতে কাপোৰ বোৱা আৰু কাঠ মিস্ত্ৰি বিদ্যালয় নিৰ্মাণৰ কাৰণে ৩০,০০০ (ত্ৰিশ হাজাৰ) টকা দিবলৈ অনুমতি দিয়ে। সেই সময়ত ৩০,০০০ (ত্ৰিশ হাজাৰ) টকাই অধিক আছিল। এই বিদ্যালয়খন ১৯১২ চনত স্থাপন কৰা প্ৰথম বিদ্যালয় ৰূপে পৰিগণিত হৈছিল। ডিপুটি কমিচনাৰ এ.জে. লাইন এই বিদ্যালয়খনৰ দুৱাৰ মুকলি কৰে আৰু ধুবুৰীৰ প্ৰিয়নাথ চৰকাৰে এই মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰে।

শিপিনী বিদ্যালয়খন সময় মতে নিৰ্মান কৰি উলিৱাব নোৱাৰাত মালতিঝৰাৰ চাবুৰাম ব্ৰহ্মৰ ঘৰতে ছাত্ৰ-ছাত্ৰী সকলক শিপিনীৰ প্ৰশিক্ষণ দিয়া হৈছিল। এই প্ৰশিক্ষণৰ বাবে শ্ৰীৰামপুৰৰ পৰা এজন দক্ষতা সম্পন্ন প্ৰশিক্ষক নিয়োগ কৰা হৈছিল।

এই বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলক ছয়মাহ (৬ মাহ) শিপিনীৰ প্ৰশিক্ষণ

দিয়া হৈছিল। ছয়মাহৰ পিচত ফুকন ব্ৰহ্মক মাহিলী পঞ্চাশ টকাকৈ (৫০.০০) দি শ্ৰীৰামপুৰলৈ শিপিনী প্ৰশিক্ষণৰ বাবে পঠাইছিল। যথেষ্ট সংখ্যক বড়ো মহিলা সকলে শিপিনী প্ৰশিক্ষণৰ বাবে এই বিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিল। তেওলোকৰ ভিতৰত নলিনি ব্ৰহ্ম (গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ জীয়েক) চিখ্রিবালা ব্ৰহ্ম (বিৰনাৰায়ণ ব্ৰহ্মাৰ জীয়েক), ৰূপেশ্বৰী ব্ৰহ্ম (চত কালিচৰণ ব্ৰহ্মাৰ ভনিয়েক) নলেশ্বৰী ব্ৰহ্ম, (সাবুৰাম ব্ৰহ্মাৰ জীয়েক) আদিয়ে প্ৰধান।

অতি কম সময়ৰ ভিতৰতে উইভিং আৰু কাৰ্পেন্ট্ৰি বিদ্যালয়খন নিৰ্মান কৰি উলিয়াই আৰু বহুতো পুৰুষ মহিলাই এই বিদ্যালয়ত নাম ভৰ্ত্তি কৰে। শিপিনী ছাত্ৰ -ছাত্ৰী সকলক মাহিলি দহ (১০) টকাকৈ আৰু কাৰ্পেন্ট্ৰিৰ ছাত্ৰ ছাত্ৰী সকলৰ বাবে মাহিলি পাঁচ (৫) টকাকৈ জলপানি দিয়া হৈছিল। চত কালিচৰণ ব্ৰহ্মাই উইভিং আৰু কাৰ্পেন্ট্ৰি বিদ্যালয়ৰ পৰিচালনাৰ দায়ীত্বত আছিল। মঃ কাজিম উদ্দিন আহমেদ কাৰ্পেন্ট্ৰি প্ৰশিক্ষণৰ দায়িত্বত আছিল।

প্ৰায় দুমাহ মানৰ পিচতে পুনৰ চৰকাৰে টিপকাই মধ্য ইংৰাজী বিদ্যালয়ৰ কাষতে এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰে। চত কালিচৰণ ব্ৰহ্ম এই বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল। এই সকলোবোৰ গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ চৰকাৰৰ ওচৰত আবেদন কৰাৰ এক বৃহৎ উল্লেখনীয় অৱদান।

মধ্য ইংৰাজী বিদ্যালয়, উইভিং আৰু কাৰ্পেন্ট্ৰি বিদ্যালয় নিৰ্মান কৰাৰ পিচত বিশুদ্ধ খোৱা পানী, শৌচালয় আৰু পেচাব গাৰৰ সুবিধা কৰি দিয়া হয়। এনেদৰে গাওঁলীয়া আৰু ওচৰ চুবুৰীয়া বড়ো পুৰুষ, মহিলা, হালোৱা, ৰূৱনীয়ে নিজ ইচ্ছা অনুসৰি বিদ্যালয়ত নাম ভৰ্ত্তি কৰি পঢ়িবলৈ, শিপিনী হবলৈ আৰু কাঠ মিস্ত্ৰি হবলৈ প্ৰশিক্ষণৰ দ্বাৰা সুবিধা লাভ কৰিছিল।

গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই সকলোৰ বাবে উইভিং আৰু কাৰ্পেন্ট্ৰি বিদ্যালয় স্থাপন কৰি নিজৰ ভৰিত নিজে থিয় হব পৰাৰ এক সুযোগ আনিদিছিল। যি সুযোগ সুবিধা বড়ো সকলক যোগান দিব পৰাটো বড়ো সকলৰ বাবে এক সৌভাগ্যৰ কাৰণ।



ডিপুটি কমিচনাৰ লাইনে বড়ো সকলক সঁচাকৈয়ে ঘৃণ নকৰাকৈ আন্তৰিকতাৰে মৰম কৰিছিল বাবে বড়ো সকলক বহুতো সুবিধা আগ বঢ়াইছিল। ডিপুটি কমিচনাৰ লাইনে লকেল বৰ্ডৰ পৰা আৰু বহুতো বিদ্যালয় বড়ো সকলক দিয়াৰ কথা দিছিল, কাৰণ তেও লকেল বৰ্ডৰ চিয়াৰমেন আছিল। এনেকৈয়ে বড়ো গাওঁসমুহত যথেষ্ট শিক্ষানুষ্ঠান পতা হল।

কিন্তু অতি পৰিতাপৰ বিষয় এই যে তেখেত লাইনে অন্য জিলালৈ বদলি হৈ যাব লগীয়া হোৱাত বড়ো সকলৰ উন্নতিৰ হকে কাম কৰা উচ্চ পদস্থ বিষয়া পোৱাটো জটিল হৈ পৰে। কালক্ৰমে বড়ো সকলৰ শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰা কাৰ্য্যও লেহেমীয়া গতিত পৰিণত হল।

কিন্তু ঈশ্বৰৰ ইচ্ছা সঁচাকৈয়ে বড়ো সকলৰ মাজত এক দুখৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। তেতিয়া প্ৰিয়নাথ চৰকাৰে অসৎ মনোভাৱ আৰু প্ৰকৃতিৰে টিপকাইত প্ৰতিস্থিত মধ্য ইংৰাজী বিদ্যালয়, উইভিং আৰু কাৰ্পেন্ট্ৰি বিদ্যালয়খনক অসমীয়া মানুহ অধ্যষিত ঠাই সাপতগ্ৰামত গোপনে উঠাই নিছিল। প্ৰিয়নাথ চৰকাৰৰ এই অসৎ প্ৰকৃতিৰ মনোভাৱৰ প্ৰতি বাধা দিবলৈ কোনেও গম পোৱা নাছিল। সেই সময়ত বড়ো সকলক অন্য জাতি সম্প্ৰদায়ৰ লোক সকলে ভাল নাপাইছিল, তদুপৰি স্কুল, উইভিং আৰু কাৰ্পেন্ট্ৰি বিদ্যালয় নিৰ্মাণ কৰি দিয়াত চকু চোৰহা ব্যক্তি সকলে আৰু অধিক বড়ো সকলক দেখিব নোৱাৰা হৈছিল।

# বড়ো ছাত্ৰ সন্থা গঠন (ইং ১৯১৯)

গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই চিন্তা কৰি পাইছিল যে, প্ৰত্যেকটো জাতিৰ সমাজ সংস্কাৰ আৰু উন্নয়ণৰ হকে একো একোটা সামাজিক সংগঠন থকাটো নিতান্তই আৱশ্যক। সেই কাৰণে গুৰুদেৱে যেতিয়া ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ অন্য ঠাইবোৰলৈ গৈছিল তেতিয়া শিক্ষিত ছাত্ৰ সকলক লগতলৈ এখন সামাজিক

# বড়ো ছাত্ৰ সন্মিলনৰ তৃতীয় বাৰ্ষিক অধিবেশন

বড়ো ছাত্ৰ সন্মিলনৰ তৃতীয় বাৰ্ষিক অধিবেশনখন টিপকাই এম.ই স্কুলত অনুস্থিত কৰা হৈছিল। এই অধিবেশনত বড়ো ছাত্ৰ সন্মিলনৰ নামটো নতুনকৈ ৰখা হয় আৰু সদৌ অসম বড়ো ছাত্ৰ সন্মিলনী অথবা সদৌ অসম বড়ো ছাত্ৰ সন্থা ৰখা হয়।

# সদৌ অসম বড়ো ছাত্ৰ সন্থাৰ অধিবেশন (ইং ১৯২৫)

সদৌ অসম বড়ো ছাত্ৰ সন্থাৰ প্ৰথম বাৰ্ষিক অধিবেশনখন ইং ১৯২৫ চনত ৰঙিয়াত অনুস্থিত হৈছিল। এই অধিবেশনৰ প্ৰধান লক্ষ্য আৰু উদেশ্য আছিল বড়ো সকলক একত্ৰিত কৰি সমাজ সংস্কাৰৰ দিশত সচেতন কৰা।

এই সভাত জনপ্ৰিয় অসমীয়া সাহিত্যিক নিলমনি ফুকন (ডিব্ৰুগড় জৰ্জ হাই স্কুলৰ প্ৰধান শিক্ষক), ধুবুৰীৰ আৰক্ষী অধিক্ষক আনন্দ চন্দ্ৰ আগৰৱালা আৰু গন্য মান্য অসংখ্য অতিথি বৃন্দ সভাত অংশ গ্ৰহন কৰিছিল। ভাষন প্ৰসংগত সাহিত্যিক নিলমনি ফুকন দেৱে কয় ‘বড়ো সমাজখনক সংস্কাৰ কৰি উন্নয়নৰ দিশত আগবঢ়াই নিয়াত বড়ো ছাত্ৰ সন্থাৰ এক মহান দায়ীত্ব আছে সেয়েহে প্ৰত্যেজন ছাত্ৰ ছাত্ৰীয়েই শিক্ষা গ্ৰহন কৰা উচিত।’

আনন্দ চন্দ্ৰ আগৰৱালা দেৱে বড়ো সমাজৰ উন্নয়নৰ দিশত হেঙাৰ



“ ছাত্ৰ ছাত্ৰী সকল আজি তোমালোকৰ সভা। সভা মানে একত্ৰিত হোৱা, পৰস্পৰে পৰস্পৰক সৎ ভাৱনা ব্যক্ত কৰা, জনসাধাৰণৰ কল্যান সাধন কৰা, প্ৰত্যেকজন ব্যক্তিয়েই শিক্ষিত হোৱা উচিত। জ্ঞানৰ যোগেদি ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চৰ্তুবৰ্গফল লাভ কৰিব পাৰি, জাতি আৰু জগতৰ সকলো সৎ কৰ্মৰ বোজা এদিন তোমালোকৰ ওপৰত পৰিব। শিক্ষাৰ দ্বাৰা সৎ কৰ্ম কৰিব পাৰি। এজন অশিক্ষিত ব্যক্তিৰ কৰ্ম্ম হল চকু নেদেখা লাখুটিৰ ওপৰত ভৰ দি খোজ কঢ়াৰ দৰে, জ্ঞানক চুৰ দকাইতেও লুটি নিব নোৱাৰে, ভাই ককাই সাংসাৰিক জীৱনত বিচ্ছেদ হলেও বিদ্যাক কেতিয়াও বিচ্ছেদ কৰিব নোৱাৰি। ”

তেও কৈছিল- “ চানৈক্য মহাপণ্ডিতে কৈছিল, এখন ৰাজ্যৰ ৰজা বিদ্যাৰ সমান হব নোৱাৰে। কিয়নো ৰজাই নিজৰ ৰাজ্যৰ ভিতৰতহে সন্মানীয়; কিন্তু এজন বিদ্যান ব্যক্তি সমগ্ৰ দেশ বিদেশ জুৰি সন্মানীয়। বিদ্যান লোক নীচ জাতিৰ হলেও সন্মানীয়। এজন নীচ ব্যক্তি মন্ত্ৰীহৈ ৰজাৰ ৰাজসভাত বহিব পাৰি। বিদ্যা হল মহাধন। ছাত্ৰ ছাত্ৰী সকল তোমালোকে ভালদৰে অধ্যয়ন কৰা। ছাত্ৰ-ছাত্ৰী লগৰীয়া, সমনীয়া, মৰম, স্নেহ আৰু বন্ধুত্বৰ ভাৱ নেৰিবা। ঈশ্বৰ, পিতৃ মাতৃ, পণ্ডিত, শিক্ষাগুৰু সকলক সেৱা কৰিবা। নিজৰ মান্যজনক প্ৰেম কৰিবা। সদায় সত্য কথা কবা, টকা পইচা অপব্যয় নকৰিবা। সকলোৱে শিক্ষা গ্ৰহন কৰিবা, মদ্যপান কৰা, ভাং, বিড়ি, চিগাৰেট ধঁপাত খোৱাৰ পৰা সদায় বিৰত থাকিবা। বড়ো ছাত্ৰ ছাত্ৰী সকল আৰু বিদ্যান ব্যক্তি সকলোৱে জনাকৈ “**বিবাৰ**” আলোচনীখন চপা কৰি উলিয়াবলৈ চেষ্টা কৰিবা। ধন্যবাদ, ছাত্ৰ সন্মিলনৰ জয় হওক, উন্নতি হওক।”

# বড়ো ছাত্ৰ সন্মিলনৰ দ্বিতীয় বাৰ্ষিক অধিবেশন


বড়ো ছাত্ৰ সন্মিলনৰ লক্ষ্য আৰু উদ্দেশ্য সমুহ কটকটিয়া কৰিবৰ কাৰণে দ্বিতীয় বাৰ্ষিকী অধিবেশন পতা হৈছিল। কোকৰাঝাৰ জিলাৰ পুঠিমাৰী এম.ভি. স্কুলত এই অধিবেশন অনুস্থিত কৰা হৈছিল। মুখ্য উপদেষ্টা হিচাবে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই এই সভাখন পৰিচালিত কৰিছিল। এই সভাৰ উদ্যোক্তা সকলক ৰাইজে সহায় সহযোগিতা আগবঢ়াইছিল। বড়ো ছাত্ৰ সন্মিলনত দ্বিতীয় বাৰ্ষিক অধিবেশনৰ মুকলি সভাত গুৰুদেৱে ৰাইজৰ আগত এনেদৰে বক্তৃতা দি উৎসাহিত কৰিছিল যে, ‘চুৰ, ডকাইত, বিবেচনাহীন, হিংসা, নিন্দা, কটা, মৰা, ক্ৰোধ, অভাৱ অনাটন এইবোৰ মনুষ্যৰ ধৰ্ম্মহীনতাৰ বাবে হয়’।

তেও প্ৰত্যেক জন ছাত্ৰ ছাত্ৰী সকলক ধৰ্ম্ম গ্ৰহন কৰি ধৰ্ম্মৰ পথৰে আগুৱাই যাবলৈ আহ্বান জনায়। সৎ স্বভাৱ চৰিত্ৰ গঠন কৰাৰ উপযুক্ত সময় হল ছাত্ৰ অৱস্থা। সেই কাৰণে প্ৰত্যেক জন ছাত্ৰ ছাত্ৰীৰ অভিভাৱক সকলে নিজৰ নিজৰ লৰা ছোৱালীবোৰক স্বভাৱ চৰিত্ৰ গঠনৰ ক্ষেত্ৰত ভাল উপদেশ আৰু উৎসাহিত কৰিব লাগে।





ইং ১৯০৬ চনত বৈনাগুৰিৰ বড়ো ৰাইজে শৰণীয়া হবলৈ ৭ দিন ৭ ৰাতি জৌনি ফখ্ৰি, আঁংখামনি আলি, বেদৰনি আখায় নীতিৰে খায়বৈ ফুৰ্টি কৰিছিল। সেই দিনাখনেই এজনী ছোৱালী আৰু এজন লৰা দুয়োকে ইয়াৰ চিন হিচাপে বিয়া দিছিল আৰু এযোৰ পকাখুটা পুতি থৈছিল। (ফটোগ্ৰাফ- ২০০৩)



কাজিগাৰত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ব্ৰহ্ম মন্দিৰ (নিজে প্ৰতিষ্ঠা কৰি থৈ যোৱা। (ফটোগ্ৰাফ- ২০০৩)

অনুস্থিত কৰা সভাখন অতি তাপৰ্য্যপূৰ্ণ আছিল। কাৰণ এই সভাত ডেকা গাভৰু, বুঢ়া- বুঢ়ী সকলোৱে গোটখায় একেলগে পৰ্য্যালোচনা কৰাৰ সুযোগ সুবিধা পাইছিল। সভাত সামাজিক, শৈক্ষিক, অৰ্থনৈতিক বিষয় সমুহৰ ওপৰত বিতংভাৱে আলোচনা কৰি তলৰ প্ৰস্তাৱ সমুহ গৃহীত কৰা হয়।

প্ৰস্তাৱ নং ১- বড়ো মহাসন্মিলনৰ সভাখন প্ৰত্যেক বছৰেই অনুস্থিত কৰা হওঁক।

প্ৰস্তাৱ নং ২- মহাসন্মিলনৰ বাৰ্ষিক সভাখন অনুস্থিত কৰিবলৈ এখন কাৰ্য্যকৰী কমিটি গঠন কৰা হওঁক।

প্ৰস্তাৱ নং ৩- এই বৰ্ষিকী অধিবেশনত মহিলা সকলৰ পৰাও বিষয় ববীয়া সমুহ লোৱা হওঁক।

প্ৰস্তাৱ নং ৪- স্কুল আৰু কলেজৰ ছাত্ৰ ছাত্ৰী সকলৰ হিতৰ কাৰণে প্ৰত্যেক বাৰ্ষিক অধিবেশনত আলোচনী ছপা কৰি উলিওৱা হওঁক।

প্ৰস্তাৱ নং ৫- বুজন পৰিমানৰ প্ৰাথমিক বিদ্যালয় স্থাপন কৰি লৰা ছোৱালীবোৰক বিদ্যালয়লৈ পঠোৱা হওঁক।

প্ৰস্তাৱ নং ৬- শুভ বিবাহ আৰু অনান্য সামাজিক তিথি পালনত মদৰ প্ৰচলন বন্ধ কৰা হওঁক।

প্ৰস্তাৱ নং ৭- ছোৱালী বিয়া দিলে মাত্ৰ ৫১.০০ টকা পন টকা হিচাপে লোৱা হওঁক। কোনো ব্যক্তিয়ে বেছি ললে জৰিমনা লোৱা হওঁক আৰু উপৰিঞ্চি টকা ঘুৰাই দিয়া হওঁক।

গুৰুদেৱ কালিচৰণৰ প্ৰতিনিধিত্বতে ওপৰৰ প্ৰস্তাৱ সমুহ গৃহীত কৰা হৈছিল আৰু ইয়াৰ উদেশ্যবোৰ বহলাই গুৰুদেৱে ৰাইজক বুজাইদিছিল।

ইং ১৯২১ চনৰ ২১ জুলাইৰ সন্মিলনৰ মুকলি সভাত অগনন ৰাইজৰ সমাগম হৈছিল। বড়ো সমাজ সংস্কাৰৰ উদেশ্য অনুস্থিত কৰা প্ৰথম বড়ো মহাসন্মিলনৰ নতুন নামাকৰন শুনি প্ৰত্যেকজনৰ মন আনন্দিত আৰু উৎসাহিতহৈ



স্বৰূপ পৰিগনিত হোৱা প্ৰধান কাৰণ সমুহ যুক্তিযুক্ততাৱে ব্যক্ত কৰে। আনন্দ চন্দ্ৰ আগৰৱালা গুৰুদেৱৰ সৈতে এক মধুৰ সমন্ধ আছিল। তেখেতৰ পিতৃ এজন ব্ৰহ্ম ধৰ্ম্মীয় লোক আছিল তদুপৰি গুৰুদেৱে আনন্দ চন্দ্ৰ আগৰৱালাৰ পিতৃক ব্ৰহ্ম ধৰ্ম্মৰ পুথিবোৰ অসমীয়া ভাষাত অনুবাদ কৰিবলৈ অনুৰোধ কৰিছিল।

মুকলি সভাত গুৰুদেৱে বক্ততা দিছিল এনেদৰে "বড়ো সকল আপোনালোকে চুৰ ডকাইত গুণ্ডাগিৰি নকৰিবা। কোনোবা খেতিয়ক, কোনোবা চাকৰি, কোনোবা বেপাৰ বাণিজ্য কৰা। বোৱা কটা কৰিবলৈ শিকা আৰু সকলোৱে শিক্ষিত হোৱা।"

এই সভাত গুৰুদেৱে বড়ো ছাত্ৰ সন্থাৰ কাৰ্য্য কলাপৰ সম্পৰ্কে বিৰ্স্তীণ ভাৱে বৰ্ণনা কৰি বুজায় কয়। বড়ো সমাজখনক সংস্কাৰ কৰি উন্নয়নৰ দিশত আগবঢ়াই নিয়াত ছাত্ৰ সন্থাৰ যে এক মহান দায়ীত্ব আছে সেই কাৰণে গুৰুদেৱে প্ৰত্যেকজন ছাত্ৰ ছাত্ৰী সকলক একত্ৰিক ভাৱে সচেতন হবলৈ আহ্বান জনায়।

# বিবাৰ আলোচনী ছপা কৰি উলিওৱা (ইং ১৯২৪)

গুৰুদেৱ কালিচৰণৰ পৰামৰ্শ মতে তিনি মহীয়া "**বিবাৰ**" বড়ো আলোচনীখন ইং ১৯২৪ চনৰ এপ্ৰিল (বাংলা ১৩৩১ বহাগ) মাহত প্ৰথম বাৰৰ বাবে ছপা কৰি উলিওৱা হৈছিল। এই সিদ্ধান্ত ছাত্ৰ সন্মিলনৰ প্ৰথম বাৰ্ষিক অধিবেশনত ইং ১৯১৯ চনত লোৱা হৈছিল। সতিশ চন্দ্ৰ বসুমতাৰীয়ে এই আলোচনীখন সম্পাদন কৰিছিল। "**বিবাৰ**" আলোচনীখন ছপা কৰি উলিওৱাৰ ফলত বড়ো সকল যথেষ্ট শিক্ষাৰ দিশত সচেতনতা অৱলম্বন কৰিছিল।

"**বিবাৰ**" আলোচনীখনৰ বিষয় সমুহ আছিল "**বিবাৰ**", কবিতা, ৰূপনাথ ব্ৰহ্ম, **"চৰিত্ৰ গঠন"**, নোমল চন্দ্ৰ ব্ৰহ্ম, **"বিবাৰ খানাই"** আদি।

"**বিবাৰ**" আলোচনীখন বহুত বছৰধৰি প্ৰকাশ কৰাৰ পিচত গুৰুদেৱ কালিচৰণে অন্য আলোচনী প্ৰকাশ কৰিবলৈ পৰামৰ্শ দিয়ে। অৱশেষত অলংবাৰ, হাথৰখি হালা, সিফুং, জেনথখা, মুশ্ৰী আৰু সানশ্ৰী, নামে কেইবাখনো বড়ো আলোচনী প্ৰকাশ কৰা হয়। এনেদৰে কালিচৰণৰ পৰামৰ্শ মতে বড়ো ভাষা আৰু সাহিত্যই ইং ১৯২৪ চনৰ পৰা উন্নতিৰ দিশলৈ গতি কৰে। এই আলোচনীবোৰে বড়ো ছাত্ৰ ছাত্ৰী সকলক বড়ো ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে কাম কৰিবলৈ যথেষ্ট অৰিহনা যোগাইছিল। বৰ্ত্তমানলৈকে এই আলোচনী সমুহৰ পদ্য, গদ্য আৰু বিষয় সমুহ এক মহান অৱদান ৰূপে পৰিগণিত হৈ আছে।

# বড়ো মহাসন্মিলন অনুস্থিত কৰা (ইং ১৯২১)

বড়ো সকলক একত্ৰিত কৰি বড়ো সমাজখনক সংস্কাৰ কৰাটো গুৰুদেৱৰ প্ৰধান লক্ষ্য আছিল। জীৱ জন্তু বলি দি ঈশ্বৰ উপাসনা কৰায় আছিল বড়ো সকল অধঃপতন হোৱাৰ প্ৰধান কাৰণ। সেইকাৰণে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই সৰ্ব্ব প্ৰথমে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল। ব্ৰহ্ম ধৰ্ম্মৰ যোগেদি বড়ো সকলৰ চিন্তাধাৰা, কৰ্ম্ম আদি যথেষ্ট পৰিবৰ্ত্তনৰ দিশে গতি কৰিছিল। কিন্তু জীৱ জন্তু বলি দি ঈশ্বৰ উপাসনা কৰা নীতিয়ে বড়ো সমাজ পৰিবৰ্ত্তনৰ ক্ষেত্ৰত কোনো ধৰণৰ অৰিহনা যোগোৱা নাছিল। ইয়াৰ পৰিবৰ্ত্তে বড়ো সকল অনেক ঘৃণাৰ পাত্ৰ হব লগীয়া হৈছিল। সেই সময়ত ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰি বড়ো সকলক সচেতন কৰা গুৰুদেৱ কালিচৰণৰ অবিহনে আৰু অন্য ব্যক্তি নাছিল।



সেয়েহে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ আদৰ্শ আমাৰ বাবে চিৰস্মৰণীয় আৰু প্ৰশংসণীয়। অন্যথা বড়ো সকলে হয়তো আজিলৈকে তান্ত্ৰিক নীতিৰে ঈশ্বৰ উপাসনা কৰি থাকিলহেঁতেন।

গুৰুদেৱ কালিচৰণৰ চিন্তা ধাৰা আৰু কৰ্ম্মৰাজিৰ বিষয়ে জনাৰ পিচত ৰূপনাথ ব্ৰহ্ম, সতিশ চন্দ্ৰ বসুমতাৰী, মদাৰাম ব্ৰহ্ম, নেপাল চন্দ্ৰ বসুমতাৰী তেখেত সকলে বড়ো সমাজ সংস্কাৰৰ দিশত অধিক তৎ পৰ হৈ উঠে। ঈশ্বৰ উপাসনা, বিবাহ কাৰ্য্য, গাৰ্হস্থ্য আৰু সামাজিক কৰ্মৰ ক্ষেত্ৰত মদৰ প্ৰচলন, নাৰী হৰণৰ দ্বাৰা বিবাহ, গাহৰি পোহা, লিখা পঢ়া নজনা ধৰ্ম্মৰ দিশত অসচেতন এইবোৰ আছিল প্ৰধান কাৰণ। যাৰ কাৰণে বড়ো সকল ঘৃণাৰ পাত্ৰ হব লগা হৈছিল। উন্নয়নৰ দিশে গতি কৰিব পৰা নাছিল। এইবোৰ প্ৰতিৰোধ কৰি বড়ো সমাজ খনক সংস্কাৰ কৰিবলৈ গুৰুদেৱ কালিচৰণৰ সৈতে অনেক জ্ঞানী-গুণী বড়ো যুৱক যুৱতী সকলে গুৰুদেৱক সহায় সহযোগিতা কৰিছিল।

ইং ১৯২১ চনত গুৰুদেৱ কালিচৰণৰ প্ৰতিনিধিত্বত বড়ো সকলকএকত্ৰিত কৰাৰ উদ্দেশ্য বড়ো মহাসন্মিলনী নামে এখন সভা অনুস্থিত কৰা হয়।এই সভাখন গোসাঁইগাৱ থানাৰ অন্তৰ্গত থকা ভাওৰাগুৰি নামে এখন বড়ো গাওঁত অনুস্থিত হৈছিল। এই সভাখন অনুস্থিত কৰিবৰ কাৰণে এখন অভ্যৰ্থনা সমিতি গঠণ কৰা হৈছিল।

অভ্যৰ্থনা সমিতিৰ বিষয় বোবিয়া সকল আছিল-

পৰিচালক - গুৰুদেৱ কালিচৰণ ব্ৰহ্ম

সভাপতি - যদুনাথ খাখ্লাৰী

সম্পাদক - ৰূপনাথ ব্ৰহ্ম

সদস্য সকল - বীৰনাৰায়ণ মণ্ডল, জামাদাৰ ব্ৰহ্ম, সতিশ চন্দ্ৰ বসুমতাৰী, বিজয়সিং ব্ৰহ্ম, চত কালিচৰণ ব্ৰহ্ম আৰু মানসিং ব্ৰহ্ম।

এই সভাত দুৰ দুৰনীৰ বড়ো সকলে অংশ গ্ৰহন কৰিছিল। বড়ো সকলক একত্ৰিত কৰি উন্নয়নৰ দিশত আগ বঢ়াই নিবলৈ লক্ষ্য স্থিৰ কৰি

মদ খায় ঢোল, তাল, বাঁহী বাদ্য বাজনাবোৰ বজায় ঈশ্বৰ উপাসনা কৰাটো সম্পূৰ্ণ ভাৱে বন্ধ কৰাৰ প্ৰস্তাৱ গ্ৰহন কৰে।

প্ৰস্তাৱ মৰ্ম্মে একচন ফৰ্চ গঠন কৰা হয় আৰু একচন ফৰ্চে গাঁৱে গাৱে মদ বনোৱা, মদ বেচা আৰু গাহৰি পোহা বন্ধ কৰিছিল। একচন ফৰ্চৰ এনেবোৰ কাৰ্য্যৰ প্ৰতি গাঁৱলীয়া বড়ো সকলে ভাল পোৱা নাছিল আৰু ঠায়ে ঠায়ে একচন ফৰ্চ আৰু গাঁৱলীয়া লোকৰ মাজত কাজিয়া মাৰপিট হৈছিল। এনেবোৰ ঘটনা দেখি গুৰুদেৱ কালিচৰণে বড়ো সকলৰ শিক্ষিত ব্যক্তি সকলক লগত লৈ গাঁৱে গাঁৱে সোমায় সৰল ভাষাৰে মদ্যপান কৰা আৰু গাহৰি পুহা অভ্যাস বন্ধ কৰিবলৈ অনুৰোধ কৰিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ সৰল সহজ ভাষাৰে বুজোৱাত বড়ো সকলে গাহৰি পুহি নিজ নিজ ঘৰৰ চৌপাশ লেতেৰা কৰা বলি প্ৰথাৰে ঈশ্বৰ উপাসনা কৰা আদি নীতি ত্যাগ কৰি ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিছিল। কিন্তু এচাম বড়ো সকলে গুৰুদেৱৰ প্ৰস্তাৱ সমুহ মানি লোৱা নাছিল আৰু মদ, মাংস খায় বৈ ঢোল, তাল বাঁহী বজায় নাচী বাগি ৰং তামাচাৰে ইশ্বৰ উপাসনা কৰিছিল।

উল্লেখযোগ্য যে গুৰুদেৱে অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তিসকলক ব্ৰহ্ম ধৰ্ম্মত দীক্ষিত হোৱাৰ ক্ষেত্ৰত আশাৰে অপেক্ষা কৰিছিল। তেও বড়ো জাতীৰ কাৰণে মাত্ৰ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা নাছিল। সেয়েহে বহল দৃষ্টি ভংগিৰে চাই ঢোল, তাল, বাঁহী বজায় ৰং তামাচাৰে ঈশ্বৰ উপাসনা কৰা নীতি বন্ধ কৰিবলৈ পৰামৰ্শ দিছিল। কাৰণ ঢোল, তাল, বাহী বাদ্য বাজনাবোৰ ইশ্বৰ উপাসনা কৰাৰ প্ৰধান অংগ হিচাপে গ্ৰহণ কৰিলে অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তি সকলে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিব। গুৰুদেৱৰ এনেধৰনৰ ভাষাৰ প্ৰতি বড়ো সকলে তিক্ততা প্ৰকাশ কৰিছিল। অৱশেষত ঢোল, তাল বাঁহী আদি বাদ্য বাজনাবোৰ বড়ো সকলৰ কলা সংস্কৃতিৰ প্ৰধান অংগ স্বৰূপে বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু যজ্ঞাহুতি অথবা ঈশ্বৰ উপাসনা কৰাৰ ক্ষেত্ৰত বাদ্য বাজনা বজায় ৰং তামাচাৰে ঈশ্বৰ উপাসনা কৰা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সিদ্ধান্ত



দলে বলে আহি সভাত অংশ লৈছিল। মুকলি সভাত অতিথি হিচাপে অংশলৈ গুৰুদেৱে এনেদৰে কৈছিল যে-

" কুকুৰা, পাৰ, বলি দি ঈশ্বৰ উপাসনা কৰা মহাপাপ। কুকুৰা পাৰ বলি দিয়ে তেজ শুকাইজায়, মাথা, মাংস মানুহে খায়। বৰ খুজি বৰ নাপায়, দুখ কষ্টত কেৱল ঈশ্বৰকহে চিন্তা কৰে, যিজনে যিমান দেৱতাক পূজা কৰে, সিমানে দুখৰ ওৰ নপৰে।"

# দ্বিতীয় বড়ো মহাসন্মিলনৰ সভা অনুস্থিত কৰা হয় (ইং ১৯২৫)

দ্বিতীয় বড়ো মহা সন্মিলনখন ইং ১৯২৫ চনত কামৰূপ জিলাৰ ৰঙিয়াত অনুস্থিত হৈছিল। এই সভাখন গুৰুদেৱ কালিচৰণৰ প্ৰতিনিধিত্বত সফল হৈছিল। এই সভাত সভাপতিত্ব কৰিছিল যদুনাথ খাখ্লাৰীয়ে। সভাৰাম ব্ৰহ্ম, যাদৱ চন্দ্ৰ খাখ্লাৰী, ৰবি চন্দ্ৰ কছাৰী, যোগেন্দ্ৰ কছাৰী, সম্ভু উজিৰ, গোপাল উজিৰ, দুৰ্গা মৌজাদাৰ আদি অনেক বুদ্ধিজীৱি ব্যক্তি সকলে এই সভাত অংশ লৈছিল। ইং ১৯২১ চনৰ অধিবেশনত গৃহীত প্ৰস্তাৱ সমুহ কাৰ্য্যকৰি কৰিবৰ কাৰণে প্ৰস্তাৱ লোৱা হয়। ইয়াৰ উপৰিও এই সভাত নতুনকৈ দুটা প্ৰস্তাৱ গ্ৰহন কৰা হয়।

প্ৰস্তাৱ নং ১- বড়ো সকলৰ গাহৰি পোহা অভ্যাস সম্পুৰ্ণৰূপে বন্ধ কৰা হওক। কাৰণ গাহৰি পহিলে ঘৰৰ চৌপাশে গেলগেলিয়া বোকা হয় আৰু দুৰ্গন্ধ হৈ বেমাৰ সৃষ্টি কৰে। গাহৰি পুহিলে শাক পাচলিৰ খেতি বাতি নষ্ট কৰে।

প্ৰস্থাৱ নং ২- সকলো বড়ো মানুহেই ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰাৰ বাবে অনুৰোধ কৰা হওঁক। এই প্ৰস্থাৱ সমুহ ৰাইজে একত্ৰিত ভাৱে গৃহীত কৰে।

# তৃতীয় বড়ো মহাসন্মিলনৰ সভা অনুস্থিত কৰা (ইং ১৯২৯)

তৃতীয় বড়ো মহাসন্মিলনৰ সভাখন ইং ১৯২৯ চনত বঙ্গাইগাওঁৰ ৰৌমাৰি নামে এখন বড়ো অধ্যোষিত গাওঁত অনুস্থিত হৈছিল। এই মহাসন্মিলনৰ সভাত গুৰুদেৱ কালিচৰণ ব্ৰহ্মই প্ৰতিনিধিত্ব কৰিছিল। এই সভাত প্ৰসিদ্ধ গদ্যকাৰ আৰু পদ্যকাৰ যেনে অম্বিকাগিৰি ৰায় চৌধুৰী, নিলমনি ফুকন আদি গন্য মান্য ব্যক্তি সকলে অংশ গ্ৰহণ কৰিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম, সতিশ চন্দ্ৰ বসুমতাৰী, ফৌৰলাং বাবাজী, মদাৰাম ব্ৰহ্ম, বিৰেন্দ্ৰ নাৰায়ণ মণ্ডল আদি বহুতো বড়ো বুদ্ধিজীৱি সকলে এই সভাত অংশ গ্ৰহন কৰিছিল। ইয়াৰ উপৰিও সদিয়াৰ পৰা জলপাইগুৰি লৈকে বিভিন্ন ঠাইৰ পৰা বড়ো আৰু অনা বড়ো সম্প্ৰদায়ৰ অগণন ব্যক্তি সকলে এই সভাত অংশ লৈছিল।

এই সভাত যাদৱ চন্দ্ৰ খাখ্লাৰীয়ে সভাপতিত্ব কৰিছিল আৰু মহা সন্মিলনত কিছুমান প্ৰস্থাৱ গৃহীত কৰা হৈছিল। প্ৰস্থাৱ সমুহ হল-

১ নং প্ৰস্থাৱ- গাহৰি পোহা সম্পূৰ্ণৰূপে বন্ধ কৰা হওঁক।

২ নং প্ৰস্থাৱ- চাবলৈ ধুনীয়া গাভৰু ছোৱালীক বলপূৰ্ব্বকভাৱে টানি বিবাহ দিয়া কাৰ্য্য বন্ধ কৰা হওঁক।

৩নং প্ৰস্থাৱ- মদ বনোৱা আৰু মদখোৱা সম্পূৰ্ণৰূপে বন্ধ কৰা হওক।

৪নং প্ৰস্থাৱ- কুকুৰা, পাৰ, ছাগলী বলি দি ঈশ্বৰ সেৱা কৰা নীতি বন্ধ কৰা হওক আৰু ইয়াৰ পৰিবৰ্ত্তে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰা হওঁক।



৫নং প্ৰস্থাৱ- বড়ো মহিলা সকলে বজাৰলৈ যোৱাটো সম্পূৰ্ণ ৰূপে বন্ধ কৰা হওঁক।

ইয়াৰ উপৰিও গুৰুদেৱ কালিচৰণে অন্য কিছুমান আৱশ্যকীয় প্ৰস্থাৱ গ্ৰহন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। এইপ্ৰস্থাৱ সমুহ হল- আহুতি দিয়া সময় চোৱাত খাম, তাল, বাঁহী বজোৱা বন্দ কৰিব লাগে। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই এনেদৰে ৰাইজক কৈছিল-

“ আহুতি দি থকা সময়ত এই বাদ্য বাজনাবোৰ বজালে ইশ্বৰ সেৱাত স্থিৰ ভাৱে মন নবহে আৰু ঈশ্বৰ উপাসনা কৰাতকৈ তামাচা বেছি হয়। ঈশ্বৰ উপাসনা কৰাত তামাচা কৰিব নাপায়। এই প্ৰস্থাৱ সমুহ কাৰ্য্যকৰি কৰিবলৈ আৰু মদ বনোৱা, গাহৰি পোহা বন্দ কৰিবলৈ একচন ফৰ্চ গঠন কৰিবলৈ পৰামৰ্শ দিয়ে।”

কিন্তু দুখৰ বিষয় সভাস্থলিত ক্ষন্তেক সময়ৰ বাবে এক হুলস্থুলিয়া পৰিবেশৰ সৃষ্টি হৈছিল। গুৰুদেৱ কালিচৰণৰ এনেধৰণৰ প্ৰস্থাৱৰ ওপৰত পৰামৰ্শ দিয়াতো প্ৰায় ভাগ ৰাইজে মানি লব পৰা নাছিল। ঢোল, তাল, বাঁহী এইবোৰ বড়ো কলা সংস্কৃতিৰ একো একোটা অংশ। ঈশ্বৰ উপাসনা কাৰ্য্যত এই বাদ্য বাজনাবোৰ ব্যৱহাৰ নকৰিলেও অন্য সামাজিক কাৰ্য্য ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি। সেই কাৰণে এই বাদ্য বাজনাবোৰ একেবাৰে নিষেধ কৰাটো যুক্তিপূৰ্ণ নহয় বুলি প্ৰায়েই চিন্তা কৰিছিল। ৰূপনাথ ব্ৰহ্ম, সতিশ চন্দ্ৰ বসুমতাৰী, নেপাল চন্দ্ৰ বসুমতাৰী আৰু অনেক গন্য মান্য ব্যক্তি সকলে গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ প্ৰস্থাৱ গ্ৰহনৰ পৰামৰ্শৰ প্ৰতি বিধি পথালি দিয়ে। এই বিষয়ৰ ওপৰত নিৰ্ভৰকৰি দুটা ফৈয়দৰ সৃষ্টি হয় আৰু দুয়োটা ফৈয়দৰ মাজত অনেক তৰ্ক বিতৰ্কৰ সৃষ্টি হৈছিল। এটা ফৈদে গুৰুদেৱৰ প্ৰস্থাৱ সমুহ মানি লয় আৰু অন্য এটা ফৈদে গুৰুদেৱক প্ৰস্থাৱ সমূহ উঠাই লবলৈ অনুৰোধ কৰে। আলোচনাৰ যোগেদি সামাজিক কাৰ্য্য ক্ষেত্ৰত খাম, তাল, বাঁহী আদি বাদ্য বাজনাবোৰ বজাবলৈ নিষিদ্ধ কৰা প্ৰস্থাৱটো গুৰুদেৱে উঠাই লবলৈ পৰামৰ্শ দিয়ে। কিন্তু

ব্যাঘাত জন্মিলে যাতে কোনো ব্যক্তিয়ে এনেই নাথাকে।

৭। বিবাহ কাৰ্য্য সম্পন্ন কৰিবলৈ দৌৰি ৰখা হওক। বিবাহ কাৰ্য্য সম্পন্ন হোৱাৰ পিচত দৰা, কন্যা দুয়োপক্ষই এক টকা মান কৰা হওঁক দৌৰিক।

৮। বিবাহ কাৰ্য্যত কন্যা ঘৰীয়াই কন্যা **দান** দিব লাগিব। কন্যা **দান** নিদিয়া লৈকে দৌৰিয়ে বিয়া কাৰ্য্য সম্পন্ন কৰিব নোৱাৰিব। বিয়া কাৰ্য্য সম্পন্ন কৰিলে দৌৰিয়ে বলপূৰ্ব্বক কৰা হব। ইয়াৰ অপৰাধত দৌৰিয়ে ১০ টকা আৰু অন্য ব্যক্তিয়ে ২৫.০০ (পচিশ) টকা জাতিৰ নামত দণ্ড দিব লাগিব।

৯। ব্ৰহ্ম ধৰ্ম্মীয় ব্যক্তিসকলে মদ বনাব নোৱাৰিব। অন্যথা পাঁচ টকা জাতিৰ নামত দণ্ডনীয় দিব লাগিব।

১০। কোনো ব্যক্তিয়েই মহ, নিগনি, ভেকুলী, নেউল, গাদ্ৰা, হাবিৰ মেকুৰী (বনহাপা) খাব নোৱাৰিব। অন্যথা জাতিৰ নামত পাঁচ টকা জৰিমনা দিব লাগিব।

১১। ব্ৰহ্ম অথবা বড়ো জাতিৰ নামত ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন নকৰিলে বিবাহ কাৰ্য্য সম্পন্ন কৰিব নোৱাৰিব। কিন্তু ব্ৰহ্ম ধৰ্ম্মীয় নীতি সমুহ কোনোবা ব্যক্তিয়ে মানি চলিলে বিবাহ কাৰ্য্য সম্পন্ন কৰিব পাৰিব।

১২। ব্ৰহ্ম ধৰ্ম্মীয় ব্যক্তি সকলৰ মাজত পৰিবাৰৰ বাইয়েক, বৰমা, মাহীয়েক, বিয়নি আদি সম্বন্ধীয় লোকৰ লগত বিবাহ কাৰ্য্য সম্পন্ন কৰিব নোৱাৰিব। কোনোবা ব্যক্তিয়ে বিয়া কৰিলেও পূনৰ বিবাহ বিচ্ছেদ কৰিব লাগিব। ইয়াৰ অপৰাধত জাতিৰ দণ্ডণীয় হিচাপে পঞ্চাশ টকা জৰিমনা দিব লাগিব। ৰাইজে পাতিথোৱা দৌৰিয়ে এনে কাৰ্য্য কৰিলে পচিশ টকা জাতিৰ নামত দণ্ডণীয় দিব লাগিব।

১৩। লৰা-ছোৱালীৰ গুপ্ত প্ৰেমৰ দাৰা মাতৃৰ ৰূপ পৰিলক্ষিত হলে নিজৰ পৰৰ সম্বন্ধৰ ওপৰত ভিত্তি কৰি দুয়োজনক সমানে দণ্ডণীয় কৰা



গ্ৰহন কৰে। এই সিদ্ধান্তই অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তি সকলক ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰাত অনুপ্ৰানীত কৰিছিল। যিহেতু বৰ্ত্তমানলৈকে গোঁসাইগাৱ, হৰিশিঙা, ওদালগুৰি, বঙাইগাঁৱ, লখিমপুৰ আদি ঠাই সমুহত অন্য জাতি সম্প্ৰদায়ৰ ব্যক্তি সকলে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহণ কৰি ঈশ্বৰ উপাসনা কৰি আছে, আৰু ব্ৰহ্ম ধৰ্ম্মীয় বড়ো সকলে ঢোল, তাল বাঁহী আদি বাদ্য বাজনাবোৰ বড়ো সকলৰ স্বকীয় কলা সংস্কৃতি ৰূপে বহাগ বিহু, মাঘ বিহু আৰু অনান্য তিথি পালনত ব্যৱহাৰ কৰি আহিছে। গুৰুদেৱ তাত বাধা দিয়া নাছি ।



লিখকে হৃদয় কুমাৰ ব্ৰহ্মৰ সৈতে গুৰুদেৱৰ সমন্ধে আলোচনা কৰাৰ সময়ত। (ফটোগ্ৰাফ- ৭-১২-২০০৪)




গুৰুদেৱে পঞ্চম মান শ্ৰেনীত পঢ়িবলৈ নাম ভৰ্তি কৰা বিদ্যালয়। নতুনকৈ নিৰ্মান কৰাৰ এটি অংশ। (এই বিদ্যালয়খন ইং ১৮২৫ চনত প্ৰতিষ্ঠা কৰিছিল) (ফটোগ্ৰাফ- ৭-১২-২০০৪)

# বড়ো সকলৰ পাণ্ডুলিপি গঠন (ইং ১৯৩৪)

সমাজখনক সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এক লিখিত বিধি বিধান থকা অতি আৱশ্যক। সেয়েহে প্ৰতিটো সমাজ ব্যৱস্থাত সমাজখনক সুচাৰুৰূপে পৰিচালনা কৰাৰ এক লিখিত বিধি বিধান আছে। কিন্তু দুখৰ বিষয় সেই সময়ত বড়ো সমাজ ব্যৱস্থাত কোনো ধৰণৰ লিখিত বিধি বিধান নাছিল। সেই কাৰণে বড়ো সমাজখনক পৰিচালনা কৰাৰ ক্ষেত্ৰত অনেক বিশৃংখলতাৰ সৃষ্টি হৈছিল। নাৰী অপহৰণৰ দ্বাৰা বিবাহ কাৰ্য্য সম্পন্ন কৰা নীতি বড়ো সমাজত আছিল। ফলস্বৰূপে সমাজ পৰিচালনা কৰা, বিবাহ কাৰ্য্য সম্পন্ন কৰাৰ ক্ষেত্ৰত বহুতো বিশৃংখলতাৰ সন্মুখীন হব লগীয়া হৈছিল।

সেই কাৰণে বড়ো সমাজ সংস্কাৰৰ ক্ষেত্ৰত প্ৰত্যেকটো বিষয়ত একোটা নীতি নিয়মৰ ওপৰত সংবিধান লিখাৰ বিষয়ে গুৰুত্ব আৰোপ কৰিছিল। ৰবিৰাম ব্ৰহ্ম, জামাদাৰ ব্ৰহ্ম আৰু বৈদ্যনাথ ব্ৰহ্মক লগত লৈ গুৰুদেৱ কালিচৰণে বিভিন্ন অঞ্চললৈ গৈ শিক্ষিত ব্যক্তি সকলৰ লগত আলোচনা কৰিছিল।

সকলোৱে গুৰুদেৱৰ এই সিদ্ধান্তৰ প্ৰতি সোঁহাৰী জনাইছিল। প্ৰত্যেক ব্যক্তিৰ মতামত সাপেক্ষে এখন সংবিধান কমিটি ৰচনা কৰাৰ সিদ্ধান্ত লৈছিল। সচাঁকৈয়ে ইং ১৯৩৪ চনৰ এপ্ৰিল মাহত (১২ বহাগ, ১৩৪১) বড়ো জাতিৰ সংবিধান গঠন কৰা হয়। এই সংবিধানৰ প্ৰকৃত লক্ষ্য হল বড়ো সমাজখনক ভালদৰে আৰু শান্তিৰে পৰিচালনা কৰা। সংবিধান ৰচনাৰ ক্ষেত্ৰত প্ৰত্যেকজন ব্যক্তিয়েই সন্তোষ্টি প্ৰকাশ কৰিছিল। এই সংবিধানৰ ওপৰত সৰ্ব্ব প্ৰথমবাৰৰ বাবে পৰ্য্যবেক্ষণ কৰা হৈছিল বাংলা ১৩৪১, ১৩ বহাগ, সিম্বৰগাঁৱত দ্বিতীয় বাৰৰ বাবে পৰ্য্যবেক্ষণ কৰা হৈছিল। বাংলা ১৩৪২, ২৯ বহাগ, পৰ্ব্বতঝৰাৰ গম্ভীৰকাটাত আৰু তৃতীয় বাৰৰ বাবে পৰ্য্যবেক্ষণ কৰা হৈছিল বাং ১৩৪৩, ২



কাৰ্ত্তিক, কোকৰাঝাৰৰ ঔৱাবাৰীত। সকলোৰে মতামত সাপেক্ষে বড়ো জাতীয় সংবিধানখন ইং ১৯৩৪ চনৰ নবেম্বৰ মাহত বড়ো মহাসন্মিলনৰ চতুৰ্থ বাৰ্ষিক অধিবেশনত প্ৰকাশ আৰু কাৰ্য্যকৰি কৰা হয়। এই সংবিধানৰ অন্তৰ্গত বিবাহ কাৰ্য্য, সামাজিক অপৰাধৰ দণ্ডনীয়, সমাজ পৰিচালনা কৰা, গাওঁ পৰিচালনা কৰা আৰু বড়ো সমাজৰ প্ৰত্যেকটো বিষয়ৰ নীতি নিয়মবোৰ লিপিবদ্ধ কৰা আছিল।

এই সংবিধানখনৰ যুগুতকাৰি বিষয় ববীয়া সকল যেনে-

সভাপতি- গুৰুদেৱ কালিচৰণ ব্ৰহ্ম

সম্পাদক- বৈদ্যনাথ ব্ৰহ্ম

সহ: সম্পাদক- ৰবিৰাম ব্ৰহ্ম

এই সংবিধানৰ বিষয়সমূহ হল-

১। ধৰ্ম্ম প্ৰচাৰক সকলক লগত লৈ ধৰ্ম্মীয়পুজি গঠন কৰিব লাগে। এই ক্ষেত্ৰত প্ৰত্যেকটো ঘৰৰ পৰা বছৰি দুই আনাকৈ বৰঙনি তোলা হওঁক।

২। বৰঙনি তোলা ব্যক্তিজন ব্ৰহ্ম ধৰ্ম্মীয় ব্যক্তি, গাওবুঢ়া অথবা সদস্য হব লাগিব।

৩। গাওঁৰ সকলো চান্দা বৰঙনি ব্ৰহ্ম ধৰ্ম্মীয় পূজীৰ সম্পাদকৰ হাতত জমা দিব লাগিব।

৪। ধৰ্ম্ম প্ৰচাৰক সকলে এক আদৰ্শৰ নীতি অৱলম্বন কৰি বছৰৰ যিকোনো তিথিত যিকোনো দিনত প্ৰচাৰৰ নামত আলোচনাত মিলিত হব লাগিব।

৫। ধৰ্ম্ম প্ৰচাৰক সকলে নতুন ধৰ্ম্ম প্ৰচাৰ কৰাই মাত্ৰ নহয় পূৰ্ব্বে দীক্ষা লোৱা সকলৰ মাজত যাতে অসুবিধাৰ সৃষ্টি নহয় তদুপৰি এই ধৰ্ম্মকেই খামুচ মাৰি ধৰি থাকে। এই উদ্দেশ্যে বাৰে বাৰে তেওঁ লোকক শিকাব লাগিব বুজাব লাগিব।

৬। কোনোবা প্ৰচাৰকৰ বিশেষ অসুবিধাত আশ্ৰম পৰিচালনাৰ কামত

৩২। স্থায়ীভাৱে থকা দৌৰিৰ অবিহনে অন্য ব্যক্তিৰ দ্বাৰা বিবাহ কাৰ্য্য সম্পন্ন কৰিব নোৱাৰিব। অন্য ব্যক্তিৰ দ্বাৰা বিবাহ কাৰ্য্য সম্পন্ন কৰিলে ১৫.০০ টকা জৰিমনা হব আৰু স্থায়ী ভাৱে থকা দৌৰিৰ লগত পুনৰ বিবাহ কাৰ্য্য সম্পন্ন কৰিব লাগিব আৰু কোনো ব্যক্তিয়ে ভালদৰে নজনাকৈ বিবাহিতা মহিলাক বিয়া কৰিব নোৱাৰিব। যদি কোনোবা ব্যক্তিয়ে বিয়া কৰে তেতিয়া পূৰ্ব্বৰ গিৰিয়েকৰ মান হানিৰ বাবদ আৰু লোকৰ প্ৰকৃতিৰ লগত লেতিপেটি কৰাৰ বাবদ ১২০.০০ টকা ইয়াৰ উপৰিও ১০.০০ টকা ৰাইজক দণ্ডণীয় হিচাপে দিব লাগিব।

৩৩। দৌৰি পদত থাকি জানি বুজি নীতিৰ বাহিৰা ৩বাৰ যতেইনহওক বিয়া কৰিলে ২৫.০০ টকা জৰিমনা দিব লাগিব। তেওঁ আজীৱন দৌৰি কাম কৰিব নোৱাৰিব একেবাৰে বহিস্কাৰ কৰা হব।

৩৪। দৰা ঘৰীয়াই এজন দুজন মহিলা লগতলৈ কন্যা চাব লাগিব। পচন্দ হলে খাৰু অথবা ২.০০ টকা সৈতে গহনা পাতিৰ টোপোলা দি আহিব লাগিব। অপচন্দ হলে দুই তিনি দিনৰ ভিতৰতে ঘুৰাই দিব লাগিব। কন্যা ঘৰিয়াই পচন্দ নহলে ঘুৰাই দিব পাৰিব। নিৰ্দিষ্ট তাৰিখৰ পূৰ্ব্বেও ঘুৰাই দিব পাৰে। কিন্তু দৰাৰ ভালবেয়া সকলোবোৰ চাবলৈ হলে তাৰিখ দিনাখন নিজে অন্যথা বেলেগ এজন ব্যক্তিক পঠিয়াই চাই মেলি আহিব পাৰে। সেই দিনাই দৰা ঘৰীয়াই কন্যা ঘৰলৈ যোৱাৰ তাৰিখ দি পঠাব পাৰে। তাৰিখ দিনাখন গৈ পচন্দ হলে দুইজন বৈৰাথি লৈ ছোৱালী সুধিবলৈ যাব পাৰে। সোধা পোছা কৰাৰ পিচত ২ বাৰমান চাহ পানীৰ ভাৰ নি বিয়াৰ দিন ঠিক কৰি প্ৰয়োজনীয় বয় বস্তুবোৰ গোটায় বিয়া কৰিব পাৰে।

৩৫। দৰাক (জোৱায়েক) পচন্দ কৰি ঘৰ বাৰী চাই মেলি ছোৱালী দিয়াৰ প্ৰতিশ্ৰুতি দি পিচত এটা মিছা কথাৰে বদনাম কৰি ছোৱালী নিদিয়া হলে সমন্ধ বিচ্ছেদ কৰিলে ১০.০০ টকা ৰাইজক দণ্ডণীয় দিব লাগিব



হয়। লৰাই বলপূৰ্ব্বক ভাৱে এই কাৰ্য্য কৰিলে দুয়োপক্ষৰ দণ্ডণীয় লৰাই ভৰিব লাগিব।

ছোৱালীৰ মান হানি অথবা সতী নাশৰ বাবে পচিশ টকা দণ্ডণীয় লৰাই ভৰিব লাগিব।

১৪। দুৰ সমন্ধীয় জনীৰ লগত প্ৰেম কৰি মাতৃৰ ৰূপ পৰিলক্ষিত হলে ফংস্লদবাদ; ওচৰ সমন্ধীয় যেনে মাতৃ সমন্ধীয়ৰ লগত হলে অগৰবাদ আৰু গৰু, কুকুৰা আদিৰ লগত হলে দাওখিবাদ দণ্ডণীয় ভৰিব লাগিব।

১৫। দণ্ডণীয় টকাৰ পৰিমানঃ-

ফংস্লদবাদ- ১০.৫০ টকা

দাওখিবাদ- ১৩.৫০ টকা

অগৰবাদ- ২৫.৫০ টকা

১৬। মৰা মানুহ দাহ কৰি গাধুই ঘৰলৈ আহি ধুনা জলাই শুচি কৰি লব লাগিব।

১৭। মৰা মানুহৰ আহুতি (শ্ৰাদ্ধ) দিয়াটো ১০ দিনৰ পিচ দিনাই শেষ কৰিব লাগিব।

১৮। মৰা মানুহক দিয়া সকলোবোৰ বস্তু অগ্নিত দাহ কৰিব লাগিব ইয়াৰ উপৰিও কাহী, বাতি, ঘটি আদি দিলে ভাঙি চিঙি দিব লাগিব। কোনো ব্যক্তিয়ে যদি দাহ স্থলিৰ পৰা কিবা বস্তু আনিলে ৰাইজৰ ধৰা বন্ধা মতে শুচি কৰি লব লাগিব (যজ্ঞাহুতি দিব লাগিব)। অগৰবাদ নহলে কাৰালি বাদ দণ্ডৰে দণ্ডণীয় হব লাগিব।

১৯। মৰাশ দাহ কৰাৰ পিচত আহুতি দিওতে, আমন্ত্ৰণ কৰোতে উপাসনা কৰোতে, বৰ খোজোতে, ধুনা জলাওতে কোনো দেৱ দেৱতাৰ নামত ডিম আগবঢ়াব নোৱাৰিব। এনেকুৱা হব লাগিব যে মৃত্যুৰ সময়তো আগঢ়াব নোৱাৰিব। অন্যথা ৫.০০ টকা দণ্ডণীয় ভৰিব লাগিব।

২০। একত্ৰিত ভাৱে ধৰ্ম্ম সেৱা অথবা ধৰ্ম্মৰ বিষয়ে আলোচনা কৰিবলৈ এমাহত দুবাৰকৈ অমাৱস্যা দিনত আবেলি সন্ধ্যাৰ পৰা নিশাটো আহুতি দিব লাগিব।

২১। যিকোনো তিথিৰ নামত যজ্ঞাহুতি দি ভোজ ভাত খালে মদ, মাংস, মাছ, এইবোৰ খোৱা সম্পূৰ্ণৰূপে নিষেধ। চাহ পানী নহলে চৰ্বত, হেচা পিঠা, জলপান, মিঠাই, চেনি, গাখীৰ, ফল-মূল যি পায় ইয়াৰ উপৰিও দালি, পিঠাগুৰি, আঞ্জা, কেচা শাক পাচলি, টেঙা, তিতা ভজা পূৰা যিপায় এইবোৰৰে খাব লাগিব। ইয়াৰ অন্যথা কৰিলে অথবা মাছ মাংস, মদ খালে পাণ্ডুলিপি মতে ২৫.০০ টকা জৰিমনা ভৰিব লাগিব।

২২। যি সমাজৰ ব্যক্তিয়ে নহক কিয় গুনী-জ্ঞানী, অকৰা অজলা, ভাল বেয়া যিয়ে নহওক এই ধৰ্ম্মমতেই সকলো কাৰ্য্য কৰিব লাগিব।

২৩। এই ধৰ্ম্ম এৰি অন্য ধৰ্ম্ম গ্ৰহণ কৰিলে, যি কোনো কাৰ্য্য ক্ষেত্ৰত লগ লোৱাটো এৰিব লাগিব। তদুপৰি এই ধৰ্ম্ম এৰি যিকোনো ধৰ্ম্ম গ্ৰহন কৰি পূনৰ এই ধৰ্ম্মকে গ্ৰহন কৰিব বিচাৰিলে ব্ৰহ্ম তুবিলৰ নামত ৫.০০ টকা জমা কৰি যজ্ঞাহুতি দি ভুক্তভোগি হব পাৰিব।

২৪। বড়ো জাতীৰ কোনোবা ব্যক্তিক কিবা কাৰণত জাতিৰ পৰা বহিস্কাৰ কৰিব লগীয়া হলে সেই গাওঁৰ ওচৰ চুবুৰীয়া ৰাইজক মাতি মেল পাতি বহিস্কৃত ব্যক্তিৰ সৈতে যিকোনো কাম বন কৰা, গৰু ৰখীয়া, দুখ কষ্ট আদিত কোনো ব্যক্তিয়ে লগ লব নোৱাৰিব, সহায় কৰিব নোৱাৰিব বুলি প্ৰচাৰ কৰিব লাগিব।

২৫। এজন ব্যক্তি ধৰ্ম্ম প্ৰচাৰক হব পাৰিব নে নোৱাৰিব, এই বিষয়ে তিনিটা মৌজাৰ দৌৰি, গুনী জ্ঞানী ব্যক্তি সকলক লৈ অথবা যিকোনো ঠাইত ধৰ্ম্ম প্ৰচাৰক প্ৰধান ব্যক্তি সকলে এক গোটহৈ আলোচনা কৰিব লাগিব। যি ব্যক্তি প্ৰচাৰক ৰূপে দ্বায়িত্ব গ্ৰহণ কৰিব তেও বৈঠকৰ সিদ্ধান্ত মতে প্ৰচাৰ কাৰ্য্য চলাই যাব লাগিব।



২৬। প্ৰত্যেকটো গাওঁতে ধৰ্ম্ম মন্দিৰ থাকিব লাগিব। মন্দিৰত যজ্ঞাহুতি দিয়া আৰু ধৰ্ম্মৰ বিষয়ে আলোচনা কৰিব লাগিব।

২৭। প্ৰত্যেকটো ইউনিয়নত তিথি, বিবাহ আদি অনান্য কাৰ্য্যৰ বাবে এজন দৌৰি থাকিব। প্ৰয়োজন সাপেক্ষে দৌৰি জনে অভিজ্ঞ ব্যক্তিক সহকাৰি দৌৰি হিচাপে লব পাৰিব। দৌৰি নিযুক্তিৰ ক্ষেত্ৰত ইউনিয়নৰ বিষয় ববীয়া সকলে নিযুক্তি দিব পাৰে।

২৮। যিকোনো সম্প্ৰদায়ৰ শিক্ষিত মহিলা তথা এই ধৰ্ম্মক লবলৈ ইচ্ছা কৰা ছোৱালীয়ে হওক বা আদহিয়াই হওক ধৰ্ম্মীয় নীতি মতে বিয়া কৰিব পাৰিব। পৰিবাৰৰ পিতৃ মাতৃ, ককাইয়েকে হাতত ধৰি সমজাই দিয়াটো, ভাল পালে সমজাই দিয়া, বেয়াপালে লিখিত ভাৱে বিয়া দিবলৈ অনুমতি দিয়া পত্ৰখন দৌৰিয়ে নিজে হাততলৈ বিবাহ কাৰ্য্য সম্পন্ন কৰিব পাৰিব।

২৯। লৰা ছোৱালী সোধা-পোছা কৰি অনা, ধৰ্ম্মীয় নীতি অবিহনে দৌৰিয়ে কাকো বিয়া দিব নোৱাৰিব। বিয়া দিলে দৌৰিয়ে ২৫.০০ টকা দণ্ডণীয় ভৰিব লাগিব। অন্যথা বিয়া কৰা ব্যক্তি জনে উদ্ধাৰ **প্ৰায়শ্চিত** কৰি দণ্ডণীয় হিচাপে ২৫.৫০ টকা ভৰিব লাগিব। অন্য হাতেদি তিৰোতা জনীকো নাপাব।

৩০। **পুৰুষ** বিচ্ছেদৰ ক্ষেত্ৰত পুৰুষে নিজৰ পৰিবাৰক এৰিলে দণ্ডনীয় হিচাপে ১০০.০০ টকা অথবা পৰিবাৰে নিজৰ স্বামীক এৰিলে ১০০.০০ টকা দণ্ডণীয় হিচাপে জৰিমনা দিব লাগিব। ইয়াৰ উপৰিও ৰাজহুৱা ভাৱে ৫০.০০ টকা জৰিমনা দিব লাগিব।

৩১। কোনো গাভৰু ছোৱালী যদি পিতৃ মাতৃ, জাতি বংশ ভাই ককাই নোহোৱা কাৰণত বিয়া হব লগীয়া হলে বিয়াত হাত ধৰি দিবলৈ অলপ সম্বন্ধীয় অথবা যাৰ ঘৰত থাকি ডাঙৰ দীঘল হৈছিল তেওৰেই হাত ধৰি দিব পাৰিব বা সমজাই দিব পাৰিব।

ৰান্ধি বাঢ়ি খায়বৈ বিয়া দিয়া, ঘৰ জোৰাই ৰখা, হাতত ধৰি সমজাই দিয়া নীতি হব লাগিব। অন্যথা ব্ৰহ্ম ধৰ্ম্মীয় ব্যক্তি সকলে নিজে নিজে বেলেগ নীতিৰে বিয়া পাতিলে বিয়া নহয় বুলি বিবেচিত হব।

৫৪। কোনো বিধৱা তিৰোতাই বংশৰ লগত নাথাকি বেলেগে যদি থাকে তাইৰ যদি জীয়েক মাত্ৰ থাকে, লৰা সন্তান অবিহনে সেই তিৰোতাই মৃত্যুলৈকে মাটি বাৰী সা-সম্পত্তি গৰু ধান চাউল আদি ভোগ কৰিব পাৰিব। কিন্তু অন্য ব্যক্তিৰ নামত দান আৰু হস্তান্তৰ কৰিব নোৱাৰিব।

৫৫। লৰা ছোৱালী নোহোৱা বিধৱা তিৰোতাই পূনৰ বিয়া কৰা নাই যদি নিজৰ যিখিনি সম্পত্তি আছে ইয়াৰ দ্বাৰাই জীৱন নিৰ্বাস কৰিবলৈ হলে বংশ পৰিয়ালৰ ওচৰত ঘৰ বনাই থাকিব লাগিব। অন্যথা বংশ পৰিয়ালৰ লগত একেলগে থাকিব লাগিব। কিন্তু স্বামীৰ নামত থকা মাটি বাৰী, সা-সম্পত্তি নিজৰ নামত হস্তান্তৰ কৰি লব পাৰিব। তদুপৰি পূনৰ বিবাহ পাশত আবদ্ধ হলে গোটেইখিনি সম্পত্তিৰ এভাগ পুৰুষৰ ঘৰত নিব পাৰিব আৰু যদি কোনো বংশ পৰিয়াল নাথাকে তেতিয়া সকলোখিনি সম্পত্তি তাই নিজেই ভোগ কৰিব পাৰিব।

৫৬। মাউৰা ছোৱালী ডাঙৰেই হওক বা সৰুৱেই হওক পৈত্তিক সম্পত্তি হিচাপে তিনিভাগৰ এভাগ পাব। মাউৰা ছোৱালী যদি এজনতকৈ অধিক হয় দুভাগ সম্পত্তি পাব। এভাগ বংশ পৰিয়ালে পাব।

৫৭। কোনোবা ব্যক্তিয়ে যদি নিজৰ লৰা ছোৱালীবোৰক শৰণীয়া কৰিবলৈ ইচ্ছা কৰিলে ভগবানৰ ওচৰত শৰণীয়াত ভৰ্ত্তিহব লগীয়া লৰা ছোৱালীৰ নামত যজ্ঞাহুতি দিব লাগিব, ৰাইজকো ভোজ ভাত খোৱাব লাগিব। ঘৰৰ পুৰুষে এই কাম সমাধান নোহোৱাৰ পূৰ্ব্বেই যদি মৃত্যু মুখত পৰে তেতিয়া সেই কাম তিৰোতাই সমাধা কৰিব পাৰিব। এই ক্ষেত্ৰত কোনো ব্যক্তিয়ে বাধা দিব নোৱাৰিব। ঠিক তেনেদৰে কোনোবা ব্যক্তিয়ে



তদুপৰি ৫.০০ টকা মান হানিৰ বাবদ দৰাক দিব লাগিব। ছোৱালী ঘৰীয়াই এৰিলে যিটো দণ্ডণীয় হয় লৰা ঘৰীয়াই এৰিলেও সেই একে দণ্ডণীয়ই হব।

৩৬। ছোৱালী সোধ-পোচ কৰাৰ পৰা ধৰি বিয়া কাৰ্য্য সম্পন্ন হোৱালৈকে বিধৱা তিৰোতাই বৈৰাথি হব নোৱাৰিব। কন্যা ঘৰীয়াই বিয়া সময়ত মতাক দৰা ঘৰীয়াক বিধৱা তিৰোতাই সম্ভাষন জনাব নোৱাৰিব।

৩৭। পোণ টকা আদহিয়াৰ ৫০.০০ টকা বিধৱা তিৰোতাৰ ২৫.০০ টকা মালসাৰ ৩.০০ টকাতকৈ বেছি লব নোৱাৰিব। এই তিনিটাক তাকৰকৈ লব পাৰি অন্যথা নললেও আপত্তি নাই। বেছিকৈ ললে ৰাইজক দণ্ডণীয় হিচাপে ১৫.০০ টকা জৰিমনা দিব লাগিব। অন্যথা বেছিকৈ লোৱাটো ৰাইজক দিব লাগিব।

৩৮। ঘৰ জোৱায় ৰাখিবলৈ হলে জোৱায়েকক ৰখা দিনা ধুনা বাতিত ধূপ ধূনা জলাই অগ্নিক অথবা এজন দুজন মানুহ সেই সময়ত থাকিলে তেওলোকক সাক্ষীৰূপে আজিৰ পৰা ঘৰ জোৱাই ৰখা হব বুলি প্ৰচাৰ কৰিব লাগে। সকলোৱে জনাকৈ ঘৰ জোৱাই থকা জনে ১.০০ টকা আৰু ৰখাজনে ১.০০ টকা মাননীয় দিব লাগিব।

৩৯। ঘৰ জোৱাই থকা জনৰ স্বভাৱ চৰিত্ৰ ভাল বেয়া নিৰিক্ষণ কৰিবলৈ এবছৰ সময় থাকিব বা ৰাখিব লাগিব। ঘৰ জোৱাই থকাজনৰ ভাল বেয়া স্বভাৱ চৰিত্ৰ ধৰিব নোৱাৰিলে সুধিব লাগিব। ঘৰ জোৱাই থাকিব পাৰিবা নে নোৱাৰিবা ? থাকিবলৈ ইচ্ছা আছেনে নাই? থাকিম বুলি কৈ থকাৰ তিনি মাহৰ পিচত ঘৰ জোৱাই ৰাখোতাজনক কিবা বেয়া দেখিলে পূৰুষে তিৰোতাক, তিৰোতায়ো পুৰুষক এৰিব পাৰিব। ইয়াৰ দুয়োপক্ষকে জগৰীয়া কৰিব নোৱাৰি। কিন্তু তিনিমাহতকৈ বেছি হলে মাহিলী তিনি টকাকৈ দৰমহা দিব লাগিব।

৪০। ঘৰ জোৱাই থকা জনক তিনি মাহৰ ভিতৰতে হওঁক বা পিচতে

হওঁক অথবা বিয়া হোৱাৰ পূৰ্ব্বেই বেয়া নহলেও বেয়া বুলি খেদি দিলে তদুপৰি ঘৰজোৱাই থকা জনক হব নহব কৰি লৰাৰ লগত বিয়া নোহোৱাৰ স্বভাৱ দেখুৱাত ওলাই যাব লগীয়া হলে প্ৰতি মাহত ৫.০০ টকাকৈ তিনি মাহতকৈ অলপদিন বেছি থাকিলে উপৰঞ্চি দৰমহা দিব লাহিব। ১০.০০ টকা অপেক্ষা কৰাৰ বাবে ইয়াৰ উপৰিও ৰাইজক ১৫.০০ টকা জৰিমনা দিব লাগিব।

৪১। ঘৰ জোৱাই থকা ব্যক্তিজনে তিৰোতাজনী বেয়া নহলেও এৰি পলালে, মান হানি হিচাপে ১০.০০ টকা তদুপৰি ১৫.০০ টকা ৰাইজক দণ্ডণীয় দিব লাগিব। নিজে থকা দৰমহাটোকো নাপাব। মুঠতে কোনো বস্তুকে নাপাব।

৪২। বিবাহ, শ্ৰাদ্ধ, **প্ৰায়শ্চিত**, মহালয় বছৰেকীয়া তিথিবোৰ বাদ দি আজে বাজে কৰ্ম্মবোৰ স্থায়ী দৌৰি অবিহনে কৰিব পাৰিব (যজ্ঞাহুতি দিব পাৰিব)। দৌৰি জন শুদ্ধ নিস্তাবান ব্যক্তি হব লাগিব। দৌৰিক তিথি, শ্ৰাদ্ধ প্ৰত্যেকটো ক্ষেত্ৰতে ৫০ পইচাকৈ মান দিব লাগিব।

৪৩। প্ৰাইমাৰি বৈঠকৰ কাৰণে কেন্দ্ৰীয় সভাৰ চোৰা চিতাৰ দিশত প্ৰত্যেকটো ইউনিয়নত গাওঁ সভা থাকিব লাগিব। কেন্দ্ৰীয় সভাৰ যি যি কাৰ্য্য কৰিবলৈ আলোচনা কৰা হব, সেই কাৰ্য্যবোৰ কৰিবৰ কাৰণে তথা দৌৰি নিযুক্তি, দণ্ডণীয় টকা, চান্দাতোলা, প্ৰতিনিধি কেন্দ্ৰিয় সভাত কি কি কাৰ্য্য কৰিবলৈ লোৱা হল, সেইবোৰ শুনি আহি ৰাইজৰ আগত ব্যক্ত কৰিবলৈ প্ৰতিনিধি পঠাবলৈ প্ৰাইমাৰি কমিটিয়ে পাৰিব। সৰ্ব্ব মুঠ ১৫ জন গুণী জ্ঞাণী ব্যক্তিৰ দ্বাৰা প্ৰাইমাৰি কমিটিখন গঠন কৰিব পাৰি।

৪৪। চান্দা অথবা ব্ৰহ্ম ধৰ্ম্মীয় পুঁজিৰ কাৰণে ঘৰে প্ৰতি বছৰত দুই আনাকৈ চান্দা তুলি যিমান পোৱা হয় সেইখিনি চান্দা ব্ৰহ্ম ধৰ্ম্মীয় পুঁজিৰ নামত জমা হব লাগিব।



৪৫। ৰাজহুৱা দণ্ডণীয়- সমাজ দণ্ডণীয় টকাবোৰ তুলি যিমান হব সেই টকাখিনি দুভাগ কৰি এভাগ প্ৰাইমাৰি সমিতিৰ পুজিত থব লাগিব। আনভাগ টকা পুনৰ দুভাগ কৰি এভাগ মেল মিটিংত যি সকলে উপস্থিত আছিল আৰু আন এভাগ ফৰিয়াদি গাওঁৰলোকে পাব।

৪৬। কেন্দ্ৰীয় কমিটিৰ পুঁজিৰ পৰা প্ৰয়োজন সাপেক্ষে প্ৰচাৰ কাৰ্য্যৰ বাবে প্ৰচাৰক সকলক যাতায়ত, খোৱা বোৱা আদিৰ খৰছ দিব লাগিব। ধৰ্ম্ম গুৰুৱে কোৱা মতে প্ৰচাৰক সকলক কেন্দ্ৰীয় কমিটিৰ সদস্য সকলে কাৰ্য্যকৰী বৈঠক বহিব পাৰিব। প্ৰচাৰ সমিতিয়ে কেন্দ্ৰীয় সমিতিক প্ৰচাৰ কাৰ্য্যবোৰৰ খতিয়ান দাখিল কৰিব লাগিব।

৪৭। প্ৰত্যেকটো মৌজাত প্ৰাইমাৰি সমিতি থাকিব লাগিব। ইয়াত ২৫ জন সভ্য থাকিব লাগিব। ধৰ্ম্ম প্ৰচাৰক সকলক কিমান দৰমহা দিব লাগিব অথবা কিহৰ বাবে কিমান খৰছ দিব লাগিব এইবোৰ এই সমিতিয়ে নিৰ্দ্ধাৰন কৰিব।

৪৮। প্ৰত্যেকটো মৌজাত একোজন প্ৰচাৰক থাকিব লাগিব। তেওক মাহিলী দৰমহা দিব লাগিব।

৪৯। নতুনকৈ ধৰ্ম্ম গ্ৰহন কৰা লোক সকলৰ পৰা ধৰ্ম্ম গ্ৰহন কৰা দিনাখন ঘৰে প্ৰতি চাৰি আন্নাকৈ তুলি ইয়াক দুভাগ কৰি এভাগ প্ৰচাৰক সকলক আৰু আনভাগ প্ৰাইমাৰি সমিতিৰ পুজিত জমা থব লাগিব।

৫০। যজ্ঞাহুতি দিলে অথবা যজ্ঞকুণ্ড কাৰ্য্য কৰিলে সাৰনিত্য ক্ৰিয়াৰ অসমীয়া ভাষাৰে নকৰিবা, বড়ো ভাষাৰে লিখা আছে।

৫১। প্ৰতিটো যজ্ঞাহুতি দিয়াৰ পিচত পুৰুষ তিৰোতা সকলোৱে দৌৰি, প্ৰচাৰক নহলে যিকোনো ব্যক্তি, এই ধৰ্ম্মৰ তত্ব বোৰ বুজায় দিব পৰা ব্যক্তিৰ লগত ধৰ্ম্মৰ কথা আলোচনা কৰি বুজায় দিব পৰা হব লাগিব।

৫২। জন্ম, মৃত্যু, বিবাহ **প্ৰায়শ্চিত** এই কাৰ্য্যবোৰত যজ্ঞাহুতি দিব লাগিব।

৫৩। বড়ো জাতিত যিমানেই বিবাহৰ নীতি নাথাকক কিয় ইয়াৰ পৰিবৰ্ত্তে

বোৱাৰ বাবে মাহিলী ৩.০০ টকাকৈ নোমৰালৈকে দি থাকিব লাগিব। লৰা ছোৱালী বোৰে মাকৰ লগত থাকিবলৈ ইচ্ছা কৰিলে কোনো ব্যক্তিয়ে বলপূৰ্ব্বক ভাৱে নিব নোৱাৰিব। বয় বস্তু, মাটি বাৰী, গৰু আদি সম্পত্তিবোৰ লৰা ছোৱালীৰ নামতেই থাকিব আৰু সিহঁতেই পাব।

৬৩। কোনোবা পুৰুষে যদি তেওৰ পৰিবাৰক কোনো কাৰণ নোহোৱাকৈ বেয়া বুলি তথা অলপ দায়ৰ কাৰণে এৰে তেতিয়া পুৰুষৰ দ্বাৰা ত্যাগ হোৱা তিৰোতাজনী পুনৰ ঘৰ সংসাৰ নপতালৈকে পুৰুষে সেই তিৰোতাক মাহিলী ৩.০০ টকাকৈ খৰছ দি থাকিব লাগিব।

৬৪। তিৰোতা সকলে ৰজস্বলা হলে তথা কেচুৱা জন্ম হলে পূনৰ দেহা ভাল নোহোৱা পৰ্য্যন্ত ৰন্ধা বঢ়া কৰিব নোৱাৰিব।

৬৫। কেচুৱা জন্মৰ ১৫ দিনৰ পিচ দিনাখন কেচুৱা জন্ম দিয়া মাতৃৰ নামত শুচি কৰিবলৈ যজ্ঞাহুতি দিব লাগিব।

৬৬। মানুহে ভক্ষণ নকৰা জন্তু গৰু, ঘোঁৰা, কুকুৰ, মেকুৰীৰ মৰাশ চুলে গা ধুলেই শুচি হব।

৬৭। গৰু মৰালে যজ্ঞাহুতি দি উদ্ধাৰ বাবে প্ৰায়শ্চিত হব লাগিব তথা ৰাইজক ভোজ খোৱাব লাগিব। দাওখি দণ্ডুনীয় ২৫.০০ টকা গাঁৱৰ ৰাইজক দিব লাগিব।

৬৮। দুৰ্ভাগ্যক্ৰমে মহ, গৰু, ছাগলী, ঘোঁৰা আদি কিবা দোষত মৰি থাকিলে যজ্ঞাহুতি দি প্ৰায়শ্চিত হব লাগিব। ৰাইজক ভোজখোৱাব লাগিব। তথা দাওখিবাদ ২৫.০০ টকা দণ্ডুনীয় দিব লাগিব।

৬৯। একে তেজৰ সম্বন্ধীয় হোৱা পেহীয়েক, মাহীয়েক, বাইয়েক, মাহীমাক, বৰমাক সিহতৰ লগত গুপ্ত প্ৰেমৰ দ্বাৰা গৰ্ভত সন্তান থাকিলে দোষী হিচাপে যজ্ঞাহুতি দি উদ্ধাৰ কৰিব লাগিব। ৰাইজক ভোজ ভাত খোৱাব লাগিব। তথা অগৰবাদ দণ্ডুনীয় ২৫.০০ টকা দিব লাগিব।



ঘৰ জোৱাই ৰাখি জীয়েকক বিয়া দিয়াৰ পূৰ্ব্বে যদি মৃত্যুহৈ জোৱায়েকৰ নামত যিকোনো দান লিখি থৈ যাব পৰা নাই তেতিয়া মৃত্যু ব্যক্তিৰ পৰিবাৰে সেই আধাৰুৱা কাম সমাধান কৰিব পাৰিব। এই স্বত্ব তাইৰ থাকিব।

৫৮। যদি কোনোবা এঘৰত ককাই বা ভাইৰ মৃত্যুৰ পিচত মাক বাপেক নেহোৱাকৈ যদি মাউৰা হৈ থাকে তেতিয়া সেই পুত্ৰই পৈত্তিক সম্পত্তিৰ মালিক হব। যদি ছোৱালী থাকে তেতিয়া ছোৱালীয়েও সমানে অংশপোৱাৰ স্বত্ব থাকিব।

৫৯। যদি কোনোবা ব্যক্তিয়ে ঘৰৰ পৰা বেলেগ হৈ সম্পত্তিৰ অধিকাৰী ককাই ভাই পূনৰ একে লগে থাকি যদি জীৱন নিৰ্বাস কৰে তেওলোকৰ মাত্ৰ ছোৱালী সন্তানহে আছে লৰা সন্তান নাই তেতিয়া মৃত্যু ব্যক্তিৰ মাটি বাৰী সমুহ বৰ্ত্তমান যিজনে আছে তেওৱেই সেই সম্পত্তি লাভ কৰিব। তদুপৰি কোনোবা ব্যক্তিৰ যদি পুত্ৰ সন্তান থাকে তেওৱেই সেই সম্পত্তিৰ অধিকাৰী হব। ইয়াৰ বিধৱা তিৰোতা বা ছোৱালী বোৰে মাটি বাৰী, সা-সম্পত্তি নাপাব, পোৱাৰ অধিকাৰ নাথাকিব।

৬০। কোনোবা ধনী ব্যক্তি বংশ পৰিয়াল নাই যদিও অন্য এজন ধনী ঘৰৰ লগত একে লগে জীৱন নিৰ্বাস কৰিলে তেওলোকে সকলো মাল বস্তুৰ সমান অধিকাৰী হব।

৬১। কোনো তিৰোতাই বাপেক ককাইয়েকৰ পৰা মাটি, বাৰী মাল বস্তু যৌতুক পালে সেইবোৰ গিৰিয়েকৰ ঘৰলৈ লৈ আহে। যদি লৰা ছোৱালী জন্ম নোহোৱাকৈ মৃত্যু হৈ যায় তেতিয়া তাইৰ সেই যৌতুক গিৰিয়েকৰ হয়।

৬২। ক) কোনোবা বিধবা তিৰোতাই বিয়াৰ আগত বা পিছত নিজৰ পিতৃ মাতৃৰ পৰা পিন্ধা অলংকাৰ, কাপোৰকাণি আনি পূনৰ যদি বিয়া পাতে তেতিয়া সেই পিন্ধা অলংকাৰ, কাপোৰ কাণিবোৰ মৰালৈকে ব্যৱহাৰ

কৰিব পাৰিব। এইবোৰ কোনো ব্যক্তিয়ে পূনৰ খুজিব নোৱাৰিব। লৰা ছোৱালী থাকিলে মাকে অনুমতি নিদিয়ালৈকে ব্যৱহাৰ কৰিবলৈ বা বিক্ৰী কৰিবলৈ নোৱাৰিব।

তাই এই পিন্ধা অলংকাৰ বোৰ ইচ্ছাকৃত ভাৱে কোনোবা ব্যক্তিক এনেই দিব পাৰে বা বিক্ৰী কৰিবও পাৰে।

খ) কোনো ছোৱালীয়ে যদি বিয়াৰ সময়ত যৌতুকৰ নামত নিজৰ পৰিয়ালৰ পৰা নগদ টকা পইচা, মাটি বাৰী আদি পায় আৰু লৰা ছোৱালী নোহোৱাকৈ যদি গিৰিয়েক ঢুকায় পূনৰ ঘৰ পাতে তেতিয়া মাক বাপেক ককাইয়েক সকলে যৌতুক দিয়াটো গোটেইখিনি ঘূৰাই পাব। কিন্তু অন্য ব্যক্তিয়ে দিয়াবোৰ মৃত্যু গিৰিয়েকৰ বংশ পৰিয়ালে দুইভাগ কৰি এভাগ পায় যোৱাৰ অধিকাৰ আছে। আন ভাগ পূৰ্ব্বৰ বিয়া কৰা মাক বাপেকৰ যৌতুক পোৱাজনে পাব। পৰিবাৰে নিয়া সম্পত্তি বৰ্ত্তমানৰ নতুন গিৰিয়েকে পোৱাৰ অধিকাৰ পাব। গিৰিয়েক নহলেও বংশ পৰিয়াল সকলে পাব। এইবোৰ তিৰোতাৰ আগৰ অভিভাৱক সকলে পোৱাৰ স্বত্ব নাই।

গ) নিজৰ অভিভাৱক সকলৰ পৰা পোৱা যৌতুকৰ জীৱন ধাৰণ কৰা কোনোবা বিধবা মহিলা গৰাকীয়ে ইচ্ছাকৃত ভাৱে বেছিবলৈ তথা পূনৰ ঘৰ সংসাৰ পাতিলে এই যৌতুক লগত লৈ যাব পাৰিব। ইয়াৰ ওপৰত কোনো ব্যক্তিয়ে হস্তক্ষেপ কৰিব নোৱাৰিব। পূৰ্ব্বৰ গিৰিয়েকৰ পৰিয়ালেও পোৱাৰ অধিকাৰ নাই। কিন্তু পুত্ৰ থকাৰ পিচতো যদি ঘৰ সংসাৰ পাতে বা পাতিবলৈ ইচ্ছা কৰে তেতিয়া সকলো বয় বস্তু, মাটি বাৰী যি আছে দুভাগ কৰি এভাগ পুত্ৰক দিব লাগিব। তদুপৰি ছোৱালী আছে যদি অন্য ব্যক্তিয়ে দিয়া যৌতুক দুভাগ কৰি এভাগ ছোৱালীক দিব লাগিব।

ঘ) কোনো কোনো লৰা ছোৱালী নোহোৱা বিধৱা তিৰোতাই নিজৰ বয় বস্তু, মাটি বাৰী গৰু আদি যি আছে তাকে লৈ অকলশৰে জীৱন ধাৰণ কৰিছে যদি বা কৰিবলৈ ইচ্ছা কৰিছে যদি তাইৰ বয় বস্তুবোৰ বংশ পৰিয়ালে নাপাব হস্তক্ষেপ কৰিবলৈ নোৱাৰিব। কিন্তু মানুহ জনীক বংশ পৰিয়ালে যত্ন লব লাগিব। দুখ কষ্টত চাব লাগিব তিৰোতাৰ কাম কৰি দিব লাগিব।



ঙ) বিয়াৰ ভোজ ভাঙনী হিচাপে দৰা পক্ষই হওঁক বা কন্যা পক্ষই হওঁক পাচ টকাৰ উপৰঞ্চি নাপাব, বিধবা তিৰোতাই ভোজ ভাঙনী দিয়া নিয়ম নাই, দাবী কৰিব নোৱাৰিব। মালসা টকা মাত্ৰ তিৰোতা পক্ষৰ গাওঁৰ ব্যক্তিয়ে পাব।

চ) কোনোবা তিৰোতাই গিৰিয়েকৰ মাক বাপেক, ককাইয়েক ভাইয়েক বংশ পৰিয়াল লগত একেলগে থাকোতে লৰা ছোৱালী নোহোৱাকৈ তথা মতা মৰাৰ পিছত তাইৰ মাক বাপেক, ককাইয়েক, বংশ পৰিয়ালৰ পৰা বিয়াৰ যৌতুকৰ নামত পিন্ধা অলংকাৰ, কাপোৰকানি বয় বস্তু, মাটি বাৰী, গৰু আদি পাইছে তথা এই তিৰোতা জনীয়ে নতুনকৈ ঘৰ সংসাৰ পাতিলে নিজৰ এভাগ পাইযাব। আন ভাগ গিৰিয়েকৰ পৰিয়ালে পাব তথা লৰা ছোৱালী নোহোৱাকৈ অকলশৰীয়াকৈ থাকে কিন্তু **স্বামী** মৰিছে যদি আৰু পূনৰ বিয়া কৰিছে যদি তাইৰ মাল বস্তু মাটি বাৰী গৰু ধান চাউল যি আছে বংশ পৰিয়ালে লোভ কৰিলেও নাপাব।

ছ) কোনোবা ছোৱালী গৰ্ভৱতি হওঁক, কেচুৱা থকাই হওঁক আদহিয়াই হওঁক পুনৰ বিয়া পতা বিধৱাই হওঁক কিবা কথা বা কামৰ বাবে বা অন্য কিবা কাৰণত গিৰিয়েকৰ লগত বেয়া হৈ পিতৃ মাতৃ ককাই ভাই, বংশ পৰিয়ালৰ ঘৰত আহি থাকিলে সকলোৱে পান ফালি এৰক বা নেৰক পূৰ্ব্বৰ গিৰিয়েক মৰাৰ জাতি বংশ জীয়াই আছে যদি আৰু ৭ বছৰলৈকে পূনৰ তাইক ঘুৰাই নিনিয়ে আৰু যদি লৰা ছোৱালী আছে তেতিয়া বাপেকে নহলে জাতি বংশই লৰা ছোৱালী আৰু মাকৰ খোৱা

৮৯। মানুহ মৰিলে অগ্নিত দাহ কৰিব লাগিব অথবা পুতিব লাগিব কিন্তু ২ বছৰতকৈ সৰু সন্তানক অগ্নিত দাহ নকৰাকৈ পুতিব লাগিব।

৯০। বিবাহ কাৰ্য্য ৰাতি লগ্ন মতে সমাধান কৰিব লাগিব। দিনত বিবাহ কাৰ্য্য নিষেধ।

৯১। বিধৱা তিৰোতাই বিবাহ কাৰ্য্যত লৰা-ছোৱালীক হাত ধৰি দিব নোৱাৰিব। ইয়াৰ পৰিবৰ্ত্তে পাতি থোৱা দৌৰি অথবা নীতি মতে আহুতি দিয়ে বিবাহ কাৰ্য্য সম্পন্ন কৰি লব পাৰিব।

৯২। প্ৰত্যকজন লৰা ছোৱালীক ৯ বছৰ বয়সতে ব্ৰহ্ম গায়ত্ৰী, ৰাতিপূৱা, দুপৰীয়া আৰু গধুলি গাবলৈ দিবই লাগিব।

৯৩। পৰম্পৰাগত ভাৱে ঘৰজোৱাই থকাৰ সময় উকলিলে নগদ ৫ টকা লব নোৱাৰিব। কিন্তু চাহ পানীৰ ব্যৱস্থা থাকিব। যদি কোনোবা ঘৰজোৱাই ব্যক্তিয়ে সময় নোহোৱাকৈ যদি পোন টকা দি ওলায় যাব বিচাৰে, চপনিয়া ৰখা ব্যক্তিয়েও যদি বিদায় দিয়ে, তেতিয়া চান্দাবোৰ বাদ দি বছৰত ১৭ টকা দান বাদ দি বাকী যিমান থাকে সেইখিনি দিলেই হব।

৯৪। ঘৰজোৱাই হিচাপে এজন ব্যক্তিক মাত্ৰ ৪ বছৰহে ৰাখিব পাৰিব। (এবছৰ স্বভাৱ চৰিত্ৰ নিৰীক্ষণ কৰা আৰু তিনিবছৰ ঘৰজোৱাই) ইয়াৰ বাদে অতিৰিক্ত সময় কোনো ব্যক্তিয়ে ঘৰজোৱাই হিচাপে ৰাখিব নোৱাৰিব যদি ৰাখে তেতিয়া মাহিলী ৫ টকাকৈ দৰমহা দিব লাগিব।

৯৫। বিধৱা তিৰোতাৰ বাদে বিবাহিতাই হওক বা অবিবাহিতাই হওক বিবাহকাৰ্য্য শেষ হোৱা পৰ্য্যন্ত বৈৰাথি হব পাৰিব। তিৰোতা সকলে কপালত ফুট আৰু সেন্দুৰ লব লাগিব। নতুন নতুন দখনা পিন্ধি গাত কাপোৰ লব লাগিব।

৯৬। ছোৱালী সুধিবলৈ যোৱা কাৰ্য্যত বৰলাৰ বাদে অন্য ব্যক্তিয়ে চাহ, চেনি, তামোল পান আদি ভাৰ লব পাৰিব।

৯৭। পূৰ্ব্বৰ নীতি মতে তামোল, পান, চেনি আৰু গাখীৰ, টেকেলিৰ ভাৰত



৭০। সম্বন্ধীয় নোহোৱা তিৰোতাৰ লগত গৰ্ভস্থ হলে দোষী হিচাপে যজ্ঞাহুতি দি উদ্ধাৰ হব লাগিব। যজ্ঞাহুতি দিয়া ব্যক্তিসকলক চাহপানী খোৱাব লাগিব। মিঠা চোকা পিঠা, জল পান আদি খোৱাব লাগিব তথা ফংস্লদবাদৰ দণ্ডণীয় হিচাপে ১০.৫০ টকা জৰিমনা দিব লাগিব।

৭১। সমন্ধীয় নোহোৱা তিৰোতা, পৰিবাৰৰ বাইয়েক, খুলশালি, মাহী মাকৰ আগৰ গিৰিয়েকৰ বংশৰ তিৰোতাৰ লগত গৰ্ভস্থ হলে দোষী হিচাপে যজ্ঞাহুতি দি উদ্ধাৰ হব লাগিব। আহুতি দিয়া দুই এজন ভক্তক ভাত খোৱাব লাগিব। তথা দাওখিবাদ দণ্ডণীয় হিচাবে ১৩.৫০ ৰাইজক দিব লাগিব।

৭২। সুস্থতাৰ কাৰণে গাহৰি, কুকুৰা ব্ৰহ্ম সকলে থব (আগবঢ়াব) নালাগে, নাপায় অন্যথা কৰিলে ৫.০০ টকা জৰিমনা দিব লাগিব।

৭৩। কেতিয়াবা গৰু মহ, ছাগলী, ঘোৰা নিৰাপদে ৰখাৰ উদেশ্য বান্ধি থওতে যদি ৰচিত পাকখাই কেনেবাকৈ নিজে নিজে মৰি থাকে তেতিয়া যজ্ঞাহুতি দি উদ্ধাৰ কৰি লব লাগে। এই ক্ষেত্ৰত জৰিমনা লোৱা নহয়।

৭৪। কোনোবা তিৰোতাক ইচ্ছা নোহোৱা মাক বাপেকে নোজনাকৈ কোনোবা ব্যক্তিয়ে কৌশলৰে অথবা বলপূৰ্ব্বক ভাৱে টানি নিলে ৫০.০০ টকা তদুপৰি লগৰীয়া থাকিলে সিহতেও ২৫.০০ টকাকৈ প্ৰতিজনে দণ্ডণীয় ভৰিব লাগিব।

৭৫। বুঢ়ী আৰু সৰু সৰু ছোৱালী বোৰে মাত্ৰ বজাৰলৈ যাব পাৰিব। অন্যথা কৰিলে ৫.০০ টকা জৰিমনা ভৰিব লাগিব।

৭৬। নাড়ি কটা, চুলি কটা, কেচুঁৱাক ভাত খোৱোৱা তদুপৰি নামৰখা এইবোৰৰ নামত যজ্ঞাহুতি দিব লাগে। কেচুঁৱাৰ নাম থোৱা ৩ মাহত, কেচুঁৱাক ভাত খোৱা ৬ মাহত, কৰিব লাগে। পৰা পক্ষত ৰাইজক ভোজ ভাত খোৱাব লাগে।

৭৭। বছৰেকীয়া তিথিবোৰ নতুন বছৰ আৰম্ভনী, মহালয়া, মাঘীপূৰ্ণিমা তদুপৰি দৌল পুৰ্ণিমা এই কেইটা উলেখনীয়। এইবোৰৰ সময়ত নীতিমতে আহুতি দিব লাগে তদুপৰি তিথিবোৰকো জীয়াই ৰাখিব লাগে।

৭৮। **যৌথ পৰিয়ালেই** থাকক বা বেলেগকৈ থাকক উপায় নোহোৱা এজন বিধবা তিৰোতাক লৰা ছোৱালী থাকক বা নাথাকক গিৰিয়েকৰ বংশ ধৰ সকলে পোহ পালন দিয়াৰ দ্বায়ীত্ব লব লাগিব।

৭৯। কোনোবা বিধবা তিৰোতাই ইচ্ছা হলে লৰা ছোৱালী বোৰক শৰণীয়া কৰিব পাৰিব। কিন্তু লৰাকহে পাৰিব, ছোৱালীক নোৱাৰিব।

৮০। কোনোবা বংশ পৰিয়ালে মাক, বাপেক, ককাইয়েক সকলৰ দৰে মাউৰা লৰা ছোৱালী বোৰক শৰণীয়াত সোমোৱাব নোৱাৰিব। অকলশৰে থকাই বা লগত থকাই হওক লৰা আছে যদি শৰণীয়াত ভৰ্ত্তি কৰিব নোৱাৰিব।

৮১। কোনোবা ব্যক্তিয়ে লৰা ছোৱালী নহঁওতেই লৰা ছোৱালী শৰণীয়াত ভূক্ত কৰি পিচত সন্তান হলে সেই শৰণীয়া হোৱা সন্তান সিহত দুয়ো মাক-বাপেকৰ মাল বস্তু, গৰু, মাটিবাৰী যি সম্পত্তি আছে সমানে ভাগ পাব।

৮২। কোনো ব্যক্তিয়ে নিজৰ সন্তানবোৰক খেদি দিয়া নাই কিন্তু খোৱাটো হলে সন্তান সকলে বেলেগকৈ নিজে নিজে **ৰান্ধি** খাব লাগে, পিচত নিজৰ সা-সম্পত্তিবোৰ তেও ভালপোৱা কোনোবা পূৰুষ তিৰোতাৰ নামত অন্যথা এভাগ সন্তানৰ নামত দান হিচাপে লিখা লিখি কৰি দিব বিচাৰিলে তাৰ তিনিভাগৰ এভাগ সন্তানৰ নামত, তিনিভাগৰ দুভাগ দান দিয়া বুলি লিখিত দিব লাগিব। অন্যথা দান দিয়াটো মিছা বুলি বাতিল হব। তদুপৰি সকলো সম্পত্তি দিয়া জনৰ নামত লিখিছে যদিও তিনিভাগৰ এভাগ সন্তান সকলে পোৱাৰ অধিকাৰ থাকিব। কিন্তু ত্যাজ্য পুত্ৰ সকলৰ কিবা প্ৰমান দিব পাৰিলে, যাক দোষী



কৰিছে লিখা মতে সকলো সম্পত্তি লাভ কৰিব পাৰিব।

৮৩। কোনো পূৰুষে **বিয়া নোহো**ৱা নাৰীৰ সৈতে গুপ্ত প্ৰেমৰ দাৰা সন্তান প্ৰসৱ কৰিলে সেই সন্তান পোহ পালন কৰাৰ দ্বায়িত্ব সেই পূৰুয়েই লব লাগিব। সিহঁত দুয়োজনে কোনো নজনাকৈ বিয়া হৈছিল যদিও পুৰুষে সেই নাৰীক গুপ্তভাৱে প্ৰেম কৰা বুলি সমাজে ধৰিব।

৮৪। কোনো পুৰুষে কিবা কথাৰ কাৰণে **নাইবা** নিজে কিবা চিন্তা কৰি সন্তান থাকক বা নাথাকক, থকা সময়তো খোৱা বোৱাৰ উপায় নোহোৱাত পত্নীক এৰি পাচ বছৰ পৰ্য্যন্ত কোনো খবৰ বাতৰি নিদিলে তেতিয়া উপায়হীন পত্নীয়ে আদালতত হাজিৰ হৈ হাকীমৰ ওচৰত পুনৰ বিয়া পতাৰ গোচৰ তৰিব পাৰে। পুৰ্ব্বৰ সন্তান যদি আছে তেতিয়া নতুনকৈ বিয়া পতা পুৰুষে পোহ-পালন দিব লাগিব তদুপৰি পূৰ্ব্বৰ গিৰিয়েক যদি আছে তেতিয়া সন্তান সকলৰ ভৰণ পোষনৰ খৰছলৈ সন্তান কেইটিক গিৰিয়েকক সমজাই দিব লাগিব। পূৰ্ব্বৰ গিৰিয়েকে সন্তান সকলক মাত্ৰ পাব। বিয়াৰ খৰছ তেও নাপাব।

৮৫। সদায় খাবলৈ **ৰন্দা** ভাত সিজালে সিজাৰ পিচত অগ্নিত ভাত অলপ তৰকাৰী অলপলৈ ওঁ স্বাহা কৈ তিনিবাৰ আহুতি দিব লাগে হাতৰ আঙুলিৰ সৈতে পানী ওঁ শান্তি কৈ তিনিবাৰ চতিয়াব লাগে। মাছ-মাংস **ৰান্দিলে** দিব নালাগে। চাউল ধোৱাৰ পিচত চাউলটোক তেনেধৰনে কৈ দিব লাগে, পানীটোক তেনেধৰনেই দিব লাগে।

৮৬। **মন্ত্ৰ উচ্ছাৰণ নকৰা**কৈ ঈশ্বৰৰ ওচৰত বৰ খুজিলে নিজ মাতৃ ভাষাৰে কব লাগে, তেতিয়া কাৰো অসুবিধা নাথাকে।

৮৭। মহিলা সকলৰ পৰা দৌৰি ধৰ্ম্ম প্ৰচাৰিকা, গুৰু আদি বাছনি কৰি লব লাগে।

৮৮। বিয়া হোৱাৰ বয়স ছোৱালীৰ ক্ষেত্ৰত ১৪ বছৰ আৰু লৰাৰ ক্ষেত্ৰত ২৫ বচৰৰ কম হব নেলাগিব।

মালসাৰ কথা পাতিব লাগে। পোণ টকা নাখালে বা নললে যি দিয়ে দিব লাগে। ৫১ টকাৰ ওপৰঞ্চি খাব বা লব নোৱাৰে। কিন্তু মালসা হিচাপে ৩ টকা দিয়াৰ নীতি আছে।

১০৮। আঠমংগল- বিয়াৰ ৮ দিনৰ পিচত দৰা কন্যা আৰু গাওঁৰ দুজনমান লোগৰীয়া লগত লৈ কন্যাৰ পিতৃ মাতৃৰ ঘৰত যাব লাগে। লগত চাহ, চেনি, গাখীৰ অলপ অলপ নিব পাৰে। এদিন বা দুদিনমান থাকি দৰা কন্যা, লগৰীয়া সহিতে পূনৰ ঘৰলৈ ঘুৰি আহিব লাগে। পিতৃ মাতৃয়ে যৌতুক হিচাপে টকা পইচা আৰু বস্তু বাহিনী যি দিয়ে সেইবোৰ আনিব লাগিব।

১০৯। বিয়াৰ সময়ত দিয়া খৰছ পাতিবোৰ সমানে ভগাই লব লাগে কিন্তু পোণ টকা আৰু যিকোনো বস্তু বাহিনী বোৰ কন্যা ঘৰীয়াই নাপায়।

১১০। লৰা বা ছোৱালী কিবা যদি ডাঙৰ বেমাৰ আছে আৰু সোধা-পোচা কৰাৰ পিচত গম পায় তেতিয়া এৰা এৰি কৰিব পাৰে। কুষ্টৰোগী, মের্গী, যক্ষ্মা এই তিনিটা বেমাৰ থাকিলে বিয়া পাতিব নালাগে ইয়াৰ কাৰণে খৰছ ভৰিব নালাগে।

১১১। দৰা ঘৰলৈ কন্যা আনিলে দৰা ঘৰৰ **পদুলি** সন্মুখত আহি পালে দৰা ঘৰীয়াৰ এজনী ছোৱালীয়ে ভৰি ধুঁৱাই দিব লাগে।

১১২। ধৰ্ম্ম প্ৰচাৰক সকলে একো একোখন পাকা বন্ধা ৰেজিষ্টাৰ বহী ৰাখিব লাগিব। বহীত ধৰ্ম্ম গ্ৰহন কৰা ব্যক্তি সকলৰ নাম লিখিব লাগিব ইয়াৰ উপৰিও ঘৰৰ মুৰব্বীৰ নাম, গাৱ লিখি টিপ চহী লব লাগিব।

১১৩। বিয়াৰ পিচত যদি তিৰোতাৰ সন্তান নহয়, কুষ্ঠৰোগ, পাগলী আদি ৰোগহে চিকিৎসা কৰিলেও যদি ভাল নহয় তেতিয়া সতিনী লব পাৰিব। অন্যথা সতিনী লব নোৱাৰিব।

১১৪। মৰা মানুহৰ শ্ৰাদ্ধ পাতিলে, পৰাপক্ষত দুখীয়া ব্যক্তি সকলক গামোচা, কাপোৰ আদি দান কৰিব পাৰে।



পূৱ দিশত সূৰ্য্য, পশ্চিম দিশত চন্দ্ৰমাৰ আকৃতি চূণৰ লগত আঁকিব লাগিব।

৯৮। পূৰ্ব্বৰ নীতি মতে চাহ, চেনি, তামোল পান, গাখীৰ আদিৰ ভাৰ গৃহস্থৰ উত্তৰৰ পাক ঘৰৰ বাৰান্দা অথবা চোতালৰ পূৱ **মহা** দৰজাৰ সন্মুখত থব লাগিব। সূৰ্য্য আকৃতিৰ দাগ থকাটো পূৱ দিশে তদুপৰি চন্দ্ৰমা আকৃতি দাগ থকাটো পশ্চিম মুখাকৈ থব লাগিব।

৯৯। সায়লন চাকি (শলিতা) বনোৱাৰ নিয়ম- দুটা নতুন চালনীৰ ওপৰত কলপাত পাৰি দিব লাগে। ইয়াৰ পিচত কল ঢকুৱাটো বাকলি গুচাই ওলোটাকৈ মেৰিয়াই কাঠিৰে সিলাই দি ঢকুৱাটোত খিৰিকীৰ দৰে গাত দুয়োটাতে বনাব লাগে। ইয়াক চালনীৰ ওপৰত পাৰি থোৱা আগলি কল পাতৰ ওপৰত থোৱা। দুয়োটা চালনীতে এনেদৰে থব লাগিব, তাৰ মাজত পাঁচটা ধান গুটি, মুদ্ৰা পইছা পাঁচটা, তামোল পান জোৰা, মিঠা তেলৰ শলিতা দুটা থব লাগিব। ইয়াক সায়লন চাকি (শলিতা) কোৱা হয়।

১০০। ক) পাঁচটা ধান গুটি, পাঁচটা মুদ্ৰা, সোন, ৰূপ, তামা, ৰাং, পিতল।
খ) ধান, জব, মাটিমাহ, সৰিয়ঁহ আৰু তিল পাঁচটা।

১০১। মংগল ঘট- দুটা পানী ভৰ্ত্তি কলহৰ মুখত যিকোনো পাতফুলৰ দাৰা সজোৱা মালা ডাল মেৰিয়াই তাৰ ওপৰত নাৰিকল কেচাই হওক বা পকাই হওঁক মেৰিয়াই দিয়া মালাৰ মাজত ওবুৰিয়াই থৈ ওপৰত সেন্দুৰ চতিয়াই দিব লাগে। সেই কলহ দুটা কন্যা আনিলে দৰাৰ পদুলি মুখত অথবা দৰজাৰ সন্মুখত দুয়ো কাষে থব লাগে এইয়াই হল কন্যাৰ স্বামী গৃহলৈ প্ৰবেশৰ শুভ লক্ষণ।

১০২। বৰ খোজাৰ দন চাউল- এটা দনত চাউল ভৰ্ত্তি কৰি থৈ ওপৰত তামোল পান এযোৰ থব লাগে, এক টকা, দুইটকা থব লাগে। বিয়া স্থানত বৈৰাথিৰ লগত যিকোনো এজনী আদহিয়া তিৰোতাক নিব লাগে।

১০৩। মসাল শলিতা বনোৱা নীতি-আঙুলি সমান জোঙা দেৰ হাতমান দীঘল বাঁহৰ কাঠি পাঁচটা, প্ৰত্যেক কাঠিৰ এটা মুৰত ফটাকানি মেৰুৱাব লাগে। ফটাকানি মেৰুৱাটো এহাতৰ অলপ বেছি হব লাগিব। ফটাকানি মেৰুৱাত মিঠাতেল অথবা কেৰাচিন তেল তিয়াই জুই লগালেই শলিতা হয়। দৰা কন্যা বিয়া দিলে শেষত আহুতি কুণ্ডত ঘুৰি ঘৰত সোমোৱাবলৈ নিওঁতে শলিতা জুলাই লোৱা সকলে আগে আগে জয়ধনি দি দি যাব লাগে।

১০৪। ছোৱালী সুধিবলৈ যাওতে বৈৰাথিয়ে তিনিশাৰী তামোল পান ভগাব লাগিব। ইয়াতকৈ বেছি ভগাব নালাগে।

১০৫। বিয়া স্থলি তথা আহুতিৰ স্থলি চাৰি চোকত চাৰিডাল কল পুলি পুতিব লাগিব। যিমান ধুনীয়াকৈ সজাব পাৰে সিমানে ফুল, পাত আদিৰে গেট বনাই শুভিত কৰিব লাগিব। যজ্ঞকুণ্ড তিনি খলপীয়াকৈ বনাব লাগিব। যজ্ঞ কুণ্ডৰ চাৰিওফালে ঢাৰি আৰু ওপৰত কাপোৰ পাৰিব লাগিব। পূৱ মুখী হৈ দৰা কন্যা বহিব লাগে। দক্ষিণ মুখি হৈ উত্তৰে বহিব বৈৰাথি সকলে, উত্তৰ মুখিহৈ দক্ষিণ দিশত বহিব দৌৰি আৰু পশ্মিম মুখিহৈ পূৱ দিশে বহিব দৰাৰ বন্ধুবৰ্গ সকল দৌৰি তথা দৰা কন্যাৰ লগত ঠেলা হেঁচাকৈ বহিব নালাগে। কন্যাৰ পিচফালে কন্যাৰ লগৰীয়াবোৰ আৰু দৰাৰ পিচফালে দৰাৰ লগৰীয়া সকলে বহিব। দৰা কন্যা যজ্ঞকুণ্ডত নোবহাৰ আগতে দৌৰিয়ে যজ্ঞ কুণ্ডত বহিব লাগিব। দৰাৰ বাওঁফালে কন্যাই বহিব লাগে। এতিয়া কন্যাৰ পিতৃ মাতৃ ককায়েক জনে সমজাব তেও দৰা কন্যাৰ আগত থিয় হৈ দৌৰিয়ে কোৱা মতে কন্যাৰ সোঁ হাতটো সোঁ হাতেৰে দৰাৰ বাওহাতটো বাওহাতেৰে ধৰি সমজাই দিব লাগে। ইয়াৰ পিচত দৰা কন্যা দুয়োজনে অৰ্পন কৰা ব্যক্তিক আঠুকাঢ়ি সেৱা কৰিব লাগে। দৰা কন্যাক পূনৰ বহিব দিব লাগে। দৰা কন্যা দুয়োজনক গাত লোৱা চাদৰৰে বান্ধি দিব



লাগে। টুপি থাকিলে পিন্ধায় দিব লাগে। বিবাহ কাৰ্য্য দৰা কন্যাৰ মঙ্গলাৰ্থে যজ্ঞাহুতিৰ কাম শেষ হলে দৌৰিক সন্মান কৰি বয়সস্থ সকলে দৰা কন্যাক আশীৰ্বাদ দিব লাগে। আশীৰ্বাদ দিয়া মাজে মাজে বৈৰাথি সকলে উৰুলি দিব লাগে। আশীৰ্বাদ দিয়া কাৰ্য্য শেষ হলে জয়ধ্বনি দি যজ্ঞকুণ্ডটোক ৭ বাৰ ঘুৰি জয়ধবনি দি দৰা কন্যা থকা ঘৰত সোমোৱাব লাগে কিন্তু এই ক্ষেত্ৰত দৌৰিয়ে আগত হব লাগিব। নিমন্ত্ৰন অতিথি সকলে বিয়া দিনাখনে আশীৰ্বাদ আৰু দান দিব পাৰে অন্যথা নিদিয়াকৈ থাকিবওপাৰে।

১০৬। বিয়া দিয়া সকলৰ গৃহ প্ৰবেশ- বিয়া হোৱা দৰা কন্যা বৈৰাথি, দৌৰি তদুপৰি লগৰীয়া ছোৱালী সকলোৱে একেলগে বহিব লাগে। দৰা কন্যাই পশ্মিম মুখ হৈ পূৱ দিশত, বৈৰাথি সকলে দক্ষিন মুখহৈ উত্তৰ দিশত দৌৰিয়ে উত্তৰ মুখহৈ দক্ষিন দিশে, দৰা কন্যাৰ ওচৰত লগৰীয়া ছোৱালীবোৰ কন্যাৰ লগত পূৱ মুখি, দৰাৰ লগৰীয়া ডেকা সকলে পূৱ মুখিহৈ বহিব লাগিব। দৌৰি দৰা কন্যাৰ মাজত সায়লন শলিতা (চাকি)। শপত গ্ৰহন ৰূপে সায়লন শলিতা (চাকি)ৰ অগ্নি, ধান, তামোল পান, যি আছে দৰা কন্যাই চুব লাগে ইয়াৰ পিচত দৌৰিয়ে শলিতা (চাকি)ৰ তেলটো সোঁহাতৰ কেয়াঁ আঙুলিৰ ওচৰৰ আঙুলিৰে দুয়োজনকে কপালত ফুট দি যি পাৰে দৌৰিয়ে ধৰ্ম্ম, কৰ্ম্ম, মৰম স্নেহ, শ্ৰদ্ধা, ভাল দৰে জীৱন যাপন কৰা, লৰা ছোৱালী তোলা, সম্পৰ্কে বুজোৱাৰ পিচত দৰা কন্যাৰ চাদৰৰ গাঁঠি খুলি দিব লাগে। পাগুৰী বা টুপী খুলি দিব লাগে। কন্যাই দৰাক সেৱা কৰিব লাগে। দৰা কন্যা দুয়ো দৌৰিক সেৱাকৰি কন্যাই তামোল কাটি দৰাৰ লগৰীয়া আৰু নিজৰ লগৰীয়া সকলক খোৱাব লাগে। শেষত সকলোৱে গৃহৰ পৰা ওলাই গৈ ভোজন কৰিব লাগে।

১০৭। বিয়াৰ পাচদিনা ৰাতিপুৱা চাহ জলপান খায় উঠাৰ পিচত পোণ টকাৰ

# বড়ো সমাজ সংস্কাৰ কৰিবলৈ বিভিন্ন সংগঠন গঠন

সমাজ সংস্কাৰৰ আঁচনীবোৰ অধিক সবল কৰিবলৈ গুৰুদেৱ কালিচৰণে বহুত ঠাইত বিভিন্ন সামাজিক সংগঠণ গঠন কৰি দিছিল আৰু এই সংগঠন বোৰে নিজৰ নিজৰ অঞ্চলত সমাজ সংস্কাৰৰ কামত লাগি পৰিছিল। এই সংগঠন বোৰৰ বিষয়ে তলত আলোচনা কৰা হল।

# মহিলা সমিতি গঠন

গুৰুদেৱৰ মতে পূৰুষ আৰু তিৰোতা দুয়ো একেজন ঈশ্বৰৰে সন্তান। সেই কাৰণে দুয়োজন ঈশ্বৰৰ চকুত সমান। ঘৰুৱা সমস্যা আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰত মহিলা সকলৰ সমান দায়ীত্ব আছে। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম এই বিষয়ে সচেতন যে মহিলা সকলে পুৰুষৰ কাৰণে প্ৰত্যেকটো কামতে উৎসাহিত কৰিব পাৰে আৰু এনেদৰে সমাজ সংস্কাৰৰ কামবোৰটো সহায় কৰিব পাৰে। কথাতে আছে, মহিলাসকল ঘৰৰ লক্ষ্মী, ৰাইজৰ মাতৃ আৰু উপদেশৰ প্ৰতিকস্বৰূপ।

সেই কাৰণে কালিচৰণ ব্ৰহ্মই মহিলা সমিতি গঠন কৰি দিছিল। বিভিন্ন ঠাইত বিধৱা তিৰোতা পূনৰ বিবাহ হবলৈ নোপোৱা, তিৰোতা সকলে পুৰুষৰ লগত সমানে অধিকাৰ নোপোৱা, মদ বনাই ঘৰৰ পৰিবেশ অশান্তি কৰা, সৰু বয়সতে বিয়া পতা, গিৰিয়েক ঢুকোৱাৰ পিচত তিৰোতাই গিৰিয়েকৰ সম্পত্তি নোপোৱা, মদ খায় পুৰুষ সকলে নিজৰ নিজৰ তিৰোতাৰ ওপৰত মাৰ



১১৫। কোনোবা তিৰোতাই অন্য গাৱলৈ গৈ মৃত্যু হলে, সন্তান প্ৰসৱৰ সময়ত মৃত্যু হলে ইয়াৰ বাবে কোনো দণ্ডণীয় নহব। টকা পইছা একো দিব নালাগে আৰু লবলৈকো নাপায়।

১১৬। কোনো গিৰিয়েক থকা আদহিয়া তিৰোতাৰ লগত প্ৰেম কৰি চিন থাকিলে ৰাইজৰ দণ্ডণীয়ৰ বাদে সেই মহিলাৰ গিৰিয়েকক ৫ টকা মান আৰু গুপ্ত প্ৰেম কৰা ব্যক্তিৰ ঘৈনীয়েকক ১ টকা নাকসুলি দিব লাগিব।

১১৭। কোনোবা নাবালিকা ঘৰজোঁৱাই ৰখাৰ পিচতো তথা তামোল পানলৈ সোধা পোচা কৰি থোৱাৰ পিচত পিতৃ মাতৃয়ে নজনাকৈ পলাইগৈ বোৱাৰী সোমালে তাইক কোনো ব্যক্তিয়ে ৰাখিব নোৱাৰিব আৰু বিয়া পাতিব নোৱাৰিব। কিন্তু পলাই যোৱা ছোৱালীৰ অভিভাবকে যদি লৰাক পচন্দ কৰি বিয়াত হাত ধৰি সমজাই দিবলৈ ইচ্ছা কৰিলে বিয়া দিব পাৰিব। তদুপৰি মান হানিৰ খৰছ হিচাপে দণ্ডণীয় ২৫ টকা ছোৱালীৰ পিতৃ মাতৃয়ে ভৰিব লাগিব। ইয়াৰে ১২ টকাক দুভাগ কৰি এভাগ পূৰ্ব্বতে সোধা পোচা কৰা তথা ঘৰজোঁৱাই থকা গাঁৱৰ ৰাইজে ৬ টকা আৰু ৬ টকা ঘৰজোঁৱাই ৰাখোতা গাঁৱৰ ৰাইজে পাব।সোধা পোচা হোৱাৰ পিচত পলাই যোৱা ছোৱালীক ৰাখিবলৈ পোৱা নোপোৱাৰ ভোটঃ--

| পোৱা | নোপোৱা |
|---|---|
| ১। শ্ৰীযুত কালীচৰণ ব্ৰহ্ম, গুৰুদেৱ<br>সাং- কাজিগাৱ | ১। শ্ৰীযুত কাতিমল ব্ৰহ্ম<br>সাং- ধাওলীগুৰি |
| ২। শ্ৰী হৰিমোহন ব্ৰহ্ম<br>সাং বন্যাগুৰি | ২। শ্ৰীযুত হৰিচৰণ ব্ৰহ্ম<br>সাং পাটাকাটা |
| ৩। শ্ৰীযুত কাৰ্ত্তিক চন্দ্ৰ ব্ৰহ্ম<br>সাং- গম্ভীৰকাটা | ৩। শ্ৰীবৈদ্যনাথ ব্ৰহ্ম<br>সাং পুঠিমাৰী |

৪। শ্ৰীৰবিৰাম ব্ৰহ্ম
সাং বাঘমাৰা
৫। শ্ৰীকালিচৰণ ব্ৰহ্ম
সাং সিম্বৰগাৱ

নোপোৱাৰ ভোট দুটা বেছি হল। সেই কাৰণে পলাই গলে কোনো ব্যক্তিয়ে ৰাখিব নোৱাৰিব।

১১৮। এজনী গাভৰু কোনো ব্যক্তিয়ে চপনীয়া থাকিবলৈ সোধা পোচা কৰা নাই তথা কোনো ব্যক্তিয়ে সোধিবলৈও অহা নাই তেতিয়া তাই যদি কাৰবা ঘৰত বোৱাৰী হিচাপে পলাই যায় আৰু পিতৃ মাতৃ ককাই ভায়েক তথা অভিভাৱকে গৈ বিয়াত হাত ধৰি সমজাই দিলে সেই ছোৱালীক বোৱাৰী হিচাপে ৰাখিব পাৰিব। কিন্তু ইয়াৰ পৰিবৰ্ত্তে কোনেও বলপূৰ্ব্বক ভাৱে বোৱাৰী ৰাখিব নোৱাৰিব।

১১৯। ব্ৰহ্ম সকলৰ মাজত শগুনে খোৱা জন্তুৰ মাংস খাব নোৱাৰিব। যদি কোনোবা ব্যক্তিয়ে ভক্ষণ কৰে তেতিয়া অগৰবাদ দণ্ডনীয় হোৱাৰ লগতে **প্ৰায়শ্চিত** কৰিব লাগিব।

১২০। মাতৃভাষাৰ সন্মানৰ হকে বিদ্যালয়ত পঢ়িবৰ কাৰণে কিতাপ লিখি বড়ো ভাষাৰ উন্নতি সাধন কৰিব লাগিব অন্যথা সকলোৱে বড়ো ভাষাৰে কথা পাতিব লাগিব।

১২১। তিথি পৰ্ব্ব আদিত তথা যেতিয়াই সুবিধা পায় তেতিয়াই বড়ো ভাষাৰে আশীৰ্বাদ, বন্দনা আৰু কীৰ্ত্তন কৰিব লাগিব।

১২২। গা-ধুই ভাত খোৱাৰ পূৰ্ব্বে আহুতি দিয়া মংগলজনক।

১২৩। কোনো তিৰোতাই চপনীয়া থাকিব নোৱাৰিব অন্যথা বয় বস্তু. মাটি বাৰী আদি নাপাব।

১২৪। কোনোবা ব্যক্তিয়ে কাৰোবাৰ গৰু মৰালে সেই ব্যক্তিক গৰু মালিকে গৰুৰ বদলি গৰু বা টকা পইচা মূল্য হিচাপে লব নোৱাৰিব। কোনোবা ব্যক্তিয়ে গৰু মৰালে মূল্য দিয়া নিদিয়াৰ ভোট-



| মূল্য দিয়া | মুল্য নিদিয়া |
|---|---|
| ১. শ্ৰীযুত কালীচৰণ ব্ৰহ্ম | ১. শ্ৰীযুত কাতিমল ব্ৰহ্ম, প্ৰচাৰক |
| ২. শ্ৰীযুত ৰবিৰাম ব্ৰহ্ম | ২. শ্ৰীযুত কাতিমল ব্ৰহ্ম |
| ৩. শ্ৰীযুত কাৰ্ত্তিক চন্দ্ৰ ব্ৰহ্ম | ৩. শ্ৰীযুত বৈদ্যনাথ ব্ৰহ্ম |
| ৪. শ্ৰীযুত কালিচৰণ ব্ৰহ্ম, গুৰুদেৱ | ৪. শ্ৰীযুত হৰিমোহন ব্ৰহ্ম |
| | ৫. সভাপতি -----দুগুণ ভোট |

সভাপতিয়ে দুগুণ দিয়াৰ ফলত এটা ভোট বেছি হোৱা কাৰণে দিব নোপোৱাৰ সংখ্যা বেছি হোৱাত জিকিলে। সেই কাৰণে পূৰ্ব্ব নীতি মতে গৰু মালিকে গৰুৰ বদলি গৰুৰ মূল্য নোপোৱা হল।

১২৫। দৌৰি সকলৰ লগত এখন এখন ৰেজীষ্টাৰ বহী থাকিব লাগিব। ইয়াত বিয়া হোৱা সকলৰ দুয়োপক্ষৰ অভিভাৱকৰ নাম গাৱ, চন তাৰিখ লিখিব লাগিব আৰু সিহঁতৰ টিপ চহী লব লাগিব।

বাংলা ১৩৪১, ১২ বহাগ (ইং ১৯৩৪ চন) ত গঠন কৰা বড়ো পাণ্ডুলিপি ত সৰ্ব্ব মুঠ ১২৫ টা বিষয় আছে। গম্ভীৰ ভাৱে চিন্তা কৰিলে আমি গম পাম সঁচাকৈয়ে গুৰুদেৱৰ পৰামৰ্শতে এই আইন গঠনৰ সৰ্ব্ব মুঠ ১২৫ টা বিষয় বড়ো সমাজৰ সমাজ সংস্কাৰত সহায়ক হিচাপে পৰিগনিত হৈছে আৰু ভৱিষ্যৎতে সমাজ সংস্কাৰৰ ক্ষেত্ৰত এক মহান আহি স্বৰূপে জিলিকি থাকিব। ব্ৰহ্ম ধৰ্ম্মীয় প্ৰত্যকজন ব্যক্তিয়ে গুৰুদেৱে গঠন কৰি দিয়া পাণ্ডুলিপিৰ বিষয়বোৰক ৰক্ষা কৰি ৰখাটো সমাজৰ উন্নয়নৰ ওপৰত নিৰ্ভৰ কৰিব। সেই কাৰণে বড়োৰ পাণ্ডুলিপি ৰ সংশোধন আৰু ইয়াক ৰক্ষাকৰি ৰখাৰ অতি আৰশ্যক আছে।

# গুৰুদেৱৰ অৰ্থ নৈতিক ব্যৱস্থাৰ প্ৰতি পদক্ষেপ

অৰ্থনৈতিক সমস্যা সেই সময়ত বড়ো সকলৰ এক প্ৰধান সমস্যা আছিল। যাৰ কাৰণে বড়ো সমাজ উন্নতিৰ দিশত আগবাঢ়িব পৰা নাছিল। খেতি কৰি, বেপাৰ বানিজ্য কৰি টকা পইছা জমা ৰখাৰ দিশত বড়ো সকল সচেতন নাছিল। এনেধৰণৰ সচেতনতা নোহোৱা কাৰণেই বড়ো সকলে নিজৰ নিজৰ লৰা ছোৱালীবোৰক শিক্ষা দিব পৰা নাছিল।

ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা সময়ত বড়ো সকলৰ অৰ্থনৈতিক সমস্যাক গুৰুদেৱ কালিচৰণ ব্ৰহ্মই দৃষ্টি কৰিছিল আৰু কেনেকৈ উন্নতি কৰিব পাৰি এই বিষয়ে গোপনে চিন্তা কৰিছিল। তেওঁ চিন্তা কৰিছিল অৰ্থনৈতিক সমস্যাক সমাধান কৰিব পাৰিলেহে বিভিন্ন বিষয়বোৰত উন্নতি কৰিব পাৰিব। সেই কাৰণে বিভিন্ন উপায় অৱলম্বন কৰি এইবোৰ সমাধাণৰ ব্যৱস্থা কৰিছিল।

# ব্ৰহ্ম কোম্পানি খোলা সম্পৰ্কে (ইং ১৯১২)

গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বড়ো কাঠ ব্যৱসায় কৰা সকলক মাতি আনি এটা বড়ো কাঠ ব্যৱসায় সংস্থা গঠন কৰি দিয়ে। ইং ১৯১২ চনত ধুবুৰীত এই সন্থাটো গঠন কৰা হৈছিল আৰু এই সংস্থাৰ নামটো ব্ৰহ্ম কোম্পানি ৰখা হয়। বিৰনাৰায়ণ ব্ৰহ্মক ব্ৰহ্ম কোম্পানিৰ পৰিচালক ৰূপে বাছনী কৰিছিল। এই ব্ৰহ্ম কোম্পানিৰ প্ৰকৃত উদেশ্য হল বড়ো সকলক কাঠ ব্যৱসায় কৰিবলৈ



পিট কৰা ইত্যাদি বিষয় সমন্ধে মহিলা সকলে সচেতন হব লাগে বুলি পৰামৰ্শ দিছিল। আৰু সমস্যাবোৰ সমাধানৰ বাবে আইন ৰচনা কৰিছিল। কাৰণ এনেকৈ কৰিলে ঘৰত শান্তি আৰু উন্নতি হব বুলি বিশ্বাস কৰিছিল। কোকৰাঝাৰ জিলাৰ মলানদুবি নামে এখন বড়ো গাঁৱত মহিলা সমিতি গঠন কৰাৰ সভা হৈছিল। এই সভাখন পাটাকাটা গাঁৱৰ তপেশ্বৰী ব্ৰহ্ম নামৰ এজনী মহিলাই সভাপতিত্ব কৰিছিল। এই সভাতে মহিলা সমিতি গঠন কৰা হৈছিল আৰু সমাজ সংস্কাৰৰ দিশত মহিলা সকলৰ কাৰ্য্য কলাপৰ ওপৰত বহলাই আলোচনা কৰা হৈছিল। গুৰুদেৱে সভাত কৈছিল-

“আই মাতৃ সকলেও ঈশ্বৰ সেৱা কৰা, সৰু সৰু লৰা-ছোৱালী বোৰক মৰম কৰা আৰু মৰম কৰিবলৈ শিকোৱা, সত্য কথা কোৱা আৰু কবলৈ শিকোৱা, নিজৰ নিজৰ স্বামীক মান কৰিবা আৰু মৰম দি সুখী জীৱন যাপন কৰা। ”

গুৰুদেৱে মলানদুবি মহিলা সমিতি গঠনৰ মুকলি সভাত ওপৰত উল্লেখীত বাণীসমুহ মহিলা সকলক কৈছিল। গুৰুদেৱৰ এনেকুৱা পৰামৰ্শ দিয়াত সকলো মহিলাই উৎসাহিত হৈ, অৱশেষত ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰে। গুৰুদেৱৰ এই পৰামৰ্শই মহিলা সকলক সংস্কাৰ কৰা আৰু সমাজ সংস্কাৰ কৰাত অধিক অৰিহনাযোগাইছিল। উল্লেখযোগ্য যে গুৰুদেৱ কালিচৰণে মহিলা সমিতি গঠন কৰি দিয়াৰ পূৰ্ব্বে বড়ো মহিলা সকলৰ মাজত ঘৰুৱা পৰিৱেশ আৰু সমাজ সংস্কাৰৰ বিষয়ে কোনো ধৰনৰ সচেতনতা নাছিল। ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা লগে লগে গুৰুদেৱ কালিচৰণ ব্ৰহ্মই মহিলা সকলকো সকলো দিশতে সচেতন কৰি তুলিব পাৰিছিল।

গুৰুদেৱৰ আদৰ্শ অনুসৰণ কৰি মহিলা সকলে একত্ৰিত ভাৱে সমাজ বিৰোধী কাম আৰু নীতিৰ প্ৰতিবাদত আন্দোলন কৰিছিল আৰু এই আন্দোলনৰ যোগেদি মহিলা সকলৰ চকু মেলখাইছিল।

# যুৱ সমিতি আৰু বড়ো সন্মিলন গঠন

ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা সময়তে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই ইং ১৯১১ চনত গোৱালপাৰা জিলাৰ দক্ষিণ অঞ্চলত হাৰৰাঘাত বড়ো সন্মিলনি নামে সংগঠন গঠন কৰি দিছিল। প্ৰায় ভাগ বড়ো মানুহে সেই সময়ত বাথৌ ধৰ্ম্ম এৰি ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিছিল।

বড়ো সকলৰ শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত আৰু বড়ো সমাজত প্ৰচলিত কু-আচৰন আৰু নীতিবোৰক উঠাবৰ কাৰণে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই বিভিন্ন ঠাইত যুৱ সমিতি গঠন কৰিবলৈ পৰামৰ্শ দিছিল। ইং ১৯২২ চনত পূৱ গোৱালপাৰা যুৱ সমিতি গঠন কৰা হয়। সতিশ চন্দ্ৰ বসুমতাৰীৰ প্ৰতিনিধিত্বত এই যুৱ সমিতিয়ে সফলতাৰে কাৰ্য্য সমাধা কৰিছিল। এই যুৱ সমিতিয়ে বিজনীৰ বছৰেকীয়া অধিবেশনৰ সভাত বড়ো বসতিপূৰ্ণ অঞ্চলবোৰত প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ লৈছিল।

ইং ১৯২৫ চনত চিদলি যুৱ সমিতি গঠন কৰা হয়। ৰূপনাথ ব্ৰহ্মাই সভাপতি ৰূপে এই যুৱ সমিতি খনক বহু বছৰ ধৰি পৰিচালনা কৰিছিল।

ইং ১৯২৫ চনত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ পৰিচালনাত কামৰূপ জিলাত কামৰূপ বড়ো উন্নয়ণ সমিতি গঠন কৰা হয়।


এই চলিত বৰ্ষতেই গোৱালপাৰা জিলাৰ পৰ্ব্বতঝৰাত গ্ৰাম হিতৈসি সমিতি গঠন কৰা হয়। সেই অঞ্চলৰ আৰ্থিক সমস্যা আৰু শিক্ষাৰ উন্নয়নৰ হকে এই সমিতিখন গঠন কৰা হৈছিল।

ইয়াৰ উপৰিও গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই বিভিন্ন ঠাইত বড়ো সকলক শিক্ষাৰ উন্নয়ণৰ ক্ষেত্ৰত, আৰ্থিক সমস্যা সমাধানৰ ক্ষেত্ৰত আৰু বড়ো সমাজৰ অতি বেয়া ঘৃণনীয় আচৰণ আৰু নীতিবোৰ আঁতৰায় এক শুদ্ধ নীতিৰে ঈশ্বৰ উপাসনাৰ দ্বাৰা সমাজ উন্নয়ণৰ উদেশ্যে বিভিন্ন সমিতি গঠন কৰি দিছিল আৰু




গঠন কৰি লবলৈ পৰামৰ্শ দিছিল।

মন কৰিব লগীয়া বিষয় এই যে, ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰৰ দ্বাৰাহে ৰাইজৰ মনজয় কৰি এনেধৰনৰ বিভিন্ন ঠাই বোৰত বহুখিনি সমাজ সংস্কাৰ মূলক সমিতি গঠন কৰিব পৰা হৈছিল আৰু বড়ো সমাজক প্ৰকৃতভাৱে সংস্কাৰ কৰাত সহায় সহযোগিতা কৰিছিল।



গহপূৰ আঞ্চলিকৰ দৈমালু চেন্টাৰত থকা ব্ৰহ্ম মন্দিৰ আৰু ব্ৰহ্ম জ্যোতি সেৱাশ্ৰম। (ফটোগ্ৰাফ- ২০০৩)



কাজিগাঁৱৰ সিস্তি নদীৰ কাষত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ সমাধী স্থলী (ফটোগ্ৰাফ- ২০-১১-২০০৪)

সমাধানৰ কাৰণেই ব্ৰহ্ম কোম্পানি খোলা, বোৱা কটাৰ চেন্টাৰ খোলা, কৃষক সন্থা গঠন কৰাৰ উপৰিও গুৰুদেৱ কালিচৰণে বড়ো সকলক জাকৈ, খালৈ, কোলা, চালনী সাজি বজাৰত বিক্ৰী কৰিবলৈ আৰু শাক পাচলি আদি ব্যৱসায় কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু মদ বেচা ব্যৱসায় সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। প্ৰায়ে মদ বনোৱা, মদখোৱা আৰু মদ বিক্ৰী কৰা অভ্যাস ত্যাগ কৰিছিল। প্ৰতিজন ব্যক্তিৰ ঘৰত যাতে কোনো ধৰণৰ অভাৱ থাকিব নোৱাৰে তাৰবাবে পৰামৰ্শ দিছিল।

ইং ১৯২৩ চনৰ ২৮ ফেব্ৰুৱাৰীত কৃষক সন্থাৰ প্ৰথম বাৰ্ষিক অধিবেশনখন অনুস্থিত হৈছিল। এই অধিবেশনৰ মুকলি সভাখনত গৌৰিপুৰৰ গৌৰি শংকৰ চক্ৰৱৰ্ত্তীয়ে সভাপতিত্ব কৰিছিল। বিৰাজ মোহন দত্ত, ভুমিধৰ বৰ্মন, সভাৰাম ব্ৰহ্ম চৌধুৰী, কাতিমল ব্ৰহ্ম, মহম্মদ আব্দুল আহমেদ, জামাদাৰ ব্ৰহ্ম, জয়চন্দ্ৰ আৰু বহুতো হিন্দু-মুছলিম জনগণই অংশ গ্ৰহন কৰিছিল।

কৃষক সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিবেশনখন কোকৰাঝাৰত অনুস্থিত হৈছিল। এই অধিবেশন গুৰুদেৱৰ পৰামৰ্শ মতেই হৈছিল।

# গুৰুদেৱৰ ৰাজনৈতিক পদক্ষেপ

যি জাতিয়ে ৰাজনৈতিক ভাৱে সচেতন হব নোৱাৰে অথবা ৰাজনীতিত সক্ৰিয় নহয় সেই জাতিৰ উন্নয়ন অসম্ভৱ। কাৰণ ৰাজনৈতিক দলেহে আইন গঠন কৰে লিখিত সংবিধানৰ আলমলৈ দেশ শাসন কৰে। সেই কাৰণে ৰাজনীতিত অকৰাৰ দৰে পদক্ষেপ নোলোৱাকৈ থাকিলে সঁচাকৈয়ে অনুন্নত হৈ থাকে।

সেই সময়ত বড়ো সকলে অথবা ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্ব্বে বড়ো সকলৰ ৰাজনীতিৰ বিষয়ে একো জ্ঞান নাছিল। সেই কাৰণে অন্য ৰাজনৈতিক ভাৱে সচেতন তথা সক্ৰিয় জাতি সমুহৰ লগত পৰাভুত হৈ থাকিব



উৎসাহিত কৰা আৰু টকা পইছা সহায় কৰা। এই কোম্পানিয়ে মূল্যবান কাঠবোৰ গোটাই কলিকতা, বিহাৰ, আৰু অনান্য ঠাইবোৰলৈ ৰপ্তানি কৰি ব্যৱসায়টোক সবল কৰিছিল। বহুতো বড়ো সকলে এই কোম্পানিৰ সহায় সহযোগিতাত টকা ধাৰলৈ কাঠ ব্যৱসায় কৰিবলৈ সুবিধা পাইছিল আৰু নিগাজিকৈ ব্যৱসায় কৰিছিল। অনেকে ব্ৰহ্ম বৰ্ডিংত থাকি কাঠ ব্যৱসায় কৰিছিল।

ব্ৰহ্ম কোম্পানি গঠন কৰাটো সঁচাকৈয়ে বড়ো সকলক আৰ্থিক ব্যৱস্থাৰ ক্ষেত্ৰত এক সবল অৰিহনা যোগাইছিল। ধুবুৰীৰ বাদে অনান্য ঠাইসমূহতো উৎসাহিত হৈ বড়ো সকলে কাঠ ব্যৱসায় কৰি অৰ্থনৈতিক সমস্যাটোক কিঞ্চিৎ হলেও সমাধান কৰিবলৈ সক্ষম হৈছিল। ব্ৰহ্ম কোম্পানিয়ে বড়ো সকলৰ মাজত ঐক্যতাবোধ আনিবলৈ সক্ষম হৈছিল।

# গাওঁ উন্নয়ণ সমিতি গঠন
# (ইং ১৯২৫)

ইং ১৯২৫ চনত পৰ্ব্বতঝাৰাত গ্ৰাম হিতৈসি সমিতি নামে এখন সমিতি গঠন কৰা হয়। এই সমিতিখন পৰস্পৰে পস্পৰক সহায় কৰা এখন বেচৰকাৰী অৰ্থনৈতিক সমিতি। এই সমিতিখনে ধান, চাউল, মৰাপাট, সৰিয়হ, শাক পাচলিৰ সচবোৰ কিনি জমা কৰি ৰাখিছিল আৰু দাম বৃদ্ধি সময়ত এইবোৰ বিক্ৰী কৰি যথেষ্ট লাভ অৰ্জন কৰিছিল। ইয়াৰ উপৰিও দুখীয়া সকলক সুতৰ বাবদ টকা ধাৰ দিছিল। এনেদৰে এই সমিতিখনে যথেষ্ট টকা পইচা লাভ কৰিব পাৰিছিল আৰু জনসাধাৰণকো টকা পইচাত সহায় কৰিছিল। পিচলৈ বহুতো দুখীয়া মানুহে এই সমিতিৰ পৰা টকা পইচা সহায়লৈ নিজে নিজৰ ভৰিত থিয় হব পৰা অৱস্থাত পৰিণত হল।

# উইভিং চেন্টাৰ খোলা (ইং ১৯২৫)

বড়ো সকলৰ কলা সংস্কৃতি উন্নয়ণ আৰু অৰ্থনৈতিক ব্যৱস্থাক টনকীয়ালৰ উদ্দেশ্যৰে ১৯২৫ চনত বড়ো মহিলা সকলক কাপোৰ বোৱা কটা কামত নিয়োগ কৰিবলৈ কাপোৰ বোৱা কটাৰ এটা সমিতি গঠন কৰে। এই উইভিং চেন্টাৰত বহুতো বড়ো মহিলা সকলে কাপোৰ বোবলৈ আহিছিল আৰু এই বোৱা কাপোৰবোৰ বজাৰত বিক্ৰী কৰি যথেষ্ট টকা পইছা উপাৰ্জন কৰিছিল। তদুপৰি কাপোৰ বোবলৈ নজনা কিছু মহিলাই কাপোৰ বোৱৰলৈ শিকিবৰ কাৰণে সুযোগ লাভ কৰিছিল। এই উইভিং চেন্টাৰৰ যোগেদি বড়ো মহিলা সকলে একত্ৰিত হব পাৰিছিল আৰু অনেক সুযোগ সুবিধা পাইছিল। উইভিং চেন্টাৰ খোলা লগে লগে বড়ো সকলৰ সংস্কৃতি বহলভাৱে প্ৰচাৰ হোৱা আৰু উন্নতি হোৱাৰ বাট মুকলি হৈছিল। বড়ো মহিলা সকলৰ চিন্তা ধাৰাৰ প্ৰক্ৰিয়া কিছু পৰিৱৰ্তন হৈছিল, প্ৰায় ভাগ মহিলাই মদ্যপান কৰি সময় নষ্ট কৰাৰ পৰিবৰ্ত্তে নিজকে কামৰ মাজত ব্যস্ততা ৰাখিবলৈ সক্ষম হৈছিল। অৱশেষত মহিলা সকলে একগোটহৈ নিজ নিজ অঞ্চলত কাপোৰ ব্যৱসায় কৰিবলৈ উইভিং চেন্টাৰ খুলি লৈছিল। ইয়াৰ উপৰিও কিছু কিছু মহিলাই নিজ ঘৰতে কাপোৰ ব্যয় অৰ্থ উপাৰ্জন কৰিছিল।

# কৃষক সন্থা গঠন (ইং ১৯২৩)

সেই সময়ৰ বড়ো সকলে বৈজ্ঞানিক পদ্ধতিৰে খেতিবাতি কৰিব নাজানিছিল আৰু খেতি বাতিৰ উপযোগি বহুতো মাটি চন পেলাই থৈছিল। খেতি বাতি কৰাৰ দিশত বড়ো সকল সচেতন নাছিল। ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰা সময়ত গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই বহুতো ঠাইত খেতি বাতিৰ দিশত যে বড়ো



সকল সচেতন নহয় এই কথা অতি সহজে উপলব্ধি কৰিব পাৰিছিল। সচেতনতাৰ ক্ষেত্ৰত কিছুমান উপায় অৱলম্বন কৰিছিল। অৱশেষত তেওঁ নিজে আহ্বায়ক ৰূপে বড়ো কৃষক সকলক এক গোট কৰি উন্নত পদ্ধতিৰে খেতি বাতি কৰি সমাজৰ অৰ্থব্যৱস্থাৰ উন্নতিৰ বিষয়ে বহলাই আলোচনা কৰে। ইং ১৯২৩ চনত গোৱালপাৰাত কৃষক সন্থা (ৰায়ত সভা) নামে এখন সমিতি গঠন কৰি দিয়ে। কৃষক সন্থা গঠনৰ সভাত ৰাইজক উদেশে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই এনেদৰে কৈছিল-

“নিজে নিজৰ শৰীৰ, ঘৰদুৱাৰ, কাপোৰ কানি কাঁহী বাটি, পৰিস্কাৰ পৰিচ্ছন্নতাকৈ ৰাখিব লাগে। এমুঠি অন্ন, এজনী গৰু, টকা পইচা যতনৰে ৰাখিব লাগে। আয় চায় ব্যয় কৰিব লাগে। নিজেও জাতিৰ কেনেকৈ উন্নতি হয় চিন্তা কৰা উচিত।

এই সমিতিৰ প্ৰকৃত উদ্দেশ্য হল বড়ো সকলক খেতিবাতি কৰাৰ দিশত সচেতন কৰা। এই সমিতিয়ে বিভিন্ন ঠাইলৈ গৈ সভা পাতি বড়ো সকলক খেতি বাতি কৰাৰ দিশত সচেতন কৰিছিল। খেতিবাতিৰ পূৰণা পদ্ধতি বাদ দি উন্নত বৈজ্ঞানীক পদ্ধতিৰে খেতি কৰিবলৈ উৎসাহ যোগায়। বড়ো কৃষক সকলে প্ৰায়ে কষ্ট কৰি কষ্টৰ ফল ভোগ কৰিব নাজানে। ৰদ, বৰষুণত হাল বায় খেতি কৰি কম দামত ধান চাউল বিক্ৰী কৰে তদুপৰি খেতি কৰা মাটি অন্য ব্যক্তিক বন্ধক দিয়ে আৰু আন কিছুমান কৃষকে একেবাৰে বিক্ৰী কৰি দিয়ে।

কৃষক সন্থা গঠন কৰাৰ পিচত এই কৃষক সন্থাই ধান, চাউলৰ ব্যৱসায় কৰাৰ দিশত বড়ো সকলক সচেতন কৰিব পৰা হল। প্ৰায়ে বড়োসকলে জংঘলৰে পৰিপূৰ্ণ আৰু চনপৰি থকা মাটিত খেতি বাতি কৰিবলৈ ধৰিলে, ধান খেতিৰ লগতে মৰাপাট, শাক-পাচলি, তামোল পান, কল ইত্যাদি খেতি কৰি ঘৰুৱা আৰ্থিক সমস্যাবোৰ সমাধান কৰি লব পাৰিছিল আৰু পিছলৈ সামাজিক অৰ্থব্যৱস্থাই লাহে লাহেকৈ উন্নতিৰ দিশে গতি কৰিছিল। অৰ্থনৈতিক সমস্যা

আবেলি ২ বাজি ৩০ মিনিট সমগ্ৰ বড়ো জাতিৰ বাবে এক উল্লেখনীয় দিন হৈ থাকিল। সেই দিনাই মেমৰেন্ডামটোক চিলংত চাইমন কমিচনৰ আগত পঢ়ি দিয়া হৈছিল। গিয়াচুদিন আহমেদে চাইমন কমিচনৰ আগত মেমৰেন্ডাম খন পঢ়িছিল। গিয়াচুদিন আহমেদে চাইমন কমিচনৰ সৈতে বড়ো সকলৰ হৈ বিভিন্ন বিষয়ত আলোচনা কৰিছিল। বড়ো সকলৰ সমস্যাবোৰ দেখি চাইমন কমিচনৰ আগত বহলাই কৈছিল। গুৰুদেৱ কালিচৰণৰ স্মাৰক পত্ৰখন চাইমন কমিচনে বিবেচনা কৰাৰ কথা দিয়ে আৰু বড়ো সমাজৰ উন্নতিৰ কাৰণে কাম কৰাৰ আশা দিয়ে। এই স্মাৰক পত্ৰত সৰ্ব্ব মুঠ ১২ টা বিষয় আছিল। গিয়াচুদিন আহমেদে অন্য সম্প্ৰদায়ৰ ব্যক্তি যদিও বড়ো সমাজৰ কাৰণে যথেষ্ট সহায় কৰিছিল। তেখেতে স্মাৰক পত্ৰখন ইংৰাজী ভাষাত লিখিছিল, চাইমন কমিচনক বড়ো সকলৰ সমস্যাবোৰক ইংৰাজী ভাষাৰে বুজাই কৈছিল আৰু যথেষ্ট অফিচিয়েল কাৰ্য্যবোৰতো সহায় কৰিছিল।

চাইমন কমিচনক অৰ্পন কৰা স্মাৰক পত্ৰৰ সৰ্ব্বমুঠ ১২টা বিষয় সমুহ বড়ো সকলৰ বাবে অতি প্ৰয়োজনীয় আছিল। এই ১২টা বিষয়বোৰৰ কাৰণে বড়ো সকলে ৰাজনীতিত সক্ৰিয় হব পাৰিছিল। এইয়াই মাত্ৰ নহয় অনান্য ট্ৰাইবেল সমাজৰ ব্যক্তি সকলেও গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ এই কাৰ্য্যকলাপ দেখি সচেতন আৰু একত্ৰিত হৈছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ পৰামৰ্শ মতে পিচত ইং ১৯৩৩ চনৰ ১৭ এপ্ৰিল নগাওঁত আসাম প্লেইনস ট্ৰাইবেল লীগ নামে ৰাজনীতি সংগঠন গঠন কৰে। এই লীগৰ প্ৰথম বৈঠক নগাওঁত হৈছিল আৰু আসাম এচেমব্লিত ট্ৰাইবেল সকলৰ কাৰণে ৭টা আসন সংৰক্ষণ কৰি ৰাখিবৰ কাৰণে প্ৰস্তাৱ গ্ৰহন কৰিছিল। ইয়াৰ পৰিবৰ্ত্তে অৰ্থাৎ ৭টা আসনৰ পৰিবৰ্ত্তে ৪টা আসন আসাম এচেমব্লিত ট্ৰাইবেল সকলৰ কাৰণে সংৰক্ষণ কৰি ৰাখে।

চাইমন কমিচনক অৰ্পন কৰা ১২টা বিষয় কাৰ্য্যকৰী কৰিবলৈ আসাম প্লেইনচ ট্ৰাইবেল লীগয়ে ইং ১৯৩৯ চনৰ ১০ চেপ্তেম্বৰত গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধিৰ লগত চুক্তি হয়। সেই সময়ত গোপীনাথ বৰদলৈ অসম



লগীয়া হৈছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্ব্বেই মাত্ৰ নহয় ভাৰতবৰ্ষ স্বাধীনতাৰ বহু বছৰলৈকে বড়ো সকলে ৰাজ নীতিত সচেতন হব পৰা নাছিল। ধৰ্ম্মীয় দিশত, অৰ্থনৈতিক দিশৰ উপৰিও গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বড়ো সকলক ৰাজনীতি বিষয় সমুহতো সচেতন কৰি তুলিছিল।

গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ দৃষ্টিত অন্য জাতি সমুহে ৰাজনৈতিক ভাৱে সচেতন হৈ নিজে নিজৰ জাতিৰ উন্নতি সাধন কৰিছে কিন্তু বড়ো সকলে ৰাজনৈতিক ভাৱে সচেতন নহলে উন্নতি কৰিব নোৱাৰি। যি অলপ আছে সিয়ো নিশেষ হোৱাৰ পথত। সেয়েহে বড়ো সমাজ উন্নয়ণৰ দিশত বড়ো সকলে ৰাজনৈতিক ভাৱে সচেতন হবই লাগিব, এইয়া গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ সিদ্ধান্ত।

শিক্ষিত ব্যক্তি সকলক লগতলৈ তেখেতে আজি অলপ কালি অলপকৈ ৰাজনীতিৰ প্ৰতিনিধি সকলক লগধৰি ভাল সমন্ধ গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

বৃটিছ শাসনৰ সময়ত গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বড়ো সকলৰ কাৰণে ভাল কাম কৰিছিল। কাৰণ সেই সময়ত বৃটিছ সকলেহে ভাৰতবৰ্ষখনক শাসন কৰিছিল আৰু বৃটিছ চৰকাৰৰ সহায়তহে গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বড়ো সকলৰ কাৰণে সামান্য ভাৱে ভাল কাম কৰিব পাৰিছিল। বিদ্যালয় স্থাপন কৰা বোৱা কটা চেন্টাৰ আদি বৃটিছ শাসনকৰ্ত্তাৰ সহানুভুতিৰ বাবেহে কৰিব পাৰিছিল।

বড়ো ৰেজিমেন্ট গঠন কৰা সম্পৰ্কে গুৰুদেৱ কালিচৰণ ব্ৰহ্মই বৃটিছ চৰকাৰক অনুৰোধ জনাইছিল। পিচত বৃটিছ চৰকাৰে গোৰ্খা ৰেজিমেন্টত বড়ো যুৱকৰ সংখ্যা বেছিহোৱাত ইয়াকে বড়ো ৰেজিমেন্ট নাম ৰখাৰ কথা দিছিল। কিন্তু পিচলৈ প্ৰথম বিশ্ব যুদ্ধত গোৰ্খা ৰেজিমেন্টৰ বহুতো বড়ো সৈন্য মৃত্যু হোৱাত বৃটিছ চৰকাৰে বড়ো ৰেজিমেন্ট গঠন কৰাৰ সিদ্ধান্ত উঠাই লয়।

ইং ১৮৯০ চনত বৃটিছ চৰকাৰে বড়ো সকলক বেয়া কাম কৰা তথা অপৰাধী জাতি হিচাপে প্ৰচাৰ কৰিবলৈ সিদ্ধান্ত লৈছিল। কাৰণ সেই সময়ত চোৰ ডকাইত কৰি ধৰাপৰাও বড়ো যুৱকৰ সংখ্যাই অধিক আছিল। এই কথা

শুনি গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই খৰখেদাকৈ ডিপুটি কমিচনাৰক লগ ধৰি বৃটিছ চৰকাৰৰ সিদ্ধান্তক উঠাই লবলৈ অনুৰোধ জনাইছিল। গুৰুদেৱে মন্তব্য দিছিল যে প্ৰকৃততে বড়ো যুৱক সকল এনেকুৱা বেয়া স্বভাৱ চৰিত্ৰৰ মানুহ নহয় কিন্তু কোনোবা ব্যক্তিৰ প্ৰৰোচনাতহে বেয়া সংগত পৰি অসৎ কৰ্ম্ম কৰিব লগীয়াত পৰিছে। চৰকাৰে কথাবোৰ শুনি পৰ্য্যালোচনা কৰি জানিব পাৰিল প্ৰকৃততে বড়ো যুৱক সকল অসৎ প্ৰকৃতিৰ মানুহ নহয়। সেই কাৰণে বড়ো সকলক বেয়া কৰ্ম্ম কৰা তথা অপৰাধী জাতি হিচাপে বিশ্বত চিনাকি দিয়াটো ভূল হব বুলি ভাৰি চিন্তি পূনৰ প্ৰস্থাৱটো উঠাই লয়। চিফ কমিচনাৰেও প্ৰস্থাৱটো উঠাই লোৱাৰ কথা দিয়ে। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম নোহোৱা হলে বড়ো জাতিটোক সচাকৈয়ে অপৰাধী জাতি হিচাপে বিশ্ববাসীয়ে আজিলৈকে জানিব পাৰিলেহেঁতেন।

ইয়াৰ উপৰিও গুৰুদেৱে ট্ৰাইবেল সকলৰ শৈক্ষিক, অৰ্থনৈতিক উন্নয়ণৰ কাৰণে আৰ্থিক সাহাৰ্য্য প্ৰদান, চাকৰি, অনুষ্ঠান সমুহত নাম ভৰ্ত্তি কৰা আৰু অনান্য বিষয়বোৰত ট্ৰাইবেল সকলৰ কাৰণে আছুতীয়াকৈ ৰখা কোঠা সংৰক্ষণৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনাইছিল। এই আবেদন পত্ৰ চৰকাৰে গ্ৰহন কৰিছিল। এনেধৰনেই গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ কাৰ্য্যবোৰে বড়ো সকলৰ মাজত ৰাজনৈতিক সচেতনতা আনিছিল।

# চাইমন কমিচনক মেমৰেণ্ডাম দাখিল কৰা (ইং ১৯২৯)

বৃটিছ চৰকাৰে ভাৰতবৰ্ষক শাসন কৰোতে ভাৰতীয় সকলে স্বাধীন হব পৰা নাছিল। সেই কাৰণে নিজ দেশত থাকোতে লোকৰ পৰাধীন কিয় হম এই বিষয়ে সচেতন হৈ ভাৰতীয় সকলে বৃটিছ চৰকাৰৰ বিৰোধে আন্দোলন কৰিছিল। তথাপিটো বৃটিছ চৰকাৰে সহজে তেওলোকৰ চৰকাৰখনক উঠাই নিয়া নাছিল।



আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ হৈছিল, তেওলোকৰ চৰকাৰক সস্তম কৰি ভাৰতীয় সকলৰ অভাৱ পূৰণৰ হকে ইংলেণ্ড চৰকাৰে এখন আয়োগ গঠন কৰি দিয়ে। ইং ১৯২৭ চনৰ ২৬ নবেম্বৰত এই আয়োগ গঠন কৰা হৈছিল আৰু এই আয়োগৰ নাম চাইমন কমিচন ৰখা হয়, কিয়নো চাৰ জন চাইমন নামৰ এজন বৃটিছে এই আয়োগৰ সভাপতি আছিল। ইংলেণ্ডৰ ৰাণীয়ে এই আয়োগ গঠন কৰাটো ভাৰতবৰ্ষত ইং ১৯২৮ চনৰ ৬ মাৰ্চত ৰয়েল নটিফিকেচনৰ দ্বাৰা প্ৰচাৰ কৰে। এই নটিফিকেচনৰ মতে অসমৰ ৰাজনীতি আৰু অনান্য সমাজ সেৱক সংগঠনবোৰে নিজ নিজ সংগঠনৰ মেমৰেন্ডাম আয়োগক জমা দিব লাগিব। সেই সময়ত অসমৰ ৰাজধানী আছিল চিলং। নটিফিকেচনৰ মতে ইং ১৯২৮ চনৰ মাৰ্চ মাহৰ পৰা জুন মাহৰ ১ তাৰিখলৈকে মেম'ৰেন্ডাম গ্ৰহন কৰাৰ দিন আছিল, যদিও পিচত ইং ১৯২৯ চনৰ জানুৱাৰী মাহলৈকে সময় বঢ়াই দিয়ে।

বড়ো সকলৰ অভাৱ অভিযোগ, অৰ্থনীতি, শিক্ষা নীতি, ৰাজনীতি, সমাজ নীতি সমস্যা সমুহ চাইমন কমিচনক জনায় সমস্যাবোৰ সমাধান কৰি বড়ো সমাজ উন্নতিৰ উপায় বিচৰাৰ উদেশ্যে এখন মেমৰেন্ডাম কমিটি গঠন কৰে। এই কমিটিৰ পৰিচালক আছিল গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু সদস্য সকল আছিল চুবেদাৰ বাহাদুৰ বেলবুংৰাম কছাৰি, যাদৱ চন্দ্ৰ খাখ্লাৰী, কৰেন্দ্ৰ নাৰায়ণ মণ্ডল, বাবুৰাম ব্ৰহ্ম আৰু গিয়াচুদিন আহমেদ। এই কমিটিয়ে কালিচৰণ ব্ৰহ্মৰ নিৰ্দেশ মতে মেমৰেন্ডাম লিখি উলিয়াই। চাইমন কমিচনে চিলংত অহাৰ খবৰ আগতেই গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই পাইছিল। বৃটিছ চৰকাৰে ইংৰাজী মাত্ৰ বুজিপায় কাৰণে মেমৰেন্ডামটো ইংৰাজী ভাষাতে লিখিবলৈ গিয়াচুদিন আহমেদক দায়ীত্ব দিয়া হয়। গিয়াচুদিন আহমেদে উকালতি কৰিছিল আৰু ইংৰাজী ভাষা লিখিবলৈ কবলৈ স্পষ্ট ভাৱে পাৰিছিল। চাইমন কমিচনক মেম'ৰেন্ডাম জমা দিবলৈ গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু তেওৰ সতীৰ্থ বৰ্গই ইং ১৯২৯ চনত ২ জানুৱাৰী তাৰিখে চিলংত উপস্থিত হয়। ইং ১৯২৯ চনৰ ৪ জানুৱাৰী শুক্ৰবাৰ

in point of education. Such being the case, our people are always misled. They cannot save themselves from the hands of the foreign money lenders. To remove this drawback there should be compulsory pre-primary education and special scholarship for giving facility for higher education to Bodo-students be provided for. As stated before, a large number for our people are serving the Military and thereby rendering loyal service to the British Government. We claim certain provincial and executive posts for some of our people who are getting higher education.

9. A large number of Bodo Sepoys are included in the Garkha -regiment and are generally known as Gurkha. To our opinion, there should be a separate regiment as the Bodo-Regiment' for the Bodo-people of Assam.

10. Local Boards- The Chairman of the board during the term of the office-Big land holders should not be allowed to stand for election form general constituency.There is objection if they at given special seats in the Boards.

11. In matters of Board election under the Dhubri Local Board, our community should have separate electorate just like the Mahammadians- under the thanas of Bilasipara, Kokrajhar ,Bijini and Dhubri. The Bodo people who are in the majority in those areas should have separate seats at the Dhubri Local Board. As stated before, our people are Illiterate and ignorant. So they easily misled by others at the time of elections and consequently, the people of other communities are elected. In view of the illiteracy, ignorance and influence of other communities we earnestly pray so that we get separate seats in Dhubri Local-Board. Such is also the condition of Goalpara Local-Board. There too we beg we want separate seats.

12. In conclusion, we beg to lay before you that if



এচেমব্লি কংগ্ৰেছ পাটিৰ পৰিচালক আৰু বিষ্ণুৰাম মেধি অসম কংগ্ৰেছৰ সভাপতি আছিল।

গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ ৰাজনীতিৰ পদক্ষেপত বড়ো সকলে মাত্ৰ নহয় অনান্য ট্ৰাইবেল আৰু ন’ন ট্ৰাইবেল ব্যক্তিসকলেও লাভিত, সচেতন আৰু সক্ৰিয় হব পাৰিছিল।

ইং ১৯২৯ চনৰ ৪ জানুৱাৰী, শুক্ৰবাৰ আবেলি ২ বাজি ৩০ মিনিট গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু তেওঁৰ বন্ধুবৰ্গই চাইমন কমিচনক **অৰ্পন কৰা** স্মাৰক পত্ৰৰ ১২টা বিষয়বোৰ তলত উলেখ কৰা হল। স্মাৰক পত্ৰখন ইংৰাজী ভাষাত লিখা হৈছিল।

To, The Indian statutory Commission
Known as the Simon Commission.

We the undersigned, on behalf of the Bodo Community of the district of Goalpara of Assam, beg to submit the following memorandum. Some of the important points touching the enquiry with a special reference to the district of Goalpara and to the Bodo Community of the said district.

1. That the Bodo Community forms a considerable portion of the population of the district of Goalpara and its numbers are about 1 lakh 50 thousand. In the whole province of Assam its numbers are almost eight lakhs. A large number of Bodos live in the district of Jalpaiguri and Coochbihar in the province of Bengal. Out of one lakh and fifty thousand, some thousand have been treated as Hindus which is the cause of decrease in number of the Bodo population of the district Goalpara. The Bodo have a distinct civilization of their own. There should be a separate category as "the Bodos' in the Census Report. The History shows very clearly the part of tis

Community has been playing in the history of Assam, since the time of Bhagadutta, who ruled over Assam during the time of great Epic, the Mahabharata. Many kings who ruled over Assam belonged to this race. Bhismak Raja, Bali Raja, Ban Raja and Viswa Singha all belonged to this race and history will prove how influential once they were.

2. The people of this race are born warriors and even now many people have listed their names in the military under the British Government. The original proprietor of the Bijni Estate and Coochbihar Estate were people of this race. But in the course of time, they styled themselves Hindus. Their Estates are still existing but are totally ignored. We belong backwards, failed together the opinion of our community before. So we could not submit the memorandum in time and we hope that you will be pleased to accept it and to consider it favorably for decision as regard Indian constitution, will make a distinctly new stage in our political life.

3. Electorate: In our opinion, there should not be mixed electorate. Each section of the people should have the liberty of sending in their representatives in the local councils. The peculiar position in which we are placed offers ad practically no chance of sending our representatives in which, though there three is a large number of voters in our community. Our of the total population of the whole district of Goalpara which numbers about six lakh eighty five thousand eight hundred and eighty two. Three lakh sixtynine thousand eighty hundred and eighty two. Three lakhs sixtynine thousand three hundred ninety seven fall under the heads of non Mohanadians. Non Mohammadians means Hindus, Christians, Jains, Sickhs and the like. A liberal view of the thing show that we cannot enjoy the advantages of the reform are being enjoyed either by the Brahmins or by the Khatriyas or by the sudras. So in order to



safeguard the interest of our community we should have a separate representative in the local council.

4. In our opinion, there should not be a second chamber in the local council.

5. At present there are certain restrictions which debar many top exercise their right of franchise. This should be four seats should be removed and more liberty be given for that purpose. There should be four seats in the central legislature. One for Mahammadians and three for non Mahammadians, and of the three non Mohammadian seats should be reserved for Bodos of Assam.

6. Terrotorial pre- distribution- Some interested persons of our district are agitating for the transfer of the district of Goalpara over to Bengal. So far as we are concerned, we opposed to it. Goalpara is a part and parcel of Assam and history will prove what part she has been plauing since the time immemorial. The habits and customs of the people of this district are more akin to Assamese than to Bengalees. We the Bodos can by no means call ourselves other than Assamese. The transfer of this district to Bengle will be prejudicial to the interest not only of this community but all the other communities, and this transfer will seriously hamper our progress in all directions.

7. We also desire to put it before you that there be a subdivision either at Kokrajhat or at Haltugaon within sub-division of Dhubri. This community should be benefited as "listed community" and more opening of employment opportunities be given.

8. Education and appointment-we the undersigned beg to lay before you that this community should be receive special treatment at the hands of the Government in matters of education and appointment. Our community is most backward

৮। শিক্ষা আৰু চাকৰিত সংস্থাপনঃ- আমি নিম্ন স্বাক্ষৰ কাৰি সকলে আপোনাৰ ওচৰত সৰল ভাৱে জনাওঁ যে, এই জাতিটোয়ে চৰকাৰৰ দ্বাৰা আৰু চাকৰিত সংস্থাপনৰ ক্ষেত্ৰত দুয়োটা অগ্ৰাধিকাৰেই পাব লাগিব। শৈক্ষিক দিশত আমাৰ জাতিটো অতি পিচপৰা কাৰণে আমাৰ মানুহবোৰ ভূলপথে পৰিচালিত হয়। তেওলোকে নিজকে বিদেশী সকলৰ ওচৰত ঋণৰ (ধাৰ) পৰা মুক্ত হব নোৱাৰে। এই সমস্যাবোৰ সমাধাণৰ কৰাৰ পূৰ্ব্বে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা থাকিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলক উচ্চ শিক্ষা গ্ৰহনৰ বাবে সিঁহতক টকা পইচাৰ ক্ষেত্ৰত সহায় কৰিব লাগিব। ওপৰত উলেখ কৰি অহা হৈছে যে, আমাৰ মানুহবোৰে মিলিটাৰী বিভাগত কাম কৰি আছে আৰু এনেদৰে বৃটিছ চৰকাৰৰ বিশ্বাসযোগ্য কৰ্ম্ম কৰি আছে। আমাৰ জাতীয় উচ্চ শিক্ষা গ্ৰহন কৰা সকলৰ কাৰণে দেশৰ আৰু শাসন ব্যৱস্থাৰ কিছুমান পদত নিযুক্তি পোৱাৰ অধিকাৰ পোৱাৰ বাবে আমি দাবী কৰোঁ।

৯। অসংখ্য বড়ো চিপাহী সকলে গোৰ্খা ৰেজিমেন্টত ভৰ্ত্তি হল অৰু সিহতক গোৰ্খা ৰেজিমেন্ট বুলিহে জানে। আমাৰ মতে অসমৰ বড়ো সকলৰ কাৰণে আছুতীয়াকৈ এটা ৰেজিমেন্ট থাকিব লাগে আৰু ইয়াক বড়ো ৰেজিমেন্ট নাম থব লাগে।

১০। লোকেল বৰ্ডঃ- বৰ্ডৰ সভাপতিয়ে সভাপতি হৈ থকা সময়ত যথেষ্ট মাটি বাৰী থকা ব্যক্তি সকলে সাধাৰণ এলেকাৰ পৰা সদস্য হিচাপে নিৰ্বাচনত প্ৰতিদন্দিতা কৰিব নোৱাৰিব।

১১। ধুবুৰী লোকেল বৰ্ডৰ অধীনত বিলাসিপাৰা, কোকৰাঝাৰ, বিজনী আৰু ধুবুৰীৰ অধীনত নিৰ্বাচনৰ ক্ষেত্ৰত মহামেদান সকলৰ দৰে আমাৰ জাতীৰ কাৰণেও আছুতীয়া ভোটৰ তালিকা থাকিব লাগে। ধুবুৰী লোকেল বৰ্ডৰ অধীনত যি ঠাইবোৰত বড়ো মানুহৰ সংখ্যা বেছি সেই ঠাইবোৰত আছুতীয়া সংৰক্ষিত কোঠা থকাটো ভাল। ওপৰত উলেখ কৰা হৈছে যে, আমাৰ মানুবোৰ লিখিবলৈ, পঢ়িবলৈ নাজানে আৰু অকৰা। সেইকাৰণে নিৰ্বাচনৰ সময়ত অন্য জাতীৰ



required, any one of us is willing to appear before you and to give evidence.

(This was read out before the commission while the commission sat at Shillong on Friday, January 4th, 1929 at 2 p.m.)

ইং ১৯২৯ চন, ৪ জানুৱাৰী শুক্ৰবাৰ আবেলি ২ বাজি ৩০ মিনিট গুৰুদেৱ আৰু তেওৰ সতীৰ্থ বৰ্গই চিলংত চাইমন কমিচনক সমজোৱা স্মাৰক পত্ৰক ইংৰাজী ভাষাৰে লিখা হৈছিল, ইয়াক অসমীয়া ভাষাত অনুবাদ কৰি দিয়া হল --

প্ৰতি,

ভাৰতীয় আইন কমিচন

চাইমন কমিচন নামে জনাজাত।

আমি নিম্ন স্বাক্ষৰকাৰী সকলে অসমৰ গোৱালপাৰা জিলাৰ বড়ো জাতিৰ হৈ তলত দিয়া স্মাৰক পত্ৰখন অৰ্পন কৰিবলৈ বিচাৰিছোঁ। গোৱালপাৰা জিলা আৰু বড়ো জাতিৰ মাজত সমন্ধ থকা কিছুমান আৱশ্যকীয় বিষয়বোৰ তলত উলেখ কৰা হল।

১। গোৱালপাৰা জিলাৰ বড়ো জাতিৰ জন সংখ্যা মুঠ ১ লাখ ৫০ হেজাৰ। অসমত মুঠ জনসংখ্যাৰ পৰিমান হল ৮ লাখ। বেংগলৰ জলপাইগুৰি আৰু কোচবিহাৰ জিলাত যথেষ্ট বড়ো মানুহ আছে। ১ লাখ ৫০ হেজাৰৰ পৰা কিছুমানক হিন্দু বুলি ধৰি লোৱা হল। এইয়াই আছিল গোৱালপাৰা জিলাৰ বড়ো জাতিৰ জনসংখ্যা নিম্নগতি হোৱাৰ প্ৰধান কাৰণ। বড়ো সকলৰ বাবে গোৱালপাৰা জিলাৰ বড়ো জাতিৰ জনসংখ্যাৰ প্ৰতিবেদনত বড়ো সকলৰ নামত বেলেগ কোঠা থাকিব লাগে। বুৰঞ্জীয়ে আমাক জানিবলৈ দিয়ে যে, বড়ো সকলে ভগদত্তৰ সময়ৰ পৰা মহাকাব্য মহাভাৰতৰ দিনত অসমত ৰাজ্য শাসন কৰিছিল। সেই সময়ৰ পৰাই অসম বুৰঞ্জীত প্ৰসিদ্ধ হৈ আহিছে। বহুতো ৰজাই

অসমত ৰাজ্য শাসন কৰিছিল। তেওলোকৰ প্ৰায়ভাগেই আছিল বড়ো সম্প্ৰদায়ৰ লোক। ভীষ্মক ৰজা, বালি ৰজা, বান ৰজা আৰু বিশ্ব সিংহ সকলো বড়ো সম্প্ৰদায়ৰ লোক আছিল আৰু এসময়ত যে, তেওলোকে অসমত প্ৰভাৱ বিস্তাৰ কৰিছিল ইয়াৰ প্ৰমাণ বুৰঞ্জীয়ে দিব।

২। এই সম্প্ৰদায়ৰ লোক সকল জন্মৰ পৰাই বীৰ প্ৰকৃতিৰ আৰু বৃটিছ চৰকাৰৰ অধীনত মিলিটাৰিত নাম ভৰ্ত্তি কৰিছিল। বিজনীৰ জায়দাদ আৰু কোচবিহাৰ জায়দাদৰ জমিদাৰ সকলেও এই সম্প্ৰদায়ৰ লোক আছিল কিন্তু সময়ৰ গতিত তেওলোকে নিজক হিন্দু বুলি চিনাকি দিয়ে তেওলোকৰ জায়দাদ জন এতিয়াও আছে। কিন্তু তেওলোকে পূৰ্ব্বে আমাৰ সম্প্ৰদায়ৰ সমন্ধীয় লোক বুলি মতামত দিবলৈ অপাৰগ হৈছিল। সেই কাৰণে স্মাৰক পত্ৰখন আমি সময় মতে দিব পৰা নাছিলোঁ আৰু আঁশা কৰো যেন গ্ৰহণ কৰে। ভাৰতীয় সংবিধান মতে **মিলাপ্ৰীতিৰ** মাজেদি পৰ্য্যালোচনাৰে সিদ্ধান্ত গ্ৰহণ কৰি ৰাজনৈতিক জীৱনত এক নতুন পথৰ সন্ধান দিয়ে।

৩। ভোটঃ - আমাৰ সিদ্ধান্ত মতে খিচিৰি ভোট গ্ৰহনৰ ব্যৱস্থাহব নালাগে। স্থানীয় পৰিষদ সমুহত প্ৰত্যকটো সম্প্ৰদায়ে নিজৰ নিজৰ প্ৰতিনিধি নিৰ্বাচিত কৰি পঠোৱাৰ স্বাধীনতা থাকিব লাগে। আমি এতিয়া যিটো পৰিস্থিতিত আছোঁ, আমাৰ জাতিৰ মাজত বহুতো ভোটাৰ আছে যদিও প্ৰকৃততে আমি আমাৰ প্ৰতিনিধি নিৰ্ব্বাচিত কৰি পোঠোৱাৰ সুবিধা নাই। গোৱালপাৰা জিলাৰ সৰ্ব্ব মুঠ ৬ লাখ ৮৫ হেজাৰ ৮ শ ৮২ জন লোকৰ ভিতৰত ৩ লাখ ৬৯ হেজাৰ ৩৯৭ অনা মুছলীম বাঙালী লোক। অনা মুছলীম মানে হিন্দু, খ্ৰীষ্টিয়ান, জৈন, শিখ আদি বহল দৃষ্টি ভংগীৰে বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে, অন্য সম্প্ৰদায় সকলে সংস্কাৰৰ ক্ষেত্ৰত যেনে ধৰণৰ সুবিধা পায় আমি সেই সুবিধা কেতিয়াও নাপাও। আমাৰ জনসংখ্যা অধিক হলেও সংস্কাৰৰ সুবিধা সমুহ ব্ৰাহ্মণ অথবা ক্ষত্ৰিয় সকল অথবা ক্ষুদ্ৰ সকলে সুবিধা লাভ কৰি আছে। সেই কাৰণে আমাৰ জাতিৰ অধিকাৰক ৰক্ষা কৰিবলৈ পৰিষদবোৰত আমাৰ আছুতীয়াকৈ



সদস্য থকাটো আৱশ্যক।

৪। আমাৰ মতামত মতে স্থানীয় পাৰিষদত দ্বিতীয় খলপীয়া থাকিব নালাগে।

৫। বৰ্ত্তমান জনসাধাৰনে নিজৰ নিজৰ ভোট দিয়াৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত বহুতো বাধাৰ সন্মুখীন হব লগীয়া হৈছে। এই বাধা নিষেধ কৰা আৰু ভোট দিয়াৰ অধিকাৰ সাব্যস্ত কৰিবলৈ স্বাধীনতা পাব লাগে। বিধান সভাত চাৰিটা আসন থাকিব লাগে। এখন আসন মহামেদান সকলৰ আৰু তিনিটা আসন অনা মহামেদান সকলৰ আৰু অনা মহামেদান সকলৰ তিনিটা আসনৰ ভিতৰত এটা আসন অসমৰ বড়ো সকলৰ কাৰণে সংৰক্ষনৰ ব্যৱস্থা কৰিব লাগে।

৬। চাৰি সীমা- আমাৰ জিলাৰ কিছু জনতাই গোৱালপাৰা জিলাক বেংগলৰ লগত একত্ৰিত কৰিবলৈ আন্দোলন কৰিছে আমি গোৱালপাৰা জিলাৰহৈ এই আন্দোলনৰ প্ৰতি বিধি পথালি দিও। গোৱালপাৰা জিলা অসমৰ এখন এৰিব নোৱাৰা অংগ স্বৰূপ আৰু অতি পুৰণি কালৰ পৰাই গোৱালপাৰা জিলাই অসমৰ প্ৰতি কি অৱদান দি আহিছে সেয়া বুৰঞ্জীয়ে স্পষ্টভাৱে কব। এই জিলাৰ জনসাধাৰণৰ স্বভাৱ চৰিত্ৰ আৰু আচাৰ ব্যৱহাৰবোৰ বেংগলি সকলতকৈ অসমীয়া সকলৰ লগতহে অতি ঘনিষ্ট ভাৱে মিলে। আমি বড়ো সকলে নিজকে যেনেকৈ নহওক অসমীয়া ভাষাৰ পৰিবৰ্ত্তে অন্য ভাষাৰে কথা কব নোৱাৰো। এই জিলাখনক বেংগলৰ লগত সমজাই দিয়াটো এই জাতীৰ মাত্ৰ ক্ষতি নহয় কিন্তু সমগ্ৰ জাতিৰ বাবে ক্ষতি হব আৰু ইয়াক অতি কঠোৰ ভাৱে বাধা আৰোপ কৰা হব।

৭। আমি আপোনাৰ ওচৰত ইয়াকো জনাব বিচাৰো যে, ধুবুৰী মহকুমাৰ অধীনত কোকৰাঝাৰ নতুবা হলটুগাওঁত এখন মহকুমা থাকিব লাগে। এই জাতি তালিকাত অন্তৰ্ভুক্ত হোৱা জাতি হিচাপে অগ্ৰাধিকাৰ পাব লাগে আৰু চাকৰিত সংস্থাপন পোৱাৰ পথ মূকলি কৰিব লাগে।

গোৱালপাৰা জিলাত গুৰুদেৱ কালিচৰণ ব্ৰহ্মই সৰ্ব্ব প্ৰথমে বিদ্যালয় আৰু কাৰ্য্যালয় সমুহত অসমীয়া ভাষাক প্ৰধান ভাষা হিচাপে প্ৰচলন কৰাৰ হকে আন্দোলন কৰিছিল। তেখেতৰ  মতে অসমখন অসমীয়া সকলৰ ভুমি আৰু অসমীয়া ভাষা হল তেওলোকৰ মাতৃ ভাষা। নিজস্ব মাতৃ ভাষা থকা স্বতেও অন্যৰ ভাষাক কেনেকৈ প্ৰধান ভাষা হিচাপে প্ৰচলন কৰিব এই বিষয়ে শিক্ষিত অসমীয়া ব্যক্তি সকলক লগতলৈ মাজে সময়ে আলোচনা কৰা হৈছিল। অসমীয়া ভাষাই পঢ়াশালিৰ ভাষা হিচাপে প্ৰচলন হব লাগে বুলি দাবী কৰিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু অসমীয়া শিক্ষিত ব্যক্তি সকলৰ আন্দোলন ক্ৰমে ১৯১৭ চনৰ পিচৰ পৰাই অসমীয়া ভাষাক বিদ্যালয় সমুহত শিকোৱাৰ ভাষা হিচাপে তথা চৰকাৰী বেচৰকাৰী কাৰ্য্যালয়বোৰত প্ৰধান ভাষা হিচাপে প্ৰচলন কৰে। গুৰুদেৱৰ আপ্ৰান চেষ্টাতে ইং ১৯১৭ চনৰ পৰাই টিপকাই হাই স্কুলত অসমীয়া ভাষাকে শিকোৱাৰ ভাষা হিচাপে প্ৰচলন কৰে।

তদুপৰি অসমীয়া সকলৰ সভাবোৰত গুৰুদেৱে অংশ গ্ৰহন কৰিছিল। সভা সমুহত অসমীয়া ভাষা, সাহিত্য উন্নতিৰ ক্ষেত্ৰত ভাষণ ৰাখিছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ সচাকৈয়ে অসমীয়া ভাষাৰ প্ৰতি যথেষ্ট সদভাৱনা আছিল। ইয়াৰ উপৰিও তেও বাংলা আৰু সংস্কৃত ভাষাকো স্পষ্ট ভাৱে কব পাৰিছিল। ফলস্বৰূপে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হব লোগীয়া হোৱা নাছিল।

# ব্ৰহ্ম বৰ্ডিং নিৰ্মান কৰা

সেই সময়ত, তথা ইং ১৯১২ চনৰ পূৰ্বে্ব বড়ো সকলে অনেক দুখ কষ্টৰ মাজেদি কৰ্ট কাছাৰিৰ কামবোৰ কৰিব লগীয়া হৈছিল। কাজিগাওঁ আৰু অনান্য বড়ো গাঁৰসমুহৰ বড়ো সকলে ধুবুৰীলৈকে খোজ কাঢ়ি গৈ অফিচবোৰৰ



ব্যক্তি সকলেহে নিৰ্বাচিত হয়। লিখা পঢ়া নজনা আৰু অকৰা হোৱা কাৰণে অন্য জাতীৰ দ্বাৰা প্ৰভাৱিত হয়। আমি একান্ত ভাৱে প্ৰাৰ্থনা জনাও যে, যাতে ধুবুৰী লোকেল বৰ্ডত আমাৰ আছুতীয়া কোঠা সংৰক্ষিত হয়। গোৱালপাৰা লোকেল বৰ্ডটো সেই একে সমস্যা, ইয়াতো আমি আছুতীয়া কোঠা পাবলৈ বিচাৰো।

১২। শেষত আমি ইয়াকে আপোনাৰ ওচৰত প্ৰাৰ্থনা জনাও যে, প্ৰয়োজন হলে আমাৰ মাজৰ পৰা কোনোবা এজনে আপোনাৰ সন্মুখত উপস্থিত হব আৰু প্ৰমাণ দিব।

এই স্মাৰক পত্ৰখন কমিচনাৰৰ আগত পঢ়ি দিয়া হৈছিল যেতিয়া কমিচনে জানুৱাৰী মাহৰ ৪ তাৰিখ, শুক্ৰবাৰ, ইং ১৯২৯ চনৰ আবেলি ২.৩০ বজাত চিলংত বহিছিল।

স্মাৰক পত্ৰ অৰ্পন কৰা সকল হল-

ক) গুৰুদেৱ কালিচৰণ ব্ৰহ্ম (পৰিচালক)

খ) বাবুৰাম ব্ৰহ্ম

গ) যাদৱ চন্দ্ৰ খাখ্লাৰী

ঘ) সুবেদাৰ চৰদাৰ বাহাদুৰ বেলবুংৰাম কছাৰী

ঙ) কৰেন্দ্ৰ নাৰায়ণ মণ্ডল

৬) মহম্মদ গিয়াচুদিন আহমেদ (উকিল)

# গুৰুদেৱৰ মহাত্মা গান্ধীক সাক্ষাৎকাৰ

# (ইং ১৯২৬)

মহাত্মা গান্ধীয়ে অসমত দ্বিতীয় বাৰৰ কাৰণে অহাৰ কথাটো গম পাই বড়ো সকলৰ কলা সংস্কৃতিটোক মহাত্মা গান্ধীক দেখুৱাবৰ কাৰণে গোপনে

চিন্তা কৰি আছিল। নিজে ভবাৰ দৰে বড়ো জনগণকো সজাগ হৈ থাকিবলৈ অনুৰোধ কৰে। প্ৰথমে মহাত্মা গান্ধীয়ে গুৱাহাটিত অহাৰ পূৰ্বে বড়ো অঞ্চলত যোৱাৰ খবৰ পঠোয়াত গুৰুদেৱ নথৈ আনন্দিত হৈছিল। মহাত্মা গান্ধী আহিলে ৰূপসিত আদৰিব বুলি ৰূপসিত বড়োৰ পিন্ধা, উৰা, বোৱা কটা, সজা আদিবোৰৰ এক জাতীয় প্ৰদৰ্শনি দেখুৱাৰ সিদ্ধান্ত লয় আৰু জাতীয় প্ৰদৰ্শনী মেলা সকলোৰে সহায় সহযোগিতাত অনুষ্ঠিত কৰিবলৈ সক্ষম হয়। প্ৰদৰ্শনী মেলা অতি সুন্দৰ হৈছিল আৰু অসংখ্য জনগণই ইয়াত অংশ গ্ৰহন কৰিছিল।

ইং ১৯২৬ চনত মহাত্মা গান্ধীয়ে প্ৰথমবাৰৰ বাবে অসমৰ বড়ো গাৱ ৰূপসিত আহিছিল। তেখেতে ৰেলগাড়ীৰে আহি বাঁশবাৰি ৰেল ষ্টেচনত নামে। কংগ্ৰেছৰ প্ৰতিনিধি সকলে মহাত্মা গান্ধীক আদৰি ৰূপসিলৈ লৈ যায়। মহাত্মা গান্ধী অহাৰ কথা গমপাই ৰাইজ আনন্দিত হৈছিল। মহাত্মা গান্ধী আহিপোৱাৰ পূৰ্বেই পদৰ্শণী ঠাইসমুহ ভালদৰে চাইচিতি লৈছিল। কিন্তু সেই সময়ত অনা বড়ো সকলে কালিচৰণ ব্ৰহ্মাকে মহাত্মা গান্ধী বুলি ভাৱিছিল। কাৰণ গুৰুদেৱ কালিচৰণ ব্ৰহ্মক তেওলোকে আগতে কাহানিও দেখা পোৱা নাছিল। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু মহাত্মা গান্ধী দুয়োজন দেখাত একে চেহেৰাৰ আছিল। পিন্ধা উৰা, বয়স স্বাস্থ্য সকলো একে ধৰণৰ আছিল। সেই সময়ত মহাত্মা গান্ধীক সাক্ষৎ চকুৰে দেখা নাছিল যদিও পেপাৰে কাগজে দেখি মহাত্মা গান্ধীৰ চেহেৰা মনত ৰাখিছিল। সেই কাৰণে গুৰুদেৱ কালিচৰণ ব্ৰহ্মকে মহাত্মা গান্ধী আহিল বুলি অনা বড়ো সকলে মহাত্মা গান্ধী জিন্দাবাদ, মহাত্মা গান্ধী জিন্দাবাদ বুলি জয়ধ্বনি দিছিল। কিন্তু বড়ো সকলে যেতিয়া গুৰুদেৱ কালিচৰণ ব্ৰহ্মহে বুলি কৈ দিয়ে তেতিয়াহে জয়ধ্বনি দিয়া বন্ধ কৰে। তেতিয়াই গুৰুদেৱ কালিচৰণ ব্ৰহ্মক মেচ গান্ধী বুলি অনা বড়ো সকলে উপাধি দিছিল। কিয়নো অনা বড়ো সকলে সেই সময়ত বড়ো সকলক মেচ বুলি মাতিবলৈ ভাল পাইছিল। বড়ো সকলে ব্ৰহ্ম উপাধি লিখিবলৈ অধিকাৰ পাইছিল যদিও ব্ৰহ্ম বুলি কেতিয়াও মতা নাছিল।



কিছু সময়ৰ পিচতে মহাত্মা গান্ধী আহি পদৰ্শনী ঠাই পালেহি তেতিয়া বড়ো সকলে বাদ্য বাজনা বোজাই মহাত্মা গান্ধীক আঁদৰিছিল। বড়ো সকলৰ পিন্ধা উৰা, বোৱা কটা, সাজ নৃত্য, গান সুন্দৰ মনমোহা কলা সংস্কৃতি সাক্ষাৎ নিজ চকুৰে দেখি অতি আনন্দিত আৰু উৎফুলিত হৈ পৰিছিল। বড়ো সকল কলা সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট ধনী বুলি বিশ্বাস কৰিছিল আৰু শঁলাগিছিল।

মূকলি সভাত মহাত্মা গান্ধীয়ে চমুকৈ ভাষণ ৰাখিছিল। তেখেতৰ ভাষণত বড়ো সকল যে এক শ্ৰেনীৰ অতি সুন্দৰ মনমোহা জাতী এই কথা স্পষ্টভাৱে প্ৰকাশ পাইছিল আৰু বাৰে বাৰে শঁলাগিছিল। তদুপৰি গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ বড়ো জাতিৰ প্ৰতি লোৱা সকলো পদক্ষেপবোৰকো শঁলাগিছিল। বড়ো সকলৰ যে, নিজস্ব বোৱা কটা আদৰ্শ আছে ইয়াৰ ওপৰত ভিত্তিকৰি মহাত্মা গান্ধীয়ে অতিশয় সন্তোষিত হৈছিল। ইয়াৰ পিচত মহাত্মা গান্ধীয়ে গুৱাহাটিলৈ ঘুৰি আহে।

# গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু অসমীয়া ভাষা

গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু অসমীয়া ভাষা ১৯১৭ চনৰ পূৰ্বে নামনি অসমৰ বিভিন্ন কাৰ্য্যালয় আৰু বিদ্যালয় সমুহত বাংলা ভাষাক প্ৰধান ভাষা হিচাপে প্ৰচলন কৰিছিল। অসমৰ অসমীয়া লিপিৰে বিদ্যালয় সমুহত আৰু বিভিন্ন কাৰ্য্যালয় সমুহত অসমীয়া ভাষাকে প্ৰচলনৰ দাবী উথাপন কৰা সকলৰ ভিতৰত গুৰুদেৱ কালিচৰণ ব্ৰহ্মও অন্যতম। অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকেও গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই অংশ লৈছিল। ইং ১৯১৭ চনৰ পিচৰ পৰাই বিদ্যালয় আৰু কাৰ্য্যলয়বোৰত অসমীয়া ভাষাকে লাহে লাহে প্ৰচলন কৰিবলৈ ধৰিলে। ইয়াৰ পিচৰ পৰাই অসমীয়া ভাষা আৰু সাহিত্য উন্নতিৰ পথ মূকলি হৈছিল।

অৰণ্যৰ মাজেদি পাৰ হৈ যাব পাৰিছিল। জঙ্গলৰ বাঘ, ভালুকবোৰে বাধা দিব পৰা নাছিল আৰু অসৎ প্ৰকৃতিৰ তান্ত্ৰিক গুণ সম্পন্ন ব্যক্তিসকলেও গুৰুদেৱক কোনো ধৰণৰ অনিষ্ট সাধণ কৰিব পৰা নাছিল।

১। গুৰুদেৱ কালিচৰণ ব্ৰহ্মই যেতিয়া ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিছিল সেইসময়ত এদিনাখন কোকৰাঝাৰৰ কিছুমান গাওঁৰ ব্যক্তিসকলে (যেনে- হাতীমাতা, বৌৰসিঝৰা, মাগুৰমাৰি, লালমাটি, মংগলাঝৰা আদি গাওঁসমুহৰ ৰাইজে কৈছিল- “আপুনি হাতীমাতা অৰন্যত থকা ধান খোৱা হাতী পগলা জাকটোক খেদি পঠাব পাৰিলেহে আমি আপোনাৰ পৰা ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰিম”। সেই সময়ত হাবীৰ হাতীজাকে গাঁৱৰ ধান, শাক পাছলি খাইছিল আৰু ৰাইজে বহুতো অশান্তিত জীৱন যাপন কৰিছিল। তেতিয়া গুৰুদেৱ কালিচৰণ ব্ৰহ্মই কৈছিল ‘হব ৰাইজে যি কৈছে মই মানি লৈছো, লগতে ৰাইজক খৰি গোটাবলৈ দিলে যজ্ঞ দিবৰ কাৰণে। সেই দিনা ৰাতিয়েই গুৰুদেৱে নিশাটো অকলশৰে অৰন্যৰ মাজত যজ্ঞ দিয়া স্থানত হাবীৰ হাতী জাকটোৰে আহিছিল আৰু গুৰুদেৱে হাতীজাকৰ কপালত যজ্ঞৰ ফোট লগাই পঠাইছিল কিন্তু আচৰিত জনক হাতীৰ জাকে গুৰুদেৱক একো কৰা নাছিল। ৰাইজে ভাৱিছিল গুৰুদেৱক হাতীৰ জাকে কিবা অনিষ্ট কৰিব পাৰে।

দুজনমান ডেকা লৰাই গুৰুদেৱ কালিচৰণ ব্ৰহ্মক দৃষ্টি কৰিবৰ কাৰণে গছৰ ওপৰত উঠি জুমি চাইছিল। সেই ডেকা সকলে গুৰুদেৱৰ শক্তিক দেখি মোহ গৈছিল আৰু অৱশেষত প্ৰকৃত কথাটো ৰাইজক বুজাই কোৱাত ৰাইজে ব্ৰহ্ম ধৰ্ম্মত গুৰুদেৱৰ সৈতে দীক্ষা গ্ৰহন কৰিছিল।

২। আন এদিনাখন টিপকাই এম.ভি. স্কুলৰ দুৱাৰ মুকলি কৰিবলৈ গুৰুদেৱ কালিচৰণ ব্ৰহ্ম আৰু লগত কেশৱ ব্ৰহ্ম দুয়োজনে অৰণ্যৰ মাজেমাজে টিপকাই দিশে গৈ আছিল। আধা ৰাস্তাত গুৰুদেৱক এটা সাপে দংশন কৰে দংশন কৰা শৰীৰৰ পৰা তেজ ওলাইছিল। কিন্তু গুৰুদেৱে গায়ত্ৰী মন্ত্ৰগোৱা কাৰণে ক্ষন্তেক পিচতে আৰোগ্য হয়। ঘটনাটো দেখি লগৰীয়া কেশৱ ব্ৰহ্মই আচৰিত



কাম কৰিব লগীয়া হৈছিল। ধুবুৰীত গৈ থাকিবলৈ বড়ো গাওঁ নাই, তদুপৰি অনা বড়ো সকলে বড়ো সকলক ঘীণ কৰে, থাকিবলৈ নিদিয়ে, হোটেলবোৰত থাকিবলৈ নিদিয়ে সেই কাৰণে ৰাতি থাকিবলৈ হলে অফিচবোৰৰ বাৰণ্ডাতে শয়ন কৰি ৰাতি কটাব লগীয়া হৈছিল।

অন্যহাতেদি বড়ো ছাত্ৰ ছাত্ৰী সকলে অহা যোৱা কৰি ধুবুৰী বিদ্যালয়ত পঢ়িব লগীয়া হৈছিল। ফলস্বৰূপে দুখ কষ্ট সহ্য কৰিব নোৱাৰি বড়ো ছাত্ৰ ছাত্ৰী সকলে পঢ়া বাদ দিছিল। এনেবোৰ সমস্যাই বড়ো সকলৰ মাজত শিক্ষাৰ প্ৰসাৰ আৰু উন্নতিৰ বাধা হিচাপে পৰিলক্ষিত হৈছিল। সেই সময়ত বড়ো গাওঁসমুহত বিদ্যালয় নথকাৰ কাৰণে ধুবুৰীলৈগৈ পঢ়িব লগীয়া হৈছিল।

এনেধৰণৰ বড়ো সকলৰ দুখ দুৰ্গতি নিবাৰণ কৰিবলৈ গুৰুদেৱ কালিচৰণ ব্ৰহ্মই ধুবুৰীত বড়ো সকলৰ কাৰণে থাকিবলৈ এখন ঘৰ নিৰ্মান কৰিবলৈ সিদ্ধান্ত লৈছিল আৰু কাঠ ব্যৱসায় কৰা সকলৰ পৰা টকা পইছা সংগ্ৰহ কৰি ধুবুৰী নগৰৰ মাজ মজিয়াতে পাঁচ বিঘা বাৰলেছা মাটি কিনি বড়ো সকলে থাকিবলৈ এখন ঘৰ নিৰ্মান কৰিছিল। সেই ঘৰখনৰ নাম থৈছিল **“চেক্ৰেটাৰি ব্ৰহ্ম বৰ্ডিং”**। এই পাঁচ বিঘা বাৰলেছা মাটি খানতাল (কাৰ্তিক) দফাদাৰে বৃটিছসকলৰ সময়ত **“চেক্ৰেটাৰি ব্ৰহ্ম বৰ্ডিং”** নামে অফিচত ৰেজিষ্টাৰ কৰি থৈগৈছিল। খানতাল দাফাদাৰে খাজনা সংগ্ৰহ কৰিছিল। এই ব্ৰহ্ম বৰ্ডিংখন কেতিয়া, কোনচনত নিৰ্মান কৰা হৈছিল অনুমান কৰাটো জটিল। বৰ্ত্তমান এই চেক্ৰেটাৰি ব্ৰহ্ম বৰ্ডিংৰ নামটো **“বড়ো ব্ৰহ্ম বৰ্ডিং”** নামে নামাকৰণ কৰা হল।

উলেখযোগ্য যে এই ব্ৰহ্ম বৰ্ডিং নিৰ্মাণৰ সময়ত যেতিয়া গুৰুদেৱে যজ্ঞ দিছিল তেতিয়া মুখ্য অতিথি হিচাপে উকিল প্ৰমোদ চক্ৰৱৰ্ত্তী, বিৰাজ মোহন দত্ত, ভুমিধৰ ৰয় আৰু লোকেল বৰ্ডৰ চিয়াৰমেন ৰায় বাহাদুৰ তেখেত সকলক নিমন্ত্ৰন কৰা হৈছিল। সেই সময়ত গুৰুদেৱে প্ৰমোদ চক্ৰৱৰ্ত্তীক প্ৰশ্ন কৰিছিল যে, বড়ো সকলৰ যজ্ঞ দিয়া নীতি কেনেকুৱা লাগিছে ? চক্ৰৱৰ্ত্তীয়ে উত্তৰ দিছিল বহুত ভাল আৰু তেও ব্যক্ত কৰিছিল যে, তেওলোকৰ যজ্ঞাহুতিত

পুৰোহিতে মাত্ৰ সংস্কৃত মন্ত্ৰটো অকলে গায় কিন্তু বড়ো সকলৰ যজ্ঞাহুতিত সকলোৱে একে লগে সংস্কৃত মন্ত্ৰ গাব পাৰি, আমাৰ যজ্ঞাহুতিত এই সুযোগ কাকো দিয়া নহয়। তেতিয়া গুৰুদেৱে চক্ৰৱৰ্ত্তীক কৈছিল " বড়ো সকলৰ যজ্ঞ দিয়া প্ৰথা অতি সুন্দৰ সেই কাৰণে বড়ো সকলক হোটেলবোৰত চাহ খাবলৈ, ভাত খাবলৈ আৰু থাকিবলৈ সুবিধা দিব লাগে। কাৰণ সেই সময়ত বড়ো সকলে হোটেলত টকা দি হলেও থাকিবলৈ আৰু খাবলৈ সুবিধা পোৱা নাছিল। উকিল চক্ৰৱৰ্ত্তীয়ে এই ,সুযোগ সুবিধা বড়ো সকলক দিয়া হব বুলি ঘোষণা কৰে।"

অতিদুখৰ বিষয় এই যে, এতিয়া এই ব্ৰহ্ম বৰ্ডিংৰ মাটি কালি দুই বিঘাতকৈ কম। তথাপি পাচ বিঘা বাৰ লেছা মাটিৰ খাজনা দি থাকিব লাগে। ইং ০৯-০৫-২০০৪ তাৰিখত বিলাসিপাৰাৰ স্থানীয় ব্যক্তি আৰু ধুবুৰী শাখা, এপেক্স বেংকৰ কৰ্ম্মচাৰী আবদুল লাটিফৰ মন্তব্য মতে "**ব্ৰহ্ম বৰ্ডিং**"ৰ কমিটিৰ যত্ন লোৱা গৌৰিকান্ত ব্ৰহ্মই "**ব্ৰহ্ম বৰ্ডিং**" ৰ চৌদিশে বেৰ দিবৰ কাৰণে টকাৰ আৰশ্যক হোৱাত ব্ৰহ্ম বৰ্ডিংৰ মাটি সনামিয়া নামৰ এজন মুছলমান ব্যক্তিক ২.৫ বিঘা বিক্ৰী কৰে। ইং ১৯-১১-২০০৪ তাৰিখত গৌৰিকান্ত ব্ৰহ্মাই (কোকৰাঝাৰ) প্ৰকাশ কৰে যে, তেওঁলোকে ভাউণ্ডাৰী ৱাল দিবলৈ ব্ৰহ্ম বৰ্ডিংৰ মাটি বিক্ৰী কৰিছিল। অৱশেষত সনামিয়াৰ পৰা আবদুল লাটিফে কঠা প্ৰতি ২০,০০০ (বিশ হেজাৰ) টকাকৈ কিনি লয় আৰু বৰ্ত্তমান লাটিফে পশ্চিম দিশত আৰ.চি.চি ঘৰ সাজি বসবাস কৰি আছে। অতি মূল্যবান মাটি অন্য ব্যক্তিক কম মূল্যত বিক্ৰী কৰাটো কব নোৱাৰা অপৰাধ নহয় নে?

বৰ্ত্তমান বড়ো ব্ৰহ্ম বৰ্ডিংত মুঠ চাৰিখন ঘৰ, তিনিখন দমকল, লেট্ৰিন দুই খন লোহাৰ জপনা আৰু চৌদিশে বাওণ্ডাৰী ৱাল আছে। এই চাৰিখন ঘৰত ধুবুৰীত চাকৰি কৰা বড়ো সকলে ভাড়া হিচাপে থাকে। ঘৰৰ ভাড়া ৩০০.০০ টকাৰ পৰা ৫০০.০০ টকা লৈকে, এই ভাড়া টকা কমিটিয়ে লয় আৰু উন্নয়নৰ কামত ব্যৱহাৰ কৰে। বড়ো ব্ৰহ্ম মন্দিৰটোক পৰিচালনা কমিটিৰ প্ৰকাশ কৰা



মতে বৰ্ত্তমান নতুনকৈ নিৰ্মান কৰা উৰখাৱ গীৰা ব্ৰহ্ম (ৰাজ্য সভা এম.পি.), অৰবিন্দ স্বৰ্গিয়াৰী (এফ.আই.চি.এফ) ব্ৰাঞ্চ মেনেজাৰ, ধুবুৰী, অজিত কুমাৰ ব্ৰহ্ম (ইলেক্সন অফিচাৰ), প্ৰদীপ কুমাৰ ব্ৰহ্ম (এচিচটেন্ট জৈলাৰ) আৰু বহুতো এম.এল.এ অফিচাৰ সকলৰ দান বৰঙনিৰে লগতে কমিটিৰ টকা উপাৰ্জনৰ দ্বাৰা কামবোৰ কৰা হৈছিল।

তেখেত সকলৰ সহায়, উপদেশ আৰু স্থানীয় বড়ো ছাত্ৰ সন্থাৰ কিছুমান কৰ্মী সদস্যসকলৰ চেষ্টাত বৰ্ত্তমান এই ব্ৰহ্ম বৰ্ডিংৰ অৱস্তা ভাল দৰে আছে।

বিৰেন্দ্ৰ ব্ৰহ্ম আৰু সুহৰি দয়ানন্দ বসুমতাৰীৰ সময়ত এই স্থানত ব্ৰহ্ম মন্দিৰ নিৰ্মানৰ চেষ্টা চলাইছিল। অতি দুখৰ বিষয় এই যে, ব্ৰহ্ম বৰ্ডিংত ব্ৰহ্ম মন্দিৰ নিৰ্মান কৰিবলৈ চেষ্টা কৰাটোক ধুবুৰীৰ কিছুমান অসৎ প্ৰকৃতিৰ মানুহে বাধা প্ৰদান কৰাত আজি লৈকে নিৰ্মান কৰিব পৰা নগল। কিছুমান ব্যক্তিয়ে ৰাতি শিলগুটি দলিয়াই, কিছুমানে কুঠাৰৰে বাওণ্ডাৰী ৱালবোৰ ভাঙে। তথাপিটো বৰ্ত্তমান গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ নিৰ্মান কৰি থৈযোৱা চিন স্বৰূপে ব্ৰহ্ম বৰ্ডিং আমাৰ মাজত আছে আৰু এইয়া বড়ো সকলৰ কাৰণে গৌৰৱৰ কাৰণ।

গুৰুদেৱৰ ব্ৰহ্ম বৰ্ডিং নিৰ্মাণ বড়ো ছাত্ৰ সন্থা আৰু ব্যৱসায় কৰা লোক সকলে মাত্ৰ ইয়াত থাকিবলৈ সুবিধা পোৱা নাই, ইয়াৰ পৰিবৰ্ত্তে ভৱিষ্যৎ প্ৰজন্মইয়ো থকাৰ সুযোগ সুবিধা হৈ থাকিল। ব্ৰহ্ম মন্দিৰটোক ৰক্ষা কৰি ৰাখিবলৈ প্ৰত্যেকজন সচেতন ৰাইজৰ সহায় সহযোগীতাৰ আৰশ্যকহৈ থাকিল।

# গুৰুদেৱৰ আচৰ্য্যজনক গুণসমূহ

প্ৰায়েই বিশ্বাস কৰিছিল যে, গুৰুদেৱৰ কিছুমান আচৰ্য্যজনক গুণ আছিল। সম্ভৱ আত্মশক্তি থকা কাৰণে ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যত কেতিয়াবা অকলশৰে

লাগে, বড়ো সকলৰ কাৰণে বাধ্যতামূলক প্ৰি প্ৰাইমাৰি শিক্ষা আৰু আৰ্থিক সাহাৰ্য্য প্ৰদান, বড়ো ৰেজিমেন্টৰ কাৰণে বড়ো সকলে পৃথক নিৰ্বাচিত হোৱা সকলৰ দৰে অধিকাৰ পোৱা, বিভিন্ন বিষয়ত বড়ো সকলৰ উন্নয়নৰ পথ প্ৰদৰ্শক আৰু অনুপ্ৰেৰণা হৈ থাকিল।

ইং ১৯২৯ চনত গুৰুদেৱে চাইমন কমিচনক লগ ধৰি বড়ো সকলৰ সমস্যা সমুহ সমাধাণ কৰিবলৈ অনুৰোধ জনোৱা কাৰ্য্যক অনান্য ট্ৰাইবেল সকলকো উৎ সাহিত কৰিছিল, শেষত আসাম প্লেইনচ ট্ৰাইবেল লীগ নামে এটা সংগঠনৰ জন্ম হয়। এই লীগৰ দ্বাৰাই ট্ৰাইবেল অঞ্চলবোৰক ন'ন (non) ট্ৰাইবেল সকলৰ পৰা ৰক্ষা কৰিবৰ কাৰণে ৩৩টা ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰা হৈছিল। এই ট্ৰাইবেল বেল্ট এণ্ড ব্লক গঠণ কৰাটো গুৰুদেৱৰ এক স্মৰণীয় মহান অৱদান। ৰাজনীতিত বড়ো সকলে সচেতন নাছিল। ইং ১৯২৯ চনৰ পৰা গুৰুদেৱে বড়ো সকলক ৰাজনীতিত অংশ লবলৈ বাধ্য কৰে আৰু সচেতন কৰে। ইংৰাজী ১৯২৯ চনৰ ১২টা বিষয় চিলঙত চাইমন কমিচনক গুৰুদেৱে স্মাৰক পত্ৰ প্ৰেৰণ কৰা কাৰ্য্যই বড়ো সকলক ৰাজনীতিত সচেতন কৰিছিল। বড়ো সকলক অপৰাধী জাতি বুলি বৃটিছ চৰকাৰে প্ৰচাৰ কৰিব বিচৰাতো গুৰুদেৱে বাধা প্ৰদান কৰিছিল। ম্লেচ তথা নিকৃষ্টৰ পৰা ৰক্ষা কৰি বড়ো সকলক ব্ৰহ্ম উপাধি লিখাব পাৰিছিল।

৩৩ বছৰ সময় গুৰুদেৱে নিজৰ উন্নতি আৰু নিজৰ ঘৰৰ উন্নতিৰ চিন্তা নকৰি বড়ো সমাজক সংস্কাৰ কৰাত নিজকে উচৰ্গা কৰি কাম কৰিছিল আৰু কৃতকাৰ্য্যতাও হৈছিল। গুৰুদেৱে জীৱনৰ শেষত অৰ্থাৎ ইং ১৯৩৮ চনত তেখেতৰ বয়স যেতিয়া ৭৮ বছৰ হৈছিল তেতিয়া নিজৰ সতীৰ্থ সকলক আৰু কিছুমান বড়ো গাৱ সমুহ ঘূৰি ফুৰি চাইছিলগৈ গুৰুদেৱে নিজৰ শৰীৰৰ অৱস্থাৰ বিষয়ে ভালদৰে গমপাইছিল। তেও কোকৰাঝাৰ ভাতাৰমাৰি গাওঁত গৈ ধৰ্ম্মৰ বিষয়ে বহু কথা আলোচনা কৰিছিল। তেখেতৰ দেহাৰ অৱনতি দেখি প্ৰায়েই গুৰুদেৱৰ মৃত্যুৰ বিষয়ে অনুমান কৰিব পাৰিছিল আৰু দুখতে কিছুমান



হৈছিল। তেওলোক দুয়োজনে সেই দিনাই গৈ এম.ভি স্কুলখন মূকলি কৰে।

৩। এদিনাখন গুৰুদেৱ আৰু তেওৰ পুত্ৰ দেবেন দুয়োজনে ধুবুৰীলৈ কিছুমান দৰ্কাৰী কামৰ বাবে গৈছিল। ৰাস্তা মাজত এটা প্ৰকাণ্ড বাঘে ৰাস্তাভেটি থকাহে লগ পাইছিল। পুত্ৰ দেবেনে ভয় খায় চিঞৰি উঠিছিল। সেই সময়ত গুৰুদেৱে গায়ত্ৰী মন্ত্ৰায় বাঘটোক ৰাস্তা এৰিবলৈ কয় আৰু বাঘে লাহেকৈ ৰাস্তা এৰি অৰণ্যত প্ৰবেশ কৰে।

৪। আন এদিনৰ কথা দুজনমান খৰি কটিয়াই ৰাস্তাত ধঁপাত হুপিবলৈ দিয়াছলাই নোপোৱাত আলোচনা কৰি আছিল। সেই সময়তে গুৰুদেৱক দেখি পাই খৰিকটিয়া সকলে দিয়াছলাই আছে নেকি সোধে। গুৰুদেৱৰ লগত দিয়াছলাই নাছিল। তেও খৰিকটিয়া সকলক অৰন্যৰ দিশে আঙুলি টুৱাই দেখুৱাই দিছিল- সৌৱা জুই জলিয়েই আছে। খৰিকটিয়া সকলে শালগছৰ বাগানত জুই জলা দেখি আচৰিত হল। যত নেকি এজনো মানুহ নাছিল আৰু জুইয়ো নাছিল তাত কেনেকৈ জুই জলিল, খৰিকটিয়া সকল আচৰিত হল।

৫। আন এদিনৰ কথা গুৰুদেৱে কাতিমল ব্ৰহ্মৰ ঘৰলৈ খোজকাঢ়ি গৈ থাকোতে ৰাস্তাতে বৰষুণ লগ পাইছিল। কিন্তু গুৰুদেৱৰ হাতত সেই সময়ত ছাতী নাছিল যদিও বৰষুণ তিতা নাছিল। কাতিমল আৰু ৰাইজে গুৰুদেৱৰ বৰষুণ নিতিতা দৃশ্য দেখি আচৰিত মানিছিল।

৬। এদিনাখন ককাই-ভাই দুয়োজনৰ এজন ককাইয়েকে মন্ত্ৰৰ সৈতে শালগছ এডাল দুফাল কৰি সেই গছৰ পৰা মদৰ বটল আৰু মাংস উলিয়াই খায়-বৈ ফুৰ্টি কৰি আছিল। সেই সময়ত গুৰুদেৱে দেখি কিয় ফুৰ্টি কৰিছে সোধ পোছ কৰে আৰু মনে মনে ব্ৰহ্ম গায়ত্ৰী মন্ত্ৰ প্ৰাৰ্থনা কৰে। পিছত সেই ককায়েক বেজজনক আৰু মদ, মাংস গছৰ পৰা উলিৱাবলৈ কোৱা হয় কিন্তু গুৰুদেৱৰ গায়ত্ৰী মন্ত্ৰক কাটিব নোৱাৰাত সিহঁতৰ বেজৰ মন্ত্ৰই কামত নাহিল আৰু লাজপাব লগীয়া হল।

৭। এদিনাখন এজন লৰাই দা-লৈ বাৰী এডোখৰত কিবা-কিবি কাটি

আছিল। সেই সময়ত গুৰুদেৱে লৰাৰ ওচৰতে থিয়হৈছিল। লৰাজনে দাহৰ ঘাপ গুৰুদেৱৰ ভৰিত পৰি কাটিলে বুলি ভয়তে চিঞৰি উঠে আৰু অস্থিৰ হৈ পৰে। গায়ত্ৰী মন্ত্ৰৰ লগত গুৰুদেৱে লৰাজনক পুনৰ চেতন কৰিতোলে।

৮। আৰু আন এদিনৰ কথা। গুৰুদেৱৰ ঘৰত ঘৰৰ পৰিয়াল বৰ্গই শয়ন কৰিব (শুৱ) নোৱাৰাকৈ কিবা এটা আচৰিত ঘটনা হৈছিল। সেইকাৰণে গুৰুদেৱ কালিচৰণৰ লাইচেন্স থকা বন্দুকৰে ঘৰৰ এজন ব্যক্তিয়ে গুলি ফুটাইছিল। সেই গুলি গুৰুদেৱ কালিচৰণৰ শুৱা ঘৰ ফুটাই ওলাই গৈছিল। তথাপি ভাগ্যক্ৰমে গুৰুদেৱ কালিচৰণৰ একো অঘটন নহল।

ইয়াৰ উপৰিও গুৰুদেৱৰ বহুতো আচৰিত গুণ আছিল যিবোৰ গুণ আমি জনা নাছিলোঁ। সম্ভৱ এই আচৰ্য্যজনক গুণবোৰ ঈশ্বৰৰ দান আছিল, যিবোৰ গুণ আমি প্ৰত্যেক জনগণই পাবলৈ ইচ্ছা কৰিও পোৱা নাই।

# গুৰুদেৱৰ মৃত্যু (ইং ১৯৩৮)

ইং ১৯০৫ চনত ব্ৰহ্ম ধৰ্ম্মত দীক্ষা লৈ গুৰুদেৱে নিজৰ আত্মা মুক্তিৰ আৰু সংস্কাৰৰ হকে মন দিছিল। তেও বিশ্বাস কৰিছিল আমাৰ শৰীৰ, মাটি, পানী, অগ্নি, বায়ু, আকাশ, চন্দ্ৰমা আৰু সূৰ্য্যৰ দ্বাৰা গঠিত এটা অংশ আৰু মৃত্যুৰ পিচত নিজে নিজে নিজৰ অস্তিত্বত মিলি যায়, কিন্তু আমাৰ আত্মাৰ মৃত্যু নাই। সেই কাৰণে আত্মাক সন্তোষ্ট কৰিবলৈ তথা ৰক্ষা কৰিবলৈ সদায় সৎ কৰ্ম্ম কৰিব লাগিব। ঈশ্বৰ উপাসনাই হল সৎ কৰ্ম। সেই কাৰণে সদায় তপস্যা কৰি ঈশ্বৰৰ সৈতে মিলি থাকিবলৈ চেষ্টা কৰিব লাগে। এই মন্তব্য গুৰুদেৱে সভা সমিতিবোৰত ৰাইজৰ আগত তেওলোকৰ আত্মা আৰু স্বভাৱ চৰিত্ৰৰ উন্নতিৰ হকে সদৰী কৰিছিল। যজ্ঞ তথা অগ্নি মূখত আহুতি দিলে বিশুদ্ধ বায়ু বলে, মানুহ, জীৱ-জন্তু, চৰাই চিৰিকটি, গছ-গছনি আদিয়ে বিশুদ্ধ বায়ু সেৱন



কৰে, ঈশ্বৰ উপাসনা কৰা হয় আৰু জ্ঞান উদয় হয়, এই কথা ফাকি তেওঁ ভালদৰে বুজায় কৈছিল। মানুহৰ জীৱনত পাৰমাৰ্থিক আৰু ব্যৱহাৰিক দুয়োটা কৰ্ম্মই প্ৰয়োজন। সেই কাৰণে ঈশ্বৰ উপাসনাৰ দ্বাৰা, লগতে আৰ্থিক সমস্যাৰ উন্নতি কৰিবলৈ, ঘৰখনৰ পৰিবেশ পৰিস্কাৰ কৰি ৰাখিবলৈ আৰু অন্য কৰ্ম্মবোৰকো সুচাৰুৰূপে কৰি যাবৰ কাৰণে উপদেশ দিছিল। তেখেতে কৈছিল ঈশ্বৰ উপাসনা হল সৎ কৰ্ম্ম (পাৰমাৰ্থিক) আৰু সমাজ, ঘৰ, নিজক সংস্কাৰ কৰা, খোৱা বোৱা, কাম বন আদি কৰ্ম্মবোৰ সদায় কৰিব লগীয়া ব্যৱহাৰিক কৰ্ম।

গুৰুদেৱে নিজেও বাল্য কালৰ চিকাৰ কৰা অভ্যাস, মাছ, মাংস খোৱা অভ্যাস আদি ব্যৱহাৰবোৰ এৰি ঈশ্বৰ উপাসনা আৰু ঘৰ সমাজ সংস্কাৰৰ কামত মনোযোগ দিছিল।

এনেদৰে গুৰুদেৱে ধৰ্ম্ম সেৱা আৰু সমাজ সেৱাৰ কামত ৩৩ বছৰ সময় নিজকে উচৰ্গা কৰিছিল অৰ্থাৎ ইং ১৯০৫ চনৰ পৰা ইং ১৯৩৮ চনলৈকে গুৰুদেৱে ধৰ্ম্ম প্ৰচাৰ কৰিয়েই ক্ষান্ত থকা নাছিল। ইয়াৰ উপৰিও অৰ্থনৈতিক সমস্যাৰ উন্নয়নৰ হকে কাঠৰ ব্যৱসায়, বয়ন শিল্প, কাঠ মিস্ত্ৰি, খেতি কৰা আদি সকলো ধৰণৰ কাম কৰিবলৈ শিকাইছিল আৰু পৰামৰ্শ দিছিল।

বড়ো ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে গুৰুদেৱে বহুতো কাম কৰিছিল, এইবোৰ হল- বড়ো ছাত্ৰ সন্থা গঠন কৰা, বিবাৰ, অলংবাৰ, হাথৰখি-হালা, সিফুং, জেনথখা, মুশ্ৰী আৰু সানশ্ৰী আৰু বহুতো বড়ো ভাষাৰ আলোচনী প্ৰকাশ কৰিবলৈ পৰামৰ্শ দিছিল। প্ৰাথমিক বিদ্যালয় স্থাপন কৰা আদিকে ধৰি বহুতো কাম কৰিছিল। ইং ১৯২৯ চনত চাইমন কমিচনক গুৰুদেৱে স্মাৰক পত্ৰ দিয়াৰ কিছুমান বিষয় যেনে- জনসংখ্যা গণনাত বড়ো সকলক বেলেগকৈ গণনা কৰা, কাউন্সিলৰ নিৰ্বাচনত বড়ো সকলে বড়ো সকলৰ পৰা বেলেগ প্ৰতিনিধি নিৰ্বাচিত কৰি পঠোৱাৰ অধিকাৰ, চেন্ট্ৰেল লেজিচলেচাৰত অসমৰ পৰা বড়ো সকলৰ কাৰণে এটা সংৰক্ষিত কোঠা। গোৱাল পাৰা জিলাক বেংগল ৰাজ্যলৈ ফালি নিবনোৱাৰা, কোকৰাঝাৰ তথা হল্টুগাওঁত মহকুমা হব

লৈ উঠিছিল।

গুৰুদেৱ কালিচৰণ ব্ৰহ্মই এবাৰ মূৰ উঠাই চৌদিশে চালে সেউজিয়া গছ-গছনি মনমোহা সুন্দৰ, সুগন্ধি পুষ্পৰে ভৰা এই বিনন্দীয়া পৃথিৱীখনক। সেই মনমোহাৰ মাজেদি যেন গুৰুদেৱক কোনোবাই হাত বাউলিদি মাতিছে। সেই হাত বাউলি হল মিলনৰ হাতবাউলি। আত্মা পৰমাত্মাৰ মিলন। অ...! সৌৱা যাবই লাগিব। ১৯৩৮ চন, ২৫ বহাগ, সীতা নৱমী গুৰুদেৱে অসুস্থ শৰীৰৰে ঘৰৰ পিৰালিৰ বন চিকুনায় আছিল সেই সময়তে ঘৰৰ পোহনীয়া কুকুৰ, মেকুৰীবোৰে চিঞৰি চিঞৰি কান্দিছিল। কি হব ? কিয় সিহঁতে চিঞৰি চিঞৰি কান্দিছে ? গুৰুদেৱৰ সহধৰ্ম্মীনিৰ অন্তৰত কিছু সময়ৰ পিচত এই কথা গুৰুদেৱক কোৱাৰ উদেশ্য পিৰালি চুকলৈ গৈছিল। কিন্তু কি আচৰিত ? সেই সময়ত গুৰুদেৱে অচেতন হৈ মাটিত পৰি আছিল। ঘৰৰ কাম কৰা ব্যক্তি এজনৰ সৈতে সহধৰ্ম্মীনি আইয়ে গুৰুদেৱক উঠাই আনি ঢাড়িত শুৱাইছিল। এই কথা গম পাই গাৱৰ সকলো ব্যক্তি লৰা ছোৱালী, পুৰুষ মহিলা আদি সকলোৱে খৰখেদাকৈ আহি উপস্থিত হৈছিল। মূৰত পানী চটিয়াই লাহে লাহে বুকু কপাল, হাত ভৰি মালিচ কৰিদিছিল। চৌপাশে বেঢ়ি থকা ৰাইজৰ মাজত সন্ধ্যা ৬ বাজি ৪৫ মিনিটত গুৰুদেৱে চকু মেলি চাইছিল। অচেতনৰ মাজতো কিছু চেতনপাই গুৰুদেৱে সকলোকে কৈছিল- মোক নিবলৈ আহিল। মই যাওগৈ। তোমালোকে দুখ নকৰিবা। এইয়াই আছিল গুৰুদেৱৰ অন্তিম মন্তব্য। সচাকৈয়ে ৭৮ বছৰ বয়সত ইং ১৯৩৮ চনৰ ৮ মেত (বাংলা ১৩৪৫, ২৫ বহাগ মাহত) সকলোকে কন্দোৱাই গুৰুদেৱে চিৰ দিনৰ বাবে বিদায় মাগিলে। সেই সময়ত এনে পৰিস্থিতি হৈছিল যেন চৌদিশে কুলা মেঘৰ ছায়াই সকলোকে বেঢ়ি ধৰিছিল। গুৰুদেৱৰ মৃত্যুৰ খবৰ পাই ওচৰ চুবুৰীয়া সকলোৱে অসমীয়া, মুছলিম, বাঙালি সকলোৱে আহি গুৰুদেৱক আন্তৰিকতাৰে শ্ৰদ্ধা জনাইছিল সকলোৰে মনত দুখৰ বন্যা, সকলোৰে চকুত কান্দোনৰ বন্যা। সকলো জাতি গোষ্ঠী সম্প্ৰদায়ৰ লোক সকলে যেনে- বাঙালি, অসমীয়া, ৰাভা, মুছলিম,



সকলো জনগণই আহি গুৰুদেৱৰ পৰিয়ালক সান্তনা দিছিল। গুৰুদেৱৰ মৃত্যুত অতিপাত বৰষুণ দিছিল।

পিচদিনা ৰাতিপূৱা চেবাৰিঘাট গাঁৱৰ বেণ্ডপাৰ্টি লৈ দলে বলে বজাই জয়ধ্বনি দি গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ নশ্বৰ দেহা নিজ দখলৰ ভুমি চিস্তি নদীৰ কাষত দাহ কৰা হৈছিল। তেখেতৰ দাহ স্থলি বৰ্ত্তমান চিনাক্ত হিচাপে চিমেন্টৰ চাৰিবেৰ নিৰ্মান কৰি থোৱা হৈছে।

প্ৰকৃততে গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই বড়ো জাতিটোক ৰক্ষা কৰিবৰ কাৰণেই জন্ম লৈছিল। এই কথা আমি সকলোৱে মানি লব পাৰোঁ। নহলে কেনেকৈ খণ্ডিত, সিঁচৰিত বড়ো জাতি পূণৰ একত্ৰিত হল। গুৰুদেৱৰ কাৰণে বড়ো জাতিক ৰক্ষা কৰাৰ একমাত্ৰ উপায় আছিল 'ব্ৰহ্ম ধৰ্ম্ম ' প্ৰচাৰ কৰা। ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰিয়েই অৰ্থনৈতিক, শিক্ষানীতি, কলা সংস্কৃতি আৰু সামাজিক বিষয়ত বড়ো সকলৰ কাৰণে বহুতো কাম কৰি থৈ গল। গুৰুদেৱে ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰি বাথৌ ধৰ্ম্মক বৰ্জ্জন কৰাত বড়ো সকলে বিভিন্ন ধৰণৰ সমালোচনা কৰিছিল। কিছুমানে প্ৰশংসা কৰিছিল আৰু কিছুমানে সমালোচনা কৰিছিল। কিন্তু গুৰুদেৱে যে, ব্ৰহ্ম ধৰ্ম্ম গ্ৰহণ কৰি বড়ো সমাজক জীৱিত কৰি ৰাখিব পাৰিছিল, সেইটোহে আমাৰ সকলোৰে বাবে গ্ৰহনযোগ্য আৰু প্ৰশংসনীয়। বড়ো সমাজক সংস্কাৰ কৰি জীৱিত কৰিতুলাত কোনোবাই বেয়া পাব লগীয়া কাৰণ থাকিব পাৰেনে? চিৰ দিনলৈ গুৰুদেৱৰ প্ৰতি স্মৰণ কৰা আৰু শ্ৰদ্ধা কৰাটো আমাৰ সকলোৰে বাবে এক মহান দ্বায়ীত্ব হৈ ৰল। তেখেতৰ দৰ্শন আৰু আদৰ্শবোৰ ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে নিজকে সংস্কাৰ কৰা, ঘৰুৱা পৰিবেশ নিকা কৰা আৰু সমাজখনক এখন আদৰ্শ সমাজ হিচাপে গঠন কৰাৰ আৰ্হিস্বৰূপ হৈ থাকিল। শেষত আমি ইয়াকে ব্যক্ত কৰিব পাঁৰো যে, গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই বড়ো সকলৰ প্ৰথম চকু মেলখোৱা আদৰ্শবান জ্ঞানী ব্যক্তি।

হৃদয় কুমাৰ ব্ৰহ্মৰ পৰিচালনাত ১৯৯৩ চনত জন্ম পোৱা সদৌ ব্ৰহ্ম ধৰ্ম্ম সন্মিলন আৰু ১৯৯৭ চনত জন্ম পোৱা সনাতন ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদ দুয়োটা কমিটিয়ে তেওলোকৰ এই কমিটিক ভংগ কৰি সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতি নামে স্বীকৃতি দিয়ে। এই সভাত বিৰেন্দ্ৰ চন্দ্ৰ ব্ৰহ্ম আৰু অমৰেন্দ্ৰ ব্ৰহ্মক সভাপতি আৰু সম্পাদক হিচাপে বাছনী কৰে। যোগেশ্বৰ ব্ৰহ্ম বাবা আৰু হৃদয় কুমাৰ ব্ৰহ্ম বাবাক ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক আৰু সম্পাদক হিচাপে দায়িত্ব অৰ্পন কৰে। অতি দুখজনক কথাটো হল ব্ৰহ্ম ধৰ্ম্মৰ প্ৰধান প্ৰচাৰক হৈয়ো লোহিত চন্দ্ৰ ব্ৰহ্মই এই সভাত অংশ গ্ৰহন কৰা নাছিল। এই সভাতে একত্ৰিত ভাৱে "স্বৰূপ স্থিতি" নামটোক বাদ দিয়া হল আৰু লোহিত চন্দ্ৰ ব্ৰহ্মকো ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰকৰ দায়িত্বৰ পৰা আতৰোৱা হয়।

কমিটিৰ প্ৰস্তাৱ সমুহ কাৰ্য্যকৰি কৰিবলৈ আৰু প্ৰচাৰ কাৰ্য্যক বহল আৰু সক্ৰীয় ভাৱে গঢ়ি তুলিবলৈ কিছুমান প্ৰাথমিক কমিটি গঠন কৰা হয় ইং ৮ ফেব্ৰুৱাৰী ২০০৮ চনত। এই কমিটিবোৰ ক্ৰমে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট, ধনেন্দ্ৰ ব্ৰহ্মক সভাপতি আৰু অজিত বড়োক এই ট্ৰাষ্টৰ সম্পাদক ৰূপে মনোনীত কৰে। এই কমিটিখন গঠন কৰাৰ উদ্দেশ্য হল গুৰুদেৱৰ আদৰ্শৰ যোগেদি সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিক সহায় সহযোগীতা কৰা।

# উপাসনা নীতি গঠন (সিবিনায় নেম)

যজ্ঞাহুতিৰ মন্ত্ৰ ঠাই বিশেষে বেলেগ বেলেগ হেতু একে সুৰে তথা পন্থাৰে যজ্ঞাহুতি দিবলৈ সদৌ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক মাননীয় যোগেশ্বৰ ব্ৰহ্ম বাবাই লিখা উপাসনাৰ নীতি পাঠ্য (সিবিনায় নেম) পুথিখনকে ব্ৰহ্ম ধৰ্ম্ম কমিটিয়ে গ্ৰহন কৰিছে আৰু ব্যৱহাৰ কৰি আহিছে। ("Sibinai



বৰদলনী) ফানচাৰি বালা ব্ৰহ্ম (লক্ষিমপুৰ), কৰেন্দ্ৰ ব্ৰহ্ম, দেৱকান্ত ব্ৰহ্ম (গৰখিৰা পুখুৰী), হৰেন্দ্ৰ বসুমতাৰী (ককসামাৰী), উধৱ চন্দ্ৰ ব্ৰহ্ম (আনন্দপুৰ)।

সভাৰ অন্তত প্ৰস্তাৱ মৰ্ম্মে ইং ১৯৭৬ চনৰ ২২, ২৩, ২৪ তাৰিখ ফেব্ৰুৱাৰী মাহত কামৰূপ জিলাৰ মছলপুৰত ব্ৰহ্ম মন্দিৰত তিনিদিনীয়া কাৰ্য্যসূচীৰে বছৰেকীয়া অধিবেশন পতা হৈছিল। এই অধিবেশনতে ইং ২৩-৩-১৯৭৬ চনত সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা কমিটি গঠন কৰা হৈছিল। এই সমিতিৰ সদস্য সকল আছিল যাদব দৈমাৰী, ধেমাজি (সভাপতি), কবিৰাম ব্ৰহ্ম, গোৱালপাৰা (উপ-সভাপতি), উধৱ ব্ৰহ্ম বসুমতাৰী, মিকিৰ পাহাৰ (সহ-সম্পাদক), যোগেশ্বৰ ব্ৰহ্ম, লক্ষিমপুৰ (সম্পাদক), লক্ষণ ব্ৰহ্ম খাখ্লাৰী, গোৱালপাৰা (ধন ভঁৰালী), আচাৰ্য্য দেৱানসিং ব্ৰহ্ম (গোৱালপাৰা), আচাৰ্য্য কমানন্দ ব্ৰহ্ম (মিকিৰ পাহাৰ), আচাৰ্য্য শশী মোহন ব্ৰহ্ম (লক্ষিমপুৰ) আৰু সদস্য সকল হল- মনমোহন বসুমতাৰী, মদন চন্দ্ৰ ব্ৰহ্ম, কপিন্দ নাৰায়ণ ব্ৰহ্ম, গনায়থি ব্ৰহ্ম বসুমতাৰী, শিৰিজ চন্দ্ৰ চৌধুৰী, মনেশ্বৰ ব্ৰহ্ম, গোপাল চন্দ্ৰ ব্ৰহ্ম, চন্দ্ৰ কুমাৰ ব্ৰহ্ম অনিল ব্ৰহ্ম গয়াৰী, ৰমাকান্ত বসুমতাৰী, চেকেনজিত ব্ৰহ্ম, শ্যামচৰণ ব্ৰহ্ম, দুৰ্গা মোহন ব্ৰহ্ম উপেন্দ্ৰ নাথ ব্ৰহ্ম, প্ৰমোদ ব্ৰহ্ম বসুমতাৰী আৰু কাহেশ্বৰ ব্ৰহ্ম।

এই সমিতিখন সংশোধন কৰি বৰ্ত্তমান " সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা কমিটি " নাম ৰখা হল আৰু এই সমিতিয়ে অসম আৰু বিভিন্ন ৰাজ্য সমুহত সক্ৰীয় ভাৱে ধৰ্ম্ম প্ৰচাৰ কাৰ্য্যবোৰ পৰিচালনা কৰি আছে। কমিটিৰ মুখ্য কাৰ্য্যলয় গুৱাহাটিৰ হিৰিম্বাপুৰত। এই কমিটিয়ে ব্ৰহ্ম ধৰ্ম্মক বহুল ভাৱে প্ৰচাৰ কৰিবলৈ আৰু কমিটিখনক সক্ৰীয় কৰি তুলিবৰ কাৰণে যুৱক সমিতি আৰু মহিলা সমিতি গঠন কৰি দিয়ে।

কমিটিখনৰ নাম সময়ে সময়ে সাল সলনি কৰি থকাত কমিটিখনৰ নাম বেলেগ বেলেগ হৈছে। বৰ্ত্তমান সদৌ ব্ৰহ্ম ধৰ্ম্মৰ মন্দিৰটো গুৱাহাটিৰ হিৰিম্বাপুৰত থকা খাৰগুলি পাহাৰ ওপৰত নিৰ্মান কৰি থকা হৈছে যদিও সম্পূৰ্ণ হোৱা নাই।

ব্ৰহ্ম ধৰ্ম্মৰ প্ৰচাৰ সংসদ গঠন কৰি এই ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা কমিটিয়ে বিভিন্ন ঠাইত ধৰ্ম্ম প্ৰচাৰ কৰি আহিছে। বঙাইগাঁৱৰ লোহিত চন্দ্ৰ ব্ৰহ্মক প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক আৰু গহপুৰৰ যোগেশ্বৰ ব্ৰহ্মক উপ-প্ৰধান প্ৰচাৰক হিচাপে নিযুক্তি দি প্ৰচাৰ সংসদখনক অধিক সক্ৰীয় কৰি তুলিব পাৰিছিল।

কিন্তু কমিটিৰ নীতি নিয়মৰ পৰিবৰ্তে যজ্ঞাহুতি দিয়া নীতি নিয়মবোৰ লাহে লাহেকৈ অমিল হোৱাৰ পৰিলক্ষিত হৈছিল। সেয়েহে ইয়াকলৈ কোকৰাঝাৰ জিলাৰ ৰাইজ অতিশয় মৰ্মান্তিক হৈছিল আৰু ১৮-০৯-১৯৯৩ চনত অসম বেংগল যুটিয়াভাৱে এখন ধৰ্ম্মৰ বৈঠক বহিছিল। এই সভাতে ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ যজ্ঞ দিয়া নীতি নিয়মবোৰক পৃথক আৰু অসন্তোষ্টি পোৱা হেতুকে পৃথক ধৰ্ম্ম কমিটি গঠন কৰা হয় আৰু সেই দিনাই এই কমিটিৰ নামটো " সদৌ ব্ৰহ্ম ধৰ্ম্ম কমিটি " নাম ৰখা হয়।

অৱশেষত ইং ২৭-০৩-২০০২ তাৰিখ বাগান পাৰাত কমিটিৰ নামটো সলনি কৰি " সদৌ ব্ৰহ্ম ধৰ্ম্ম সন্মিলন " নাম থয়। ফনিন্দ্ৰ নাথ ব্ৰহ্মক সভাপতি আৰু হৃদয় কুমাৰ ব্ৰহ্মক সম্পাদক হিচাপে নিৰ্বাচিত কৰে। ইয়াৰ পৰাই এই সন্মিলন কমিটিয়ে ধৰ্ম্ম, প্ৰচাৰ কাৰ্য্য সমুহ সক্ৰীয় ভাৱে হাতত লয়।

প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক লোহিতচন্দ্ৰ ব্ৰহ্মাৰ প্ৰতিনিধিত্বত কমিটিৰ নীতি নিয়মৰ বিপৰীতে ইং ১৯৯৪ চনত ব্ৰহ্ম ধৰ্ম্মৰ নামটো স্বৰূপ স্থিতি ৰাখিবলৈ চেষ্টা চলাইছিল। যি ব্ৰহ্ম ধৰ্ম্মক সংস্কাৰ কৰি গুৰুদেৱ কালিচৰণ ব্ৰহ্মই গোটেই বড়ো জাতিটোক জীৱিত কৰি ৰখাত সাফল্য অৰ্জন কৰিছে তেনে অৱস্থাত ইয়াক অন্য নামেৰে নামাকৰণ কৰাত কোনে সন্তোষ্টি লাভ কৰিব ? সেই সময়ৰ পৰাই ব্ৰহ্ম ধৰ্ম্ম কমিটিৰ সদস্য সকলৰ মাজত এক বিভেদ মতামতৰ সৃষ্টি হৈ আহিছে। কিছুমানে স্বৰূপ স্থিতিটিক সমৰ্থন কৰে আৰু এই বিষয়ৰ ওপৰত কমিটিৰ মাজত অনেক তৰ্ক বিতৰ্ক আদিৰ সুত্ৰ পাত হৈছিল যদিও আজিলৈকে কোনো এটা সমস্যাই সমাধানৰ পথত অহা নাই। লোহিত চন্দ্ৰ ব্ৰহ্ম নিজে প্ৰধান প্ৰচাৰক হোৱাত সকলোখিনি ক্ষমতা নিজে



হস্তক্ষেপ কৰাত স্বৰূপ স্থিতিটিয়ে নিজৰ ঠাইৰ পৰা আতঁৰ হোৱা নাছিল।

কিন্তু সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা কমিটিৰ ৩৩ তম বাৰ্ষিক অধিবেশনত ভক্ত সকলে একত্ৰিত হৈ স্বৰূপ স্থিতিটিক বাদ দি লোহিত চন্দ্ৰ ব্ৰহ্মক প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক পদৰ পৰা আতঁৰাই থয় আৰু যোগেশ্বৰ ব্ৰহ্মক ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক হিচাপে সকলোৱে দ্বায়ীত্ব অৰ্পন কৰে। ৩৩তম সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিটিৰ বছৰেকীয়া অধিবেশন অনুস্থিত হৈছিল ইং ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰী ২০০৮ চন, গুৱাহাটিৰ বাথৌপুৰিত বিৰেন্দ্ৰ চন্দ্ৰ ব্ৰহ্মাৰ পৰিচালনাত।

উলেখযোগ্য যে, দ্বিখণ্ডিত ভাৱে সিচঁৰিত হোৱা ব্ৰহ্ম ধৰ্ম্মীয় কমিটি সমুহক একত্ৰিত কৰিবলৈ ইং ২০০২ চনৰ ২৩ মেত গঠন কৰা প্ৰথম সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতি আৰু কোকৰাঝাৰৰ ব্ৰহ্ম মন্দিৰত এখন যৌথ সভা পতাহৈছিল। এই সভাত সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতি আৰু সদৌ ব্ৰহ্ম ধৰ্ম্ম সন্মিলনৰ মুঠ ৫০জন সদস্যই অংশ গ্ৰহণ কৰিছিল। সভাত মুখ্য অতিথি হিচাপে ড. কামেশ্বৰ ব্ৰহ্মাই অংশ লৈছিল আৰু কোকৰাঝাৰ কলেজৰ অধ্যক্ষ সুৰথ নাৰ্জাৰীয়ে এই যৌথ সভাখন পৰিচালনা কৰিছিল। কিন্তু দুখৰ বিষয় এই আলোচনাৰ ফল একো পোৱা নগল। ইং ২০০৬ চনত গুৱাহাটিৰ ট্ৰাইবেল ৰেষ্ট হাউচত যুৱ সমিতিয়ে একত্ৰি কৰণৰ সভা আহ্বান কৰে আৰু এখন সমন্বয় সমিতি গঠণ কৰাৰ প্ৰস্থাৱ গ্ৰহণ কৰে। প্ৰস্থাৱ মৰ্ম্মে ২০০৬ চনৰ ২৬ আগষ্টত গুৱাহাটি ৰ বড়ো সাহিত্য সভাৰ হাগজেৰ ভৱনত সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতিৰ পৰিচালণাত একত্ৰিকৰণৰ সভা অনুস্থিত হয়। এই সভাতে হৃদয় কুমাৰ ব্ৰহ্মক সভাপতি আৰু দিমুচা ব্ৰহ্মক আহ্বায়ক হিচাপে লৈ সদৌ ব্ৰহ্ম ধৰ্ম্ম একত্ৰিকৰণ সমিতি গঠণ কৰা হয়। যুৱ সমিতিৰ যোগেদি গঠিত একত্ৰিকৰণ সমিতিখনে বিভিন্ন ঠাইত একত্ৰিকৰণ উদ্দেশ্য বহুতো সভা আয়োজন কৰিছিল। ফলস্বৰূপে গুৰুদেৱৰ আদৰ্শৰে অনুপ্ৰাণীত হৈ গঠিতহোৱা সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতিৰ একত্ৰিকৰন উদেশ্য সমুহ ৮ ফেব্ৰুৱাৰী ২০০৮ চনত কৃতকাৰ্য্যতা লাভ কৰে।

নিজৰ বোধেৰে আপোনাক দিবলৈ মনস্থ কৰিছো। আপুনি প্ৰীতিৰে গ্ৰহন কৰি জগতত এক অখণ্ড, অসীম শান্তি প্ৰদান কৰক, মাতা-পিতা আপোনাক আমি পূৰ্ণৰূপত বাৰংবাৰ প্ৰনাম কৰোঁ।

এইবাৰ তলত দিয়াৰ মন্ত্ৰ উচ্চাৰণ কৰি শ্ৰদ্ধাৰে প্ৰতি বাৰে স্বাহা শব্দৰ লগে লগে যিমানবাৰ ইচ্ছা বা প্ৰজ্বলিত অগ্নিশিখাৰ ওপৰত আহুতি অৰ্পণ কৰিব।

*১। ওঁ বৰদে দেৱী পৰমজ্যোতি: ব্ৰহ্মণে স্বাহা।*

*২। ওঁ চৰাচৰ ব্ৰহ্মণে স্বাহা।*

*৩। ওঁ পূৰ্ণ পৰব্ৰহ্ম জ্যোতি:স্বৰূপায় স্বাহা।*

*৪। ওঁ ভু:, ওঁ ভুব:, ওঁ স্ব:, ওঁ মহ:, ওঁ জন:, ওঁ তপ:, ওঁ সত্যম ওঁ তৎসবির্তু, বৰেণ্যম ভৰ্গো দেৱস্য ধীমহি ধীয়োয়োন: প্ৰচোদয়াৎ ওঁ আপো জ্যোতি: ৰস: অমৃতং ব্ৰহ্মণে স্বাহা।*

*৫। ওঁ ব্ৰহ্মাৰ্পণং ব্ৰহ্মহৰি ব্ৰহ্মাগ্নৌ: ব্ৰহ্মণাহুতম্ ব্ৰহ্মৈৱতেনগন্তব্যম্ ব্ৰহ্মকৰ্ম্ম সমাধিনা- ওঁ স্বাহা।*

এইদৰে উপস্থিত হোৱা লোক সকলৰ আহুতি দিয়া শেষ হ'লে সকলোৱে সমস্বৰে (একেলগে) তলত লিখা মন্ত্ৰ মুখৰিত কৰি পূৰ্ণাহুতি প্ৰদান কৰি যজ্ঞ কৰ্ম্ম সম্পাদন কৰিব।

*ওঁ পূৰ্ণ পৰমব্ৰহ্ম জ্যোতি:স্বৰূপায় স্বাহা।*

ইয়াৰ পিচত কৰযোৰে অগ্নি ব্ৰহ্মৰ ওচৰত তলত লিখা দৰে প্ৰাৰ্থনা কৰিব।

হে স্বয়ং প্ৰকাশিত পূৰ্ণ পৰমব্ৰহ্ম জ্যোতি:স্বৰূপ জগতৰ গুৰু মাতা-পিতা, আত্মা-পৰমাত্মা, আপুনি নিৰাকাৰ নিৰ্গুণ, আপুনিয়েই সাকাৰ সগুণ, ত্ৰিগুণাত্মা চৰাচৰ জগতক লৈ নিজেই দৃশ্যমান পূৰ্ণৰূপত বিৰাজমান হৈ আছে। আমালোকে আপোনাক পূৰ্ণৰূপে বাৰংবাৰ প্ৰণাম কৰো। হে মাতা-পিতা আমালোকে যোগ, তপস্যা, উপাসনা, ধ্যান, ধাৰণা, ভক্তি শ্ৰদ্ধা একোকে নাজানো যাৰ দ্বাৰা আপোনাক জানিব বা চিনিব পাৰো। আপুনিয়েই আমালোকৰ যোগ, তপস্যা, উপাসনা, ধ্যান, ধাৰণা, ভক্তি, শ্ৰদ্ধা। আপুনি নিজ গুণে আমালোকৰ সকলো অপৰাধ ক্ষমা কৰি এনে দৰে দয়া কৰক, যাতে আপোনাক চিনিব পাৰি



Nem" Approved by the Brahma Dharma Parichalana Committee for all Brahma pushak vide issue NO.ABPC/13/ 53-date 6th June, 2000)

**১। আহুতিৰ খৰি:**- আহুতি দিবলৈ আম খৰি তথা বেল গছৰ খৰি সকলোতকৈ উত্তম। অন্যথা যি দেশত যি ঠাইত যি খৰি পোৱা যায় তাৰে সৈতে আহুতি দিব। খৰিৰ অভাৱত টুগুৰি তথা কয়লাৰ সৈতেও আহুতি দিব পাৰি। পৰমাত্মা অন্তৰ্য্যামী, পবিত্ৰ মনেৰে যোনে যি দিয়ে তাক পৰমাত্মাই গ্ৰহন কৰে।

**২। আহুতি দিয়াৰ সময়**- আহুতি ৰাতিপূৱা আৰু সন্ধ্যা সময়ত দিব লাগে। অন্যথা ভক্ত সকলে যেতিয়া সময় পাই তেতিয়াই আহুতি দিব পাৰে। ভাত খোৱাৰ আগত আহুতি দিয়া ঠাইদোখৰ আৰু বস্তু বাহানিবোৰ পৰিস্কাৰ পৰিচ্ছন্নতা কৰি যজ্ঞ কুণ্ড বনাব মাজৰ ডোখৰ অলপ দ আৰু সমান কৰিব।

৩। খৰি জাপা- খৰি জাপিলে এটা এটাকৈ তথা জোৰ জোৰকৈ চাৰিকুনীয়াকৈ জাপিব লাগে। খৰি জাপিলে জাপৰ নিদিষ্ট সীমা নাই। ভক্তৰ সংখ্যা আৰু প্ৰসাদৰ পৰিমান চাই খৰি জাপা উচিত। ফুটা খৰি যজ্ঞত ব্যৱহাৰ নকৰাই শ্ৰেয়। ফুটা খৰি যজ্ঞত ব্যৱহাৰ কৰিলে জুই আঙঠা ছিটিকি পিন্ধা কাপোৰ কানি অনিষ্ট হব পাৰে। খৰি জাপাৰ পিচত কুণ্ডৰ মাজত চাৰি চোকত চাৰিডাল খৰি দিব আৰু মিহি মিহি চাউলি খৰি থিয়কৈ জাপি দি চাউলি খৰিৰ মাজত মুখ বনাব। এই মুখত তথা কুণ্ডৰ মাজত বগা চন্দন, কৰ্পুৰ, জটামাংসি, গুগুল আদি দিব। অগ্নি প্ৰজলনৰ সময়ত সকলোৱে 'ওঁ ' নাম লৈ অগ্নি প্ৰজলন কৰোঁতাজনে তথা অধিষ্টাতাই কৰ্পুৰত অগ্নি প্ৰজলন কৰিব লাগে। আহুতি দিয়াৰ পৰা জয় ধ্বনি দিয়া পৰ্য্যন্ত অগ্নি শিখা উজলিত হৈ থাকিব লাগে। আহুতি দিলে ধোৱা নহৈ উজ্বল অগ্নি শিখাৰে যাতে প্ৰজ্বলিত হয় তাৰ প্ৰতি দৃষ্টি ৰখা উচিত। নিত্য কৰ্ম্মৰ পৰিবৰ্তে যদি ৰাজহুৱা ভাৱে যজ্ঞাহুতি দিব লগীয়া হয় তেতিয়া আছুতীয়াকৈ কিছু খৰি জমা কৰি লব লাগে। তদুপৰি

ৰাতিপূৱা আৰু সন্ধ্যা নিত্য আহুতি দিবৰ কাৰণে খৰি চুটি আৰু সৰু সৰুকৈ কাটি চাফ চিকুন কৰি শুকোৱাই জমা থৈ লব লাগে।

৪। আহুতি প্ৰসাদ- আহুতিৰ প্ৰসাদ সমুহ আমি চাৰি প্ৰকাৰে পাব পাৰো আৰু ব্যৱহাৰ কৰো। যেনে- ক) শস্য জাতীয় খ) সুগন্ধি ঘ) সুমিষ্ট আৰু ঙ) ফল জাতীয়।

ক) শস্য জাতীয়:- চাউল, জবধান, দালি, মটৰ, বুট, মাটিমাহ, তিল আৰু মচুৰ দালিৰ পৰিবৰ্ত্তে অন্য দালি সমুহ দিব পাৰি।

খ) সুগন্ধি প্ৰসাদঃ- দেবদাৰু, বগাচন্দন, অগৰু, চন্দন, গুৰ, ধুণা, জাফ্ৰান, কস্তুৰী, কেশোৰ, ঘি, কৰ্পুৰ, গুগুল, কুমকুম।

গ) সুমিষ্ট প্ৰসাদঃ- কাটবাদাম, বাদাম, কাজুবাদাম, আখুৰট, পেষ্টা, ডাবনাৰিকল, নাৰিকল, চহাৰা, কিচমিচ আৰু চেনি।

ঘ) ফল জাতীয় প্ৰসাদঃ- পকা চেনি কল, আংগুৰ, আপেল, কমলা, নাচপতি, আনাৰস, কুঁহিয়াৰ আৰু অনান্য মিঠা ফল-মূল দিব পাৰে। ওপৰত উলেখীত বস্তুৰে আহুতি দিব পাৰে। কিন্তু নাভাবি নিচিন্তি যিকোনো দ্ৰব্য বস্তুৰে আহুতি দিয়া উচিত নহয়। ইয়াত যি যি দ্ৰব্য বস্তুৰে আহুতি দিবলৈ নিৰ্দেশ দিছে। সেই নিৰ্দেশ অভিজ্ঞতা সম্পন্ন ব্যক্তিৰ পৰামৰ্শ মতে নকৰিলে অকামিলাহৈ যজ্ঞৰ কামবোৰ সিদ্ধি নহব পাৰে। গতিকে বিচাৰ বিবেচনাৰে কাৰ্য্য কৰা সকলোৰে কৰ্ত্তব্য। প্ৰসাদ সমূহ বেলেগ বেলেগ নকৰি একে লগে মিহলাই আহুতি দিব পাৰে।

আহুতি দিয়া সকলোবোৰ দ্ৰব্য উত্তম হোৱা উচিত, কাৰণ উত্তম দ্ৰব্যৰ পৰা উত্তম ফল আশাঁ কৰিব পাৰি। আহুতি দিয়া সময়ত গৃহস্থৰ হলে সকলোৱে, ৰাজহুৱা হলে সকলো ৰাইজে পুৰুষ **মহিলা** লৰা ছোৱালী সকলোৱে অগ্নি ব্ৰহ্মত শুদ্ধ মনৰে শ্ৰদ্ধা ভক্তিৰে পৰম ব্ৰহ্মৰ নামত যজ্ঞাহুতি দিব। আহুতি দিবলৈ গৰুৰ ঘি অবিহনে মহৰ ঘি, সুগন্ধ, সুমিষ্ট, গুৰ, চেনি, কিচমিচ আদিৰে আহুতি দিব। যথা সাধ্য এই দ্ৰব্য সমূহক লৈয়ে শুদ্ধভাৱে আহুতি দিব।



এই দ্ৰব্য সমুহৰ ভিতৰত সকলোখিনি দ্ৰব্য নাপালেও যিখিনি দ্ৰব্য সংগ্ৰহ কৰিব পৰি তাকে পৰমাত্মাৰ নামত আহুতি দিব।

# পাৰমাৰ্থিক ক্ৰিয়া

# (মনুষ্যৰ কৰিব লগীয়া প্ৰধান কৰ্ম্ম)

পৰমহংস শিৱনাৰায়ণ স্বামীৰ সময়ৰ পৰাই শিষ্যৰ পৰা শিষ্য মুখে মুখে পৰম পৰাগত ভাৱে প্ৰচলিত হৈ অহা যজ্ঞৰ সমিধ, যজ্ঞৰ প্ৰসাদবোৰ বনায় "যজ্ঞকুণ্ড" বনাব লাগে আৰু এই কুণ্ডৰ খৰিত অগ্নি প্ৰজ্বলন কৰি অগ্নি শিখাত ব্ৰহ্ম জ্ঞানৰে বিশ্বাস ৰাখি আৰু শ্ৰদ্ধা ভক্তি সহকাৰে অগ্নি ব্ৰহ্মক গায়ত্ৰী জ্ঞানৰে আহ্বান কৰিব।

" ওঁ আয়াহি বৰদে দেৱী,
ত্ৰয়ক্ষৰে ব্ৰহ্মবাদিনি,
গায়ত্ৰী ছন্দসাং মাতঃ
ব্ৰহ্মযোনি নমহস্ততে।।"

ইয়াৰ পিচত তলত উল্লেখীত ধৰণৰে প্ৰাৰ্থনা কৰিব লাগে।

হে পূৰ্ণ পৰমব্ৰহ্ম জ্যোতিঃ স্বৰূপ, জগতৰ গুৰু মাতা-পিতা, আত্মা পৰমাত্মা আপুনি নিৰাকাৰ, নিৰ্গুণ, আপুনিয়েই সাকাৰ, সগুণ, ত্ৰিগুণাত্মা চৰাচৰ জগতক লৈ নিজেই প্ৰত্যক্ষ পূৰ্ণৰূপে বিৰাজমান আছে, আপোনালৈ আমি বাৰংবাৰ প্ৰণাম কৰোঁ।

**হে মা**তা-পিতা আপোনাক অৰ্পণ কৰিবলৈ আমালোকৰ একো নাই। যৎকিঞ্চিৎ যি দ্ৰব্য সংগ্ৰহ হৈছে ইও আপোনাৰেই সৃজিত দ্ৰব্য আপোনাৰেই ৰূপ মাত্ৰ, আপোনিয়েই সকলো আমালোকে আপোনাৰ এই সৃষ্টিত দ্ৰব্য কেই

শান্তিৰে জীৱন যাপন কৰিব। মৃত্যুৰ সমন্ধে আৰু ভয় ভাৱ নাথাকিব সদায় পৰমাত্মাৰ ওচৰত নিষ্ঠা ভক্তি থাকিব।

২। যজ্ঞাহুতি দিলে ৰজা প্ৰজাৰ আৱশ্যক অনুসৰি প্ৰয়োজণীয় বৰষুণ হব। অন্ন, ফল, ফুল, বন, হাবি ইত্যাদি সৃষ্টি হব।

৩। যজ্ঞাহুতি দিলে এতিয়া যে, অন্ন, ফুল ফলবোৰত পোক পৰুৱাই খাইছে এইবোৰ নাথাকিব। শিলাবৃষ্টি, বানপানীৰ উপদ্ৰব নহব।

৪। মানুহে সুখ শান্তিৰে জীৱণ যাপন কৰিব। কোনো মানুহে অন্ন বস্ত্ৰ তথা যিকোনো বিষয়ত কষ্ট নাপাব।

৫। শুদ্ধ অন্ন উৎপন্ন হব।

৬। শীতল, সুগন্ধ বতাহ বলিব।

৭। ধুমুহা, বতাহ, ভুমিকম্প নহব। প্ৰকৃতিৰ কামবোৰ শান্তিৰূপে চলিব। অগ্নি ব্ৰহ্মাই কাকো উপদ্ৰৱ হবলৈ নিদিব, সকলোকে ৰক্ষা কৰিব।

৮। আয়ু বাঢ়িব আৰু নতুন ৰোগ, মৃত্যু আদিৰ ভয় নাথাকিব।

৯। মানুহ পগলা নহব, মহিলা সকলে সময় নহওতেই বিধৱা নহব, সময় মতে সন্তান তুলিব।

১০। বসন্ত বেমাৰত একো ভয়খোৱাৰ কাৰণ নাই, জ্যোতি স্বৰূপে ৰক্ষা কৰিব।

১১। অজ্ঞানৰ হেতু প্ৰত্যেকৰ বিৰোধ, এই সকলোবোৰ নাইকিয়া হৈ শান্তি হব।

১২। সংসাৰৰ দুখ দুৰ্গতি পৰব্ৰহ্মাই দুৰ কৰিব, একাযাৰে কবলৈ গলে যিকোনো বিঘ্ননাশ দুখ নিবৃত্তি আৰু সুখ প্ৰাপ্তি হব। যজ্ঞাহুতি নিদিলে তথা ইয়াৰ অকৰণে প্ৰতাৰণা আৰু কৰণে কল্যাণ। পুৰুষ মহিলা সকলো ব্যক্তিয়েই যজ্ঞাহুতি দিয়া অতি আৱশ্যক।

- পৰমহংস বাবা।



আপোনাৰ প্ৰিয় কৰ্ত্তব্যক জানি উত্তমৰূপে পালন কৰিবলৈ সক্ষম হও।

হে মাতা-পিতা আপুনি জগতৰ পৰা যুদ্ধ, বিগ্ৰহ, হিংসা, দ্বেষ, গ্লানি, প্ৰতাৰিত কৰি ধৰ্ম্মই ধৰ্ম্মই বিৰোধ ভাৱ উঠাই নি জগতত এক অখণ্ড শান্তি স্থাপন কৰক, নতুবা আপুনিত চিৰশান্তিময় শান্তিৰূপে আছে স্ত্ৰী-পুৰুষ জীৱ মাত্ৰকেই শান্তি প্ৰদান কৰক। আমালোকৰ মন পৱিত্ৰ কৰি জ্ঞান প্ৰদান কৰক যাতে আমালোকে জীৱাত্মা পৰমাত্মা অভিন্ন জ্ঞানবোধে পৰমানন্দে অৱস্থান কৰিব পাৰো আপোনাক আমালোকে পূৰ্ণৰূপত বাৰংবাৰ প্ৰণাম কৰো।

ইয়াৰ পিছত তলত লিখা মন্ত্ৰৰে অগ্নিকুণ্ডত অলপ অলপ পানী ছটিয়াই ৩ (তিনি) বাৰ শান্তি পানী দিব-

*ওঁ শান্তি ! ওঁ শান্তি ! ওঁ শান্তি !*

ইয়াৰ পিছত কৰজোৰে সকলোৱে সমস্বৰে তলত লিখা মন্ত্ৰৰে জয় ধ্বনি ঘোষণা কৰিব-

*ওঁ পূৰ্ণ পৰব্ৰহ্ম জ্যোতি:স্বৰূপৰ জয় (৩)*

*ওঁ চৰাচৰ ব্ৰহ্মৰ জয় (৩)*

ইয়াৰ পিছত শিৰনত কৰি ভুমি স্পৰ্শ কৰাকৈ শেষ নমস্কাৰ কৰিব।

ওঁ পূৰ্ণ পৰব্ৰহ্ম জ্যোতি:স্বৰূপায় নমো নমঃ (যজ্ঞ কৰ্ম্ম সমাপ্ত)

১। যজ্ঞাহুতি- এই ক্ৰিয়া প্ৰতিদিনে নিৰ্দিষ্ট সময় মতে আৰু নিয়ম মতে নিয়মানুবৰ্ত্তিতা বজাই ৰাখি কৰিব লাগিব। এই ক্ৰিয়া নিত্য নকৰিলে গৃহস্থ সকলোৰে দৈনন্দিন পাপ সঞ্চয় হয়। ই বেদ শাস্ত্ৰ সন্মত।

২। জপ- প্ৰতিদিন যিকোনো সময়ত প্ৰাণ বায়ুৰ লগত মনে মনে যিমান সময় সম্ভৱ "ওঁ সৎ গুৰু" মন্ত্ৰ জপ কৰিব লাগিব।

৩। পুৰ্ণ পৰব্ৰহ্মৰ প্ৰণাম বিধি- নিজৰ আত্মজ্ঞানে পূৰ্ণৰূপত কৰা আৱশ্যক। জ্যোতি স্বৰূপ চন্দ্ৰমা সূৰ্যনাৰায়ণ পৰমাত্মাৰ চকু, এই চকুৰ সন্মুখত শ্ৰদ্ধা ভক্তি প্ৰীতিৰ যোগে নম্ৰভাৱে কৰযোৰে মুৰ দোৱাই প্ৰণাম কৰিব। প্ৰতি দিন দুই সন্ধ্যাত সাকাৰ নিৰাকাৰ ভাৱ বা অৱস্থা পৰিবৰ্ত্তনৰ সময়ত বিনয় ভাৱে প্ৰণাম কৰিব। পৰমাত্মা দশ দিশেই পৰিপূৰ্ণ ৰূপে আছে, এতেকে জ্যোতি: অপ্ৰকাশ অৱস্থাত যিপিনে ইচ্ছা সেই পিনে মুখ কৰি প্ৰণাম কৰিব। প্ৰণাম কৰা

সময়ত এনেদৰে প্ৰাৰ্থনা কৰিব- হে পূৰ্ণ পৰব্ৰহ্ম জ্যোতি:স্বৰূপ মোৰ সকলো অপৰাধ ক্ষমা কৰক মাতা-পিতা। যাতে সৰ্ব্বদায় আপোনাক স্মৰণ কৰিব পাৰো।

৪। পৰমাত্মাৰ আদেশ- ৬টি আদেশ পালন কৰা নিতান্ত প্ৰয়োজন।

ক) সকলো প্ৰকাৰৰ ব্ৰহ্মাণ্ড পৰিস্কাৰ ৰাখিব।

খ) প্ৰত্যেক জীৱৰ পালন আৰু অভাৱ মোচনত যত্নবানহোৱা উচিত।

গ) অগ্নিত ভক্তিসহ সুমিষ্ট সুগন্ধ দ্ৰব্য নিজে দিব আনকো দিয়াব।

ঘ) ওঁকাৰ মন্ত্ৰ বা নাম জপ কৰি পূৰ্ণ পৰব্ৰহ্ম জ্যোতি:স্বৰূপক মাতিব।

ঙ) চকু বা মুৰত ভক্তিসহ জ্যোতি: ধাৰণ কৰিব।

চ) যি পূৰ্ণ বা সৰ্ব্বত্ৰ বিৰাজমান তেওঁত নিষ্ঠাবান হবা। মানুহ মাত্ৰই এই ৬টি আদেশ পালন কৰা কৰ্ত্তব্য। ইয়াৰ অতিৰিক্ত পৰমাত্মাৰ অন্য আদেশ বা প্ৰিয় কাৰ্য্য কৰ্ত্তব্য নাই। ইয়াৰ অতিৰিক্ত মানুহৰ জানিব লগীয়া বা কৰিব লগীয়া একোৱেই নাই। ইয়াৰ অতিৰিক্ত আড়ম্ভৰ আৰু কেৱল কষ্টৰ কাৰণ মাত্ৰ।

## যজ্ঞ কি?

ঈশ্বৰৰ প্ৰীতাৰ্থে আৰু চিত্ত শুদ্ধিৰ নিমিত্তে শাস্ত্ৰত যজ্ঞাহুতিৰ বিধি। যজ্ঞাহুতি বিভিন্ন প্ৰকাৰৰ। আমাৰ দৈনন্দিন জীৱনত কৰা সকলো কামেই যজ্ঞাহুতি। আপুনি যে, সুগন্ধ সুমিষ্ট দ্ৰব্য অগ্নিত আহুতি দিছে আৰু দিয়াইছে সেয়া প্ৰধান যজ্ঞ। এই যজ্ঞৰ পৰা বিঘ্ন নাশ দুখ নিবৃত্তি আৰু সুখ প্ৰাপ্তি হয়। ইয়াৰ দ্বাৰা অন্তৰ শুদ্ধ হৈ তেজ প্ৰকাশ আৰু জ্ঞান উদয় হয়। ইয়াৰ দ্বাৰা সময় মতে বৰষুণ হৈ জীৱবোৰৰ পালন হয়। এই কৰ্ম অতি প্ৰয়োজনীয় আৰু কৰা কৰ্ত্তব্য, ইয়াৰ অকৰণে প্ৰতাৰনা আৰু কৰনে কল্যাণ।



## “ সূৰ্য্য নাৰায়ণ ” অগ্নিত কিয় আহুতি দিব লাগে?

অগ্নি ব্ৰহ্মত আহুতি দিলে বায়ুমণ্ডল পৰিস্কাৰ আৰু জগতৰ হিত হয়। ইয়াৰ বিষয়ে জ্ঞানী সকলে ভালকৈ জানে। যেনে খেতিয়কে পৃথিবী তত্বত মাটি চাহ কৰি ধান ৰুয় পিচত তাত অঙ্কৰ হৈ গছ হয় তাৰ পিচত ফুল হৈ ফল অৰ্থাৎ ধান হয়। এহালিছা মাটিত চাৰি বা পাচ সেৰ ধান ৰুলে কুৰি পচিছ মোন ধান হয়। সেইদৰে অগ্নি তত্বত উত্তম উত্তম বস্তু আহুতি দিলে তাৰ ধোৱা আকাশত গৈ মেঘ হয়, তাতে দেৱতা তুষ্ট হৈ সময়ত বৰষুণ বৰ্ষন কৰে আৰু অন্ন উৎপন্ন কৰি প্ৰজাসকলক পালণ কৰে। যজ্ঞৰ ধোঁৱায় বায়ু পৰিস্কাৰ কৰে আৰু জীৱসমূহৰ শৰীৰ সবল সুস্থ হয়। অগ্নি জ্যোতি শিখাৰ দ্বাৰা অন্তকৰণ শুদ্ধ হয়। অন্তকৰণ শুদ্ধ হলে পৰমাত্মাৰ প্ৰতি শ্ৰদ্ধা, ভক্তি বাঢ়ে, কাৰণ দেখিবলৈ পোৱা যায় যে, অগ্নি ব্ৰহ্মত যি দ্ৰব্য দিয়া হয় সেই সকলোবোৰ দ্ৰব্য পুৰি ফুট ছাই পৰিনত হয় আৰু নিজৰ স্বৰূপত লয়কৰি অদৃশ্য নিৰাকাৰ ৰূপ লয়। এই দ্ৰব্য সমূহ কলৈ গল এই বিষয়ৰ প্ৰশ্নৰ উত্তৰ পাবলৈ হলে বিবেকৰ মাজত নিজে উদয় হয়। (সা. নি. ক্ৰি.)

## যজ্ঞাহুতিৰ ফল

ঈশ্বৰ সেৱা, অগ্নি ব্ৰহ্মত আহুতি দিলে কি ফল পোৱা যায়?

দুই বা তিনি বছৰ যজ্ঞাহুতি দি ইয়াৰ ফলাফল চাই লোৱা। সকলো ফলাফল পোৱা যায়, কিন্তু সকলো ফলাফলৰ বিষয়ে কোৱা জটিল।

১। যজ্ঞাহুতি দিলে ৰজা প্ৰজা সকলোৰে বুদ্ধি তীক্ষ্ণ আৰু শুদ্ধ হব। মন পবিত্ৰ হৈ জ্ঞান উদয় হব আৰু জ্ঞান হৈ নিষ্ঠা সততা হব, ভয়ভাৱ দুৰৈহে

গ্ৰহন কৰে। উলেখযোগ্য যে, যুৱ সমিতি গঠন হোৱাৰ পৰাই বিভিন্ন অঞ্চলৰ যুৱক যুৱতী সকলে মাছ, মাংস, মদ এৰি নিৰামিস হবলৈ ধৰিলে, নিত্য যজ্ঞ দিবলৈ ধৰিলে আৰু পুৰোহিত হব পৰাৰ শিক্ষা গ্ৰহন কৰিবলৈ ধৰিলে। এনে ধৰনৰ নৈতিক কৰ্ম্মসমূহে প্ৰায় সংখ্যক যুৱক যুৱতী সকলক সংস্কাৰ কৰি সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। সদৌ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদৰ প্ৰধান প্ৰচাৰক যোগেশ্বৰ ব্ৰহ্ম, উপ প্ৰধান প্ৰচাৰক মনোৰঞ্জন ব্ৰহ্ম আৰু বহুতো ধৰ্ম্মীয় গুৰু সকলে যুৱক যুৱতী সকলক ব্ৰহ্ম ধৰ্ম্মৰ পুৰোহিত হব পৰাৰ জ্ঞান দি আহিছে। ব্ৰহ্ম ধৰ্ম্মৰ প্ৰচাৰক আৰু কমিটিৰ বিষয়ববীয়া প্ৰতিনিধি সকলে ধৰ্ম্মৰ বিপ্লৱৰ সুচনা কৰিলে। সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতিৰ নামটো সলনি কৰি বৰ্ত্তমান সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতি নাম ৰখা হল। সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতিয়ে সমিতিখনক কটকটিয়া কৰিবৰ কাৰণে ইং ২০০০ চনত সমিতিৰ সংবিধানখন প্ৰকাশ কৰে। যজ্ঞ দিওতে সকলোকে এক সুৰে মন্ত্ৰ গাবলৈ "আহা আমি সকলোৱে এক সুৰে যজ্ঞ দিও" নামৰ উপাসনা পাঠ্য ইং ২০০১ চনৰ ১৫ ডিচেম্বৰত প্ৰকাশ কৰে।

অজিত বড়ো সভাপতি আৰু দিমুছা ব্ৰহ্মৰ সম্পাদক ৰূপে সভা পৰিচালনাত ২০০৪ চনত সমিতিৰ সংবিধানখন প্ৰকাশ কৰা হয়। এই সংবিধান আৰু উপাসনা পাঠ্যক সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিয়ে স্বীকৃতি দিয়ে।

ইং ২০০৯ চনৰ ৩০ চেপ্তেম্বৰ আৰু ১ অক্টোবৰ গহপুৰৰ দৈমালু চেন্টাৰত থকা ব্ৰহ্ম জ্যোতি সেৱাশ্ৰমত যুৱ সমিতিৰ কমিটিখন ভংগ কৰি নতুন কমিটি গঠন কৰাৰ উদেশ্যে দুদিনীয়া কাৰ্য্যসূচীৰে সভা অনুস্থিত কৰে। এই সভাত ৰৌতাৰ কামাখ্যা ব্ৰহ্ম আৰু গহপুৰৰ ৰনচাই বসুমতাৰীক যুৱ সমিতিৰ সভাপতি আৰু সম্পাদক ৰূপে বাছনী কৰে। উলেখযোগ্য যে, এই সভাতেই ব্ৰহ্ম ধৰ্ম্ম বৰ্ত্তমান, অতিত আৰু ভৱিষ্যৎ এই বিষয়ৰ ওপৰত বিষদ ভাৱে আলোচনা কৰা হৈছিল।



# মূখ পত্ৰ "দি ব্ৰহ্ম" প্ৰকাশ (ইং ২০০৭)

সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা কমিটিয়ে প্ৰথম অৱস্থাৰ পৰাই মূখ পত্ৰ প্ৰকাশ নকৰাত কমিটিৰ সকলো কাৰ্য্যবিৱৰণী সমূহ স্পষ্টভাৱে লিপিবদ্ধ কৰি ৰাখিব পৰা নগল। ইং ২০০৭ চনৰ পৰা বিৰেন্দ্ৰ চন্দ্ৰ ব্ৰহ্ম সভাপতি আৰু ৰজনি কান্ত ব্ৰহ্ম সম্পাদক তেখেত সকলৰ পৰিচালনাত কমিটিৰ বছৰেকীয়া মূখ পত্ৰটি কাৰ্বিআংলংত ৩২তম বাৰ্ষিক অধিবেশনত প্ৰকাশ কৰিছিল। মূখ পত্ৰটিৰ নাম **'দি ব্ৰহ্ম'** নাম ৰখা হৈছিল। কোকৰাঝাৰ গাৰ্লছ কলেজৰ লেকচাৰাৰ অজিত বড়োক **'দি ব্ৰহ্ম'** মূখপত্ৰৰ প্ৰথম মুখ্য সম্পাদক ৰূপে আৰু অমৰেন্দ্ৰ ব্ৰহ্মক সভাপত্তি ৰূপে দায়িত্ব অৰ্পন কৰা হৈছিল।

# গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা (ইং ২০০৯)

ইংৰাজী ১৮৬০ চনৰ ১৮ এপ্ৰিলত জন্ম গ্ৰহন কৰা খৌলা মেচ আৰু ৰন্দিনি মেচৰ পুত্ৰ কালিচৰণ মেচ যাক আমি বৰ্ত্তমানলৈকে গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বুলি জানোঁ তেওঁ বড়ো জাতিক জীৱিত কৰি ৰাখিবলৈ আৰু বড়ো জাতিৰ কলা সংস্কৃতি যুগমীয়া কৰিবলৈ ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰি 'ধৰ্ম্ম গুৰু' হোৱা মাত্ৰ উদেশ্য নাছিল। গুৰুদেৱে ধৰ্ম্ম প্ৰচাৰ কৰাৰ লগতে বড়ো সকলক অৰ্থনৈতিক, শিক্ষানীতি, সমাজনীতি আৰু ৰাজনৈতিক দিশত সচেতন কৰি তুলিছিল। আজি আমি তেওক সকলোৱে গুৰুদেৱ কালিচৰণ নামেৰে জানো আৰু গুৰুদেৱ উপাধিৰে তেওৰ আদৰ্শবোৰ পালন কৰি আহিছো, শ্ৰদ্ধা কৰিছো আৰু প্ৰচাৰ কৰিছোঁ। তেওৰ সকলো বিষয়ৰ কৰ্ম্মৰ কাৰণে তেখেতক সন্মানীয় বঁটা দিবলৈ অসম চৰকাৰে ইং ২০০৯ চনৰ ৫ ফেব্ৰুৱাৰীত (বৃহস্পতিবাৰ) কালিচৰণ ব্ৰহ্ম বটা দিবলৈ ঘোষনা কৰে। এই বঁটাৰ সৈতে ২ (দুই) লাখ টকা নগদ আছিল। ইং ২০০৯ চনৰ ১৮ জুলাই শনিবাৰ গুৱাহাটিৰ ৰবিন্দ্ৰ ভৱনত ড প্ৰমোদ চন্দ্ৰ

ভট্টাচাৰ্য্যক অসমৰ মুখ্য মন্ত্ৰী মাননীয় তৰুন গগৈৰ হাতেৰে এই বটা প্ৰথম বাৰৰ বাবে দিয়া হৈছিল। এই বটাৰ যোগেদি গুৰুদেৱৰ চিন্তা চৰ্চা আৰু কৰ্ম্ম সমুহৰ পৰা আমাৰ শিকিব লগীয়া বহুতো বিষয় আছে আৰু তেখেতৰ আদৰ্শসমূহ বড়ো জাতিক যুগমীয়া কৰাৰ এক চিৰস্মৰণীয় স্তম্ভ।

## গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা (ইং ২০১৪)

গুৰুদেৱ কালিচৰণ ব্ৰহ্ম কেৱল ব্ৰহ্ম ধৰ্ম্মৰ গুৰুয়েই নাছিল। তেওঁ এজন সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু ধৰ্মসংস্কাৰক আছিল। সমাজ পৰিবৰ্ত্তনৰ বাবে গুৰুদেৱে কাম কৰি গৈছিল। সেয়েহে অসমীয়া সমাজখনে গুৰুদেৱৰ অৱদানক গভীৰ ভাৱে আদৰি লৈছে। গুৰুদেৱ কালিচৰণ ব্ৰহ্মাৰ এই মহান অৱদানৰ কাৰণে অসম চৰকাৰে বিশিষ্ট ভাষাবিদ, গৱেষক, শিক্ষাবিদ ড: সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীক "কালিচৰণ ব্ৰহ্ম বঁটা" প্ৰদান কৰে। এই বটাৰ সৈতে নগদ দুই লাখ টকা, চেলেং চাদৰ, শঁৰাই, প্ৰশস্তি পত্ৰযুক্তৰে অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত তৰুন গগৈয়ে যোৱা ২৮ ফেব্ৰুৱাৰী, শনিবাৰে গুৱাহাটিৰ ৰবিন্দ্ৰ ভৱনত অনুষ্ঠিত এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰে। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বটাৰ পৰা আমাৰ বহুতো শিকিব লগীয়া আৰু জানিব লগীয়া আছে। তেওঁৰ এই মহান অৱদানৰ কাৰণেই আজি বড়ো জাতি নিষ্পেষিত, লাঞ্চিত, শোষিত আৰু বঞ্চিতৰ কৰাল গ্ৰাসৰ পৰা মুক্তহৈ জীয়াই থকাৰ এক সুগম পথৰ অৱলম্বন কৰিবলৈ সক্ষম হৈছে।



## সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতি (ইং ২০০০)

ইং ২০০০ চনৰ ফেব্ৰুৱাৰী মাহত ১৭, ১৮ আৰু ১৯ তাৰিখ তিনিদিনীয়া কাৰ্য্যসূচীৰে সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিয়ে প্ৰবীন কুমাৰ ব্ৰহ্মাৰ পৰিচালনাত ব্ৰহ্ম ধৰ্ম্ম সমিতিৰ ৰূপালী বৰ্ষ (পচিশ তম্ বাৰ্ষিক অধিবেশন) পুতি পূৰ্ব্বৰ নলবাৰী বৰ্ত্তমান বাক্সা জিলাৰ মুছলপুৰত অনুস্থিত কৰিছিল। এই অধিবেশনৰ শেষ দিনা তথা ১৯-০২-২০০০ যুৱ সমিতি নামে কমিটি গঠন কৰি দিয়ে। এই কমিটিখন গঠন কৰিছিল সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিৰ উপ-সভাপতি তেখেত সুনিল ব্ৰহ্ম মোছাহাৰীৰ সভা পৰিচালনাত। কলিকতাৰ বলায় পাল দেৱে আৱশ্যকীয় পৰামৰ্শ আগবঢ়াইছিল।

সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতিৰ প্ৰথম বিষয়ববীয়া সকল হল যেনে- অজিত বড়ো, এম.এ.বি.এড (গহপুৰ)- সভাপতি, বিশ্বজিত ব্ৰহ্ম, বি.এ.এল.এল.বি (ওদালগুৰী)- উপ-সভাপতি, জাখাংসা ব্ৰহ্ম, বি.এ. (ৰৌতা)- সম্পাদক, নবিন বৰগয়াৰী আৰু কুশল ব্ৰহ্ম- সহ-সম্পাদক সকল, অনসুৰাম নাৰ্জাৰী-সম্পাদক সংস্কৃতি বিভাগ, বিউতি দৈমাৰী আৰু চম্পাৱতী ব্ৰহ্ম- সহ-সম্পাদক সকল সংস্কৃতি বিভাগ, নিজোম নাৰ্জাৰী এম.এ.- সম্পাদক সাহিত্য বিভাগ, যাদব বসুমতাৰী, বি.এ.চি- অৰগেনাইজিং সম্পাদক, বৈদ্যনাথ ব্ৰহ্ম আৰু ৰহেন বসুমতাৰী- সহ অৰগেনাইজিং সম্পাদক সকল, জয়ন্ত নাৰ্জাৰী, বি.এ.- সম্পাদক চচিয়েল চাৰ্ভিচ, মাইদাংশ্ৰী বসুমতাৰী - সহ সম্পাদিকা চচিয়েল চাৰ্ভিচ।

ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য, বড়ো সমাজ সংস্কাৰ কাৰ্য্যবোৰত বৰ্ত্তমান লৈকে যুৱ সমিতিয়ে সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিক সহায় সহযোগীতা আগবঢ়ায় আহিছে। যুৱ সমিতি গঠন কৰা লগে লগে গহপুৰ, ওদালগুৰি, হৰিশিঙা, ৰৌতা, ঢেকীয়াজুলি, মাজবাট, ৰাঙাপাৰা, দৰং জিলা, শোণিতপুৰ, কাৰ্বিআংলং আৰু অনান্য জিলা সমুহৰ যুৱক যুৱতী সকলে ব্ৰহ্ম ধৰ্ম্মৰ দীক্ষা গ্ৰহন কৰি ব্ৰহ্ম ধৰ্ম্ম উপাসনা কৰে আৰু প্ৰচাৰ কাৰ্য্যত সক্ৰীয় ভাৱে অংশ

সমূহৰ উদেশ্য একেশ্বৰণৰ তথা ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ কৰি সমাজ সেৱা কৰা, স্বভাৱ চৰিত্ৰ গঠনত সহায় সহযোগীতা কৰা আৰু আত্মা মুক্তিৰ হকে ঈশ্বৰ সেৱাৰ প্ৰতি পৰামৰ্শ আগবঢ়োৱা।

উলেখযোগ্য প্ৰতিনিধি সকলৰ চিন্তাচৰ্চা সমূহ একত্ৰিত নোহোৱা হেতুকে মহিলা সমিতিয়ে কাৰ্য্যপন্থা আগভাগ লোৱাত যথেষ্ট পলম হৈছিল। সভানেত্ৰী দবেশ্বৰী ব্ৰহ্মৰ অন্তৰত স্বৰূপ স্থিতিৰ পক্ষে সমৰ্থন আছিল কিন্তু প্ৰায় মহিলা সকলে সন্তোষ্ট নোহোৱাত ইং ২০০৭ চনৰ ২৩ মাৰ্চত সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা কমিটিৰ বাৰ্ষিক অধিবেশনত কাৰ্বিআংলংত বেলশ্ৰী নাৰ্জাৰীক সভানেত্ৰী, নিলিমা ব্ৰহ্মক উপ সভানেত্ৰী, কমলা ব্ৰহ্মক সম্পাদিকাৰ দ্বায়িত্ব প্ৰদান কৰি মহিলা সমিতিখন পুনৰ গঠন কৰা হৈছিল।

## গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ উপদেশ সমূহ

১। গ্ৰাৰ্হস্থ ধৰ্ম্ম পালন কৰাৰ সমান আৰু ভাল ধৰ্ম্ম নাই। ঈশ্বৰ উপাসনা, ত্যাগ কৰা, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধানোহোৱা, নাবালকৰ প্ৰতি দয়া মমতা নোহোৱা সকলো ক্ষেত্ৰতে বেয়া, দুখ, ৰোগ, ব্যাধি দুৰ্গতি অন্তনোহোৱা হৈছে।

২। বড়ো সকলৰ ঘৰত মদ থাকে মানে উন্নতিৰ পথত আগবাঢ়িব নোৱাৰিব। মদ্যপান কৰা মানে লক্ষীহানি, মানহানি আৰু অৰ্থ হানি।

৩। সুখ দুখ আদিত জ্যোতি স্বৰূপ পিতা মাতাৰ পৰিবৰ্ত্তে ওঁ সৎ গুৰুকৈ উপাসনা কৰা। দুখ দুৰ্গতিত আহুতি দিয়া বেমাৰ চিনি ঔষধ দিয়া হাতে কামে কৰি মেলি খাবা। টকা, পইছা, কাপোৰ কানি, শাক পাচলি কচু জলকীয়া, নিমখ আদিৰ অভাৱত দুখ নোলোবা।

৪। বড়ো সকল আপোনালোকে চোৰ, ডকাইত, গুণ্ডা, আদি নকৰিবা। কোনোবা খেতিয়ক, কোনোবা চাকৰি, কোনোবা ব্যৱসায়ী কৰা, বোৱা কটা শিকা, সকলোৱে শিক্ষিত হোৱা।



## যুৱ সমিতিৰ লক্ষ্য আৰু উদেশ্য সমূহ তলত উল্লেখ কৰা হল-

**১। দীক্ষা গ্ৰহন**:- যুৱক যুৱতী সকলৰ সামাজিক প্ৰতিবন্ধক মনক সংযম কৰিবলৈ, ঈশ্বৰৰ প্ৰতি আস্থা ভাজন হবলৈ আৰু ব্ৰহ্ম ধৰ্ম্মক প্ৰচাৰ কৰিবলৈ প্ৰত্যেকজন যুৱক যুৱতী সকলক ব্ৰহ্ম ধৰ্ম্ম তত্ব সমূহৰ জ্ঞান আহৰণ কৰোৱা আৰু দীক্ষা গ্ৰহন কৰা।

**২। অন্ধ বিশ্বাস**:- অন্ধ বিশ্বাস যেনে- বলি দি দেৱতা উপাসনা কৰা, ডাঙৰ ডাঙৰ গছ আৰু শিল সমূহক ঈশ্বৰ বুলি উপাসনা কৰা আৰু সমাজৰ আবৰ্জনা যেনে- বাল্য বিবাহ, মহিলা সকলে পুৰোহিত হব নোৱাৰা বিয়াত কন্যা ঘৰীয়াই ধন দাবী কৰা আৰু অনান্য আবৰ্জনাবোৰ শেষ কৰা। এনে ধৰনৰ বিশ্বাস আৰু সমস্যাক ব্ৰহ্ম ধৰ্ম্মৰ দৰ্শণে অন্ধবিশ্বাস আৰু সমাজৰ এক বৃহৎ সমস্যা বুলি গন্য কৰে।

**৩। মুৰ্ত্তি পূজা বন্ধ কৰা**:- মুৰ্ত্তি পূজা, মৃত্যু ব্যক্তিৰ ফটো, তথা মুৰ্ত্তি পূজা ব্ৰহ্ম ধৰ্ম্মৰ নীতি নহয় আৰু ইয়াক বিশ্বাস নকৰে। এই সমস্যা সমূহ দুৰ কৰি সকলোকে যজ্ঞাহুতি দিবলৈ শিকোৱা।

৪। **(জৌনি পুখুৰী, ঔংখামনি আলি, বেদৰনি আখাই) "মদৰ পুখুৰী, ভাতৰ আলি, মাংসৰ থালি", বেদৰনি আখাই নীতি সমাপ্ত কৰা**:- বিবাহ, ঈশ্বৰ উপাসনা, হাৰীয়া আৰু বিভিন্ন তিথি সমূহত নিচাযুক্ত দ্ৰব্য আৰু মাছ, মাংস, মদ খায়বৈ আনন্দ উলাহ কৰাৰ পৰিবৰ্ত্তে যজ্ঞনীতিৰ দ্বাৰা কাৰ্য্য সমাধা কৰা।

**৫। নিৰামিষ ভোজন**:- সকলো পুৰোহিত, ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰক আৰু যুৱক যুৱতী সকলক নিৰামিষ ভোজন কৰোৱা আৰু যজ্ঞ দিয়াৰ পিচত মান হিচাপে মদ, মাংস, মাছ খায়বৈ সন্তোষিত হোৱা আৰু টকা পইচা তথা অন্য বস্তু

দাবি কৰি লোৱা প্ৰথা বন্ধ কৰা।

**৬। ধৰ্মীয় পুথি প্ৰকাশ কৰা**:- ব্ৰহ্ম ধৰ্ম্মক চৌদিশে সক্ৰীয় ভাৱে প্ৰচাৰ কৰিবলৈ ব্ৰহ্ম ধৰ্ম্মৰ ৬ খন পুথিৰ উপৰিও অনান্য ধৰ্ম্মীয় পুথি সমূহক বড়ো ভাষাত অনুবাদ কৰা আৰু প্ৰচাৰ কৰা।

**৭। দুষিত বাতাবৰণ**:- যজ্ঞাহুতি দিলে সুগন্ধ, সুমিষ্ট, ফল মুল ঘি আদিৰ পৰা সুগন্ধি ধোৱা উৎ পন্ন হয় আৰু দুষিত বায়ু পৰিস্কাৰ হৈ গছ গছনি, জীৱ জন্তু, মানুহক ৰুগীয়া, নৰিয়া আৰু বিপদৰ পৰা ৰক্ষা কৰে। সেইকাৰণে জগতৰ প্ৰতিটো পৃথক ধৰ্ম্ম, জাতি, ভাষাৰ সভ্য সকলক প্ৰত্যেকেই প্ৰত্যেকক পৃথক নাভাৱি একত্ৰিত হৈ জগতৰ কল্যানৰ হকে যজ্ঞাহুতি দিয়োৱা।

**৮। মূখ্য (কেন্দ্ৰীয়) সমিতিৰ প্ৰতি সহায় সহযোগীতা**:- ব্ৰহ্ম ধৰ্ম্মক সংস্কাৰ কৰাত সদৌ ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিক সহায় কৰা। তেখেত সকলৰ সংবিধান মতে কাৰ্য্য কলাপ সমাধান কৰা।

**৯। পুৰোহিতৰ জ্ঞান আহৰণ**:- যুৱক, যুৱতী, পুৰুষ, মহিলা সকলোকে সমান ভাৱে পুৰোহিত হবলৈ আৰু ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ সুযোগ সুবিধা দিয়া। কিয়নো তিৰোতা সকলে পুৰোহিত হব নোৱাৰা বাক্যশাৰী এতিয়াও আমাৰ মাজত আছে।

**১০। পৰমাত্মাৰ উপদেশ পালন কৰা**:- পৰমাত্মাৰ ৬টি উপদেশ প্ৰত্যেক জনগণই আৰু যুৱক যুৱতীসকলক পালন কৰিবলৈ পৰামৰ্শ দিয়া। এই ৬টি উপদেশবোৰ হল-

ক) ব্ৰহ্মাণ্ড পৰিস্কাৰ পৰিচন্নতাকৈ ৰাখিব লাগে।

খ) সকলো জীৱৰ পিয়াহ ভোক আদি প্ৰয়োজনীয় অভাৱ পূৰণ কৰা।

গ) সত্যৰ প্ৰতি আস্থা ৰাখি সুগন্ধ, সুমিষ্ট, ফল, মূল, ঘি আদিৰে আহুতি দিব লাগে আৰু আনকো দিয়াব লাগে।

ঘ) ওঁ কাৰ মন্ত্ৰৰ সৈতে জপ কৰি পৰমব্ৰহ্মক মাতিব লাগে।

ঙ) চকু তথা তালুত বিশ্বাসৰে জ্যোতি ধাৰণ কৰিব লাগে।

চ) যি সত্য আৰু পূৰ্ণ তেওতে নিজক অৰ্পন কৰিব লাগে তথা নিস্তাবান হব লাগে।



১১। মানৱ সেৱা- আলোচনাৰ যোগেদি লিখা পঢ়া নজনা লৰা ছোৱালী আৰু প্ৰাপ্তবয়স্ক সকলক শিক্ষা দিয়া, কৃষক, ব্যৱসায়, ধৰ্ম্ম নীতি ইত্যাদি বিষয়ৰ জ্ঞান, শিক্ষা, সচেতন আৰু পৰামৰ্শ দিয়া। গছপুলি ৰোপন কৰা আৰু ৰোবলৈ পৰামৰ্শ দিয়া, মদ বনোৱা, বিক্ৰীকৰা আৰু মদ্যপান কৰাবোৰ বন্ধকৰা ইত্যাদি।

# সদৌ ব্ৰহ্ম ধৰ্ম্ম মহিলা সমিতি
# (ইং ২০০২)

গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আদৰ্শসমূহ আগতলৈ লৰা ছোৱালীবোৰৰ স্বভাৱ চৰিত্ৰ গঠন কৰা, ঘৰত মদ বনোৱা খোৱা বন্ধ কৰিবলৈ ঘৰখনত এক শান্তিৰ পৰিবেশ সৃষ্টি কৰিবলৈ মহিলা সকলক ব্ৰহ্ম ধৰ্ম্ম গ্ৰহন কৰোৱা, ব্ৰহ্ম ধৰ্ম্ম সংস্কাৰ কৰা আৰু প্ৰচাৰ কাৰ্য্যক সক্ৰীয় কৰি তুলা এই উদ্দেশ্য সমূহকলৈ সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতিয়ে ইং ৩০-০৩-২০০২ তাৰিখ ৰাতিপূৱা ৮ বজাত কমিটিৰ ২৭ তম, বাৰ্ষিক অধিবেশনৰ দৰং জিলাৰ ওদালগুৰি খাজিয়ামাটিত সদৌ অসম ব্ৰহ্ম ধৰ্ম্ম মহিলা সমিতি গঠন কৰে। এই সমিতিৰ প্ৰধান বিষয়ববীয়া সকল হল-

দবেশ্বৰী ব্ৰহ্ম, বঙাঁইগাৰ (সভানেত্ৰী)

নিলিমা ব্ৰহ্ম, কাৰ্বিআংলং (সম্পাদিকা)

আৰতী ব্ৰহ্ম, গুৱাহাটি (ধন ভঁৰালী)

গুৰুদেৱৰ মৃত্যুৰ প্ৰায় ৩০ বছৰৰ পিচত যিমানবোৰ ধৰ্ম্মীয় কমিটি গঠন হৈছিল যেনে- সদৌ ব্ৰহ্ম ধৰ্ম্ম সমিতি, সদৌ ব্ৰহ্ম ধৰ্ম্ম যুৱ সমিতি, সদৌ ব্ৰহ্ম ধৰ্ম্ম মহিলা সমিতি গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্ট, ব্ৰহ্ম ধৰ্ম্ম প্ৰচাৰ সংসদ আৰু বহুতো প্ৰাথমিক সমিতি, এইবোৰ সমিতি গুৰুদেৱৰ প্ৰকৃত দৰ্শন, আদৰ্শ আৰু প্ৰকৃত কৰ্ম্মৰাজিৰ পৰা উদ্ভৱ হোৱা পৰামৰ্শ মূলক অৱদান। এই সমিতি

৫। আই মাতৃ সকলেও ঈশ্বৰ উপাসনা কৰা, কণ কণ লৰা ছোৱালী সকলক দয়া কৰা আৰু দয়া কৰিবলৈ শিকোৱা। সত্য কথা কবা আৰু কবলৈ শিকাবা। নিজৰ নিজৰ স্বামীক মান কৰিবা আৰু মৰম যাচি শান্তিৰে জীৱন যাপন কৰা।

৬। নিজৰ নিজৰ শৰীৰ, ঘৰ দুৱাৰ, কাপোৰ কানি, কাঁহী বাতি পৰিস্কাৰকৈ ৰাখিবা। ধান এমুঠি, গৰু এজনী, টকা পইচাৰ প্ৰতি যত্নবান হবা। জাতিৰ উন্নতিৰ হকে চিন্তা কৰিবা।

৭। কুকুৰা, পাৰ বলিদি ঈশ্বৰ উপাসনা কৰা মহাপাপ। কুকুৰা, পাৰ বলি দিয়ে কিন্তু তেজ শুকায় যায়, মাথা, মাংস মানুহে খায়। আশীৰ্বাদ খুজি নাপায়, দুখ দুৰ্গতিত ঈশ্বৰকহে চিন্তা কৰে, যিজনে যিমান দেৱতা পূজা কৰে তাৰ সিমানেই দুখ দুৰ্গতিৰ অন্ত নোহোৱাহে পৰে।

৮। শিক্ষা অবিহনে এজন ব্যক্তি কেতিয়াও কৃতকাৰ্য্যতা হব নোৱাৰে, তাৰ সমাজ ব্যৱস্থাৰো উন্নয়ণ নহয়।

ওঁ শান্তি ! ওঁ শান্তি !! ওঁ শান্তি !!!

■■■

## অনুবাদকাৰীৰ পৰিচয়

*নামঃ- শ্ৰীবীৰেন বসুমতাৰী*
*ঠিকনাঃ- গহপুৰ, শোণিতপুৰ*
*শিক্ষাগত অৰ্হতাঃ- স্নাতক*
*কৰ্ম সংস্থাপনঃ- জলসম্পদ বিভাগ চতুৰ্থবৰ্গ*

*অনুবাদকাৰীৰ প্ৰকাশিত পুথিসমূহ*

*১। লক্ষী বিমানি আখল আখু, ২০১৪, ২০১৫*
*২। মন্দিৰ, ২০১৫*
*৩। জুলি আৰু জৌনাম, ২০১৫*
*৪। সান্থৌ বিজিৰনায়, ২০১৫*
*৫। মুক্তিনি ৰাহা লামা, ২০১৫, ২০১৬*
*৬। গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আত্মা জীৱনী, ২০১৭*
*(অসমীয়া অনুবাদ)*



## সহায় লোৱা পুথি সমূহ


| *পুথিৰ নাম* | *লিখক/প্ৰকাশক* |
|---|---|
| ১। পৰমহংস কালিচৰণ গুৰুদেৱ ১৯৫৭ | চত কালিচৰণ ব্ৰহ্ম |
| ২। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম (অসম সাহিত্য সভা ১৯৮৩) | দেবেন্দ্ৰ নাথ শৰ্মা |
| ৩। বড়ো সকলৰ কিছুমান গুনী মানী ব্যক্তিৰ চমু আত্মা জীৱনী, ২০০৩ | বিদ্যাসাগৰ নাৰ্জাৰী |
| ৪। অমৃত (আলোচনী) ২৯তম বাৰ্ষিক অধিবেশন গহপুৰ আঞ্চলিক ব্ৰহ্ম ধৰ্ম্ম পৰিচালনা সমিতি- ২০০৪ | যোগেশ্বৰ ব্ৰহ্ম |
| ৫। শ্ৰীমত কালিচৰণ ব্ৰহ্ম জীৱনী- ১৯৯৫ | ড. কামেশ্বৰ ব্ৰহ্ম |
| ৬। গুৰুদেৱ কালিচৰণ ব্ৰহ্ম (২০০৩) | বিদ্যাসাগৰ নাৰ্জাৰী |
| ৭। বড়ো সকলৰ পাণ্ডুলিপি (২০০৫) | বিদ্যাসাগৰ নাৰ্জাৰী আৰু মালাবিকা মিত্ৰা |